● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

মোৰ লক্ষ্য আনতকৈ ভাল হোৱাটো নহয়; বৰঞ্চ মই কালি যি আছিলো আজি তাতকৈ ভাল হোৱাটোহে।

ৱেইন ডায়াৰ
*মাৰ্কিন লেখক*



৭ ২৫০ কোটি লোক হ'ব পাৰে শ্ৰৱণশক্তিহীন
১৫ খেলো ইণ্ডিয়াত অসমৰ মধুমিতাৰ ব্ৰঞ্জ
৪ আকৌ সাংবিধানিক ৰক্ষাকবচ প্ৰসংগ আকৌ খিলঞ্জীয়াৰ প্ৰভুত্বৰ শ্ল'গান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫৩তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৮ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২৩ জুন ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Thursday 23 June 2022 মূল্য ঃ ৯.০০ টকা

■ চলিত বানৰ প্ৰাৰম্ভিক হিচাপত আন্তঃগাঁথনিতে কমেও পাঁচ হেজাৰ কোটি টকাৰ ক্ষয়-ক্ষতি
■ দিছপুৰে বিচাৰিলেও ধন নিদিয়ে দিল্লীয়ে ■ বাজেটতো প্ৰতি বছৰে হ্ৰাস ধাৰ্য পুঁজিৰ পৰিমাণ

# বৃহৎ ক্ষতিৰ বিপৰীতে কেন্দ্ৰৰ ললীপপ



*বানাক্ৰান্ত অঞ্চলৰ পৰা কণমানি শিশুক উদ্ধাৰ কৰিছে এনডিআৰএফৰ জোৱানে, মঙলদৈত বুধবাৰে।*

**২০২০-২১ত অসম চৰকাৰে বিচৰা ২৬৪২ কোটিৰ বিপৰীতে কেন্দ্ৰই দিলে মাত্ৰ ৪৫ কোটি**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুন ঃ** ৰাজ্যত অব্যাহত আছে চলিত বছৰৰ দ্বিতীয় বানৰ ধ্বংসলীলা। বাসস্থান, খেতিপথাৰ, পথ, দলং, শিক্ষানুষ্ঠান, মথাউৰি আদিকে ধৰি সকলো বানৰ ধ্বংসলীলাৰ গ্ৰাসত পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰাথমিকভাৱে উলিওৱা হিচাপ অনুসৰি দ্বিতীয় বানত এই পৰ্যন্ত কমেও পাঁচ হেজাৰ কোটি টকাৰ অকল ৰাজহুৱা সম্পত্তিয়েই নষ্ট হৈছে। এই সম্পত্তিৰ ভিতৰত আন্তঃগাঁথনিৰ লগত জড়িতৰ সংখ্যাই সৰ্বাধিক। প্ৰাধিকৰণৰ সূত্ৰই সদৰী কৰা অনুসৰি আন্তঃগাঁথনিৰ ভিতৰত পথ, দলং, মথাউৰি, বান্ধ আদি ৰাজহুৱা সম্পত্তি সৰ্বাধিক নষ্ট হয়। উক্ত হিচাপত ক্ষতিগ্ৰস্ত হোৱা ব্যক্তিগত সম্পত্তিৰ তথ্য অন্তৰ্ভুক্ত হোৱা নাই। ব্যক্তিগত সম্পত্তিৰ হিচাপ স্পষ্ট নোহোৱা বাবেই ক্ষতিৰ পৰিমাণ ধাৰণা কৰাটো সম্ভৱ নহয়। যি হাৰত ৰাজহুৱা সম্পত্তি বানত ক্ষতিগ্ৰস্ত হয়, তাৰ আধাৰত নষ্ট হোৱা ব্যক্তিগত সম্পত্তিৰ পৰিমাণো যথেষ্ট বেছি *১০ পৃষ্ঠাত চাওক*

---

একেদিনাই মহানগৰীত পাঁচটা মৃতদেহ উদ্ধাৰ

## ছাত্ৰাবাসৰ চিৰিত পৰি ৰহস্যজনক মৃত্যু ছাত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুন ঃ** দৈনিক এটাৰ পাছত আন এটা অপৰাধৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰি অহা ৰাজধানী মহানগৰীত আজি আৰক্ষীয়ে উদ্ধাৰ কৰে পাঁচটাকৈ মৃতদেহ। ইয়াৰ গড়চুক আৰক্ষী থানাৰ অন্তৰ্গত লখৰাস্থিত ছাই বিকাশ কনিষ্ঠ মহাবিদ্যালয়ৰ এগৰাকী একাদশ বৰ্ষৰ ছাত্ৰীৰ ছাত্ৰাবাসৰ তৃতীয় মহলাৰ পৰা চিৰিত পৰি মৃত্যু হোৱাৰ বিপৰীতে হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মিনহাচ পথৰ ভাড়াঘৰত এগৰাকী তৃতীয় লিংগৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াৰ উপৰি সাতগাঁও থানাৰ অন্তৰ্গত পুবেৰুণ নগৰৰ পথত এজন মেকানিকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই *আঠ পৃষ্ঠাত চাওক*

---

■ এইবাৰ প্ৰাকৃতিক দুৰ্যোগত জৰ্জৰিত তালিবানপীড়িত আফগানিস্তান ■ কম্পন অনুভূত পাকিস্তানতো ■ কম্বলেৰে মেৰিয়াই থ'লে শ শ মৃতদেহৰ শাৰী ■ মাটিৰ স্তূপত পৰিণত গৃহ

# বিধ্বংসী ভূমিকম্পত সহস্ৰাধিকৰ মৃত্যু



**ইতিমধ্যে চৰম দাৰিদ্ৰতাত ভোগা আওহতীয়া অঞ্চলত প্ৰকৃতিৰ মৃত্যুলীলা**

**■ নিউজ ব্যুৰ'**

**কাবুল, ২২ জুন ঃ** এক শক্তিশালী ভূমিকম্পত আফগানিস্তানত প্ৰাণ হেৰুৱালে সহস্ৰাধিক লোকে। বিধ্বংসী ভূমিকম্পই থেকেচি পেলালে তালিবানপীড়িত আফগানিস্তানক। এই ভয়াৱহ ভূমিকম্পৰ কম্পন অনুভূত হয় চুবুৰীয়া পাকিস্তানতো। ৬.১ ৰিখটাৰ স্কেলৰ এই ভূমিকম্পত প্ৰায় ১৫শজন লোক আহত হৈছে। আফগানিস্তানৰ এক আওহতীয়া সীমান্ত অঞ্চল এই ভূমিকম্পৰ উৎসস্থলী বুলি কোৱা হৈছে। আফগানিস্তান-পাকিস্তান সীমান্তৱৰ্তী খোস্ত চহৰৰ পৰা ৪৪ কিলোমিটাৰ দূৰত্বত *১০ পৃষ্ঠাত চাওক*

---

## কমেও পাঁচখন জিলাৰ বান পৰিস্থিতি জটিল হৈয়ে আছে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুন ঃ** বিশেষ কেইখনমান জিলাৰ বাদে ৰাজ্যৰ সামগ্ৰিক বান পৰিস্থিতি আজি কিছু উন্নত হয়। কাছাৰ-কৰিমগঞ্জ, হাইলাকান্দি, বৰপেটা, দক্ষিণ শালমাৰা আদি কেইখনমান জিলাত বান পৰিস্থিতি অদ্যাপি গুৰুতৰ হৈয়ে আছে। কাছাৰৰ পৰিস্থিতি শিলচৰকে ধৰি সকলোতে যথেষ্ট জটিল হৈ আছে। আনহাতে, পানী শুকাবলৈ আৰম্ভ কৰিলেও বৰপেটা আৰু দক্ষিণ শালমাৰাৰ নৈপৰীয়া আৰু ভিতৰুৱা অঞ্চলবোৰত এতিয়াও বহু *১০ পৃষ্ঠাত চাওক*


---

■ ছুৰাটৰ পৰা পুৱতি নিশা গুৱাহাটীলৈ স্থানান্তৰ শিৱসেনাৰ বিদ্ৰোহী মন্ত্ৰী-বিধায়কক ■ থাকৰে চৰকাৰৰ পতন সময়ৰ অপেক্ষা

## বানবিধ্বস্ত অসমৰ পৰাই চলিছে মহাৰাষ্ট্ৰত চৰকাৰ ভঙা-পতাৰ খেল

**ষ্টাফ ৰিপ'ৰ্টাৰ/নিউজ ব্যুৰ'**

**গুৱাহাটী/মুম্বাই/ছুৰাট, ২২ জুন ঃ** অসমীয়া অতিথিপৰায়ণ জাতি। সেই বাবেই নিজে বানপানীত ডুব গৈ থকাৰ পাছতো আতিথ্য দিছে মহাৰাষ্ট্ৰৰ প্ৰায় ৪০জন বিদ্ৰোহী শিৱসেনাৰ মন্ত্ৰী-বিধায়কক। অসমীয়াই আনক ঘৰ পাতিবলৈহে সহযোগ কৰি আহিছে যদিও শাসক সলনি *১০ পৃষ্ঠাত চাওক*



---

## কেন্দ্ৰৰ প্ৰতিনিধি, অসমৰ সন্তানৰূপে ৰাইজৰ দুৰ্দশাৰ বুজ ল'বলৈ আহিছো



**নগাঁৱত বান দুৰ্গতৰ কাষত সোণোৱাল**

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ জুন ঃ** কেন্দ্ৰীয় জাহাজ, বন্দৰ, জলপথ আৰু আয়ুষ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পুৱা নগাঁৱৰ দুৰ্গত ৰাইজৰ দুৰ্দশাৰ বুজ লয়। তেওঁ *১০ পৃষ্ঠাত চাওক*

---

## বানত উটি যোৱা যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২২ জুন ঃ** প্ৰলয়ংকৰী বানে উটুৱাই লৈ যোৱা এজন যুৱকৰ মৃতদেহ আজি যমুনামুখৰ কাষৰীয়া গৰুবন্ধা গাঁৱত উদ্ধাৰ হয়। যুৱকজনৰ নাম অজয় দাস। যমুনামুখ বালিৰাম গাঁৱৰ যুৱকজনক যোৱা ১৮ জুনত তীব্ৰবেগী পানীৰ সোঁতে উটুৱাই *১০ পৃষ্ঠাত চাওক*

---

**ৰেলেৰে আহি নগাঁৱত বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী শৰ্মাই**

## বানাক্ৰান্তই চকুলো টুকি দুৰ্দশাৰ কথা অৱগত কৰিলে, সাহায্যৰ প্ৰতিশ্ৰুতি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ জুন ঃ** হেলিকপ্টাৰ নহয়, আজি ৰেলেৰে আহি নগাঁও জিলাৰ আশ্ৰয় শিবিৰত থকা বান দুৰ্গত ৰাইজৰ দুৰ্দশাৰ বুজ ল'লে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি গুৱাহাটীৰ পৰা ৰেলযোগে আহি দুপৰীয়া প্ৰায় ডেৰ বজাত চাপৰমুখত উপস্থিত হয়। তেওঁ চাপৰমুখ ৰেল ষ্টেছনত আশ্ৰয় লৈ থকা সহস্ৰাধিক বানাক্ৰান্তৰ দুখ দুৰ্দশাৰ খবৰ লয় *১০ পৃষ্ঠাত চাওক*



---

## মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰে সাহসৰ অভাৱত

মুখ্যমন্ত্ৰীৰ স্বীকাৰোক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুন ঃ** ৰাজধানী মহানগৰীৰ কৃত্ৰিম বান প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰৰ হাতত প্ৰয়োজনীয় সমাধান সূত্ৰ আছে যদিও একমাত্ৰ ৰাজনৈতিক সাহসৰ অভাৱতে এই সন্দৰ্ভত কাৰ্যপন্থা হাতত ল'ব পৰা নাই বুলি মন্তব্য কৰিছে দীৰ্ঘসময় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰীৰ দায়িত্ব বহন কৰা *১০ পৃষ্ঠাত চাওক*

---


## বদৰপুৰত পুনৰ শিশু-মহিলাসহ ২৩ ৰোহিংগা নাগৰিক ধৃত

দুদিন পূৰ্বে গুৱাহাটীৰ পৰা আহিছিল

**বিশেষ সংবাদদাতা**

**কৰিমগঞ্জ, ২২ জুন ঃ** কৰিমগঞ্জ জিলাৰ বদৰপুৰত ২৩ জন সন্দেহজনক ৰোহিংগা বাংলাদেশী লোকক আজি আটক কৰিছে বিএছএফে। বিএছএফৰ চোৰাংচোৱা শাখাই আটক কৰা লোককেইজনৰ ভিতৰত তিনিটা শিশুসহ নগৰাকী মহিলাও আছে। দুদিন পূৰ্বে গুৱাহাটীৰ পৰা বদৰপুৰত উপস্থিত হৈছিল। মহাৰাষ্ট্ৰৰ *১০ পৃষ্ঠাত চাওক*

---



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৬° |
| ডিব্ৰুগড় | ৩২° | ২৫° |
| দিল্লী | ৩৫° | ২৮° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২৩° | ১৯° |

২২ জুন, ২০২২

---

## বানাক্ৰান্ত ১.৫৭ লাখ শিশুৰ বাবে বুধবাৰেও দিয়া নহ'ল খাদ্য

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ জুন ঃ** নগাঁও জিলাৰ কামপুৰ, ৰহা আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুই শতাধিক ৰাজহ গাঁৱৰ পাঁচ লক্ষাধিক লোকে বানৰ কৱলত পৰি সৰ্বস্ব হেৰুৱাই আশ্ৰয় শিবিৰ, ওখ ঠাই কিম্বা পথৰ দাঁতিত চৰম দুৰ্ভাৱনা আৰু দুঃচিন্তাৰ মাজেৰে দিন কটাবলগীয়া হৈছে। চৰকাৰী তথ্য অনুসৰি, জিলাখনত এই পৰ্যন্ত *আঠ পৃষ্ঠাত চাওক*

---

**■ মহানগৰীৰ নটা দিনতে ৮০টা ভূমিস্খলন**

## ৰাজ্যত মাত্ৰ ২৪ দিনত ১৯০টা ভূমিস্খলনত ১১ জিলাত মৃত্যু ১৭জনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুন ঃ** ৰাজ্যত বানপানীৰ সমান্তৰালভাৱে ভূমিস্খলনৰ ঘটনাই এক বিভীষিকাময় পৰিৱেশৰ সূচনা কৰিছে। বাৰিষাৰ দ্বিতীয়টো বানত ইতিমধ্যে বহু লোকে প্ৰাণ হেৰুওৱাৰ সমান্তৰালভাৱে ৫০ লক্ষাধিক লোকে ঘৰ-বাৰী এৰি নৰক যন্ত্ৰণাৰ মাজত দিন অতিবাহিত কৰিবলগীয়া হোৱাৰ সময়তে চলিত বৰ্ষৰ ২৪ দিনত ১৯০টা ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। চলিত বৰ্ষৰ ২৪ এপ্ৰিলৰ পৰা ২০ জুনলৈ এই তিনিমাহৰ ২৪ দিনত ৰাজ্যৰ ১২খন জিলাত উল্লিখিত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে, য'ত ১৭ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে অৰ্ধশতাধিক আহত হৈছে। তদুপৰি বৃহৎ পৰিমাণৰ সম্পত্তিৰ ক্ষতি হৈছে বুলি দুৰ্যোগ প্ৰশমন বিভাগে জনাইছে। *১০ পৃষ্ঠাত চাওক*

---

## কৰ্তৃপক্ষৰ গাফিলতিত কলাজল নৈৰ সোঁতত ছিঙিল মথাউৰি

হাজো-গুৱাহাটী পথত এককাল পানী

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি/হাজো, ২২ জুন ঃ** জলসম্পদ বিভাগ আৰু জিলা প্ৰশাসনৰ চূড়ান্ত গাফিলতিত কলাজল নদীৰ বাঢ়নী পানীৰ প্ৰৱল সোঁতত ছিঙি গ'ল পছৰীয়া-মলং সংযোগী আঠখন গাঁৱৰ ৰক্ষাকবচ মথাউৰিটো। যোৱা দুদিন ধৰি মথাউৰিৰ ওপৰেৰে পানী বাগৰি আছিল যদিও আজি পুৱা পানীৰ প্ৰৱল সোঁতে *আঠ পৃষ্ঠাত চাওক*

---

**চেঙা তেল**



*সৌৱা, পাহাৰত ঘৰ বান্ধি বৰ ফুটনি মাৰিছিল নহয়, এতিয়াহে গম পাইছে কি ভুল কৰিলে!*


---

**■ ৰাজ্যৰ সৰ্বত্ৰে বানপানীৰ বিভীষিকা ■ মোককচাঙত মেঘ-শূন্যৰ প্ৰভাৱ পৰিছে অসমত**

## অবিশ্বাস্যভাৱে শুকান ভোগদৈ নৈৰ ভৱিষ্যতক লৈ শংকাৰ সৃষ্টি

**■ যোগেশ ওজা**

**যোৰহাট, ২২ জুন ঃ** যোৰহাট নগৰৰ মাজেৰে নিৰৱধি বৈ যোৱা ঐতিহাসিক ভোগদৈ আজি ভৰ বাৰিষাতো জীৰ্ণ-শীৰ্ণ আৰু গতিও প্ৰায় স্তিমিত। যি সময়ত ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ অধিকাংশ নদ-নদীৰ জলপৃষ্ঠ ভয়ংকৰ ৰূপত বৃদ্ধি পাইছে আৰু ৩০ খনৰো অধিক জিলাত বানৰ সৃষ্টি কৰিছে, তেনে সময়ত ভোগদৈৰ এই শীৰ্ণকায় অৱস্থাই ৰাইজক ভবাই তুলিছে। নগালেণ্ডৰ পৰা বৈ অহা নদীখনৰ ভৱিষ্যতক লৈও শংকিত হৈছে সচেতন ৰাইজ। অনাগত দিনত ভোগদৈৰ মৃত্যু হ'ব *১০ পৃষ্ঠাত চাওক*





# দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৩ জুন, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## গুৰুজনা-সুধাকণ্ঠক লৈ কটু মন্তব্যৰ সন্দৰ্ভত তদন্ত ঘোষণা উপায়ুক্তৰ

### অসমীয়াৰ স্বাভিমানত আঘাত

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২২ জুন ঃ** বৃহত্তৰ অসমীয়া সমাজৰ স্বাভিমানত আঘাত কৰি গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু বৰেণ্য ব্যক্তি সুধাকণ্ঠৰ বিৰুদ্ধে এগৰাকী শিক্ষয়িত্ৰীয়ে কটু মন্তব্য কৰাৰ সন্দৰ্ভত আজি দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ঘোষণা কৰিছে জিলা উপায়ুক্ত বৰ্ণালী ডেকাই। উল্লেখ্য যে কোকৰাঝাৰস্থিত ডি, ছয় পৃষ্ঠাত চাওক

## কোকৰাঝাৰ চহৰত দিন দুপৰতে ডকাইতৰ দলে লুটি নিলে ছয় লাখ টকা

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২২ জুন ঃ** কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ বাজৈ হোটেলৰ সমীপৰ এক্সিছ বেংকৰ ওচৰত আজি বিয়লি এক ডকাইতিৰ কাণ্ড সংঘটিত হয়। ডকাইতৰ এটা দলে এজন ঠিকাদাৰৰ গাড়ীৰ ভিতৰৰ পৰা নগদ ছয় লাখ টকাৰ বেগ লৈ উধাও হয়। তথ্য মতে, চহৰখনৰ গীজৌনপুৰীৰ নিবাসী তথা ঠিকাদাৰ বব্ৰুবাহন বসুমতাৰীয়ে দুপৰীয়া কোকৰাঝাৰস্থিত এক্সিছ বেংকৰ পৰা নগদ ছয় লাখ টকা উলিয়ায়। পাছত তেওঁৰ ব্যক্তিগত এ এছ-১৬ ই-১২৬৮ নম্বৰৰ আইটেনখনৰ ভিতৰত ছয়লাখ টকা বেগখন থৈ যায়। সেই সময়তে বিপৰীত দিশৰ পৰা অহা দুজন অচিনাকি লোকে তেওঁক তেওঁৰ টকা মাটিত পৰি আছে বুলি কোৱাত তলত পৰি থকা ১০,৫০ আৰু এশ টকীয়া নোটখিনি উঠাবলৈ লওঁতে চিলনী চোৰৰ দলটোৱে গাড়ীখনৰ দুৱাৰ খুলি টকাখিনিলৈ উধাও হয়।

## ৩০ জুনত মুকলি হ'ব কেএচিৰ সচিবালয়

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২২ জুন ঃ** ৰাজ্য চৰকাৰে নামনি অসমৰ উন্নয়নৰ বাবে গঠন কৰা কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যালয় তথা পৰিষদখনৰ সচিবালয় অহা ৩০ জুনত মুকলি কৰা হ'ব। আজি এই কথা প্ৰকাশ কৰিছে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষ তথা সচিবালয় মুকলি আদৰণি সমিতিৰ সভাপতি সুকেন ৰায়ে। সচিবালয় মুকলি সন্দৰ্ভত আজি কে এ চিয়ে গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাবত এখন সংবাদমেল সম্বোধন কৰে। সাম্প্ৰতিক বান পৰিস্থিতিৰ বাবে সচিবালয়ৰ কাৰ্যালয় গৃহ মুকলি অনুষ্ঠান অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰাৰ কথা সদৰী কৰে উপাধ্যক্ষ ৰায়ে। সংবাদমেলত সদৰী কৰা মতে, কে এ চিৰ অস্থায়ী সচিবালয়ৰূপে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাস্থিত ছয় পৃষ্ঠাত চাওক

**কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ সুকেন ৰায়ৰ সংবাদমেল**

### পাঁচ ৰাজহ চক্ৰৰ ২৮৩ খন গাঁও জলমগ্ন ঃ কে'বাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন ড° শৰ্মাৰ

## মৰিগাঁৱত বানাক্ৰান্তৰে মত বিনিময় মুখ্যমন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২২ জুন ঃ** মৰিগাঁও জিলাৰ পাঁচোটাকৈ ৰাজহ চক্ৰৰ অন্তৰ্গত মুঠ ২৮৩ খন গাঁও বৰ্তমান পলয়ংকৰী বানৰ কবলত। মৰিগাঁৱত কলং কপিলীৰ নৈ ফেনে ফোটোকাৰে বাঢ়ি অহাৰ ফলত বিস্তৃত অঞ্চলত ক্ষয়-ক্ষতি হোৱাৰ ফলত বহু লোকে আশ্ৰয় শিবিৰত বৰ্তমান আশ্ৰয় ল'বলগীয়া হোৱাত খোৱাপানীকে ধৰি পশু খাদ্যৰ তীব্ৰ সংকটত পৰিছে। আজি সন্ধিয়াৰ ভাগত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৰিগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত নেলীৰ কোমোৰাগুৰি অঞ্চলত থকা বানাক্ৰান্ত ৰাইজৰ লগত মত বিনিময় কৰে। মৰিগাঁৱত বিস্তৃত অঞ্চল বানে প্লাৱিত কৰা বহু লোক আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থাকিবলগীয়া হৈছে। বানাক্ৰান্ত ৰাইজৰ থকা খোৱাৰ লগতে জীৱ-জন্তুৰ খাদ্যৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সন্ধিয়া নগাঁৱৰ পৰা গুৱাহাটীলৈ ওভতাৰ পথত মৰিগাঁও জিলাৰ নেলীৰ ৩৭ নম্বৰ ঘাইপথৰ ওপৰত থকা কোমোৰাগুৰি অঞ্চলৰ ৰাইজৰ খোৱা-বোৱাত একো অসুবিধা নোহোৱাকৈ পৰ্যাপ্ত পৰিমাণে খাদ্য সামগ্ৰী যোগান ধৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ অন্তৰ্গত কোমোৰাগুৰিত মুখ্যমন্ত্ৰী ড° শৰ্মাই মৰিগাঁৱত বানাক্ৰান্ত ৰাইজৰ খোৱা পানীৰ ব্যৱস্থা আৰু পশু খাদ্যৰ সমস্যাকলৈ সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে উক্ত বিষয়টো মই প্ৰত্যক্ষ কৰিছো আৰু অতি সোনকালে মই ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম বুলি মন্তব্য প্ৰকাশ কৰে। মৰিগাঁও জিলাৰ বানাক্ৰান্ত ৰাইজৰ মাজত পৰ্যাপ্ত পৰিমাণৰ বান সাহায্য বিতৰণ কৰাৰ লগতে পশু খাদ্যৰ বিতৰণৰো ব্যৱস্থা গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আজি সন্ধিয়া মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিবিৰত ছয় পৃষ্ঠাত চাওক

## জনপ্ৰতিনিধিৰ অৱহেলা ৩০ বছৰে মেৰামতি নহ'ল ভখুৰাদিয়াৰ কাঠৰ দলং



**আলোপতি, ২২ জুন ঃ** ৩০ বছৰে মেৰামতি কিম্বা পুনঃনিৰ্মাণ কৰা নহ'ল কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ভখুৰাদিয়া গাঁৱৰ এখন কাঠৰ দলং। জলসম্পদ বিভাগৰ নগৰবেৰা-গুমি সংযোগী মথাউৰি সংলগ্ন ভখুৰাদিয়া গাঁৱৰ এই জৰাজীৰ্ণ তথা বিধ্বস্ত কাঠৰ ছয় পৃষ্ঠাত চাওক

### উপায়ুক্তক মুখ্যমন্ত্ৰীৰ সকীয়নিৰ পাছতো গৰ্ভৱতী মহিলা-শিশু আছে অনাহাৰে

# দৰঙৰ কুৰুৱাত বন্যাৰ্তৰ বিননি

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২২ জুন ঃ** দৰং জিলাৰ উপায়ুক্তক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিয়া সকীয়নি অসাৰ প্ৰতিপন্ন হ'ল নেকি বুলি বানাক্ৰান্ত ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। জিলাখনৰ কুৰুৱাৰ বন্যাৰ্তৰ দুৰ্দশাগ্ৰস্ত লোকৰ ক্ষোভ দেখি প্ৰশাসনৰ ওপৰত খং উঠিছিল মুখ্যমন্ত্ৰীৰ। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তক কৰ্কথনা কৰাৰ পাছতো পৰিস্থিতিৰ বিশেষ উন্নতি হোৱা নাই। বিগত চাৰিদিন ধৰি প্ৰাণৰ মমতাত আশ্ৰয় লোৱা বন্যাৰ্তক এতিয়াও দিয়া হোৱা নাই খাদ্য সামগ্ৰী, খোৱাপানী। খোৱা খাদ্যৰ অভাৱত চৰম অসুবিধাত পৰিছে গৰ্ভৱতী মহিলা-শিশু। অনাহাৰে তিনিদিন ধৰি শিশু-মহিলাই খাবলৈ নাপাই পুষ্টিহীনতাত পৰাৰ গুৰুতৰ অভিযোগ উঠিছে। এগৰাকী সন্তান সম্ভৱা মাতৃয়ে সংবাদ মাধ্যমৰ আগত দুখ প্ৰকাশ কৰি কয় যে কুৰুৱাত কে'বাগৰাকী গৰ্ভৱতী মহিলা আছে আৰু এইসকল মহিলাই খোৱা খাদ্য পোৱা নাই। নিজ দুখৰ কথা ব্যক্ত কৰি তেওঁলোকে কয় যে দুসাঁজৰ ভিতৰত এসাঁজ ভাত তাকো শুদা ভাতকে খাবলগীয়া হৈছে। খাদ্য সামগ্ৰী কিনিবলৈ পইচাৰ অভাৱ। পুষ্টিকৰ খাদ্য বাদেই পৰামৰ্শ ল'বলৈ অঞ্চলটোত নাই এখনো চিকিৎসালয়। পথৰ শিবিৰত আশ্ৰয় লোৱা পৰিয়ালসমূহৰ ছয় পৃষ্ঠাত চাওক



অম্বুবাচী মেলা উপলক্ষে মা কামাখ্যা মন্দিৰ চৌহদত ভিৰ কৰা ভক্ত, বুধবাৰে।

## গোসাঁইগাঁৱৰ ধাউলীগুৰিত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২২ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ধাউলীগুৰিত কালি সন্ধিয়া বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱকৰ মৃত্যু হয়। যুৱকজন ধাউলীগুৰি গাঁৱৰ নিবাসী ধানায় মুৰ্মুৰ পুত্ৰ ঠেমকা মুৰ্মু (৩৫) চিনাক্ত কৰা হৈছে। তথ্য মতে ধাউলীগুৰি গাঁৱৰ মাজেৰে যোৱা ১১ হেজাৰ ভ'ল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি বাটত পৰি থকাৰ সময়তে সন্ধিয়া প্ৰায় ৭-৩০ বজাত যুৱকজনে সেই পথেৰে গৃহ অভিমুখে গৈ থকা সময়ত ছিগা তাঁৰৰ সংস্পৰ্শলৈ আহে আৰু বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰভাৱে আহত হয়। স্থানীয় লোকে ততাতৈয়াকৈ যুৱকজনক গোসাঁইগাঁও আৰ এন বি চিকিৎসালয়লৈ যায় যদিও চিকিৎসকে যুৱকজনক ছয় পৃষ্ঠাত চাওক

### নগাঁও জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত

## এতিয়াও বিপদসীমাৰ বহু ওপৰেৰে বৈছে কলং-কপিলী

বিশেষ সংবাদদাতা

**নগাঁও, ২২ জুন ঃ** যোৱা দুদিন ধৰি নগাঁও জিলাত বৰষুণ হোৱা নাই যদিও জিলাখনৰ সামগ্ৰিক বান পৰিস্থিতি আজিও ভয়াবহ হৈ আছে। জিলাখনৰ কপিলী, বৰপানী, কলং নৈৰ জলপৃষ্ঠ বিপদসীমাৰ ওপৰেৰে বৈ থকাত জিলাখনৰ বান পৰিস্থিতি জটিল হৈয়ে আছে। বিশেষকৈ আজি পাঁচদিন ধৰি কলং নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈ থকাত কলংপৰীয়া অঞ্চলৰ বান পৰিস্থিতি বিপজ্জনক হৈ পৰিছে। নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈয়ে নগাঁও চহৰৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। ইতিমধ্যে কলং নৈৰ বাঢ়নী পানীয়ে চহৰখনৰ শিৱ নগৰ, কলংপাৰ পথ, লাওখোৱা পথৰ একাংশ, চকীটোপ, বৈদ্যটুপ, মিলনপুৰ, ভূঞাপট্টি, দক্ষিণ হয়বৰগাঁও, মধুপুৰৰ লগতে চহৰখনৰ দাঁতি কাষৰীয়া, শিয়ালমাৰী, টাউন তেলীয়াগাঁও, বেঙেনাআটি, বৰঘাটৰ একাংশকে ধৰি বহু অঞ্চল প্লাৱিত কৰিছে। চহৰখনৰ আমোলাপট্টি শ্মশানঘাটৰ ওচৰৰ কলং নৈৰ মথাউৰিৰ ওপৰেৰে পানী বাগৰিছে। ফলত শিৱনগৰৰ একাংশ অঞ্চলত পানী সোমাইছে। জল সম্পদ বিভাগে জনোৱা তথ্য অনুসৰি, আজি বিয়লি কলং নৈ বিপদ সীমাৰ ১.৯২ মিটাৰ ওপৰেৰে বৈ আছে। একেদৰে কলং নৈ ৰহাত বিপদ সীমাৰ ২.১৩ মিটাৰ ওপৰেৰে বৈ আছে। কামপুৰত কপিলী নৈ বিপদসীমাৰ ছয় পৃষ্ঠাত চাওক

## তামুলপুৰৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল চন্দ্ৰ মহন্তৰ বিয়োগত শোক



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২২ জুন ঃ** আধুনিক তামুলপুৰৰ অন্যতম খনিকৰ, বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী, সমাজ সংগঠক, অৱসৰপ্ৰাপ্ত শিক্ষক, সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, তামুলপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, তামুলপুৰৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ অভিভাৱক স্বৰূপ, অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ মূল হোতা, তামুলপুৰ পৌৰসভাৰ প্ৰফুল্ল চন্দ্ৰ মহন্ত (৮৪) আৰু নাই। জি এম চি হাস্পতালত চিকিৎসাধীন অৱস্থাত যোৱা নিশা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে হৃদৰোগত আক্ৰান্ত হৈ তেওঁ চেন্নাইত কিছুদিন চিকিৎসা কৰাৰ অন্তত গুৱাহাটীলৈ ঘূৰি ছয় পৃষ্ঠাত চাওক

### পানীত নামি পুৰুষ-মহিলাই কালভাৰ্ট খোলাৰ দাবীত প্ৰতিবাদ

## কালভাৰ্ট বন্ধ কৰাত শতাধিক পৰিয়ালে ককবকাইছে বানপানীত

**কলগাছিয়া, ২২ জুন ঃ** কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কান্দুলীয়া গাঁৱৰ এটা কালভাৰ্ট খুলি দিয়াৰ দাবীত শতাধিক পুৰুষ-মহিলাই পানীত নামি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে গাঁওখনৰ শতাধিক পৰিয়লক বিপদত পেলাই কান্দুলীয়া চ'কত থকা এটা কালভাৰ্ট কেৱল মাত্ৰ কেইজনমান লোকৰ মুনাফাৰ কাৰণেই বন্ধ কৰাৰ অভিযোগ তোলে ৰাইজে। বিগত তিনি বছৰ ধৰি কালভভাৰ্টটো বন্ধ কৰাত বৰষুণৰ ফলত কৃত্ৰিম ছয় পৃষ্ঠাত চাওক



### পিএমএজিৱাইৰ গৃহ দুখীয়া হিতাধিকাৰীৰ নাম কৰ্তন কৰাক লৈ প্ৰতিবাদ

## ছয়গাঁও উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয় চৌহদত মহিলাৰ তীব্ৰ প্ৰতিবাদ



**ছয়গাঁও, ২২ জুন ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ অন্তৰ্গত চণ্ডিকা দেৱালয় পথত থকা ছয়গাঁও উন্নয়ন খণ্ডৰ বিষয়াৰ কাৰ্যালয়ত আজি প্ৰায় তিনি শতাধিক মহিলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তথ্য মতে, পিএমএজিৱাইৰ চৰকাৰী আৱাসগৃহৰ দুখীয়া হিতাধিকাৰীৰ নাম কৰ্তন কৰাক লৈ এই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হৈছিল। ২০১১তে অনুমোদন হোৱা দুখীয়া হিতাধিকাৰীৰ নামত অহা ঘৰসমূহ কটা যোৱা বুলি জানিব পাৰি ক্ষোভিত মহিলাসকলে আজি ৰুদ্ৰমূৰ্তি ধৰি প্ৰতিবাদত অংশ লয়। প্ৰতিবাদকাৰী হিতাধিকাৰীসকল ক্ৰমে চম্পক নগৰ গাঁও পঞ্চায়ত, পশ্চিম ছয়গাঁও গাঁও পঞ্চায়ত, দক্ষিণ-পাণ্টান গাঁও পঞ্চায়ত, সাততালুক গাঁও পঞ্চায়ত, গুমী পঞ্চায়ত আৰু ছয়গাঁও পঞ্চায়তৰ। ইতিমধ্যে এইসকল হিতাধিকাৰীয়ে কিছুদিন পূৰ্বে ছয়গাঁৱৰ বিধায়ক, কামৰূপৰ ছয় পৃষ্ঠাত চাওক

## ছুইজাৰলেণ্ডৰ আৰ্হিৰে নগাঁও কলেজত 'সাৰথি দ্য টাইম বেংক' স্থাপন

বিশেষ সংবাদদাতা

**নগাঁও, ২২ জুন ঃ** কলেজ (অট'ন'মাছ)ৰ আভ্যন্তৰীণ মানদণ্ড আশ্বাসনৰ কোষৰ উদ্যোগত আৰু ছাত্ৰ একতা সভা, এন এছ এছ গোট-১, গোট-২ৰ সহযোগত ছুইজাৰলেণ্ডৰ আৰ্হিৰে নগাঁও কলেজ পৰিয়ালৰ অকলশৰীয়া তথা নিসংগ লোকক সহায় কৰিবৰ বাবে স্থাপন হোৱা 'সাৰথি দ্য টাইম বেংক'ৰ উদ্বোধনী অনুষ্ঠান আয়োজন কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে নগাঁও কলেজ আভ্যন্তৰীণ মানদণ্ড আশ্বাসন কোষৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়াই। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। ড° বৰকটকীয়ে এন এছ এছ আৰু অধ্যাপক-অধ্যাপিকাৰ উদ্যোগত গঠিত এই 'টাইম বেংক' মানৱীয়তাৰ ক্ষেত্ৰত এক নিদৰ্শন হ'ব বুলি উল্লেখ কৰে। অনুষ্ঠান উদ্বোধন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা নগাঁও কলেজ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি ৰূপক শৰ্মাই। নগাঁও কলেজৰ এই ব্যতিক্ৰমী পদক্ষেপ ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথম বুলি তেওঁ মত পোষণ কৰে। প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি হিচাপে তেওঁ এই পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে আৰু উৎফুল্লিত হৈ জনহিতাৰ্থে গঠন কৰা 'টাইম বেংক'লৈ বিধায়ক পুঁজিৰ পৰা এখন এম্বুলেন্স আৰু দুটা অক্সিজেন কনচেনট্ৰেটৰ নগাঁও কলেজ 'টাইম বেংকলৈ' প্ৰদান কৰিব বুলি ঘোষণা কৰে। ভৱিষ্যতেও জনহিতাৰ্থে গঠন কৰা 'টাইম বেংকলৈ' সহায়-সহযোগিতা আগবঢ়াব বুলি শৰ্মাই মত পোষণ কৰে। এই টাইম বেংকত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাই পাচবুক খোলে আৰু কিছু সংখ্যক বিধায়ক শৰ্মাই নিজ হাতে পাছবুক প্ৰদান কৰে।

## বঙালপাৰা পঞ্চায়তৰ প্ৰাক্তন সভাপতি আলহাজ ছামচুদ্দিন আহমেদৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**হাজো, ২২ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বঙালপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আলহাজ ছামচুদ্দিন আহমেদ (৬৫)ৰ মৃত্যুত বৃহত্তৰ বৰছলি অঞ্চলৰ লগতে হাজোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে আহমেদ দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। তেওঁ ১৯৯৯ত পঞ্চায়ত নিৰ্বাচনত ১০২ নম্বৰ বঙালপাৰা গাঁও পঞ্চায়তত অগপৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ সভাপতি পদত নিৰ্বাচিত হৈছিল। আহমেদ হাজো অগপৰ নিষ্ঠাবান কৰ্মী আছিল। ছয় পৃষ্ঠাত চাওক

### মঙলদৈৰ আশ্ৰয় শিবিৰত বানাক্ৰান্তই পৰ্যাপ্ত সাহায্য লাভ নকৰাৰ অভিযোগ

## ষষ্ঠ দিনাও বন্ধ ১৫ নম্বৰ ঘাইপথ ঃ শ শ ট্ৰাক আবদ্ধ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২২ জুন ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ ৰঙামাটি মৌজাৰ অন্তৰ্গত বৰ থেকেৰাবাৰী, সৰু থেকেৰাবাৰী, বইনাওজা, ছোট নগাঁও, বৰ নগাঁও ভালুকখোৱাপাৰা আদি অঞ্চলৰ বান পৰিস্থিতি আজিও শোচনীয় হৈ আছে। দিনক দিনে পানী বাঢ়ি অহাত ৰাইজে মথাউৰি, হাজৰিকাপাৰা গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, পশ্চিম ৰঙামাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১৫ নম্বৰ ঘাইপথত আশ্ৰয় লৈছে। বানাক্ৰান্তই চৰকাৰৰ সাহায্য পৰ্যাপ্ত পৰিমাণে পাইছে যদিও খোৱাপানী, পোহৰ, পশুখাদ্য পৰ্যাপ্ত পৰিমাণে নোপোৱাৰ অভিযোগ বানাক্ৰান্তই কৰিছে। দলগাঁও বিধানসভা সমষ্টিৰ বানাক্ৰান্ত অঞ্চলত পশু খাদ্যৰ নামত কাঠ আৰু তুঁহৰ গুৰি দিয়াৰ অভিযোগ উত্থাপন হৈছে। ইপিনে, ১৫ নম্বৰ ঘাইপথৰ বইনাওজাৰ পৰা শাকতোলা দলঙৰ কাষলৈ এতিয়াও বুৰি থকাত আজি ষষ্ঠ দিনাও ঘাইপথেৰে যাতায়াত বন্ধ থকাত শ শ ট্ৰাক আবদ্ধ হৈ আছে। বিকল্প পথেৰে মাত্ৰ সৰু গাড়ী চলি আছে। বৰ্তমানৰ দৰে পানী বাঢ়ি থাকিলে আৰু দুদিনমান ঘাইপথটো বন্ধ থকাৰ সম্ভাৱনা আছে।

**২৫ জুনলৈ দৰঙৰ শিক্ষানুষ্ঠান বন্ধ**

দৰঙৰ বান পৰিস্থিতি এতিয়াও জটিল হৈ থকা, ছয় পৃষ্ঠাত চাওক

### বঙাইগাঁৱৰ গেৰুকাবাৰীত ট্ৰাকসহ জব্দ বৃহৎ পৰিমাণৰ চৰকাৰী চাউল

## ৰাজ্যত অব্যাহত বগা চাউলৰ ক'লা ব্যৱসায়



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২০ জুন ঃ** ৰাজ্যত বন্যাৰ্তই এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি থকা অৱস্থাত চৰকাৰী বিনামূলীয়া চাউল ক'লা বজাৰত বিক্ৰী কৰাৰ চেষ্টা অব্যাহত ৰাখিছে একাংশ অসাধু চক্ৰই। যোৱা ১৯ জুনৰ নিশা বঙাইগাঁও জিলাৰ গেৰুকাবাৰী উপ-আৰক্ষী ছয় পৃষ্ঠাত চাওক


## সুৰাসক্ত মহিলাৰ চোকা অস্ত্ৰৰ আঘাতত এজন নিহত

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২২ জুন ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ এক নম্বৰ ডোঙাৰগাঁৱত যোৱা নিশা সংঘটিত হয় এক লোমহৰ্ষক হত্যাকাণ্ড। সৰলা মণ্ডল (৩৫) নামৰ এগৰাকী সুৰাসক্ত মহিলাৰ চোকা অস্ত্ৰৰ আঘাতত ঠাইতে নিহত হয় ৰতন মণ্ডল (৩০) নামৰ এজন লোক। তামুলপুৰ আৰক্ষী সূত্ৰই সদৰী কৰা মতে, যোৱা নিশা সৰলা মণ্ডল (৩৫) নামৰ মহিলাৰ গৰাকীৰ লগত কোনো ছয় পৃষ্ঠাত চাওক

### নিৰ্মাণৰ পাঁচ বছৰ নৌহওঁতেই ধ্বংসৰ দিশে কোটিটকীয়া পকী দলং

## বিশ্বনাথৰ পকী দলঙে বিপদ নমাই আনিছে বহু লোকৰ জীৱনলৈ



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ জুন ঃ** লোক নিৰ্মাণ বিভাগৰ ঠিকাদাৰে চৰকাৰী ধন উদৰস্থ কৰাৰ বিষম পৰিণাম ভুগিব লগা হৈছে বিশ্বনাথৰ হেজাৰ হেজাৰ লোকে। কাৰ্যতঃ সামান্য বাঢ়নী পানীৰ বাবেই বিশ্বনাথত কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পকী দলং সম্প্ৰতি ধ্বংসৰ গৰাহত পৰিছে। যিকোনো মুহূৰ্ততে ভয়ানক বিপদ নমাই আনিব পাৰে দলংখনে। দৰাচলতে বিশ্বনাথৰ ঘিলাধাৰী নৈৰ ওপৰত থকা চতিয়া, বৰপাম আৰু মাজুলিগড় চাহ বাগিচাৰ একমাত্ৰ সংযোগী দলংখনৰ মাজৰ এটা খুঁটা বাঢ়নী পানীৰ বাবে সম্পূৰ্ণৰূপে তললৈ বহি গৈছে। ফলত যাতায়াত কৰা অংশটোও ক্ৰমাৎ তললৈ নামি পৰিছে। এনেকৈয়ে ছয় পৃষ্ঠাত চাওক

## বানত নষ্ট হ'ল ঝুনকাইপাৰা সমবায় সমিতিৰ ১৪০০ বস্তা চাউল

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২২ জুন ঃ** কৰ্তৃপক্ষৰ গুৰুত্বহীনতাৰ বাবেই গোৱালপাৰা জিলাৰ ঝুনকাইপাৰা সমবায় সমিতিৰ ১৪০০ বস্তা চাউল পানীত নষ্ট হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, বানপানীৰ পূৰ্বে ঝুনকাইপাৰা সমবায় সমিতিয়ে সাত কুইণ্টল অৰ্থাৎ ১৪০০ বেগ চাউল গোৱালপাৰাৰ পৰা নি সমিতিৰ গুদামত ৰাখিছিল। বিভাগীয় নিয়মানুসাৰে গুদামত চাউল জমা কৰাৰ পাছৰ দিনাই সুলভ মূল্যৰ দোকানীসকলৰ ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

২৩ জুন বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫



# অসমীয়াৰ গৌৰৱমণি গৌৰীশংকৰ ভট্টাচাৰ্য

**লিখিও ওৰ নপৰে যাৰ কথা তেৰেঁই অমৰ হৈ থাকে ইহ পৃথিৱীত। অসম বিধানসভা এসময়ত জনসাধাৰণৰ দৃষ্টিৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল গৌৰীশংকৰ ভট্টাচাৰ্যৰ বাবেই। গৌৰীশংকৰ নামটোতে পৱিত্ৰতা নিহিত, হিন্দু মান্যতা অনুসৰি শিৱৰ বাস হিমালয়ৰ সুউচ্চ কৈলাস ধামত। সেই বাবেই যুগনায়ক এইজন ব্যক্তি হৈ ৰ'ব চিৰস্মৰণীয়। ক্ষমতাই নষ্ট কৰিব নোৱাৰা তেওঁ প্ৰকৃততে দুটা যুগৰ সন্ধি, দুটা সামাজিক আন্দোলনৰ সন্ধি আৰু দুটা ভাৱাদৰ্শৰ সন্ধিত উৎপন্ন হোৱা ব্যক্তি**

**সুপ্ৰভা (জয়া) গোস্বামী**

**মানুহ** মাত্ৰেই নাৰায়ণৰ ৰূপ, সেই বাবেই 'নৰ-নাৰায়ণ' শব্দৰ সৃষ্টি। পোন প্ৰথমবাৰ এই শব্দ শুনো গৌৰীশংকৰ ভট্টাচাৰ্যৰ ৰাইজক সম্বোধন কৰা তেজস্বী ভাষণ সমূহৰ প্ৰাৰম্ভণিতে। সৰু কালিত তেওঁৰ সভাবোৰলৈ মোক প্ৰায়েই লৈ গৈছিল। মোৰ পিতা তেওঁ। মোৰ জীৱনত তেওঁৰ প্ৰভাৱ বহুত।

আজি গৌৰীশংকৰ ভট্টাচাৰ্যৰ বিংশতিতম পুণ্যতিথি। সাধাৰণ শ্ৰেণীৰ ৰাইজৰ তেওঁ ত্ৰাণকৰ্তা, নীৰৱ সেৱক; ৰাইজৰ হকে তেওঁ যেন জন্ম লৈছিল। ল'ৰালিৰ পৰাই প্ৰখৰ মেধাৰ পৰিচয় দিয়া গৌৰীশংকৰ ভট্টাচাৰ্যই সোণৰ চামুচ মুখত লৈ ডাঙৰ হোৱা নাছিল। ১৯১৫ৰ ১০ ডিচেম্বৰত এটা কুলীন দৰিদ্ৰ অথচ প্ৰখৰ মেধাসম্পন্ন সংস্কৃতিৰ বিদগ্ধ পণ্ডিত, এখন টোলৰ গৰাকী শৌৰীদত্ত ভট্টাচাৰ্যৰ পত্নী সুগৃহিণী, সুশিপিনী আৰু সুমাতৃ ধনেশ্বৰী দেৱীয়ে এটি পুত্ৰ সন্তান জন্ম দিয়ে। ঘৰৰ নাম শংকৰ আৰু ব্যক্ত নাম গৌৰীশংকৰ। সেই সময়ৰ নাৰীসকল কেৱল গৃহস্থালিতে ব্যস্ত আছিল, বিদ্যা লাভৰ সুবিধা নাপাইছিল। কিন্তু ধনেশ্বৰী দেৱীয়ে শংকৰৰ মাজত সপোনবোৰ যেন পুহি ৰাখিছিল। পুত্ৰৰ মাজত শিক্ষাৰ ধাউতি জগোৱা এইগৰাকী মাতৃয়ে ন বছৰলৈ পুত্ৰৰ যত্ন ল'বলৈ পাৰিলে। তৃতীয়মানত পঢ়া-পুত্ৰক মাতৃহাৰা কৰি অকস্মাতে তেওঁৰ মৃত্যু হয়। বৃত্তি পৰীক্ষাত অসমৰ ভিতৰতে সৰ্বপ্ৰথম হোৱাৰ বাতৰি অহাৰ দিনা শংকৰে মাতৃক সুঁৱৰি হিয়া ধাকুৰি কান্দিছিল। (নিজে ব্যক্ত কৰা কথা)। ইয়াৰ পাছতেই আৰম্ভ হয় জীৱন সংগ্ৰাম, শিক্ষা লাভৰ প্ৰতিকূল পৰিৱেশ। বাক্‌দেৱীৰ আশীৰ্বাদপুষ্ট বালকে ১৯২৬ৰ পৰা ১৯৩৫ লৈকে নলবাৰীৰ গৰ্ডন স্কুলত পঢ়ি অসম আৰু বেংগলৰ যুগ্ম বিদ্যালয় শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগৰ প্ৰথম স্থান লাভ কৰে। বৃত্তিৰ ধনেৰেই উচ্চ শিক্ষাৰ প্ৰতি অগ্ৰসৰ হোৱা গৌৰীশংকৰে ১৯৩৯ত কটন কলেজৰ পৰা অৰ্থনীতিত স্নাতক ডিগ্ৰী লাভ কৰে। মন কৰিবলগীয়া যে কটনত পঢ়িবলৈ অহাৰ সময়তহে তেওঁ ভৰিত ছেণ্ডেল পিন্ধিবলৈ লয় আৰু বাওঁহাতত সময় চাবলৈ ঘড়ী এটা পিন্ধে—সেয়া শিক্ষকসকলে মৰমতে দিয়া উপহাৰ আছিল। পিন্ধনত দুযোৰ বগা পায়জামা আৰু পাঞ্জাবী চোলা। কটনৰ পৰা তেওঁ কলিকতা বিশ্ববিদ্যালয়লৈ যায় আৰু ১৯৪১ত বুৰঞ্জী বিষয়ত লগতে ১৯৪২ত অৰ্থনীতি বিষয়ত সুখ্যাতিৰে ডাব'ল এম এ হৈ ডিগ্ৰী আহৰণ কৰে। এই প্ৰসংগতে উল্লেখ কৰো যে জীৱন কালতে পোৱা কটন কলেজৰ শতবৰ্ষ অনুষ্ঠানত সুতাৰ্কিক ভট্টাচাৰ্য আছিল এজন প্ৰাক্তন বিশিষ্ট ছাত্ৰ। তেওঁ কিমান যে আনন্দিত আৰু গৰ্বিত আছিল কটন কলেজৰ অনুষ্ঠানত। ১৯৪২ৰ পৰাই তেওঁ দেশৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ পৰে। তেওঁ আছিল স্বাধীনচিতীয়া ব্যক্তি। যেন এক কিংবদন্তিৰ নায়ক। আজিৰ এই পুণ্যতিথিত স্মৃতিচাৰণ কৰাৰ উদ্দেশ্য এয়ে যে আমি ক্ষণজন্মা মহান ব্যক্তি বিশেষৰ স্মৃতি ৰোমন্থন কৰা উচিত; যি নতুন প্ৰজন্মবোৰক উৎসাহিত কৰি সুপথে নিব পাৰে। 'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ আমিও কৰিব পাৰো জীৱন গঢ়িত।

অভিনয় শেষ হ'লে আয়ুবেলি মাৰ গ'লে, থৈ যাব পাৰো খোজ সময় বালিত।

ইয়াতেই ব্যক্ত কৰো, সেই সময়ৰ সক্ৰিয় ৰাজনীতিৰ নায়কজনৰ পাৰিবাৰিক দিশৰ কথা, বিশেষকৈ এজন সৎসাহসী, স্বাধীনতা সংগ্ৰামী বিপ্লৱী নেতাক শাসকগোষ্ঠীয়ে দিয়া নিৰ্যাতন আৰু কাৰাবাস। গৌৰীশংকৰ ভট্টাচাৰ্য আছিল ধৈৰ্যৰ আকৰ। অক্লান্ত কৰ্মী, নৰনাৰায়ণৰ সেৱক, মুক্তি যুঁজাৰু। তেওঁৰ বাগ্মিতা আৰু দূৰদৰ্শিতাই সকলোকে মুগ্ধ কৰিছিল। কাহানিও ধৈৰ্যচ্যুত নোহোৱা বাবেই হয়তো সহ্য কৰিছিল সকলো মানসিক আৰু শাৰীৰিক দুখ-কষ্ট। ১৯৩২, '৪২, '৫০, '৬২ত মুঠ ৪১ মাহ কাৰাগাৰত আছিল তেওঁ। ১৯৫২ত কাৰাগাৰৰ পৰাই ডিঙিত ফুলৰ মালা লৈ কমৰেডসকলৰ কান্ধত উঠি অসম বিধান সভাত প্ৰথম পদাৰ্পণ কৰে। ৰাইজ উৎফুল্লিত হৈ পৰে। ১৯৫২ৰ পৰা ১৯৭৮ লৈ অসম বিধানসভাৰ এজন সক্ৰিয় সদস্য আছিল ভট্টাচাৰ্য। পাছলৈ অসমৰ বাওঁপন্থী ৰাজনীতিৰ এজন পুৰোধা ব্যক্তি হৈ পৰে তেওঁ।

কাৰাগাৰত থকা কালতো তেতিয়াৰ কংগ্ৰেছ চৰকাৰে নানান প্ৰকাৰে তেওঁৰ সংসাৰখনক যাতনা দিয়াইছিল। মোৰ বয়স তিনি বছৰ। পিতা শব্দটো ক'ব পৰা হৈছিলো যদিও স্বচক্ষে পিতৃ-দৰ্শন হোৱা নাছিল। চৰকাৰৰ মানুহে আমাৰ মাৰ বিয়াত ককাদেউতাই দিয়া ৫০টা দ্ৰয়াৰৰ ধুনীয়া ড্ৰেছিং টেবুলকে লৈ সকলো আচবাব ক্ৰোক কৰি লৈ যায় যি কেতিয়াও মাই ঘূৰাই নাপালে। মাতৃ তৰুলতাৰ ধৈৰ্য আৰু সাহসত, তেওঁৰ পাণবজাৰ ছোৱালী স্কুলৰ শিক্ষয়িত্ৰীৰ দৰমহাখিনি আছিল যৌথ পৰিয়ালৰ একমাত্ৰ আৰ্থিক উপাৰ্জন। ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰজ্ঞা চৌধুৰীয়ে আমাৰ ওচৰ চুবুৰীয়া আছিল বাবে মাক গাড়ীত একেলগে লৈ গৈছিল। মোৰ পাঁচ বছৰ বয়সত ডিঙিত গেন্ধাইফুলৰ 'জয়মালা' পিন্ধি পিতাই আমবাৰীৰ ভাড়া ঘৰটোত প্ৰৱেশ কৰে। তেওঁৰ ধৈৰ্যৰ প্ৰমাণ পাওঁ যেতিয়া আমাৰ তিনিজনী ছোৱালীৰ পাছত জন্মা একমাত্ৰ ভাই 'উজ্জ্বল' দুবছৰ বয়সতে কাষৰ খালত পৰি মৃত্যু মুখত পৰে। পিতাই খবৰ পায়েই শ্বিলঙৰ পৰা লগে লগে আহি আমাক মাৰ স'তে গুৱাহাটীৰ উলুবাৰীৰ ঘৰৰ পৰা লৈ যায়। লাহে লাহে বছৰবোৰ পাৰ হয়। মাজু ভাই ধ্ৰুৱ শংকৰ জন্মাৰ সময়ত ছমাহ গৌৰীশংকৰক বেৰহামপুৰ জেইলত কাৰাবাস দিছিল কংগ্ৰেছ চৰকাৰে। দোষ আছিল তেওঁ বিৰোধী দলপতি আৰু চীনাআগ্ৰাসনত দেশৰ নিৰাপত্তা ৰক্ষা কৰাত অসুবিধা হ'ব পাৰে। এইদৰে মা প্ৰসৱ বেদনাত অসহায় হৈ পৰিছিল। হয়তো এইবোৰেই আছিল চৰকাৰৰ অবিবেচক মনোবৃত্তি। মহাত্মা গান্ধীৰ Simple living High Thiking বাণীৰে তেওঁ জীৱন কটাইছিল। আমি ঘৰত সকলোৱে সেইমতেই চলিছিলো। আমাৰ ঘৰত সদায় এটা শৈক্ষিক পৰিৱেশ বিৰাজ কৰিছিল। নিশাৰ আহাৰ আমি একেলগে কৰিছিলো পিতাই আমাক দিয়া সেই মুকলি সময়খিনি আমাৰ বাবে অতি সুখৰ পৰিৱেশ আছিল—বহুতো কথাই জানিছিলো; বুজিছিলো।

গৌৰীশংকৰ ভট্টাচাৰ্য আছিল নাৰী শক্তিৰ হৈ মতা অসমৰ বিশিষ্ট নেতা। পত্নী তৰুলতাক স্নাতক পৰ্যায়লৈ পঢ়াৰ সুবিধা কৰি দিছিল। নিজ সন্তান ছয়টিকে সুশিক্ষিত কৰাৰ সকলো প্ৰচেষ্টা নিজেই লৈছিল। যদিও মই স্কুলীয়া অৱস্থাত বৃত্তিসমূহ পাইছিলো, পৰৱৰ্তী কালত স্নাতক আৰু স্নাতকোত্তৰ (সংস্কৃত/ইংৰাজী মাধ্যমত) পঢ়াৰ বাবে দিল্লী বিশ্ববিদ্যালয়লৈ পঠিয়ায় তেতিয়া আমাৰ ব্যয় হৈছিল মাহিলী দুশ টকা যি মই মানি অৰ্ডাৰ যোগে পিতাৰ পৰা প্ৰতিমাহে পাইছিলো। মোৰ দুয়োজনী ভনী আৰু তিনিওটা ভাই Public School Scholarship প্ৰাপ্ত, সকলো পৰাই অসমৰ বাহিৰত পঢ়ে।

গৌৰীশংকৰ ভট্টাচাৰ্যৰ ৰাজনৈতিক জীৱনৰ কথা সকলোৱে অৱগত; কিন্তু পাৰিবাৰিক জীৱনত বহু সময়ত কংগ্ৰেছ চৰকাৰখনে তেওঁক যেন দিগভ্ৰান্ত কৰাব বিচাৰিছিল। তেওঁৰ সাংসাৰিক দিশটো সম্পূৰ্ণ দক্ষতাৰে চলাই গৈছিল পৰিবাৰ তৰুলতা দেৱীৰ মমতা আৰু মিঠামুখীয়া ব্যক্তিত্বই। গৌৰীশংকৰ ভট্টাচাৰ্যৰ ধৈৰ্যৰ নিদৰ্শন পোৱা গ'ল পুনৰবাৰ যেতিয়া জানুৱাৰী ২০০০ৰ গ্ৰন্থমেলাত গান্ধীমাৰ্গৰ বিপণীত ৰাইজে তেওঁক গ্ৰন্থ বিক্ৰী কৰি থকা দেখিছিল। মই আছিলো লগে লগে অতি শংকিতভাৱে মাথোন দুসপ্তাহ আগতে ১৯৯৯ৰ ২৫ ডিচেম্বৰত মৰমৰ পুত্ৰ, এডভোকেত ধ্ৰুৱশংকৰৰ দুৰ্ঘটনাত সলিল সমাধি হয়। কি মানসিক যন্ত্ৰণা বুকুত লৈ গ্ৰন্থ বিপণীত ধীৰ স্থিৰ ভাৱে বহিব পাৰিছিল হয়তো এইদৰেই পুত্ৰশোক প্ৰশমিত কৰিছিল।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত যোগ দি তেওঁ ১৪ বছৰ বয়সতে প্ৰথম কাৰাবৰণ কৰে। ৮৭ বছৰীয়া জীৱন কালত তেওঁ বহুধা গুণাভিষিক্ত ব্যক্তিত্বৰে সকলোকে আকৰ্ষিত কৰিছিল। কৰ্মব্যস্ত তেওঁৰ জীৱন, অসমৰ সমাজ আৰু ৰাজনীতিৰ লগত বিশেষভাৱে জড়িত হ'লেও তাৰ মাজতেই তেওঁ সাহিত্য চৰ্চা কৰি যায়। তীক্ষ্ণ বুদ্ধি, অফুৰন্ত স্মৃতিশক্তি আৰু আত্মবিশ্বাসত অচল অটল হৈ থকা ব্যক্তিত্বৰ অধিকাৰী তেওঁৰ আন বিশেষত্বসমূহ আছিল মনৰ দৃঢ়তা, নিৰ্ভীকতা আৰু নীতিগত নিষ্ঠা।

গৌৰীশংকৰ ভট্টাচাৰ্য ৰচিত আত্মজীৱনীমূলক গ্ৰন্থ 'সবিনয় নিবেদন' সেই সময়ৰ অসমৰ সমাজ আৰু ৰাজনৈতিক ইতিহাসৰ সমাদৃত দলিল। তেওঁৰ লিখনিৰ স্বাক্ষৰ বহন কৰিছে ৰাষ্ট্ৰপতিৰ হাতৰ পৰাই 'স্বাধীনতাৰ ৰাজ বিচাৰ' নামৰ অনূদিত গ্ৰন্থখনে। তেওঁক সাহিত্য অকাডেমী বঁটাৰে সন্মানিত কৰা হয়। অসমৰ ৰাজনীতিৰ পৰা এটা সময়ত তেওঁ স্বেচ্ছাই অৱসৰ লয় আৰু লিখা মেলাত মনোনিৱেশ কৰি যথেষ্ট মানসিক আনন্দ লাভ কৰে। সক্ৰিয় ৰাজনীতিত থকাৰ সময়ত তেওঁ স্বাৰ্থপৰতা আৰু ৰাজনৈতিক নীচতাৰ ভুক্তভোগী হ'বলগীয়া হৈছিল। তথাপি তেওঁ কাকো সমালোচনা কৰা নাছিল। সদনৰ ভিতৰত তেওঁক শাসক শ্ৰেণীৰ সকলোৱে বাঘৰ দৰে ভয় কৰিলেও সদনৰ বাহিৰত তেওঁ আছিল সবৰে বন্ধু আৰু ভীষ্ম পিতামহৰ দৰে শ্ৰদ্ধাৰ পাত্ৰ। সদায় এটা অনাড়ম্বৰ জীৱন যাপন কৰি আহিছিল। একোৱেই অভাৱ নথকাৰ সময়তো তেওঁক সন্মান, প্ৰাচুৰ্য আৰু যশে সৰু সৰু মানুহৰ পৰা আঁতৰ কৰি ৰখা নাছিল। ঘৰৰ গাড়ীচালক 'মণ্ডলদা'ৰ যক্ষ্মা হোৱাৰ সময়ত সকলো ব্যয় বহন কৰাৰ উপৰি পাছত 'মুৰ্গীৰ চুৰুহা' নিজ হাতে বনাই খুৱাইছিল। এয়া আদৰ্শনীয় নতুন প্ৰজন্মৰ সকলোৰে বাবে। তেওঁ নিজৰ কাম নিজে কৰিছিল। গৰু-গাইবোৰক ঘাঁহ কাটি আনি খুৱাইছিল। 'Change of occupation' মানে কি বুজিছিল সকলোৱেই কিয়নো লিখা-মেলাৰ ব্যস্ততাৰ মাজতো, নিজৰ কাম কৰিও, খুব মৰমকৈ ৰখা গাইকেইজনীৰ আলপৈচান ধৰিবৰ সময় উলিয়াব পাৰিছিল। লিখিও ওৰ নপৰে যাৰ কথা তেৰেঁই অমৰ হৈ থাকে ইহ পৃথিৱীত।

অসম বিধানসভা এসময়ত জনসাধাৰণৰ দৃষ্টিৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল গৌৰীশংকৰ ভট্টাচাৰ্যৰ বাবেই। গৌৰীশংকৰ নামটোতে পৱিত্ৰতা নিহিত, হিন্দু মান্যতা অনুসৰি শিৱৰ বাস হিমালয়ৰ সুউচ্চ কৈলাস ধামত। সেই বাবেই যুগনায়ক এইজন ব্যক্তি হৈ ৰ'ব চিৰস্মৰণীয়। ক্ষমতাই নষ্ট কৰিব নোৱাৰা তেওঁ প্ৰকৃততে দুটা যুগৰ সন্ধি, দুটা সামাজিক আন্দোলনৰ সন্ধি আৰু দুটা ভাৱাদৰ্শৰ সন্ধিত উৎপন্ন হোৱা ব্যক্তি।

'সূৰ্য যাৰ প্ৰভা, উচ্চতাত যি  
হিমাদ্ৰিশিখৰ  
উদাৰতাত সাগৰ তেওঁ  
দেশমাতৃৰ সেৱাই যাৰ জীৱন পণ  
উৎসৰ্গিলা, সমগ্ৰ জীৱন  
ৰাইজৰ সেৱা ৰাইজৰ কামত  
নমস্য পিতা মোৰ, নামতেই শিখৰ  
তুমি গৌৰীশংকৰ  
গৌৰৱ তুমি, অসম দেশৰ।।'

ফোন ঃ ৯৮৬৪৫১১০৮৬

# অম্বুবাচী
## আহাৰৰ এক নান্দনিক উৎসৱ

**আমতি উপলক্ষ্যে গুৱাহাটীৰ মা কামাখ্যা ধামত অম্বুবাচী মেলাৰ আয়োজন কৰা হয়। এই মেলালৈ পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক ভক্তৰ আগমন হয়। উল্লেখনীয় যে অম্বুবাচীৰ বাবে দুৱাৰ বন্ধ কৰাৰ আগৰজন আৰু শুদ্ধিৰ দিনা দুৱাৰ খোলাৰ প্ৰথমজন ভক্তক ভগৱানৰ লগত তুলনা কৰা হয়**

**পংকজ পল্লৱ শৰ্মা**

**অসমীয়া** সমাজত পালন কৰি অহা লোকাচাৰবোৰৰ ভিতৰত অম্বুবাচী অন্যতম। নামনি অসমত অম্বুবাচীৰ এক ব্যাপক প্ৰচলন আজিও বিদ্যমান। নামনি অসমত এই উৎসৱক আমতি বা আমেতি নামেৰে জনাজাত। প্ৰত্যেক আহাৰ মাহৰ সাতদিন যোৱাৰ পৰা পাঁচ দিনৰ বাবে এই উৎসৱ পালন কৰা হয়।

জ্যোতিষ শাস্ত্ৰমতে আহাৰৰ প্ৰথম মৃগশিৰা নক্ষত্ৰৰ তিনি পদ অতীত হ'লে চতুৰ্থ পদ আদ্ৰা নক্ষত্ৰৰ প্ৰথম পদৰ ভিতৰত পৃথিৱী ঋতুমতী হয়। এই সময়খিনিক অম্বুবাচী বোলে। নাৰীৰ Menstrua Circle (MC) বা ৰজস্বলা হোৱাৰ দৰে পৃথিৱীও এই সময়ত ৰজস্বলা হয় বুলি কুজিকা তন্ত্ৰত উল্লেখ আছে।

ৰজস্বলা নাৰীগৰাকীয়ে যেনেকৈ উক্ত চাৰিদিন সমস্ত কৰ্মৰ পৰা আঁতৰি থাকি জিৰণি লয় আৰু পাঁচ দিনৰ দিনা গা-পা ধুই মুক্ত হয়; ঠিক তেনেকৈ মাতৃৰূপী পৃথিৱীয়ে পঞ্চম দিনা শুচি হয়, অম্বুবাচী সময়ত।

সাত আহাৰত যেনেকৈ অম্বুবাচী আৰম্ভ হ'ব, ঠিক তেনেকৈ জেঠৰ শেষৰ সাতদিনৰ শেষৰ চাৰিদিন আৰু আহাৰৰ প্ৰথম তিনিদিন সাথ বুলি কোৱা হয়। সংস্কৃত সাত বা সপ্তক শব্দৰ পৰা সাথ শব্দৰ উৎপত্তি হৈছে।



চলিত বৰ্ষত আমতি সাত আহাৰ ২২ জুন বুধবাৰৰ ৰাঘ ৭।৪৬।৫০ পৰা প্ৰবৃত্তি হ'ব। সেইদিনাৰ সূৰ্যোদয় ঘ ৪।৩৪।২৬ আৰু সূৰ্যাস্ত ঘ ৬।১৪।৩৮। আকৌ ১১ আহাৰ ২৬ জুন দেওবাৰে ঘ ৮।৩৪।৩৮ বজাত এইবাৰৰ আমতি নিবৃত্তি হ'ব। সেইদিনৰ সূৰ্যোদয় ঘ ৪।৩৬।১৪ আৰু সূৰ্যাস্ত আ ৬।১৫।২৫ চলিত বৰ্ষত আমতি পালনকাৰীৰ বাবে সময়ে সুবিধা কৰিছে।

আমতিৰ চাৰি দিনত যিহেতু পৃথিৱী অশুচি হৈ থাকে গতিকে উক্ত সময়ত কোনো দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰা নহয়; বা কোনো মাংগলিক কৰ্মও কৰা নহয়। সকলো দেৱীৰ মন্দিৰ উক্ত সময়ৰ বাবে সম্পূৰ্ণ বন্ধ ৰখা হয়। আমতিৰ পঞ্চমদিনা শুদ্ধি বোলা হয়। সেইদিনা মন্দিৰৰ দুৱাৰ খোলা হয়। সেইদিনা পুৰোহিতে নিজেও লগুন সলায়। পাছত তেওঁ দেৱীক আনদিনাৰ দৰে গা ধুৱায়। গা ধুওৱা পৰ্বক দেৱীৰ স্নান কৰা বুলি কোৱা হয়। আমতিৰ পশ্চাৎ কামাখ্যা দেৱীৰ ৰক্ত বস্ত্ৰ (অংগ বস্ত্ৰ)ৰ আশ্চাৰ্য পৃথিৱী বিখ্যাত। এই ৰক্ত বস্ত্ৰৰ যৎ কিঞ্চিৎ শৰীৰত ধাৰণ কৰিব পাৰিলেও মনৰ অভীষ্ট সিদ্ধি হয়, শুভ ফল প্ৰাপ্তি হয়। কুজিকা তন্ত্ৰৰ সপ্তম ভাগত উল্লেখ আছে—

'কামাখ্যা বস্ত্ৰমাদায় জপ পূজাং সমাচৰেৎ।  
পূৰ্ণকামং লভেদ্দেৱী সত্যং সত্যং ন সংশয়ঃ।।

আমতি উপলক্ষ্যে গুৱাহাটীৰ মা কামাখ্যা ধামত অম্বুবাচী মেলাৰ আয়োজন কৰা হয়। এই মেলালৈ পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক ভক্তৰ আগমন হয়। উল্লেখনীয় যে অম্বুবাচীৰ বাবে দুৱাৰ বন্ধ কৰাৰ আগৰজন আৰু শুদ্ধিৰ দিনা দুৱাৰ খোলাৰ প্ৰথমজন ভক্তক ভগৱানৰ লগত তুলনা কৰা হয়। মা কামাখ্যা দেৱীৰ প্ৰণাম মন্ত্ৰ—

কামাখ্যাং বৰদাং দেৱী নীল পৰ্বত বাসিনী।  
ত্বং দেৱী জগন্মাতা যোনি মুদ্ৰায় নমো নমঃ।।

আমতিৰ শুদ্ধিৰ দিনা আমতিৰ সময়ত ব্যৱহাৰ কৰা সকলো কাপোৰ, বাচন-বৰ্তন ধোৱা হয়। আনহাতে, যিবোৰ বস্তু ধুব নোৱাৰি, সেইবোৰ গোবৰ-পানী, সোণ-ৰূপৰ পানী ছটিয়াই শুদ্ধি কৰি লোৱা হয়। লগুণধাৰী ব্ৰাহ্মণসকলে পঞ্চগব্যৰ জল ছটিয়াই শুদ্ধ কৰে— নিম্নোক্ত মন্ত্ৰ উচ্চাৰণৰে—

ওঁ অপৱিত্ৰঃ পৱিত্ৰব্য সৰ্ববস্তাং, গতোঅপিবাং।  
মঃ স্মৰেৎ পুণ্ডৰিকাক্ষ্য সৰ্বহাভাস্তৰঃ শুচিঃ।।

আমতিৰ সময়ত যতী, ব্ৰতী, ব্ৰহ্মচাৰী আৰু বিধৱাই পাক অন্ন নাখায়, মানে ৰন্ধা বস্তু নাখায়। কেৱল ফল-মূল আদিহে খাদ্য হিচাপে গ্ৰহণ কৰে। তেওঁলোকে পৰাপক্ষত মাটিত ভৰি নথয়। পিতৃ-মাতৃ বিয়োগ হোৱা পুত্ৰয়ো উক্ত কেইদিন ব্ৰত হিচাপে পালন কৰে।

ব্ৰতৰ ভিতৰত বাৰ্ষিক পিতৃ-মাতৃৰ শ্ৰাদ্ধ, গুৰু সেৱা, জপ আদি কৰিব পাৰি। লগুণধাৰী এজনে সাত্ত্বিকভাৱে থাকিলে দেৱ মন্দিৰত দেৱ বিগ্ৰহ ধুৱাব পাৰে।

শুদ্ধিৰ দিনা ব্ৰাহ্মণধাৰীসকলে নিয়ম মতে লগুণ সলায়।

মাতৃপ্ৰধান ভাৰতবৰ্ষত লোক বিশ্বাসৰ ভিত্তিত সৃষ্টি অম্বুবাচী আহাৰৰ নান্দনিক লোক উৎসৱ।

ফোন ঃ ৯৯৫৪২৯৩৬৬৮

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই
# ডিব্ৰুগড়! ডিব্ৰুগড়!

**বিশ্বজিৎ বৰুৱা**



**আহোম** স্বৰ্গদেউসকলৰ ৰাজত্ব কালৰ সময়ত একো একোখন সুবিধাজনক ঠাইক কেন্দ্ৰ কৰি অঞ্চলটোৰ উন্নয়ন সাধন হৈছিল। ১২২৮ত স্বৰ্গদেউ ছুকাফাই ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্য গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ সময়ত বৰ্তমানৰ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ যোগাযোগৰ সুবিধা থকা কিছুমান অঞ্চল বাচি লৈ সেই ঠাইবিলাকত জনপদৰ সৃষ্টি কৰি লৈছিল যাতে ইঠাইৰ পৰা সিঠাইলৈ বাট বোলোতে মানুহৰ বসতিপ্ৰধান অঞ্চল বিচাৰি অৰণ্যৰ মাজত হাবাথুৰি খাব লগা নহৈছিল। এনেধৰণে আহোম স্বৰ্গদেউসকলে সৃষ্টি কৰি লোৱা প্ৰতিজনপদেই এই অঞ্চলৰ ইতিহাস সোঁৱৰে।

**ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ঃ** উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ মোহনা আৰু হিমালয়ৰ পাদদেশত অৱস্থিত ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে প্ৰায় ৩৫০ বৰ্গকিলোমিটাৰ জুৰি বিস্তীৰ্ণ হৈ আছে। ডিব্ৰু-ছৈখোৱা লোহিত আৰু ব্ৰহ্মপুত্ৰৰ মোহনাৰ পৰা হিমালয় পৰ্বতশ্ৰেণীৰ কৈলাশ শৃংগলৈকে বিস্তৃত হৈ আছে। এই চিৰ সেউজ বৰ্ষাৰণ্য ভূমিকম্পৰ ফলত প্ৰাকৃতিকভাৱে সৃষ্টি হৈছে বুলি গৱেষকসকলে ধাৰণা কৰে। এই অঞ্চল বিভিন্ন আপুৰুগীয়া বনজ সম্পদ আৰু বহু বিলুপ্তপ্ৰায় প্ৰজাতিৰ জীৱ-জন্তুৰ বাসস্থান। এই বৰ্ষাৰণ্যৰ অৰ্কিড্ বিশ্বৰ অন্য অংশত বিৰল আৰু এই বিচৰণ ভূমিত থকা জীৱ-জন্তু আৰু পক্ষী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ। এই বৰ্ষাৰণ্য অসংখ্য ঘৰুৱা আৰু প্ৰব্ৰজনকাৰী চৰাইৰ মিলন স্থলী।

**দিহিং সত্ৰ ঃ** দিহিং সত্ৰ ডিব্ৰুগড় জিলাৰ লৰুৱা মৌজাৰ অন্তৰ্গত। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ আৰু গৌৰীনাথ সিংহৰ দিনত এই সত্ৰই ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিছিল।

**দিহিং নামতি সত্ৰ ঃ** এই সত্ৰ ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ ওচৰৰ চাচনী মৌজাৰ অন্তৰ্গত। লাচিত বৰফুকনৰ ধৰ্মীয় গুৰু বিনন্দশ্যাম গোসাঁয়ে এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। সম্প্ৰতি এই সত্ৰৰ মূল মণিকূট নাজিৰাৰ ওচৰৰ নামতিত অৱস্থিত।

**দিনজয় সত্ৰ ঃ** ডিব্ৰুগড় জিলাৰ চাবুৱাৰ কাষৰীয়া দিনজয় সত্ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ মূল শিষ্য গোপালদেৱে পোনপ্ৰথমে উত্তৰ লক্ষীমপুৰত প্ৰতিষ্ঠা কৰিছিল। পিছত মোৱামৰীয়া বিদ্ৰোহৰ সময়ত অষ্টভুজ গোসাঁই এই সত্ৰৰ নৱমজন অধিকাৰী হিচাবে নিযুক্ত হয়। তেওঁৰ পৰলোকগমনৰ পিছত প্ৰায় ১৪ বছৰ ধৰি কোনো স্থায়ী অধিকাৰী নথকাৰ বাবে সংকটৰ সন্মুখীন হয়। মোৱামৰীয়া বিদ্ৰোহৰ অৱসানৰ পাছতো এই সংকট ঘনীভূত হৈ ৰোৱাত ৰজা সৰ্বানন্দ সিংহৰ পুত্ৰ মাতিবৰ সেনাপতিয়ে স্বৰ্গদেউ পূৰ্ণানন্দ সিংহৰ অনুমতি সাপেক্ষে ভক্তানন্দ গোসাঁইক এই সত্ৰৰ দায়িত্ব অৰ্পণ কৰে। তেওঁৰ দিনতে অৰ্থাৎ ১৮৩৭ৰ পৰা এই সত্ৰৰ কাম-কাজ বৰ্তমান থকা স্থানৰ পৰাই চলিবলৈ আৰম্ভ কৰে।

**মায়ামৰা সত্ৰ ঃ** ডিব্ৰুগড়ৰ কাষৰীয়া মদাৰখাটত থকা মায়ামৰা সত্ৰ মূল দিনজয় সত্ৰৰ এক শাখা। দিনজয় সত্ৰৰ সত্ৰাধিকাৰ চিদানন্দ দেৱৰ ভ্ৰাতৃ চন্দ্ৰকান্তই এই শাখা সত্ৰ প্ৰতিষ্ঠা কৰিছিল।

**গড়পৰা সত্ৰ ঃ** গড়পৰা সত্ৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াই ত্ৰাসৰ সৃষ্টি কৰা ৰহমৰীয়া মৌজাত অৱস্থিত। এই সত্ৰ দিনজয় সত্ৰতকৈ পূৰ্বে প্ৰতিষ্ঠা কৰা হৈছিল বুলি তথ্য পোৱা যায়। সম্প্ৰতি এই সত্ৰ ৰহমৰীয়াৰ পৰা অন্য স্থানলৈ স্থানান্তৰ কৰাৰ দিহা কৰা হৈছে।

**কলী আই থান ঃ** আহোম ৰাজত্বৰ সময়তেই স্থাপিত এই কলী আই থানৰ প্ৰতি ডিব্ৰুগড় আৰু ইয়াৰ চৌকাষৰ অঞ্চলৰ জনগণৰ ভাৱ-ভক্তি যথেষ্ট। অসমৰ ধৰ্মীয় অথবা বুৰঞ্জীত কলী আইৰ উল্লেখনীয় ভূমিকা আছে। পুৰণি ডিব্ৰু সত্ৰৰ অধিকাৰীৰ পুত্ৰ সন্তান নথকাৰ বাবে লাহে লাহে সত্ৰৰ অৱস্থা শোচনীয় হৈ অহাৰ সময়তে তেওঁৰ কন্যা কলী আয়ে সত্ৰৰ দায়িত্ব লয়। বাল্য কালৰ পৰাই কলী আইৰ গাত ঐশ্বৰিক শক্তি দেখিবলৈ পোৱা গৈছিল। কলী আয়ে সত্ৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰ পৰাই এই সত্ৰৰ মাহাত্ম্য বৃদ্ধি পোৱা দেখিবলৈ পোৱা গ'ল। উল্লেখযোগ্য যে কলী আইৰ থানত নিৰ্দিষ্ট কোনো মন্দিৰ নাই যদিও চৌদিশৰ মানুহৰ অন্তৰত এই সত্ৰৰ প্ৰতি ভাৱ-ভক্তি অপৰিসীম।

**বৰবৰুৱা মৈদাম ঃ** ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ সমীপত ডিব্ৰুগড় চহৰৰ পৰা ১৪ কিলোমিটাৰ নিলগৰ বৰবৰুৱাত থকা এই মৈদাম বৰবৰুৱা অঞ্চলৰ শাসনকৰ্তা বুঢ়াদিহিঙীয়া বৰবৰুৱা আৰু ডেকা দিহিঙীয়া বৰবৰুৱাৰ মৈদাম বুলি জনা যায়। মূল মৈদামৰ কাষৰে-পাঁজৰে আৰু বহু সৰু সৰু মৈদাম দেখিবলৈ পোৱা যায়, যিবিলাক আহোম ৰাজত্বৰ বিভিন্ন উচ্চ পদাধিকাৰীৰ বুলি বুৰঞ্জীবিদ সৰ্বানন্দ ৰাজকোঁৱৰে তেওঁৰ গ্ৰন্থ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ'ত খ্ৰী১২২৮-১৮২৬ৰ উল্লেখ কৰিছে।

**বৰবৰুৱা পুখুৰী ঃ** স্বৰ্গদেউ ৰুদ্ৰসিংহ ৰাজত্বৰ কালত ডেকা দিহিঙ্গীয়া বৰবৰুৱাই অঞ্চলটোত পানীৰ অভাৱ দূৰ কৰিবলৈ এই বৃহৎ পুখুৰীটো খন্দাইছিল, যিটো আজি বৰবৰুৱা বাগিচাত দেখিবলৈ পোৱা যায়।

**বহিখোৱা মৈদাম ঃ** স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ বৰফুকন বহিখোৱা দশৰথ দুৱৰাৰ এই মৈদাম খোৱাঙত অৱস্থিত।

**লেকাই চেতিয়া মৈদাম ঃ** ডিব্ৰুগড় চহৰৰ পৰা ছয় কিলোমিটাৰ আঁতৰৰ লেকাই চেতিয়া মৈদাম ভক্তবৃন্দই থান হিচাবে গণ্য কৰে। স্বৰ্গদেউ প্ৰতাপ সিংহৰ সোঁহাত স্বৰূপ সেনাপতি লেকাই চেতিয়াৰ মৈদাম এয়া।



**ৰাইদঙীয়া দ'ল ঃ** ডিব্ৰুগড় জিলাৰ পোহৰলৈ অহা ঐতিহাসিক দ'ল-দেৱালয়সমূহৰ ভিতৰত ৰাইদঙীয়া দ'ল আৰু বেজৰ দ'ল উল্লেখযোগ্য। খোৱাঙৰ কাষৰীয়া কলাখোৱাত আৱিষ্কৃত এই দ'লৰ উচ্চতা ৪৫ ফুট আৰু প্ৰস্থ ১৫০ ফুট। এই দ'লৰ দেৱালসমূহত প্ৰথমতে ২৪ টা মূৰ্তি পোৱা গৈছিল বুলি কথিত আছে যদিও সম্প্ৰতি ১৪ টা মূৰ্তিহে দেখিবলৈ পোৱা যায়। স্বৰ্গদেউ প্ৰমত্ত সিংহৰ ভগ্নীক ৰাইদঙীয়া বৰুৱালৈ বিয়া দিয়াৰ সময়ত এই দ'ল আৰু দ'লৰ কাষত থকা পুখুৰী দুশ পুৰা মাটিৰ সৈতে যৌতুক হিচাবে দিয়া হৈছিল বুলি তথ্য পোৱা যায়।

**আঘোণী ভেটি ঃ** ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ, শ'লগুৰিৰ আঘোণী বাই, তিনিও তিনিওৰে ডিঙিত ধৰি কান্দিছে, সম্বন্ধৰ একোটো নাই। গদাপাণিক ধৰিবলৈ ৰজাৰ সৈন্যই খেদি যাওঁতে তিনিও ফালৰ পৰা গোট খোৱা তিনিওজনী পোহাৰীয়ে তেওঁলোকৰ মানুহটো মৰিল বুলি ইনাই-বিনাই কান্দি গদাপাণিক ৰক্ষা কৰাৰ কৃতজ্ঞতা স্বৰূপে গদাপাণি ৰজা হৈ এই পোহাৰীসকলৰ কীৰ্তিচিহ্ন ৰাখিবৰ বাবে দ'ল, পুখুৰী আৰু আলি বন্ধাইছিল। ডিব্ৰুগড় জিলাৰ খোৱাং বাগানৰ শ'লগুৰি গ্ৰাণ্টত গদাপাণিয়ে প্ৰতিষ্ঠা কৰা আঘোণীবাৰী এতিয়াও আছে। বাৰীখনৰ চাৰিওফালে গড় আৰু ৰজাদিনীয়া পুখুৰী আছে। এই গড়ৰ ভিতৰতেই আঘোণী বাইক ভেঁটি সাজি গদাপাণিয়ে ঘৰ সজাই দিছিল।

**বাৰেঘৰ সত্ৰ ঃ** নাহৰকটীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত মেৰবিলত শ্ৰীৰাম গোসাঁয়ে প্ৰতিষ্ঠা কৰা বাৰেঘৰ সত্ৰই অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত সমন্বয়ৰ এনাজৰী গঢ়িছিল। নৰুত্তে ৰজা আৰু প্ৰজাই গোসাঁইৰ শৰণ লৈছিল। দিহিঙৰ পাৰে পাৰে পৰ্বতৰ পৰা তিপাম হৈ ছয়াঙৰ আলিয়েদি নৰুত্তে ৰজাই গোসাঁইক কৰ শোধাবলৈ অহা-যোৱা কৰিছিল। শ্ৰীৰাম গোসাঁইৰ মৃত্যু ঘটাৰ দিনাই নৰুত্তে ৰজা নৰুত্তমৰ মৃত্যু ঘটিছিল আৰু দুয়োৰে চিটাৰ ধোঁৱা একেলগ হৈ স্বৰ্গমুখী হৈছিল। শিষ্যসকলে কৈছিল—"নগাৰ নৰোত্তম, গোসাঁই শ্ৰীৰাম একেলগে বৈকুণ্ঠলৈ গ'ল।" ভৈয়াম পৰ্বতৰ এই মিলন অপূৰ্ব।

**জয়পুৰ কোঁঠ ঃ** মানৰ দ্বিতীয় আক্ৰমণৰ পিছত চন্দ্ৰকান্ত সিংহক মান ৰজাই দ্বিতীয়বাৰলৈ ৰাজপাটত বহুৱালে। মান সেনাপতি আলোংনিঙিয়ে চন্দ্ৰকান্ত সিংহক ৰাজপাটত বহুৱাই পাতাল বৰবৰুৱাক সেনাপতি পাতি থৈ যায়। এইজনা বৰবৰুৱাই মানৰ পুনৰ আক্ৰমণ ৰোধিবলৈ মান অহাৰ বাটত গড় মাৰিব লাগে বুলি ৰজাক পৰামৰ্শ দিছিল। বৰবৰুৱাৰ দিহা মতে দিহিঙৰ দিঘলীঘাটত কোঁঠ মাৰি জয়পুৰ নাম দিছিল। এই বৰকোঁঠত বৰবৰুৱাই অনেক সৈন্যৰ সমাৱেশো কৰোৱাইছিল। কিন্তু মান ৰজাই কিছুদিনৰ পিছত চন্দ্ৰকান্ত সিংহলৈ মিংগিমাহা তিলোৱাৰ হাতত আ-অলংকাৰ পঠাইছিল। এওঁলোক সসৈন্যে আহি দিঘলীঘাটত কোঁঠ দেখি আচৰিত হ'ল আৰু এই কোঁঠ তেওঁলোকৰ বিৰুদ্ধে মৰা হৈছে বুলি জানিব পাৰি বুদ্ধিৰে সসৈন্যে পাতাল বৰবৰুৱাক বধ কৰিলে।

**ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ**

আহোম ৰজাৰ ৰাজত্ব কালত যিদৰে উপৰি উক্ত অঞ্চলসমূহৰ উন্নয়ন কৰা হৈছিল সেইদৰে ব্ৰিটিছৰ ৰাজত্ব কালত কিছুমান নতুন নতুন অঞ্চলৰ উন্নয়ন সাধন হোৱা দেখিবলৈ পোৱা গ'ল। ব্ৰিটিছে মূলতঃ প্ৰশাসনিক সুবিধা আৰু বিভিন্ন প্ৰাকৃতিক সম্পদ আহৰণ আৰু সেই সম্পদসমূহ বহিৰ্বিশ্বলৈ সৰবৰাহ আৰু যাতায়াতৰ সুবিধাক প্ৰাধান্য দি সেই জনপদসমূহ উন্নয়নত গুৰুত্ব দিছিল। এই অঞ্চলসমূহ হ'ল— মৰাণ, ডিব্ৰুগড়, লাহোৱাল, পানীতোলা, চাবুৱা, টেঙাখাত, তিনিচুকীয়া, মাকুম, ডিগবৈ, মাৰ্ঘেৰিটা, লিডু, ডুমডুমা, দুলীয়াজান, নাহৰকটীয়া, নামৰূপ আদি। সম্প্ৰতি ডিব্ৰুগড়ৰ কাষৰীয়া লেপেটকটা (গেছ ক্ৰেকাৰ প্ৰকল্প), বগীবিল আৰু বাণীপুৰ এই উন্নয়নৰ মানচিত্ৰত গুৰুত্বপূৰ্ণ স্থান হিচাবে প্ৰৱেশ কৰিছে। এই অঞ্চলসমূহ যেনেদৰে ঔদ্যোগিক কেন্দ্ৰ তেনেদৰে পৰ্যটকৰ বাবেও আকৰ্ষণীয় স্থলী।

আজিৰ আধুনিৰ বিশ্বৰ অৰ্থনীতিত ৰেল আৰু বিমান পৰিবহণৰ সুচলতা অত্যন্ত আৱশ্যকীয় চৰ্ত। ডিব্ৰুগড়ৰ কাষৰ বাণীপুৰত ৰেল বিভাগৰ বিজ্ঞপ্তি অনুযায়ী এছিয়াৰ ভিতৰতে অন্যতম বৃহৎ ৰেল ষ্টেছন প্ৰতিষ্ঠা কৰা তেওঁলোকৰ লক্ষ্য যদিও মোহনবাৰীত থকা বিমান বন্দৰৰ আধুনিকীকৰণ কিছু পৰিমাণে কৰা হৈছে যদিও ইয়াক আন্তৰ্জাতিক মানলৈ উন্নীত কৰাৰ প্ৰয়োজনীয়তা আছে। এই অঞ্চল এহাতেদি যিদৰে আজিৰ বিশ্বৰ অৰ্থনীতিৰ অতিকে মূল্যবান সম্পদৰূপে পৰিগণিত খাৰুৱা তেল, চাহ, কয়লা, কাঠ আদিত চহকী, সেইদৰে ইয়াৰ চৌকাষৰ প্ৰাকৃতিক পৰিৱেশ অতি মনোমোহা আৰু কিছু প্ৰচেষ্টাৰে ইয়াক সমগ্ৰ বিশ্বৰ পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় ৰূপত গঢ়ি তোলাৰ সম্ভাৱনীয়তা পূৰামাত্ৰাই আছে। ডিব্ৰুগড়ৰ পৰা মাত্ৰ কেইকিলোমিটাৰমান আঁতৰতে আছে তুষাৰাবৃত হিমালয় পৰ্বতমালা। কৈলাশ পৰ্বত, মানস সৰোবৰ হ্ৰদ, চাংপু নদী, কাঞ্চনজংঘা-এভাৰেষ্ট শৃংগ, বহুচৰ্চিত ষ্টিলৱেল পথ আৰু এই পথত থকা 'লেক অব ন' ৰিটাৰ্ণ' আদি বিশ্বসাহিত্য-সংবাদ জগতৰ ৰূপকথাৰ ভঁৰাল। এই অঞ্চলসমূহ পৰ্যটকৰ বাবে 'ভাৰ্জিন এৰিয়া'। আন্তৰ্জাতিক বিমান বন্দৰৰ মানলৈ উন্নত কৰি মোহনবাৰী বিমান বন্দৰৰ পৰা এই ৰূপকথাৰ অঞ্চলসমূহৰ ওপৰেদি পৰ্যটকৰ চাক্ষুষ অভিজ্ঞতাৰ বাবে যাতায়াতৰ সুবিধা আগবঢ়ালে মোহনবাৰী বিমান বন্দৰ পৰ্যটকৰ বাবে দ্বিতীয় 'হিথ্ৰো' (বিশ্বৰ সৰ্বাধিক পৰ্যটকৰ যাতায়াত হোৱা বিমান বন্দৰ) হ'বগৈ বুলি আশা কৰা যায়।

ফোন ঃ ৯৪৩৫০-২৮০০৮

## আগ্ৰাসী বেইজিং ঃ টাইৱানৰ আকাশত পুনৰ অনুপ্ৰৱেশ ২৯ চীনা যুঁজাৰু বিমানৰ



**নিউজ ব্যুৰ', টাইপে, ২২ জুন ঃ** পুনৰ আগ্ৰাসী আচৰণ প্ৰদৰ্শন কৰিলে চীনে। আকৌ এবাৰ টাইৱানৰ প্ৰতিৰক্ষা বলয়ত অনুপ্ৰৱেশ কৰিলে চীনৰ ২৯খন যুঁজাৰু বিমানে। অৱশ্যে এই ঘটনাৰ কিছু সময়ৰ পাছতে টাইৱানেও একেলগে কে'বাখনো যুঁজাৰু জেট বিমান প্ৰেৰণ কৰি বেইজিঙক কঠোৰ বাৰ্তা দিলে দ্বীপৰাষ্ট্ৰখনৰ সেনাবাহিনীয়ে। তাৎপৰ্যপূৰ্ণভাৱে যোৱা দেওবাৰে এটা অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণ কৰিছিল বেইজিঙে। ইয়াৰ পাছতে টাইৱানৰ আকাশত পুনৰ ২৯ খনকৈ চীনা যুঁজাৰু বিমানে অনুপ্ৰৱেশ কৰি শক্তি প্ৰদৰ্শন কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি টাইৱানৰ প্ৰতিৰক্ষা বলয়ত অনুপ্ৰৱেশ কৰা চীনা বিমানৰ মাজত ১৭ খন যুঁজাৰু জেট, ছখন এইচ-৬ বোমাৰু বিমান, এখন ইলেকট্ৰ'নিক ৱাৰফেয়াৰ, এখন ছাবমেৰিন ধ্বংসকাৰী বিমান আৰু এখন টেংকাৰ বিমান আছিল। যোৱা পহিলা জুনতো টাইৱানৰ প্ৰতিৰক্ষা বলয়ত ৩০ খন চীনা যুঁজাৰু বিমানে অনুপ্ৰৱেশ কৰি শক্তি প্ৰদৰ্শন কৰিছিল।

## দৃশ্যগ্ৰহণত পলমকৈ হ'ল উপস্থিত, ক্ষমা বিচাৰিলে মহাতাৰকা অভিনেতা শ্বাহৰুখে



**নিউজ ব্যুৰ', মুম্বাই, ২২ জুন ঃ** বিখ্যাত তাৰকা অভিনেতা-অভিনেত্ৰীয়ে পলমকৈ ছবিৰ দৃশ্যগ্ৰহণৰ কামত উপস্থিত হোৱাটো তেনেই স্বাভাৱিক। বলিউডৰ চলচ্চিত্ৰ উদ্যোগত সেয়া এক অতি সাধাৰণ ঘটনা। কিন্তু এই ক্ষেত্ৰত সম্পূৰ্ণ এক ব্যতিক্ৰম আচৰণ প্ৰদৰ্শন কৰিলে মহাতাৰকা অভিনেতা শ্বাহৰুখ খানে। এক বিজ্ঞাপনচিত্ৰৰ দৃশ্যগ্ৰহণৰ কামত পলমকৈ উপস্থিত হোৱাৰ বাবে কলাকুশলীৰ পৰা ক্ষমা বিচাৰিলে শ্বাহৰুখে। সূত্ৰৰ খবৰ অনুসৰি, সম্প্ৰতি ওৰে নিশা সাৰে থাকি নতুন ছবিৰ দৃশ্যগ্ৰহণত অংশ লৈছিল শ্বাহৰুখে। এই কাৰণতে পিছদিনা এক বিজ্ঞাপনৰ দৃশ্যগ্ৰহণত অংশ লোৱাৰ ক্ষেত্ৰত পলম হ'ল মহাতাৰকা অভিনেতাজনৰ। দৃশ্যগ্ৰহণস্থলীত উপস্থিত হোৱাৰ পাছত বিজ্ঞাপনৰ দৃশ্যগ্ৰহণকাৰী লৰেন্স ডি কুনহাৰ সন্মুখত হাতযোৰ কৰি ক্ষমা বিচাৰিলে শ্বাহৰুখে। এই ঘটনাত ষ্টুডিঅ'ত উপস্থিত থকা সকলোৰে অবাক হ'ল। ঘটনাৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত লৰেন্সে এইদৰে কয়, 'শ্বাহৰুখৰ স'তে মই প্ৰথমবাৰ কাম কৰিছো। শ্বাহৰুখ এজন তাৰকা। কিন্তু তেওঁৰ কোনো তাৰকাসুলভ আচৰণ নাই। সকলোৰে স'তে তেওঁ সহজে মিলি যাব পাৰে। শ্বাহৰুখৰ এই ব্যৱহাৰত আমি মুগ্ধ। এই কাৰণতে তেওঁ বলিউডৰ বাদশ্বাহ।'

## ওড়িছাত নক্সালবাদীৰ আক্ৰমণত চি আৰ পি এফৰ তিনি জোৱান ছহিদ



**নিউজ ব্যুৰ', ভুৱনেশ্বৰ, ২২ জুন ঃ** ওড়িছাৰ ন'ৱাপৰা জিলাত নক্সালবাদীয়ে ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে। নক্সালবাদীৰ এই আক্ৰমণত ছহিদ হ'ল চি আৰ পি এফৰ তিনিজন জোৱান। প্ৰকাশিত বাতৰি অনুসৰি, চি আৰ পি এফৰ জোৱানৰ এটি দলে পথ মুকলি কৰিবলৈ যোৱাৰ সময়ত হঠাতে উক্ত অঞ্চলত আত্মগোপন কৰি থকা নক্সালবাদীয়ে গ্ৰেণেড দলিয়াই আক্ৰমণ কৰিছিল। ফলত ঘটনাস্থলীতে তিনিজন জোৱানৰ মৃত্যু হ'ল। যোৱা নিশা সংঘটিত হোৱা এই ঘটনাত এজন জোৱান আৰু দুজন উপ-পৰিদৰ্শক পৰ্যায়ৰ বিষয়া ছহিদ হ'ল। আক্ৰমণ সংঘটিত কৰিয়ে নক্সালবাদীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল।

## জে ডি এছৰ বিধায়কে কলেজৰ অধ্যক্ষক মাৰিলে চৰ, কিন্তু কিয়?



**নিউজ ব্যুৰ', বাংগালুৰু, ২২ জুন ঃ** কৰ্ণাটকৰ জে ডি এছৰ বিধায়ক এম শ্ৰীনিবাসে কলেজৰ এজন অধ্যক্ষক চৰ মৰাৰ এখ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। যোৱা ২০ জুনত নিজৰ সমষ্টিৰ নলবাড়ী কৃষ্ণা ৰাজা বেডিয়াৰ আই টি আই কলেজত অধ্যক্ষৰ স'তে কথাবাৰ্তা হোৱাৰ সময়ত হঠাতে অসন্তুষ্ট হৈ বিধায়কজনে অধ্যক্ষক ৰাজহুৱাভাৱে চৰ মাৰি অপদস্থ কৰিছিল। বিধায়ক শ্ৰীনিবাসে কলেজখনত নতুনকৈ নিৰ্মাণ কৰা কম্পিউটাৰ কক্ষ মুকলি কৰিবলৈ লোৱাৰ সময়তে কলেজৰ উন্নয়নৰ প্ৰসংগত অধ্যক্ষক একাধিক প্ৰশ্ন কৰিছিল আৰু উত্তৰত অসন্তুষ্ট হৈ সকলোৰে সন্মুখতে অধ্যক্ষজনক চৰ মাৰে। এই ঘটনা সামাজিক মাধ্যমত প্ৰচাৰ হোৱাত বিধায়কজনৰ আচৰণক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিধায়কৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'বলৈকো অনেকে দাবী জনাইছে।

### উচ্চগ্ৰামৰ শব্দ-ডিজেৰ সংগীত উপভোগৰ ফলতো শ্ৰৱণ ক্ষমতা প্ৰভাৱিত হ'বলৈ ধৰিছে

# ২০৫০ বৰ্ষলৈকে বিশ্বত ২৫০ কোটি লোক হ'ব পাৰে শ্ৰৱণশক্তিহীন ঃ জগৰীয়া হেডফোন



**নিউজ ব্যুৰ' পেৰিছ, ২২ জুন ঃ** ফ্ৰান্সৰ নেচনেল ইনষ্টিটিউট অৱ হেল্‌থ এণ্ড মেডিকেলে চলোৱা এক গৱেষণামূলক অধ্যয়নৰ জৰিয়তে জানিব পৰা অনুসৰি দেশখনত সম্প্ৰতি প্ৰতি চাৰিজন ব্যক্তিৰ এজনে শ্ৰৱণশক্তিৰ সমস্যাত আক্ৰান্ত হৈছে। এইসকল লোক ক্ৰমে শ্ৰৱণশক্তিহীন হ'বলৈ ধৰিছে। অৰ্থাৎ অধ্যয়নটোৰ পৰিসংখ্যা অনুসৰি, সম্প্ৰতি ফ্ৰান্সৰ মুঠ জনসংখ্যাৰ ২৫ শতাংশ লোক শ্ৰৱণশক্তি হ্ৰাসৰ সমস্যাত ভুগিছে। প্ৰথমবাৰৰ বাবে ফ্ৰান্সত শ্ৰৱণশক্তি সন্দৰ্ভত এনে বৃহৎ পৰিসৰত গৱেষণামূলক অধ্যয়ন চলোৱা হৈছিল। এই অধ্যয়নত ১৮-৭৫ বছৰ বয়সীয়া মুঠ ১,৮৬,৪৬০ জন লোকক সামৰি লোৱা হৈছিল। অধ্যয়নটোৰ জৰিয়তে গৱেষকে জানিব পাৰিলে যে মূলত জীৱনশৈলী, সামাজিক বিচ্ছিন্নতা, হতাশা আৰু উচ্চগ্ৰামৰ শব্দৰ পৰিৱেশত বাস কৰাৰ ফলত এইসকল লোক শ্ৰৱণশক্তি হ্ৰাসজনিত সমস্যাত আক্ৰান্ত হৈছিল। একাংশ লোকে মধুমেহ ৰোগৰ পৰিণতিতো শ্ৰৱণশক্তিৰ সমস্যাত ভুগিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি, বিশ্বত বৰ্তমানে প্ৰায় ১৫০ কোটি লোকে নানা ধৰণৰ শ্ৰৱণশক্তি হ্ৰাসৰ সমস্যাত আক্ৰান্ত হৈছে। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৰ মতে, ২০৫০ বৰ্ষলৈকে বিশ্বত শ্ৰৱণশক্তিৰ সমস্যাত ভোগা লোকৰ সংখ্যা ২৫০ কোটিলৈ বৃদ্ধিৰ শংকা আছে। শ্ৰৱণশক্তি হ্ৰাসৰ এই ৰোগক স্বাস্থ্য সমস্যা হিচাপে চিনাক্ত কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে লগতে কয় যে হেডফোন আৰু য়েৰ ফোনৰ অত্যধিক ব্যৱহাৰৰ পৰিণতিত বিশ্বজুৰি মানুহৰ মাজত শ্ৰৱণশক্তি হ্ৰাসৰ নানা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। উচ্চগ্ৰামৰ সংগীত যেনে ডিজেৰ সংগীত উপভোগৰ ফলতো মানুহৰ শ্ৰৱণ ক্ষমতা প্ৰভাৱিত হ'বলৈ ধৰিছে।

## পয়গম্বৰক লৈ নূপুৰে কৰা মন্তব্যই ভাৰতৰ ভাবমূৰ্তি নষ্ট কৰিলে ঃ মন্তব্য ড'ভালৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুন ঃ** বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাই পয়গম্বৰ সন্দৰ্ভত কৰা বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি দেশে-বিদেশে সৃষ্টি হৈছে অশান্তিৰ। ভাৰতৰো একাধিক ৰাজ্যত এই মন্তব্যৰ বিৰোধিতাৰে হিংসাত্মক প্ৰতিবাদ অব্যাহত আছে। আন্তৰ্জাতিক দিশতো ভাৰতে যথেষ্ট হেঁচাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত বিষয়টোৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ড'ভালে। নিৰাপত্তা উপদেষ্টাজনে মন্তব্য কৰি কয় যে বিতৰ্কিত মন্তব্যৰ ফলত ভাৰতৰ ভাবমূৰ্তিৰ ক্ষতি হৈছে। সংবাদ মাধ্যমৰ আগত ড'ভালে কয়, 'ইয়াৰ ফলত ভাৰতৰ ভাবমূৰ্তিত আঘাত হনা হৈছে। একে সময়তে ভাৰতৰ বিৰুদ্ধে নানা ভুল তথ্য প্ৰচাৰ কৰা হৈছে, যিসমূহ বাস্তৱৰ পৰা বহুদূৰত অৱস্থিত। এনে পৰিস্থিতিত আমি তেওঁলোকৰ স'তে আলোচনাত বহি আশ্বস্ত কৰাটো উচিত হ'ব।'

## জি৭ সন্মিলনত অংশ ল'বলৈ ২৬ জুনত জাৰ্মানীলৈ যাব প্ৰধানমন্ত্ৰী মোদী



**নিউজ ব্যুৰ' নতুন দিল্লী, ২২ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাৰ্মানীত অনুষ্ঠিত হ'ব লগা জি৭ৰ শীৰ্ষ বৈঠকত অংশ ল'বলৈ অহা ২৬ জুনত বাৰ্লিনলৈ ৰাওনা হ'ব। এই সন্মিলনত ২৬ আৰু ২৭ জুনত অংশ লোৱাৰ পাছত মোদীয়ে ২৮ জুনত সংযুক্ত আৰব এমিৰেটত উপস্থিত হ'ব। বৈদেশিক মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে সংযুক্ত আৰব এমিৰেটছৰ নতুন ৰাষ্ট্ৰপতি তথা আবুধাবিৰ নতুন শাসক নিৰ্বাচিত হোৱা শ্বেখ মহম্মদ বিন জায়েদক সাক্ষাৎ কৰি শুভেচ্ছা জ্ঞাপন কৰিব।

## বাইডেনৰ শীৰ্ষ বিজ্ঞান উপদেষ্টা মনোনীত ভাৰতীয় মূলৰ আৰতি



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২২ জুন ঃ** ভাৰতীয় বংশোদ্ভূত গৱেষক আৰতি প্ৰভাকৰক নিজৰ শীৰ্ষ বিজ্ঞান উপদেষ্টা হিচাপে মনোনীত কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। বাইডেনৰ এই সিদ্ধান্ত ঐতিহাসিক বুলি অভিহিত কৰিলে আমেৰিকাৰ ভাৰতীয় সমাজে। কালি ৰাষ্ট্ৰপতি বাইডেনে এই কথা ঘোষণা কৰি এনেদৰে কৈছিল, 'ড° প্ৰভাকৰ এজন অসামান্য অভিযন্তা আৰু পদাৰ্থ বিজ্ঞানী। তেওঁ এগৰাকী অত্যন্ত সন্মানীয় পণ্ডিত। তেওঁ এতিয়াৰে পৰা বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত আমেৰিকাক যোগ্য নেতৃত্বদান কৰিব। তেওঁ অসম্ভৱক সম্ভৱ কৰিব পাৰিব বুলি আমাৰ বিশ্বাস।' মাৰ্কিন ছিনেটে মনোনয়ন গৃহীত কৰিলে আমেৰিকাৰ ইতিহাসত আৰতিয়ে হ'ব প্ৰথমগৰাকী অভিবাসী মহিলা যি অ' এছ টি পিৰ প্ৰধান সঞ্চালক নিযুক্ত হ'ব।

## অক্টোবৰত পুনৰ ভোট ইজৰাইলত, নেটানিয়াহুৰ প্ৰত্যাৱৰ্তনৰ সম্ভাৱনা

**নিউজ ব্যুৰ', জেৰুজালেম, ২২ জুন ঃ** বিগত চাৰি বছৰৰ ভিতৰত ইজৰাইত অনুষ্ঠিত হ'ব পঞ্চমবাৰলৈ নিৰ্বাচন। অহা অক্টোবৰত দেশখনৰ সংসদীয় নিৰ্বাচন পুনৰ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই নিৰ্বাচনৰ জৰিয়তে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটানিয়াহু আকৌ এবাৰ ক্ষমতালৈ উভতি অহাৰ সম্ভাৱনাও প্ৰকট হৈছে। ইজৰাইলৰ সংসদ ভংগ কৰাৰ বাবে বিধেয়ক উত্থাপনৰ কথা ঘোষণা কৰিলে বৰ্তমানৰ মৰ্চা চৰকাৰৰ উল্লেখযোগ্য দুটি দলৰ মুৰব্বীয়ে। বৰ্তমানৰ প্ৰধানমন্ত্ৰী নাফতালি বেনেট আৰু বৈদেশিক মন্ত্ৰী ইয়ায়েৰ লাপিডে কালি এক বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি দেশৰ সংসদ ভংগ কৰাৰ বাবে প্ৰয়োজনীয় বিধেয়ক অহা সপ্তাহত উত্থাপন কৰা হ'ব। এই বিধেয়ক গৃহীত হ'লে বৰ্তমানৰ সংসদ ভংগ কৰা হ'ব আৰু ইয়াৰ পাছতে দেশখনত নতুনকৈ সংসদীয় নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ঠিকে থাকিলে অহা অক্টোবৰত ইজৰাইলত পুনৰ সংসদীয় নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে। নতুন নিৰ্বাচনৰ পথ প্ৰশস্ত হোৱাত পুনৰ



ক্ষমতালৈ অহাৰ স্বপ্ন দেখিছে গাদীচ্যুত হোৱা নেটানিয়াহুৱে। প্ৰাক্তন প্ৰধানমন্ত্ৰীজনৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ গোচৰ এতিয়াও চলি আছে। কিন্তু সাম্প্ৰতিক একাধিক জনমত সমীক্ষাত দাবী কৰা অনুসৰি, নতুনকৈ নিৰ্বাচন অনুষ্ঠিত হ'লে নেটানিয়াহুৰ লিকুড পাৰ্টি নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতালৈ উভতিব পাৰে।

## ই ডিৰ জেৰাৰ সন্দৰ্ভত ৰাহুলে ক'লে 'মোক কোনেও ভয় খুৱাব নোৱাৰে'



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুন ঃ** 'নেচনেল হেৰাল্ড' গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ জেৰাৰ সন্মুখীন হোৱা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে আজি সংবাদ মাধ্যমৰ আগত কয় যে ই ডি বা অন্যান্য তদন্তকাৰী সংস্থাই তেওঁক ভয় খুৱাব নোৱাৰে। কংগ্ৰেছ সাংসদজনে কয়, 'মোক সোধাপোছা কৰা বিষয়ায়ো বুজিব পাৰিছে যে কংগ্ৰেছ নেতাক ভয়-ভাবুকি দি লাভ নাই।' ই ডিয়ে তেওঁক কৰা সোধাপোছাক এক 'সৰু কথা' বুলি অভিহিত কৰি ৰাহুলে কয় যে এতিয়া দেশত নিবনুৱা সমস্যা আৰু অগ্নিপথ আঁচনিহে অধিক গুৰুত্বপূৰ্ণ বিষয়। 'মোৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সাধাৰণ কথা। আজি সবাতোকৈ জৰুৰী বিষয়টো হৈছে সংস্থাপন। ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ গৈছে দেশৰ ৰাজহাড়। নৰেন্দ্ৰ মোদীজীয়ে এই ৰাজহাড় ভাঙিলে। এই কথা মই সদায়ে কৈ আহিছো।' ৰাহুলে এইদৰে কয়।

# দেশত অ'মিক্ৰনৰ চাৰি উপ-প্ৰজাতিয়ে বৃদ্ধি কৰিছে ক'ভিড সংক্ৰমণ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুন ঃ** ভাৰতত কৰ'না ভাইৰাছৰ নতুন সংক্ৰমণ এক উদ্বেগৰ কাৰণত পৰিণত হৈছে। বিগত কে'বা সপ্তাহ ধৰি দেশত ক'ভিড সংক্ৰমণৰ ৰেখাচিত্ৰ ঊৰ্ধ্বমুখী হৈ আহিছে। এনে পৰিস্থিতিত বিশেষজ্ঞই দেশত ক'ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমন ঘটিব পাৰে বুলি শংকা প্ৰকাশ কৰিছে।



বিগত এসপ্তাহত মহাৰাষ্ট্ৰ, কেৰালা, দিল্লী, হাৰিয়ানাসহ কে'বাখনো ৰাজ্যত ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। স্বাস্থ্য বিশেষজ্ঞই প্ৰকাশ কৰা অনুসৰি, ভাৰতত সম্প্ৰতি ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ চাৰিটা উপ-প্ৰজাতিয়ে সংক্ৰমণ বৃদ্ধি কৰিছে। বিএ.৪ৰ তিনিটা উপ-প্ৰজাতি আৰু বিএ.৫ৰ এটা উপ-প্ৰজাতিৰ ব্যাপক সংক্ৰমণ ইতিমধ্যে দেশত চিনাক্ত কৰা হৈছে। উল্লেখ্য যে যোৱা জানুৱাৰীত দক্ষিণ আফ্ৰিকাত প্ৰথমবাৰ বিএ.৫ উপ-প্ৰজাতিৰ ভাইৰাছৰ সন্ধান লাভ কৰা হৈছিল। বৰ্তমানলৈকে বিশ্বৰ ৪৭ দেশত এই ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। একেদৰে অ'মিক্ৰনৰ বিএ.৪ উপ-প্ৰজাতিৰ উপস্থিতি বিশ্বৰ ৪২ দেশত ধৰা পৰিছে।

## ২৪ ঘণ্টাত দেশত আক্ৰান্তৰ সংখ্যা পুনৰ ১২ হেজাৰৰ ঊৰ্ধ্বত, মৃত্যু ১৩ জনৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুন ঃ** মঙলবাৰে দেশৰ দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ তললৈ নামিছিল যদিও বুধবাৰে পুনৰ আক্ৰান্তৰ সংখ্যা ১২ হেজাৰৰ অধিক হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১২,২৪৯ জন লোক। দৈনিক সংক্ৰমণৰ শীৰ্ষত থকা মহাৰাষ্ট্ৰত বিগত এদিনত ৩,৬৫৯ জন লোক ক'ভিড সংক্ৰমিত হ'ল। কেৰালাত ২,৬০৯ জন, দিল্লীত ১,৩৮৩, কৰ্ণাটকত ৭৩৮, তামিলনাড়ুত ৭৩৭ আৰু হাৰিয়ানাত ৬১১ জন লোক বিগত ২৪ ঘণ্টাত কৰ'নাত আক্ৰান্ত হ'ল। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত মুঠ ১৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত আঠজন ৰোগীৰ মৃত্যু হোৱাৰ বিপৰীতে দিল্লী, পশ্চিমবংগ, জম্মু-কাশ্মীৰ, মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশত এজনকৈ ক'ভিড আক্ৰান্তৰ মৃত্যু হ'ল।

## ইউৰোপলৈ গেছৰ যোগান কৰ্তন কৰিলে ৰাছিয়াই



**নিউজ ব্যুৰ', ম'স্কো, ২২ জুন ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰখা ৰাছিয়াই এইবাৰ ইউৰোপলৈ গেছৰ ৰপ্তানি হ্ৰাস কৰিলে। যোৱা সপ্তাহত ৰাছিয়াই ইউৰোপীয় দেশলৈ গেছৰ যোগানৰ পৰিমাণ অৰ্ধেকাংশ হ্ৰাস কৰিছিল। ইউৰোপৰ দেশসমূহে ইউক্ৰেইনৰ সমৰ্থনত ৰাছিয়াৰ বিৰুদ্ধে থিয় দিয়াৰ প্ৰতিশোধ ল'বলৈকে ভ্লাডিমীৰ পুটিনৰ প্ৰশাসনে ইউৰোপলৈ প্ৰাকৃতিক গেছৰ যোগান সীমিত কৰাৰ কৌশল অৱলম্বন কৰিলে। উল্লেখ্য যে ইউৰোপৰ প্ৰায়বোৰ দেশে প্ৰাকৃতিক গেছৰ ক্ষেত্ৰত ৰাছিয়াত নিৰ্ভৰশীল হৈ আহিছে। জাৰ্মানীয়ে ৩৫ শতাংশ, ইটালীয়ে ৪০ শতাংশ গেছ ৰাছিয়াৰ পৰা আমদানি কৰি আহিছে। ৰাছিয়াই হঠাতে প্ৰাকৃতিক গেছৰ যোগান ইউৰোপলৈ অৰ্ধেকাংশ কৰ্তন কৰাৰ ফলত এইসমূহ দেশ নানা দিশত সংকটৰ সন্মুখীন হোৱাৰ শংকা প্ৰকট হৈছে।

## দিল্লীত পঞ্জীয়ন নম্বৰপ্লেট অবিহনে গাড়ী চলালে ভৰিব লাগিব ৫০০০ টকাৰ জৰিমনা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুন ঃ** দিল্লী চৰকাৰে দেশৰ ৰাজধানী চহৰখনত পঞ্জীয়ন নম্বৰ অবিহনে চলাচল কৰা যানবাহনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ এক নিৰ্দেশনা জাৰি কৰিলে। অৰবিন্দ কেজৰিৱালৰ চৰকাৰে জাৰি কৰা নতুন নিৰ্দেশনা অনুসৰি, যদিহে কোনো যানবাহন পঞ্জীয়ন নম্বৰ অবিহনে দিল্লীৰ পথত চলাচল কৰে, তেন্তে তেনে বাহনৰ গৰাকীক প্ৰথমবাৰ ৫০০০ টকাৰ জৰিমনা বিহা হ'ব। কোনো বাহনে দ্বিতীয়বাৰলৈ পঞ্জীয়ন নম্বৰ অবিহনে ৰাজপথত চলাচল কৰি ধৰা পৰিলে আৰক্ষীয়ে সেই বাহনৰ গৰাকীক ১০ হেজাৰ টকাৰ জৰিমনা বিহিব। তদুপৰি তেনে বাহনৰ গৰাকীক এবছৰৰ কাৰাদণ্ড বিহাৰো ব্যৱস্থা থাকিব। দিল্লী চৰকাৰে প্ৰকাশ কৰা অনুসৰি, পঞ্জীয়ন নম্বৰপ্লেট অবিহনে ৰাজপথত চলাচল কৰা বাহনৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

## যুদ্ধপৰাধ সন্দৰ্ভত জুণ্টা চৰকাৰক সকীয়নি ৰাষ্ট্ৰসংঘৰ



**নিউজ ব্যুৰ' য়াংগুন, ২২ জুন ঃ** ম্যানমাৰৰ জুণ্টা চৰকাৰক এইবাৰ যুদ্ধপৰাধ সন্দৰ্ভত সতৰ্ক কৰিলে ৰাষ্ট্ৰসংঘই। যোৱা বছৰত সেনা অভ্যুত্থানৰ বিৰোধিতা কৰা কে'বাজনো গণতন্ত্ৰকামী নেতা আৰু আন্দোলনকাৰীক অলপতে মৃত্যুদণ্ডৰ নিৰ্দেশ দিলে জুণ্টাৰ অধীনস্থ ম্যানমাৰৰ আদালতে। শাস্তি লাভ কৰা লোকসকলৰ মাজত আছে ম্যানমাৰৰ আইনসভাৰ প্ৰাক্তন সদস্য হিয়ো জেয়া থয়ো আৰু জনপ্ৰিয় গণতন্ত্ৰকামী নেতা ক' জিমি। এইসকল গণতন্ত্ৰকামী নেতাক মৃত্যুদণ্ড বিহিলে সেয়া যুদ্ধপৰাধ হিচাপে গণ্য কৰা হ'ব বুলি ম্যানমাৰৰ সেনাক সকীয়নি দিলে ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ সংক্ৰান্ত সংগঠনৰ মুৰব্বী নিকোলাছ কউমজিয়ানে। উল্লেখ্য যে যোৱা বছৰৰ ফেব্ৰুৱাৰীত ম্যানমাৰত সামৰিক অভ্যুত্থানৰ পাছত জুণ্টাই দেশখনৰ ক্ষমতা দখল কৰিছিল।

## প্ৰাণৰ শংকা ঃ ৩২ দিন কাৰ্যালয়লৈ যোৱা নাই ৫৪০০ কাশ্মীৰী পণ্ডিত




**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২২ জুন ঃ** এমাহ পূৰ্বে সন্ত্ৰাসবাদীয়ে কাশ্মীৰী পণ্ডিত ৰাহুল ভাটক কাৰ্যালয়তে গুলীয়াই হত্যা কৰিছিল। এই ঘটনাৰ পাছৰে পৰা বিগত ৩২ দিন ধৰি কাৰ্যালয়ত অনুপস্থিত আছে কাশ্মীৰৰ কমেও ৫৪০০ জন কাশ্মীৰী পণ্ডিত কৰ্মচাৰী। প্ৰাণৰ শংকাত ভোগা এইসকল কাশ্মীৰী পণ্ডিত কৰ্মচাৰীয়ে কাৰ্যালয়ত অনুপস্থিত আছে। এইসকল কৰ্মচাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ বিচাৰিছে। সদৌ কাশ্মীৰ সংখ্যালঘু কৰ্মচাৰী সংগঠনে ইতিমধ্যে উপ-ৰাজ্যপালৰ জৰিয়তে পত্ৰ লিখি কাশ্মীৰী পণ্ডিত কৰ্মচাৰীসকলক জীৱনৰ নিৰাপত্তা প্ৰদান কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে শেহতীয়াভাৱে কাশ্মীৰত সন্ত্ৰাসবাদীয়ে পুনৰ কাশ্মীৰী পণ্ডিতসহ সংখ্যালঘুসকলক আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিছে। কাশ্মীৰী পণ্ডিতক কাশ্মীৰ উপত্যকা ত্যাগ কৰিবলৈকো সন্ত্ৰাসবাদীয়ে বাৰম্বাৰ ভাবুকি দি আহিছে। এনে পৰিস্থিতিত সৰহসংখ্যক কাশ্মীৰী পণ্ডিতে চৰকাৰী কল'নী ত্যাগ কৰি নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।

## ৩৪,৬১৫ কোটিটকীয়া বেংক প্ৰৱঞ্চনাৰ অভিযোগত ডিএইচএফএলৰ কপিল-ধীৰজৰ বিৰুদ্ধে গোচৰ চি বি আইৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুন ঃ** কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে ইউনিয়ন বেংক অৱ ইণ্ডিয়াসহ ১৭টা বেংকৰ স'তে মুঠ ৩৪,৬১৫ কোটি টকাৰ প্ৰৱঞ্চনাৰ অভিযোগত দিৱান হাউছিং ফাইনেন্স কৰ্প'ৰেচন লিমিটেড (ডিএইচএফএল)ৰ কপিল বধাবন আৰু ধীৰজ বধাবনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিলে। চি বি আয়ে প্ৰকাশ কৰা অনুসৰি তদন্তকাৰী সংস্থাটোৱে বৰ্তমানলৈকে তদন্ত কৰা বেংক কেলেংকাৰিৰ এইটোৱে হৈছে সৰ্ববৃহৎ কেলেংকাৰি। বৰ্তমানে চি বি আইৰ বিষয়াই অভিযুক্তৰ মুম্বাইস্থিত ১২ ঠিকনাত তালাচী অব্যাহত ৰাখিছে। চি বি আয়ে ডিএইচএফএলৰ তদানীন্তন অধ্যক্ষ তথা প্ৰৱন্ধক




নিৰ্দেশক কপিল বধাবন আৰু নিৰ্দেশক ধীৰজ বধাবনৰ লগতে ৰিয়েল এষ্টেট খণ্ডৰ স'তে জড়িত ছটা কোম্পানীৰ বিৰুদ্ধে বৃহৎ বেংক প্ৰৱঞ্চনাৰ অভিযোগৰ তদন্ত অব্যাহত ৰাখিছে। ডিএইচএফএল আৰু আন ছটা প্ৰতিষ্ঠানে ইউনিয়ন বেংক অৱ ইণ্ডিয়াসহ ১৭টা বেংকৰ পৰা ঋণ লৈ ৩৪,৬১৫ কোটি টকাৰ বিত্তীয় প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপিত হৈছিল। এই বিত্তীয় প্ৰৱঞ্চনাৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰ অভিযোগত কপিল আৰু ধীৰজৰ বিৰুদ্ধে চি বি আয়ে তদন্ত ব্যাপক কৰি তুলিছে। চি বি আয়ে যোৱা ১১ ফেব্ৰুৱাৰীত বেংকৰ পৰা লাভ কৰা অভিযোগৰ আধাৰত কপিল আৰু ধীৰজৰ বিৰুদ্ধে বিত্তীয় প্ৰৱঞ্চনাৰ গোচৰত শেহতীয়াভাৱে দুই অভিযুক্তৰ একাধিক ঠিকনাত তালাচী চলালে।

# বানৰ বিভীষিকা আঁতৰা নাই পশ্চিম বড়িগোগত

## ঘৰ-দুৱাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান উটুৱাই নিয়াৰ লগতে ভাঙি চূৰ্ণাকৃত আছুৰ ছহিদ বেদী

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২২ জুন ঃ** যোৱা ১৬ জুনত কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত আৰু নলবাৰী সমষ্টিৰ সীমামূৰীয়া ঠাই চমুখা আৰু কামৰূপ জিলাৰ লৰমা গৌৱহাটীত দুটা ঠাইত বৰলীয়া নৈৰ মথাউৰি ছিঙি সমগ্ৰ পশ্চিম বড়িগোগ মৌজাৰ উপৰি উত্তৰ হাজোৰ প্ৰায়বোৰ গাঁও বানে বুৰাই পেলায়। গাঁওসমূহৰ বহুতৰে ঘৰ-দুৱাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি উটুৱাই নি বিপৰ্যস্ত কৰে জনসাধাৰণক। বহুতে গৰু-ছাগলীৰ লগত একেলগে শিবিৰত আশ্ৰয় ল'ব লগা অৱস্থা হৈছে।



আনকি মৌজাখনৰ অন্তৰ্গত পাত্ৰ পুখুৰীপাৰ হাইস্কুলৰ সন্মুখত থকা ছহিদ বাবুল মজুমদাৰৰ সমাধিস্থলীত নিৰ্মিত ছহিদ বেদীটো ভাঙি পৰে। উল্লেখ্য যে ১৯৮৩ৰ ন ফেব্ৰুৱাৰীত চিআৰপিএফৰ গুলিত নিহত হৈছিল বাবুল মজুমদাৰ। ছহিদগৰাকীৰ স্মৃতি যুগমীয়া কৰাৰ মানসিকতাৰে পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাই তেওঁৰ সমাধিস্থলীত উক্ত ছহিদ বেদীটো নিৰ্মাণ কৰিছিল। মন কৰিবলগীয়া যে মৌজাখনৰ একাংশ পঞ্চায়তত চৰকাৰী সাহায্যৰ নামতো তেনে সামান্য সামগ্ৰী দিয়াৰ অভিযোগ উঠিছে। দুখৰ বিষয় যে বানাক্ৰান্ত ৰাইজৰ বাবে দিয়া সাহায্যও হৰলুকি কৰাৰ অভিযোগ উঠিছে সমষ্টিটোৰ অন্তৰ্গত কঞা বৰপুল্লা পঞ্চায়তত। উল্লেখ্য যে পঞ্চায়তখনৰ অন্তৰ্গত বৰপুল্লা আৰু দৈচপৰা গাঁৱৰ কিছু পৰিমাণৰ সাহায্য সামগ্ৰী যোৱা ১৭ জুনতে অনা বুলি ৰাইজে ভু পাইছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে উক্ত সামগ্ৰীসমূহ আজি পৰ্যন্ত বিতৰণ কৰা নাই। ইয়াতে ক্ষুব্ধ হৈছে দুয়ো গাঁৱৰ বানাক্ৰান্ত। একাংশ বানাক্ৰান্তই সামগ্ৰীসমূহ হৰলুকি হোৱাৰ অভিযোগ তুলি সংবাদ মাধ্যমৰ ওচৰত ক্ষোভ উজাৰিছে। আনকি এই সম্পৰ্কত স্থানীয় কঞা আৰক্ষী থানাত অভিযোগ দিয়াৰ বাবে এজাহাৰো প্ৰস্তুত কৰিছে।

# কলগাছিয়াৰ ছুনপুৰাৰ বেঁকী নদীত নাও দুৰ্ঘটনা

**অগ্ৰদূত বাৰ্তা**
**কলগাছিয়া, ২২ জুন ঃ** আজি কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত ছুনপুৰাত বান সাহায্য কঢ়িয়াই নিবলৈ ধৰা নাও দুৰ্ঘটনা হয়। জানিব পৰা মতে, জনীয়াৰ চৌধুৰী বজাৰৰ সমীপৰ ছুনপুৰাৰ পৰা বাঘবৰ সমষ্টিৰ ভাতনাভাতি আৰু কদমতলালৈ লৈ যাবলৈ ধৰোতেই পানীত ডুবি যায় নাওখন। নাওখনত চাউল ৯৯ কুইন্টল, দাইল ৩৩ কুইন্টল আৰু নিমখ ১১ কুইন্টল আছিল বুলি বাঘবৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সোণবৰ চুতীয়াই জানিবলৈ দিয়ে। নাওখন উদ্ধাৰ কৰিবলৈ বৰপেটা এছডিআৰএফ স্থানীয় ৰাইজ আৰু অন্যান্য নাৱৰীয়াসকলে চেষ্টা অব্যাহত ৰাখিছে যদিও বাতৰি লেখা পৰলৈকে নাওখন উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। অৱশ্য এই দুৰ্ঘটনাত কোনো লোক হতাহত হোৱা নাই।

# 'অগ্নিপথ' আঁচনিৰ অধীনত মকৰল উপকৃত হ'ব পাৰে বঙাইগাঁৱৰ যুৱক

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২২ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় সশস্ত্ৰ বাহিনীত নিযুক্তিৰ বাবে 'অগ্নিপথ' আঁচনিৰ অধীনত 'অগ্নিবীৰ' নামেৰে এটা বাহিনী সৃষ্টি কৰাৰ সিদ্ধান্ত লৈছে। এই আঁচনিৰ অধীনত ১৭ বছৰ ছমাহ বয়সৰ পৰা ২১ বছৰ বয়সৰ যুৱকৰ বাবে ভাৰত চৰকাৰে সোণালী সুযোগ দিয়াৰ ব্যৱস্থা কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীত চাৰি বছৰ সময়সীমাৰ বাবে ১০+২ উত্তীৰ্ণ বা ডিপ্ল'মা পাঠ্যক্ৰম উত্তীৰ্ণ যুৱকক সামৰিক জীৱনৰ অভিজ্ঞতা উপলব্ধ কৰোৱা হ'ব। 'অগ্নিপথ' আঁচনিৰ অধীনত নিযুক্ত যুৱকসকলে নেতৃত্ব, দেশপ্ৰেম, সংকল্প, পৰিপক্কতা, সাহস, বন্ধুত্ব, শৃংখলা আৰু সময়মতে কাম কৰা আদি গুণ অৰ্জন কৰিব পৰা সামৰিক প্ৰশিক্ষণ লাভ কৰাৰ লগতে এই আঁচনিৰ অধীনত দেশত থকা ভাৰতীয় বায়ুসেনাত মকৰল কৰিব পৰা প্ৰতিভাধৰ যুৱকৰ সন্ধান কৰা হ'ব। বঙাইগাঁৱৰ যুৱকসকলৰ মাজতো ওলাব পাৰে এই 'অগ্নিপথ' আঁচনিৰ বাবে যোগ্য অগ্নিবীৰ। সময়ে সময়ে 'অগ্নিপথ' আঁচনিৰ দৃশ্য-শ্ৰাব্য, পোষ্টাৰ-গ্ৰাফিক্স আদি প্ৰচাৰ কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে ভাৰতীয় বায়ুসেনা বাহিনীত মকৰলৰ ন'ডেল এজেন্সী হৈছে No.11 Airmen Selection Centre,Guwahati এই বাৰ্তা প্ৰেৰণ কৰিছে বঙাইগাঁও জিলা প্ৰশাসনৰ হৈ জিলা তথ্য আৰু জনসংযোগ বিভাগে।

# মংগলবৰীয়াৰ ধোৱীখোলাত বিধৱা মহিলা, দুই শিশুক আক্ৰমণ

## উত্তপ্ত পৰিস্থিতি ঃ আক্ৰমণকাৰী পলাতক

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২২ জুন ঃ** জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত মংগলবৰীয়াৰ ধোৱীখোলাত এগৰাকী দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা বিধৱা মহিলা আৰু তেওঁৰ দুই শিশু সন্তানক কৰিম আলী নামৰ এজন প্ৰতিবেশীয়ে আক্ৰমণ কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণী অনুযায়ী হৰিমায়া সোণাৰ নামৰ বিধৱাগৰাকীৰ পোহনীয়া এটি গৰুৱে কঠীয়া খোৱাক লৈ আক্ৰমণাত্মক হৈ পৰে একে গাঁও নিবাসী কৰিমে। কৰিমে কঠীয়া খোৱা খণ্ডৰ ভমকত হৰিমায়াৰ ঘৰলৈ আহি বিধৱাগৰাকীক লাঠীৰে উপৰ্যুপৰি আক্ৰমণ কৰাৰ লগতে দুই শিশু সন্তানকো আক্ৰমণ কৰে। এই ঘটনাৰ অন্তত ওচৰ-চুবুৰীয়াই মহিলাগৰাকীৰ লগতে দুই সন্তানক



চিকিৎসাৰ ব্যৱস্থা কৰাৰ উপৰি পৰিয়ালৰ লোকে স্থানীয় আৰক্ষীক খবৰ দিয়ে। জামুগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অপৰাধী কৰিম পলাই থকা বাবে তেওঁৰ পত্নীক সোধপোছৰ বাবে আটক কৰি থানালৈ আনে। ইফালে, এই ঘটনাক কেন্দ্ৰ কৰি জাঙুৰ খাই উঠিছে স্থানীয় দল-সংগঠনে। আক্ৰমণৰ বলি হোৱা মহিলাগৰাকীৰ ঘৰত গোৰ্খা ছাত্ৰ সন্থাৰ উত্তৰ জামুগুৰি আৰু উত্তৰ নাগশংকৰ আঞ্চলিকৰ এটি প্ৰতিনিধি দল উপস্থিত হৈ আক্ৰমণকাৰী কৰিমক কঠোৰৰ পৰা কঠোৰতম শাস্তি দাবী তোলাৰ লগতে দুৰ্ভগীয়া মহিলাগৰাকীক ন্যায় প্ৰদান কৰিবলৈ আৰক্ষীক দাবী জনায়।

# ধৰ্ষণকাৰীক ফাঁচীৰ দাবীৰে উত্তাল কাজলগাঁও

## বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২২ জুন ঃ** চিৰাং জিলা সদৰ কাজলগাঁৱত ধৰ্ষণৰ বিৰুদ্ধে প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ এবছু, আক্ৰাছু, চাওতাল ছাত্ৰ সন্থাকে আদি কৰি কে'বাটাও দল-সংগঠনৰ। ধৰ্ষণকাৰীৰ ফাঁচীৰ দাবী কৰাৰ লগতে এই ক্ষেত্ৰত কঠোৰ আইন প্ৰণয়নৰ দাবী কৰি জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ। উল্লেখ্য যে চিৰাং জিলাৰ বাসুগাঁৱত যোৱা সোমবাৰে বাহাৰুল মণ্ডলে এইগৰাকী মহিলাক ধৰ্ষণ কৰি পিষ্টল দেখুৱাই পলায়ন কৰিছিল আৰু সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ পাছত স্থানীয় লোকে বাহাৰুলক কোকৰাঝাৰৰ পৰা ধৰি আনি উত্তম মাধ্যম শোধাই আৰক্ষীক গতাই দিছিল। ইতিমধ্যে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও ধৰ্ষকৰ ফাঁচীৰ দাবীৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত ফেডাৰেচনৰ সাধাৰণ সম্পাদক সম্ৰাট ভাৱেল, এবছুৰ চিৰাং জিলা শিক্ষা সম্পাদক দেৱাশ্ৰুণ ব্ৰহ্ম, বিটিআৰ আক্ৰাছুৰ সম্পাদক মনিৰাম ৰায়কে আদি কৰি কে'বাটাও দল-সংগঠনৰ নেতৃত্ব উপস্থিত থাকে।


# সমস্যা সমাধানৰ দাবীত অস্থায়ী বিল ক্লাৰ্ক-মিটাৰ কৰ্মী সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২২ জুন ঃ** অসম শক্তি বিতৰণ কোম্পানী লিমিটেডত কৰ্মৰত অস্থায়ী বিল ক্লাৰ্ক, মিটাৰ ৰিডাৰসকলৰ দীৰ্ঘদিনীয়া ন্যায্য দাবীৰ সন্দৰ্ভত আজিকোপতি সংশ্লিষ্ট বিভাগ আৰু চৰকাৰে গুৰুত্ব প্ৰদান নকৰাত এইসকল কৰ্মচাৰীৰ মাজত সম্প্ৰতি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে বিগত বহু বছৰ ধৰি তেওঁলোকৰ চাকৰি সমূহ নিয়মীয়াকৰণৰ দাবীক লৈ সদৌ অসম অস্থায়ী বিল ক্লাৰ্ক, মিটাৰ ৰিডাৰ কৰ্মী সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰতিষ্ঠানটোৰ শীৰ্ষতম বিষয়া অৰ্থাৎ পৰিচালন সঞ্চালকৰ স'তে আলোচনা হোৱাৰ সমান্তৰালভাৱে চৰকাৰকো অৱগত কৰি আহিছে। কিন্তু অতি পৰিতাপৰ কথা যে অদ্যাপি তেওঁলোকক কোনো ধৰণৰ মৰ্যাদা প্ৰদান কৰা নহ'ল আৰু উত্থাপিত সমস্যাৱলীসমূহো সমাধান নহ'ল। এনে পৰিপেক্ষিতত অনিচ্ছা স্বত্বেও নিজৰ চাকৰিৰ ভৱিষ্যৎ সুৰক্ষাৰ স্বাৰ্থত সন্থাৰ সদস্যসকলৰ মাজত অনুষ্ঠিত আলোচনা সভাত কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয় বুলি সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে তেজপুৰত সংবাদ মাধ্যমক জানিবলৈ দিছে। সন্থাৰ তৰফৰ পৰা সদৰী কৰা অনুসৰি যোৱা ২০ জুনৰ এইসকল কৰ্মীয়ে প্ৰতি ঘৰে ঘৰে ৰাজহ সংগ্ৰহ কৰা, প্ৰতি ঘৰে ঘৰে বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰিবলৈ যোৱা আৰু বাহিৰত ৰাজহ সংগ্ৰহ কৰিবলৈ যোৱা কামৰ পৰা বিৰত থাকিব। তাৰ পাছতো যদি সংশ্লিষ্ট বিভাগে তেওঁলোকৰ উত্থাপিত দাবী আৰু সমস্যাসমূহ সমাধান নকৰে তেন্তে অহা পহিলা জুলাইৰ পৰা ১৫ জুলাইলৈ ক'লা বেজ পৰিধানেৰে ঘৰে ঘৰে গৈ বিল প্ৰস্তুত কৰি তেঁওলোকৰ অধিকাৰৰ কথা গ্ৰাহকক অৱগত কৰাৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ সন্মুখত ক্ষোভ প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ পাছতো যদি সংশ্লিষ্ট বিভাগ আৰু চৰকাৰে কোনো ইতিবাচক পদক্ষেপ গ্ৰহণ নকৰে তেন্তে গুৱাহাটীস্থ বিজুলী ভৱনৰ সন্মুখত গণতান্ত্ৰিকভাৱে অৱস্থান ধৰ্মঘট কাৰ্যসূচী আৰু পৰৱৰ্তী পৰ্যায়ত অনশন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব। এনে কাৰ্যসূচীত অংশগ্ৰহণকাৰী কোনো সদস্যৰ স্বাস্থ্যজনিত কাৰণত শাৰীৰিক অৱস্থাৰ অৱনতি ঘটিলে বা মানসিক ভাৰসাম্য হেৰুৱালে তাৰবাবে সন্থাৰ কোনো বিষয়ববীয়া দায়ী নহয় সকলো দায়িত্ব কৰ্তৃপক্ষই ল'ব লাগিব বুলি সংগঠনটোৰ তৰফৰ পৰা সীকয়নি প্ৰদান কৰি এই অস্থায়ী কৰ্মীসকলৰ দীৰ্ঘদিনীয়া সমস্যাৱলী মানৱীয় দৃষ্টিৰে গ্ৰহণ কৰি সকলোকে স্থায়ী নিযুক্তিৰে সমাধান কৰিবলৈ অনুৰোধ জনাইছে।

# ঘগ্ৰাপাৰৰ বানাক্ৰান্ত গাঁৱলৈ শীঘ্ৰে বান সাহায্য প্ৰেৰণ কৰক

## মন্ত্ৰী জয়ন্ত মল্ল-সাংসদ দিলীপ শইকীয়াৰ চক্ৰ বিষয়াক নিৰ্দেশ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২২ জুন ঃ** ৰাজ্য চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু সাংসদ দিলীপ শইকীয়াই যোৱা নিশা ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত চক্ৰ বিষয়াগৰাকীৰ স'তে এক বৈঠকত মিলিত হয়। উক্ত বৈঠকত



বন্যাৰ্তৰ বাবে খাদ্য-সামগ্ৰী, ঔষধ, পশুধনৰ খাদ্য আদি সাহায্য সামগ্ৰীসমূহ কোন কোন অঞ্চলত গৈছে তাৰ তদাৰক কৰাৰ লগতে যিবোৰ অঞ্চলত সাহায্য বিতৰণ কৰাত লেহেমীয়া হৈছে সেই স্থানসমূহত অতিশীঘ্ৰ যোগান ধৰাৰ নিৰ্দেশ দিয়ে। জননেতা দুয়োজনৰ নিৰ্দেশনা লাভ কৰাৰ পাছতে চক্ৰ বিষয়া মণিষা কলিতা আৰু উক্ত প্ৰক্ৰিয়াটোৰ স'তে জড়িত কৰ্মচাৰীসকলৰ উপৰি বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাসহ অৰ্ধ শতাধিক দলীয় কাৰ্যকৰ্তাই যুদ্ধংদেহি তৎপৰতাৰে এই প্ৰক্ৰিয়াত আজি পুৱাৰে পৰা নামি পৰিছে। আজি এই বাহিনীটোৱে ৰাজহ চক্ৰটোৰ অন্তৰ্গত বানৰ কবলত পৰা ৮১ খন গাঁৱলৈ খাদ্য-সামগ্ৰী আৰু পশুধনৰ খাদ্য প্ৰেৰণ কৰে। ঘগ্ৰাপাৰ হাইৰে চ'কৰ ওচৰত স্থাপন কৰা অস্থায়ী গুদাম ঘৰৰ পৰা আজি পুৱাৰে পৰা বিজেপিৰ কৰ্মীসকলে প্ৰতিখন গাঁওপ্ৰধানৰ জৰিয়তে এইসমূহ খাদ্য প্ৰেৰণৰ ব্যৱস্থা কৰে। উল্লেখ্য যে ৰাজহ চক্ৰটোৰ অন্তৰ্গত ৮১ খন গাঁৱৰ প্ৰায় ৫৮২১৪ গৰাকী লোকলৈ আজি নিশাৰ ভিতৰতে পৰ্যাপ্ত পৰিমাণৰ চাউল, দাইল, মিঠাতেলৰ লগতে পশুধনৰ খাদ্য যথাস্থানলৈ প্ৰেৰণ কৰা হ'ব বুলি মণ্ডল সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই জনাইছে।

# তামুলপুৰত মটঙা নদীৰ বাঢ়নী পানীয়ে ছিঙিলে নৱনিৰ্মিত পকী দলং

## ■ নিম্নমানৰ কামৰ অভিযোগ তুলি ৰাইজৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২২ জুন ঃ** শেহতীয়া বানপানীত ৰাজ্যৰ অন্যপ্ৰান্তৰ লগতে তামুলপুৰ জিলাৰ বিভিন্ন অঞ্চলতো ভূটানৰ পৰা বৈ অহা খৰস্ৰোতা নৈসমূহৰ বাঢ়নী পানীয়ে বাট-পথ, দলংসমূহৰ বিস্তৰ ক্ষতিসাধন কৰে। যোৱা কিছুদিন ধৰি হোৱা মুষলধাৰ বৰষুণৰ লগতে ভূটানৰ পৰা বৈ অহা মটঙা নদীৰ পানীৰ ধলে লোক নিৰ্মাণ বিভাগৰ তামুলপুৰ সংমণ্ডলৰ অন্তৰ্গত



ৰঙিয়া-ভূটান ঘাইপথৰ পৰা দলংপাৰ-বানগুৰী-নাগ্ৰীজুলি সংযোগী পথৰ মটঙা নদীৰ ওপৰত থকা নৱনিৰ্মিত পকী দলংখনৰ দুয়োটা মুৰ খহাই নিয়াত পথটোৰে যাতায়াত বন্ধ হৈ পৰে। ফলত বৃহত্তৰ অঞ্চলটোৰ ১০-১২ খন গাঁৱৰ ৰাইজৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। মুকলি হোৱা কেইমাহমানৰ পাছতেই নদীৰ বাঢ়নী পানীয়ে দলংখনৰ দুয়োটা মূৰ খহাই নিয়াত সম্প্ৰতি পথটোৰে যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰাত দলংখনৰ নিৰ্মাণ কাৰ্যত দুৰ্নীতিৰ অভিযোগ তুলি স্থানীয় ৰাইজে ভগ্ন দলঙৰ কাষত আজি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। স্থানীয় ৰাইজৰ অভিযোগ, পথ তথা দলং নিৰ্মাণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰ তথা বিভাগীয় বিষয়া-কৰ্মচাৰীৰ অৱহেলাৰ বাবে কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা দলঙৰ কাম নিম্নমানৰ হোৱাত দলংখনৰ দুয়োটা মূৰ ছিঙি যায়। ফলত পথটোৰে যাতায়াত কৰা ছাত্ৰ-ছাত্ৰীকে ধৰি সাধাৰণ ৰাইজে বহু দূৰ বাট ঘুৰি তামুলপুৰ জিলা সদৰলৈ অহা-যোৱা কৰিব লগা হৈছে। স্থানীয় ৰাইজৰ দলংখনৰ খহি যোৱা দুয়োটা মূৰ অতি শীঘ্ৰে নিৰ্মাণ কৰি পথটোৰে যাতায়াত সুচল কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

# অৱসৰপ্ৰাপ্ত শিক্ষক বাণীকান্ত ডেকাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ২২ জুন ঃ** বৃহত্তৰ ডাঁহী অঞ্চলৰ তামুলীপাৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক, লেখক, বিশিষ্ট সমাজ সেৱক বাণীকান্ত ডেকাৰ যোৱা ১৬ জুনত বাৰ্ধক্যজনিত কাৰণত ৭৬ বছৰ বয়সত মৃত্যু হয়। সোণতলিৰ সোণ, বাস্তৱ অভিঃতাৰ স্বাক্ষৰ শীৰ্ষক গ্ৰন্থৰে পাঠকৰ অন্তৰ জিনিবলৈ সক্ষম হোৱা সুলেখক, বৃহত্তৰ ডাঁহী অঞ্চলৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে সততে জড়িত সমাজ সেৱকজন ধৌৱাপাৰা প্ৰাথমিক বিদ্যালয়ৰ ডেৰশবছৰীয়া জয়ন্তীৰ এগৰাকী কৰ্ণধাৰ, চিলাৰায় স্মৃতি বিদ্যাপীঠৰ প্ৰতিষ্ঠাপক সম্পাদক, পৰৱৰ্তীকালত সভাপতিৰূপে কাৰ্যসম্পাদন কৰা সমাজ সেৱকজনে মৃত্যুৰ সময়ত তেওঁৰ পত্নী, এজন পুত্ৰ আৰু এগৰাকী জীয়ৰী ইহসংসাৰত এৰি যায়। উল্লেখ্য যে অগ্ৰদূত পৰিয়ালৰ স'তে প্ৰয়াত বাণীকান্ত ডেকাৰ এক সুসম্পৰ্ক আছিল।

# বানাক্ৰান্ত ১.৫৭ লাখ শিশুৰ বাবে

এক পৃষ্ঠাৰ পৰা ৫,০৩,৪৫০ গৰাকী লোক বানাক্ৰান্ত হৈছে। অৱশ্যে বেচৰকাৰী তথ্য অনুসৰি, আক্ৰান্ত লোকৰ সংখ্যা প্ৰায় চাৰে পাঁচ লাখ হ'ব। আজি বিয়লি নগাঁও জিলা দুৰ্যোগ প্ৰশমন বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি, জিলাখনত ১,৭৮,৪৫৬ জন পুৰুষ, ১,৬৭,৬৪৬ গৰাকী মহিলা আৰু ১,৫৭,৩৪৮ টি শিশু বানাক্ৰান্ত হৈছে। জিলাখনৰ কামপুৰ, ৰহা আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় তিনিশ গাঁৱৰ ৪,৯৭,৯৮২ গৰাকী লোক বানাক্ৰান্ত হৈ জীয়াতু ভুগিব লগা হৈছে। কিন্তু এই বান দুৰ্গত লোকসকলৰ বাবে বান সাহায্য প্ৰদানৰ ক্ষেত্ৰত নগাঁও জিলা প্ৰশাসনে আজিও চৰম গাফিলতি কৰাৰ অভিযোগ উত্থাপিত হৈছে।

আজি বিয়লি নগাঁও জিলা প্ৰশাসনে প্ৰকাশ কৰা তথ্য অনুসৰি, আজিৰ দিনটোত কামপুৰ ৰাজহ চক্ৰত বান দুৰ্গত ৰাইজক ১৩৪৪.৮২ কুইন্টল চাউল, ২৫৬.৩৬ কুইন্টল দাইল, ৭৬.৯১ কুইন্টল নিমখ, ৭০০১ লিটাৰ মিঠাতেল, নগাঁও ৰাজহ চক্ৰত ৭১২.০৩ কুইন্টল চাউল, ১২৭.৯১ কুইন্টল দাইল, ৩৮.৩৭ কুইন্টল নিমখ, ১০০০ লিটাৰ মিঠাতেল, ৰহা ৰাজহ চক্ৰত ১০০০ কুইন্টল চাউল, ৪১১ কুইন্টল দাইল, ১২৩.৩০ কুইন্টল নিমখ বান সাহায্য হিচাপে বিতৰণ কৰা হৈছে। বিভিন্ন আশ্ৰয় শিবিৰৰ লগতে ওখ ঠাই, পথৰ দাঁতিত পলিথিনৰে তম্বু তৰি কোনোমতে আশ্ৰয় লৈ থকা বান দুৰ্গত ৰাইজক বিশুদ্ধ খোৱাপানী, মমবাতি, দিয়াশলাই, মহ খেদা কয়ল আদি যোগান ধৰা হোৱা নাই।

অতি পৰিতাপৰ বিষয় যে চৰকাৰী তথ্য অনুসৰিয়েই জিলাখনত ১,৫৭,৩৪৮ টি শিশু বানাক্ৰান্ত হৈছে যদিও আজিৰ দিনটোত তেওঁলোকৰ বাবে কোনোধৰণৰ গোটা অথবা জুলীয়া শিশু খাদ্য যোগান ধৰা হোৱা নাই। স্মৰ্তব্য যে বেচৰকাৰী তথ্য অনুসৰি, জিলাখনত বানাক্ৰান্ত শিশুৰ সংখ্যা প্ৰায় দুই লাখ। এই দুই লাখ বানাক্ৰান্ত দুৰ্গত শিশুৰ বাবে জিলা প্ৰশাসনে আজিৰ দিনটোত কোনো ধৰণৰ শিশু খাদ্য যোগান নধৰাত শিশুসকলৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছে। উল্লেখ্য যে কালিও জিলাখনৰ কামপুৰ ৰাজহ চক্ৰৰ বানাক্ৰান্ত শিশুসকলক কোনো ধৰণৰ শিশু খাদ্য যোগান ধৰা হোৱা নাছিল।

# কৰ্তৃপক্ষৰ গাফিলতিত কলাজল নৈৰ

এক পৃষ্ঠাৰ পৰা মাথাউৰিটো ভাগি পেলায়। ফলত নিমিষতে পছৰীয়াৰ বিভিন্ন অঞ্চল পানীয়ে বুৰাই পেলায়। বৰ্তমানলৈ পানীত হোৱা ক্ষয়-ক্ষতিৰ অনুমান কৰিব পৰা নাই যদিও বৃহত্তৰ অঞ্চলৰ ধিঙৰবৰি হাওৱা পাৰা মাজটোল আদিত পানীয়ে মানুহৰ ঘৰে চোতালে ভৰ্তি হৈ বিস্তৰ ক্ষতিসাধন কৰে। কলাজল নদীৰ বানে প্ৰতিমুহূৰ্তত ন ন অঞ্চল বুৰাই পেলোৱাত মানুহৰ লগতে পশুধনৰ আলাই আথানি হয়। এনেদৰে পানীৰ প্ৰৱলতা বাঢ়ি থাকিলে দদৰা-দলিবাৰি বৰগাঁও-কেতেকীঝাৰ-আজ্ঞাঠুৰী আদি অঞ্চল পানীৰ তলত থাকিব।

ইফালে, কলাজল নদীৰ বাঢ়নী পানীয়ে চকুৰ পচাৰতে মলঙৰ ইমামী ইণ্ডাষ্ট্ৰীৰ লগতে তাত থকা কুৰিটাতাকৈ অধিক ৰূপান্তৰ মুখী উদ্যোগ বুৰাই পেলায়। উদ্যোগসমূহৰ যন্ত্ৰ সামগ্ৰীৰ লগতে কিছু সংখ্যক উৎপাদন সামগ্ৰীও পানীয়ে নষ্ট কৰে। বিশেষকৈ বাঢ়নী পানীয়ে মলঙৰ ইমামীত বিধ্বংসী ৰূপত ক্ষতিসাধন কৰিছে। বানপানীৰ প্ৰকোপত ছিঙা মথাউৰিৰ লগতে পানীয়ে ক্ষতিগ্ৰস্ত কৰা অঞ্চলসমূহ পৰিদৰ্শন কৰিবলৈ বিভাগীয় কোনো উচ্চ পদস্থ বিষয়া নহাৰ অভিযোগ উঠিছে। উল্লেখ্য যে মথাউৰিটোৰে অলপ অলপকৈ পানী বাগৰাৰ সময়তে ৰাইজে বিভাগক অৱগত কৰে যদিও বিভাগীয়ভাৱে কোনো কাৰ্যপন্থা হাতত নোলোৱাত মথাউৰিটো ছিঙি যায়। উপযুক্ত সময়ত ইয়াৰ ব্যৱস্থা লোৱাহেঁতেন এই বিপৰ্যয় নহ'লহেঁতেন বুলি ৰাইজৰ অভিযোগ। শুৱালকুছি খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাসে খহনীয়া পৰিদৰ্শন কৰিবলৈ গৈ আদবাটৰ পৰাই ওভতি আহে। বিজেপিৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ সভাপতি তপন দাসৰ সহিতে শুৱালকুছি বিজেপি মণ্ডল সভাপতি হেম চন্দ্ৰ বৈশ্য, সম্পাদক ভাৰত ৰাজবংশী শিঙিমাৰী পঞ্চায়ত সভানেত্ৰী সাবিত্ৰী বণিয়াকে ধৰি নেত্ৰীস্থানীয় ব্যক্তিসকলৰ এটি সঁজাতী দলে খহনীয়া পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোকসকলৰ অৱস্থাৰ বুজ লয়।

### উত্তৰ হাজোত পানী কমিবলৈ ধৰিছে আনফালে দক্ষিণ হাজোত পানী বাঢ়িয়ে আছে

কামৰূপ জিলাৰ উত্তৰ হাজোত কালিৰে পৰা পানী ক্ৰমশঃ কমিবলৈ ধৰিছে যদিও বান পৰিস্থিতি বৰ্তমানেও অৱৰ্ণনীয় হৈ আছে। বৰলীয়া, পুঠিমাৰী, পাগলাদিয়া নৈৰ ভগ্ন মথাউৰিৰে হোৱাহোৰে পানী সোমাই থকা বানত বিগত ছদিনে উত্তৰ হাজোৰ প্ৰায় অৰ্ধশতাধিক গাঁৱৰ প্ৰায় লক্ষাধিক লোক ককবকাই থকাৰ মাজতে কালিৰে পৰা পুনৰ দক্ষিণ হাজোৰ ইখনৰ পাছত সিখনকৈ ন-ন অঞ্চল ব্ৰহ্মপুত্ৰ আৰু ক'লাজল নৈৰ বাঢ়নী পানীত বুৰ যাবলৈ ধৰিছে। এনে অৱৰ্ণনীয় পৰিস্থিতিত বানাক্ৰান্ত ৰাইজৰ বিলাই বিপত্তি নোহোৱা হৈছে। বহু লোকে নিজ সা-সম্পত্তি, গৰু-ম'হসহ ওখ ঠাইত আশ্ৰয় লৈছে যদিও এতিয়াও বহু লোক জলবন্দী হৈয়ে আছে। বিগত ছদিনে উত্তৰ হাজো অঞ্চলৰ প্ৰধান বাট-পথসমূহত একাঁঠুৰ পৰা এবুকু পানী উঠাত যাতায়াত বন্ধ হৈ আছে । ইফালে, আকৌ ক'লাজল নদীৰ বাঢ়নী পানীয়ে দমদমা- বৰম্বৈ- ডিমু পথৰ মনাহকুছিত, হাজো- গুৱাহাটী পথৰ দমদমা পেট্ৰ'ল পাম্পৰ পৰা পটনিলৈ সমগ্ৰ পথছোৱা বুৰাই পেলোৱাত যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। যাৰ ফলত এতিয়া সমগ্ৰ হাজোবাসী ৰাইজ জলবন্দী হৈ পৰিছে।

# ছাত্ৰাৱাসৰ চিৰিত পৰি ৰহস্যজনক মৃত্যু

এক পৃষ্ঠাৰ পৰা দাবী কৰাৰ সমান্তৰালভাৱে হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বশিষ্ঠপুৰত সংঘটিত আন এক আত্মহত্যাৰ ঘটনাত এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰে আৰক্ষীয়ে। ইয়াৰ উপৰি বৰঝাৰ আৰক্ষীয়ে আজি যোগলীয়া নদীত এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ কৰে।

### ছাই বিকাশ কনিষ্ঠ মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰীৰ চিৰিত পৰি ৰহস্যজনক মৃত্যু

মহানগৰীৰ গড়চুক আৰক্ষী থানাৰ অন্তৰ্গত ছাই বিকাশ কনিষ্ঠ মহাবিদ্যালয়ত একাদশ শ্ৰেণীত অধ্যয়নৰত তেজপুৰৰ এগৰাকী ছাত্ৰী শিক্ষানুষ্ঠানখনৰ ছাত্ৰী নিৱাসতে পৰি মৃত্যু হোৱা ঘটনাই শোকৰ ছাঁ পেলোৱাৰ লগতে ৰহস্যৰো সৃষ্টি হৈছে। আৰক্ষীয়ে সদৰী কৰা অনুসৰি, পুৱতি নিশা প্ৰায় ৪.৩০ বজাত এই ঘটনা সংঘটিত হয় আৰু ছাত্ৰী নিৱাসৰ তৃতীয় মহলাত বাস কৰা ছাত্ৰীগৰাকীয়ে তললৈ নামি অহা চিৰিত বাগৰি তললৈ সৰি পৰি মৃত্যুক সাৱটি লয়। অৱশ্যে ছাত্ৰীগৰাকীক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষই চিকিৎসালয়ত ভৰ্তি কৰোৱাইছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। সম্প্ৰতি আৰক্ষীয়ে মৃতদেহটো জিম্মাত লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে প্ৰাথমিক তদন্তত আৰক্ষীয়ে এয়া আত্মহত্যাৰ ঘটনা বুলি সদৰী কৰিছে যদিও পৰিয়ালৰ অভিযোগৰ ভিত্তিত সংশ্লিষ্ট চৌহদত থকা চি চি টিভিকে ধৰি সহপাঠীসকলক ঘটনাৰ সন্দৰ্ভক সোধ-পোছ অব্যাহত ৰাখিছে। তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰা অনুসৰি, যোৱা সপ্তাহত ছাত্ৰীগৰাকী ছাত্ৰী নিৱাসত ভৰ্তি হৈছিল। ফলত ছাত্ৰীগৰাকী কিছু মানসিক সমস্যাত ভুগি আছিল আৰু ছাত্ৰাবাসত কাৰো লগত চিনাকি হোৱা তথা ভালদৰে খোৱা-বোৱাও কৰা নাছিল। যোৱা নিশা ১২.৩০ বজালৈ ছাত্ৰীগৰাকীয়ে শোৱা নাছিল আৰু কালি মাতৃয়েও তেওঁক লগ কৰি গৈছিল। ইয়াৰ পাছতে পুৱতি নিশা তলত পৰি থকা অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখ্য যে মানসিক কষ্টত ভুগি থকা ছাত্ৰীগৰাকীয়ে হয়তো নিশা বাহিৰলৈ ওলাই আহিছিল আৰু তললৈ নামিবলৈ খোজতে দুৰ্বল হৈ থকাত এনে ঘটনা সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰি মৰণোত্তৰ প্ৰতিবেদনত সকলো দিশ পোহৰলৈ আহিব বুলি তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে অসম আৰক্ষীৰ এজন শীৰ্ষ বিষয়াৰ সম্বন্ধীয় ছাত্ৰীগৰাকীৰ মৃত্যু খবৰৰ পাছতে সমগ্ৰ ঘটনা বিষয়াজনেও পৰীক্ষা কৰিছে। সংশ্লিষ্ট চৌহদৰ চি চি টিভি পৰীক্ষা কৰা হৈছে যদিও কোনোধৰণৰ সন্দেহজনক তথ্য পোহৰলৈ অহা নাই, যাৰ ফলত এয়া আত্মহত্যা নাইবা দুৰ্ভাগ্যবশতঃ মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে বুলি আৰক্ষীয়ে কয়। সমান্তৰালভাৱে ছাত্ৰীগৰাকীয়ে কি ধৰণৰ মানসিক সমস্যাত ভুগি আছিল এই দিশটোও তদন্তৰ আওতালৈ অহাৰ সম্ভাৱনা আছে, কিয়নো তদন্তকাৰী আৰক্ষীয়ে ছাত্ৰীগৰাকীৰ পৰিয়ালকেন্দ্ৰিক সমস্যা থকাৰ তথ্য লাভ কৰিছে।

### সাতগাঁৱত উদ্ধাৰ মেকানিকৰ মৃতদেহ-হত্যাৰ অভিযোগ পৰিয়ালৰ

ইফালে, সাতগাঁও আৰক্ষী থানাৰ অন্তৰ্গত পূবেৰুণ নগৰৰ নলাত এজন স্থানীয় যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত যুৱকজন বিহাৰী বস্তিৰ ইছাক মাৰাক (২২) বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে পৰিয়ালে এয়া এক হত্যাকাণ্ড বুলি অভিযোগ কৰাৰ সমান্তৰালভাৱে মৰণোত্তৰ প্ৰতিবেদনতহে সকলো দিশ স্পষ্ট হ'ব বুলি আৰক্ষীয়ে সদৰী কৰি কয় যে মৃত যুৱকজন গেৰেজত মেকানিকৰূপে কৰ্মৰত আছিল। যোৱা নিশা আহাৰ গ্ৰহণ কৰি তেওঁ ফোনত কথা পাতি ঘৰৰ বাহিৰলৈ ওলাই আহিছিল আৰু পুৱা তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহত কোনোধৰণৰ আঘাতৰ চিন স্পষ্ট হোৱা নাই আৰু মৰণোত্তৰ প্ৰতিবেদনতহে হত্যা নে অন্যান্য কাৰণত মৃত্য হৈছে পোহৰলৈ আহিব বুলি আৰক্ষীয়ে সদৰী কৰিছে যদিও পৰিয়ালে ভৰি আৰু ডিঙিত আঘাতৰ চিন আছে বুলি দাবী কৰি এই হত্যাকাণ্ড বুলি অভিযোগ কৰিছে।

### হাতীগাঁৱত শোৱাপাটীতে তৃতীয় লিংগৰ মৃতদেহ উদ্ধাৰ ঃ হত্যাৰ অভিযোগ

হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মিনহাচ পথৰ গৃহ নম্বৰ ২৪ৰ ভাড়াঘৰৰ কোঠাত স্বামীৰ স'তে বসবাস কৰা এগৰাকী তৃতীয় লিংগৰ মৃতদেহ শোৱাপাটীতে উদ্ধাৰ হয়। মৃতদেহটোৰ গোৱালপাৰাৰ লখিপুৰৰ বিজুলী কিন্নৰ (৩০)ৰ বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে কে'বাটাও মদৰ বটল উদ্ধাৰ কৰাৰ লগতে মৃতদেহৰ মুখেৰে ফেন ওলাই থকাত খাদ্যত বিষক্ৰিয়া হৈ মৃত্যু হোৱা বুলি প্ৰাথমিক তদন্তৰ ভিত্তিত সন্দেহ কৰিছে। অৱশ্যে এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰিছে বিজুলীৰ সতীৰ্থসকলে আৰু খাদ্যত বিহ ঢালি হত্যা কৰা হৈছে বুলি অভিযোগ কৰিছে। ঘটনাৰ সন্দৰ্ভত তদন্তকাৰী বিষয়া বিপুল দাসে সদৰী কৰা অনুসৰি, নিশা কোঠাটোত পাৰ্টিৰ আয়োজন হোৱাৰ তথ্য পোৱা গৈছে। কালি দিনৰ ভাগত প্ৰতিবেশীয়ে বিজুলীৰ স্বামী চলেমান আলীক প্ৰত্যক্ষ কৰিছিল যদিও নিশা উপস্থিত আছিল নে নাই ইয়াৰ তদন্ত অব্যাহত আছে। মৃতদেহটোত কোনো আঘাতৰ চিন পোৱা নাই যদিও মুখৰে ফেন ওলাই আছিল আৰু মৰণোত্তৰ প্ৰতিবেদন অহাৰ পাছতহে সকলো দিশ স্পষ্ট হ'ব বুলি বিষয়াজনে কয়।

### টোকা লিখি বশিষ্ঠপুৰত আত্মহত্যা ৫০ উৰ্ধ্বৰ ব্যক্তিৰ

ইফালে, সন্তানক উদ্দেশি আত্মহত্যাৰ টোকা লিখি হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বশিষ্ঠপুৰত এজন ব্যৱসায়ীয়ে আত্মহত্যা কৰা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। বশিষ্ঠপুৰৰ তিনি নম্বৰ উপ-পথৰ গৃহ নম্বৰ ১১ত চিপ লোৱা অৱস্থাত উদ্ধাৰ কৰা মৃতদেহটো সুৰজিৎ বেজবৰা (৫০) বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। মৃত লোকজনে পূৰ্বে ঠিকা কৰিছিল যদিও শেহতীয়াকৈ হোটেল ব্যৱসায়ত জড়িত আছিল বুলি আৰক্ষীয়ে সদৰী কৰি কি পৰিস্থিতিত এনে পন্থা গ্ৰহণ কৰিলে তাৰ তদন্ত অব্যাহত আছে বুলি কয়।

### বৰঝাৰত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ

ইফালে, পশ্চিম গুৱাহাটী আৰক্ষী জিলাৰ অন্তৰ্গত বৰঝাৰ আৰক্ষীয়ে বঙৰা ইছলামপুৰত যোগলীয়া নদীৰ পৰা এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ কৰে। ক'লা পোছাক পৰিহিত ৩৫ উৰ্ধ্বৰ লোকজনৰ মূৰত আঘাতৰ চিন স্পষ্ট হৈ থকাত নিশা কোনো লোকে হত্যা কৰি নদীত পেলাই দিয়াৰ সন্দেহ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে নদীখনত বাঁহৰ খুঁটাত মৃতদেহটো লাগি আছিল আৰু স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# কেন্দ্ৰৰ প্ৰতিনিধি, অসমৰ সন্তানৰূপে

*এক পৃষ্ঠাৰ পৰা* জিলাখনৰ বহাৰ ফুলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ বান শিবিৰলৈ গৈ তাত আশ্ৰয় লৈ থকা বানাক্ৰান্তৰে বাৰ্তালাপ কৰে। লগতে তেওঁলোকে সঠিকভাৱে বান সাহায্য লাভ কৰিছেনে নাই তাৰো বুজ লয়। বান পৰিস্থিতি আৰু বানাক্ৰান্তৰ অৱস্থাৰ বুজ লোৱাৰ লগতে তেওঁ সকলো প্ৰকাৰৰ সহায়ৰো আশ্বাস প্ৰদান কৰে। আশ্ৰয় শিবিৰতে সাংবাদিকৰে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, 'বানপানী, ভূমিস্খলন আৰু প্ৰাকৃতিক দুৰ্যোগত অকালতে প্ৰাণ হেৰুওৱাসকলৰ বিদেহী আত্মাৰ সদগতিৰ বাবে মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। লগতে তেওঁলোকৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো। এই দুৰ্যোগৰ সময়ত অসম চৰকাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নিষ্ঠা সহকাৰে ক্ষতিগ্ৰস্ত ৰাইজক সেৱা আগবঢ়াইছে। লগতে এই মুহূৰ্তত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনৰ বান পৰিস্থিতিৰ সঘনাই বুজ লৈ আছে। তদুপৰি অসম চৰকাৰক সকলো ধৰণৰ সহযোগিতাৰ কথা ইতিমধ্যে স্পষ্টভাৱে জনাইছে।' কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে আৰু কয়, 'অলপতে গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিছে যে শীঘ্ৰে এটি কেন্দ্ৰীয় দল ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰিবলৈ আহিব। ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰাৰ পাছত অসম চৰকাৰক ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ কাৰণে যৎপৰোনাস্তি সহযোগিতা আগবঢ়াব। ভাৰত চৰকাৰ সম্পূৰ্ণৰূপে অসম চৰকাৰৰ স'তে আছে। ময়ো আহিছো এই মুহূৰ্তত ক্ষতিগ্ৰস্ত ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ ল'বলৈ। কেন্দ্ৰীয় চৰকাৰৰ এগৰাকী প্ৰতিনিধি হিচাপে আৰু অসমৰ সন্তান হিচাপে মোৰো দায়িত্ব আছে।' ৰাজ্যৰ বান পৰিস্থিতিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স'তে কে'বাবাৰো আলোচনাত মিলিত হোৱাৰ কথা সদৰী কৰি সোণোৱালে লগতে আৰু কয়, 'কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ তৰফৰ পৰা অসমৰ জনগণক সহায়-সহযোগিতা আগবঢ়োৱাৰ কাৰণে আমি সকলো ধৰণৰ পদক্ষেপ হাতত লৈছো।'

অসমৰ বান সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে মাথোঁ কয়, 'দেশৰ যিহেতুকে অভিন্ন অংগ অসম, গতিকে ভাৰতবৰ্ষৰ যি কোনো প্ৰান্তৰ প্ৰাকৃতিক দুৰ্যোগেই ৰাষ্ট্ৰীয় সমস্যা।'

# অবিশ্বাস্যভাৱে শুকান ভোগদৈ নৈৰ

*এক পৃষ্ঠাৰ পৰা* নেকি, সেই লৈও চিন্তাৰ উদ্বেগ ঘটিছে।

নদী এখনৰ মৃত্যু নতুন কথা নহয়, লাগিলে সেয়া কৃত্ৰিমভাৱে হওক অথবা প্ৰাকৃতিকভাৱেই হওক। মৰি কলং, মৰি জাঁজী, মৰাভৰলু আদি তাৰেই উদাহৰণ। একোখন নৈৰ মৃত্যুৰ কাৰণ যিয়ে নহওক কিয় সেয়া সদায়ে বেদনাদায়ক। সম্প্ৰতি, ভোগদৈৰ বুকু অস্বাভাৱিক ৰূপত তবাং হৈ পৰা আৰু সোঁতৰ গতি স্থবিৰ হৈ পৰাৰ অন্তৰালত কি ৰহস্য আছে সেই কথা এতিয়াও পোহৰলৈ অহা নাই। বহুতে ক'ব খোজে যে নদীখনৰ উৎস নগালেণ্ডত বৰষুণ নোহোৱাৰ বাবেই ভোগদৈত পানী কমিছে। আন একাংশই আকৌ আশংকা কৰে যে উৎসতে নদীখনৰ গতিপথ সলনি কৰা হৈছে অথবা বান্ধ দিয়া হৈছে নেকি যাৰ বাবে নৈখন ক্ৰমে শুকাই যাব ধৰিছে। উল্লেখ্য যে ভোগদৈৰ এই অৱস্থা এদিনতে হোৱা নাই। যোৱা প্ৰায় তিনি-চাৰি বছৰ ধৰি ক্ৰমে হ্ৰাস পাব ধৰিছে নৈখনৰ জলপৃষ্ঠ। কিন্তু এইবাৰ পানীৰ পৰিমাণ অত্যধিক ৰূপত হ্ৰাস পোৱাত বিষয়টো চৰ্চা হোৱা দেখা গৈছে।

অসম-নগালেণ্ড সীমান্তৰ এক সূত্ৰই দাবী কৰা অনুসৰি, নগালেণ্ডত আন আন বছৰৰ দৰেই এইবাৰো স্বাভাৱিক ৰূপত বৰষুণ হৈ আছে। কিন্তু ভোগদৈৰ পানী বৰষুণৰ ওপৰত নিৰ্ভৰ নকৰে। ভোগদৈৰ পানীৰ উৎস ডাৱৰ। মোককচাং পাহাৰত ঠেক খোৱা মেঘ অৰ্থাৎ ডাৱৰৰ পৰা নিগৰি অহা পানী পাহাৰৰ নিজৰাৰে তললৈ নামি আহে আৰু দুটা সুঁতিত সেই জলৰাশি মিলিত হয়। সেই সুঁতি দুটাই হ'ল জাঁজী আৰু ভোগদৈ নৈ। মোককচাং পাহাৰৰ পৰা পূব অংশৰ পৰা জাঁজী আৰু পশ্চিম অংশৰ পৰা ওলাইছে ভোগদৈ নৈ। কিন্তু আশ্চৰ্যজনকভাৱে যোৱা কেইবছৰমান ধৰি মোককচাং পাহাৰত ক্ৰমে হ্ৰাস পাইছে ডাৱৰ। সেয়ে দুয়োখন নৈতে পানীৰ পৰিমাণ হ্ৰাস পোৱা বুলি দাবী কৰি সূত্ৰটোৱে কয় যে এইবাৰ ডাৱৰ অধিক কম হোৱাত পানীৰ পৰিমাণো অধিক হ্ৰাস পাই আহিছে। উল্লেখ্য যে স্থানীয় ভাষাত মোককচাং মানে হ'ল মেঘে চুমা দিয়া চাং অথবা মেঘে চুমা দিয়া আকাশ। এতিয়া সেই মোককচাং পাহাৰত এইবাৰ মেঘে চুমা দিয়া নাই। যাৰ বাবে অস্বাভাৱিক ৰূপত হ্ৰাস পাইছে দুয়োখন ভৈয়ামৰ নৈতে। নগালেণ্ডত অত্যধিক পৰিমাণে হোৱা বনাঞ্চল ধ্বংস কৰাৰ বাবেই হওক অথবা আন কোনো প্ৰাকৃতিক কাৰণতে অসমৰ নদীত তাৰ পৰাটো অতিকৈ চিন্তনীয় বিষয় হৈ পৰিছে। তুলনামূলকভাৱে জাঁজীতকৈ ইয়াৰ প্ৰভাৱ অধিক পৰা দেখা গৈছে ভোগদৈত। এতিয়া অৱস্থা এনে হৈছে যে ভোগদৈৰ উদং বুকু দেখি আপোনাৰো বুকু কঁপি উঠিব বাৰিষা নহয় যেন খৰালিহে ভোগদৈ এইখন। নদীৰ মাজ ভাগৰ ডোঙাকেইটাৰ বাদে এই ভৰ বাৰিষাতো নদীখন প্ৰায় শুকান হৈয়ে আছে, পানী নাই। সোঁতৰ প্ৰশ্নই নাই। দুয়োটা পাৰ আৰু মাজ অংশত ঘাঁহ-বন গজি সেউজীয়া দলিচা-সদৃশ হৈ আছে সমগ্ৰ নদীখন। সূত্ৰটোৱে আৰু কয় যে মোককচাং পাহাৰত এইবাৰ মেঘে চুমা দিয়া নাই বাবেই নগালেণ্ডৰ চাংকি পাহাৰত থকা জলপ্ৰপাততো এইবাৰ পানীৰ পৰিমাণ হ্ৰাস পাইছে।

উল্লেখ্য যে ভোগদৈ হ'ল ব্ৰহ্মপুত্ৰৰ দক্ষিণ বাহিনী উপ-নদী। ভোগদৈৰ মুঠ দৈৰ্ঘ্য ১৬০ কিলোমিটাৰ। ইয়াৰে ৯৫ কিলোমিটাৰ ভৈয়ামৰ মাজেৰে আৰু ৬৫ কিলোমিটাৰ পাহাৰৰ মাজেৰে বৈ আহিছে। উৎসস্থলীৰ পৰা দিচৈ নাম লৈ নগালেণ্ডৰ চাংকি-মোকলস্থা-ইয়াক'মেন-আকাইহাটু-চুটাফলা হৈ অসমত প্ৰৱেশ কৰি পশ্চিমলৈ গতি কৰি নগাবাট-বৰহোলা স্পৰ্শ কৰিছে। কিন্তু সেই স্থানৰ পৰাই পুনৰ পূৱলৈ উজাই গৈ নগালেণ্ডত প্ৰৱেশ কৰি মৰিয়নিত ওলাইছেহি। ইয়াতে দিছৈ নাম এৰি ভোগদৈ নাম লয় নৈখনে। এয়াও আছে এক ইতিহাস। মৰিয়নিৰ পৰা সৰ্পিল গতিৰে অতিক্ৰমী যোৰহাট নগৰৰ মাজেৰে বৈ গৈ গোলাঘাট লৈ ব্ৰহ্মপুত্ৰত বিলীন হৈছে। মৰিয়নিৰ নগালেণ্ড সীমান্তৰ পৰা ঐতিহাসিক মালৌপথাৰৰ মাজেৰে বৈ যোৱা ভোগদৈয়ে বৃহত্তৰ অঞ্চলটো জীপাল কৰি ৰাখিছিল যদিও সম্প্ৰতি ভোগদৈৰ এই বিবৰ্ণ অৱস্থাই কেৱল নৈপৰীয়া জনজীৱনৰে নহয়, সমগ্ৰ যোৰহাট জিলাৰ আৰ্থ-সামাজিক ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পৰা দেখা গৈছে। সেয়ে অনাগত দিনত নৈখনৰ অৱস্থিতি কি হয় সেই লৈ উদ্বিগ্ন হৈ পৰিছে যোৰহাটীয়া ৰাইজ।

# বানবিধ্বস্ত অসমৰ পৰাই চলিছে

*এক পৃষ্ঠাৰ পৰা* হোৱাৰ লগে লগে অসমলৈকো নতুন সংস্কৃতিৰ আমদানি ঘটিছে। তাৰে অংশৰূপে অসমৰ ৫৫ লক্ষাধিক লোক বানত গৃহহাৰা হোৱাৰ সময়ত মহাৰাষ্ট্ৰৰ চৰকাৰ ভংগৰ অংশীদাৰ হ'বলগীয়া হৈছে। আন ৰাজ্যত চৰকাৰ ভঙা-পতাৰ ক্ষেত্ৰত এই প্ৰথমবাৰলৈ অসম জড়িত হ'বলগীয়া হৈছে। অৱশ্যে আনৰ ঘৰ ভাঙি সমগ্ৰ অসমীয়াই নহ'লেও কিছু সংখ্যকে উচ্ছাসিত হ'ব পাৰে।

মঙলবাৰে আকস্মিকভাৱে উদগীৰণ ঘটা বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত মহাৰাষ্ট্ৰ চৰকাৰৰ পতন এতিয়া মাথোঁ সময়ৰ অপেক্ষা। শিৱসেনা, এনচিপি আৰু কংগ্ৰেছৰ দ্বাৰা গঠিত মহাবিকাশ আঘাড়ী (এমভিএ) চৰকাৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই তেওঁৰ দলতে সৃষ্টি হোৱা এই বিদ্ৰোহ মথিমুৰ কৰিবলৈ সক্ষম হোৱা নাই। বৰঞ্চ চৰকাৰ ভংগৰ লগে লগে শিৱসেনাতো বৃহৎ ভাঙোন একপ্ৰকাৰ নিশ্চিত হৈছে। সোমবাৰে নিশা থাকৰে পৰিয়ালৰ পাছতে শিৱসেনাৰ দ্বিতীয় স্থানৰ নেতা একনাথ চম্ভাজী শিণ্ডেই ২১জন দলীয় বিধায়কসহ সংগোপনে চুবুৰীয়া বিজেপি শাসিত গুজৰাটৰ ছুৰাটত উপস্থিত হোৱাৰ পাছতে মহাৰাষ্ট্ৰ চৰকাৰৰ পতনৰ আভাস স্পষ্ট হৈ উঠে।

### আকস্মিক বিদ্ৰোহৰ আঁৰত

২০১৯ৰ নিৰ্বাচনৰ পাছত পূৰ্বৰ দৰে বিজেপিৰ স'তে মিত্ৰতা নকৰি শাৰদ পাৱাৰ নেতৃত্বাধীন এনচিপি আৰু কংগ্ৰেছৰ স'তে এমভিএ গঠন কৰিলেও মুখ্যমন্ত্ৰী থাকৰেই বিজেপি তথা কেন্দ্ৰীয় চৰকাৰৰ পৰা সময়ে সময়ে ভাবুকিৰ সন্মুখীন হৈ আহিছে। এই পৰ্যন্ত কমেও তিনিবাৰকৈ চৰকাৰ ভংগৰ প্ৰচেষ্টা ব্যৰ্থ কৰিবলৈ সক্ষম হ'লেও এইবাৰ নিজ দল শিৱসেনাতে সৃষ্টি হোৱা এই বিদ্ৰোহে কেৱল চৰকাৰলৈকে নহয়, মুখ্যমন্ত্ৰী থাকৰেৰ নেতৃত্বক লৈও প্ৰশ্নচিহ্ন আনি দিছে। থাকৰে চৰকাৰৰ গড়কাপ্তানী আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী একনাথ শিণ্ডেই ছুৰাটত দলে-বলে বাহৰ পাতি থাকৰে চৰকাৰলৈ মুকলি প্ৰত্যাহ্বান জনোৱাৰ পাছতে মুম্বাইৰ পৰা দিল্লীলৈকে জোকাৰণিৰ সৃষ্টি হয়। মুখেৰে অস্বীকাৰ কৰিলেও এই বিদ্ৰোহৰ আঁৰত যে বিজেপিৰ সহযোগিতা আৰু পৰিকল্পনাই কাম কৰিছে সেয়া ইতিমধ্যে স্পষ্ট হৈছে। সেই বাবেই শিৱসেনাৰ বিদ্ৰোহী মন্ত্ৰী-বিধায়কসকলে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ গৃহৰাজ্য বিজেপিশাসিত গুজৰাটত বাহৰ পাতে। মঙলবাৰে মুখ্যমন্ত্ৰী থাকৰেই তেওঁৰ দুজন বিশ্বস্ত বিধায়ক-নেতাক ছুৰাটলৈ প্ৰেৰণ কৰে বিদ্ৰোহীসকলক বুজনি দিয়াৰ উদ্দেশ্যে। এই দুই দূতে দুঘণ্টা সময় ধৰি শিণ্ডেৰ স'তে আলোচনা কৰাৰ পাছত মুখ্যমন্ত্ৰী থাকৰেৰ স'তেও ১০ মিনিট সময় বিদ্ৰোহী নেতাজনক ফোনতে কথা পাতি দিয়ে; কিন্তু বৰফতো নগলিলেই বৰঞ্চ বিদ্ৰোহী শিবিৰত অধিক সংখ্যক বিধায়কে যোগদান কৰে। এনে পৰিপ্ৰেক্ষিতত শিণ্ডেক শিৱসেনাৰ বিধানসভাৰ দলপতি পদৰ পৰা অপসাৰণ কৰে থাকৰেই। আজি পুৱতি নিশা এই বিদ্ৰোহী মন্ত্ৰী-বিধায়কসকলক এক বিশেষ বিমানযোগে আন এখন বিজেপি শাসিত ৰাজ্য অসমলৈ প্ৰেৰণ কৰা হয়। গুৱাহাটীত তেতেলীয়াস্থিত পঞ্চতাৰকা হোটেল ৰেডিছন ব্লুত শিৱসেনাৰ মন্ত্ৰী-বিধায়কসকলৰ বাবে ৫০টা কোঠা সাজু কৰি ৰখা হয় আৰু পুৱাতেই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তাৰ তদাৰক কৰে। ৰাজ্যখন বানত ডুবি থকা সময়তে একাধিক মন্ত্ৰীয়ে শিৱসেনাৰ বিদ্ৰোহীসকলক সংগ দি অসমীয়াৰ অতিথিপৰায়ণতাৰ নিদৰ্শন দাঙি ধৰে।

### ৪৬ বিধায়কৰ সমৰ্থন দাবী শিণ্ডেৰ

গুৱাহাটীৰ হোটেলত উপস্থিত হোৱাৰ পাছত শিণ্ডেই দাবী কৰে যে তেওঁৰ স'তে ৪৬জন বিধায়কৰ সমৰ্থন আছে। তাৰে ৪০জন শিৱসেনাৰ আৰু বাকীসকল নিৰ্দলীয়। তদুপৰি তেওঁ কয়, 'আমি শিৱসেনা এৰি যোৱাৰ প্ৰশ্ন নুঠে। আমি বালাচাহেব থাকৰেৰ হিন্দুত্বৰ পৰা আঁতৰি নাযাও।' এই পৰ্যন্ত বিজেপিৰ তৰফৰ পৰা কোনো ধৰণৰ প্ৰস্তাৱ লাভ কৰা নাই বুলিও তেওঁ মন্তব্য কৰে। অৱশ্যে ৫৫জনীয়া শিৱসেনা বিধায়িনী দলৰ বিভাজন ঘটাবলৈ হ'লে শিণ্ডেক দলৰ ৩৭জন বিধায়কৰ প্ৰয়োজন। এই পৰ্যন্ত তেওঁক আৰু সাতজন বিধায়কৰ সমৰ্থনৰ প্ৰয়োজন। অৱশ্যে এই সংখ্যা আৰু বৃদ্ধি পাব বুলি শিণ্ডেই দাবী কৰিছে। নিশালৈ আৰু চাৰিজন শিৱসেনা বিধায়কে আহি গুৱাহাটীৰ হোটেলত উপস্থিত হয়।

ইফালে, এনে ৰাজনৈতিক অস্থিৰতাৰ মাজতে মুখ্যমন্ত্ৰী থাকৰে আৰু ৰাজ্যপাল ভগৎ সিং কোছিয়াৰী কৰ'নাত আক্ৰান্ত হোৱাৰ বাতৰি প্ৰকাশ পায়। ৰাজ্যপাল মুম্বাইৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হোৱাৰ বিপৰীতে মুখ্যমন্ত্ৰী থাকৰে চৰকাৰী আৱাসতে আছুতীয়াকৈ থাকে। দুপৰীয়া থাকৰেই এখন কেবিনেট বৈঠকৰ আহ্বান কৰে আৰু তেওঁ ভিডিঅ' কনফাৰেন্সিংযোগে ইয়াত অংশগ্ৰহণ কৰে। লক্ষ্যণীয়ভাৱে এই বৈঠকত আঠজন মন্ত্ৰী অনুপস্থিত থাকে। তাৰ পাছতে মুখ্যমন্ত্ৰী থাকৰেই সকলো দলীয় বিধায়কক আজি আবেলি পাঁচ বজাৰ ভিতৰত মুখ্যমন্ত্ৰী চৰকাৰী আৱাসত উপস্থিত হ'বলৈ নিৰ্দেশ জাৰি কৰে। এই বৈঠকত অনুপস্থিত থকাসকলক দলৰ পৰা বহিষ্কাৰ কৰা হ'ব বুলিও ইংগিত দিয়ে। ইয়াৰ পাছতে ৩০জন শিৱসেনাৰ বিধায়ক আৰু চাৰিজন নিৰ্দলীয় বিধায়কে ৰাজ্যপাললৈ এক পত্ৰ প্ৰেৰণ কৰি শিণ্ডেই তেওঁলোকৰ নেতা বুলি জনায়। লগে লগে শিণ্ডেই থাকৰেই আহ্বান কৰা বিধায়কৰ বৈঠকৰ বৈধতা নাই বুলি ঘোষণা কৰে।

### মই বালাচাহেবৰ সন্তান, পদবীৰ প্ৰয়োজন নাই ঃ পদত্যাগ পত্ৰ সাজু বুলি ঘোষণা থাকৰেৰ

বিদ্ৰোহীৰ জুই নুমুৱাবলৈ সক্ষম নহৈ আবেলি মুখ্যমন্ত্ৰী থাকৰেই সামাজিক মাধ্যমত ৰাজ্যবাসীলৈ উদ্দেশি এক ভাষণ দিয়ে। 'মই বালাচাহেবৰ সন্তান, মোক কোনো পদবীৰ প্ৰয়োজন নাই।' এইদৰে মন্তব্য কৰি তেওঁ কয় যে এজনো বিদ্ৰোহী বিধায়কে আহি যদি তেওঁক মুখ্যমন্ত্ৰীৰূপে নিবিচাৰে বুলি কয় তেন্তে তৎমুহূৰ্ততে পদত্যাগ কৰিবলৈ তেওঁ সাজু। 'মই পদত্যাগ পত্ৰ সাজু কৰি থৈছো। মোক নিবিচাৰে বুলি কেৱল তেওঁলোকৰ এজনেও আহি মোক কওক।' এইদৰে মন্তব্য কৰি থাকৰেই লগতে কয় যে বিদ্ৰোহী বিধায়কৰ বহুতেই তেওঁক ফোনযোগে জনাইছে যে তেওঁলোকক বলপূৰ্বক বন্দী কৰি থোৱা হৈছে। তেওঁ আৰু কয়, 'শাৰদ পাৱাৰ আৰু কংগ্ৰেছ নেতা কমল নাথৰ স'তে মোৰ আলোচনা হৈছে। তেওঁলোকে মোকেই মুখ্যমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাটো বিচাৰিছে।' এনে বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত থাকৰেৰ পদত্যাগ আসন্ন বুলি চৰ্চিত হৈছে। ইতিমধ্যে আজি নিশা পৰিয়ালসহ তেওঁ মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাস ত্যাগ কৰি ব্যক্তিগত আৱাস 'মাতোশ্ৰী'ত উপস্থিত হয়।

ইয়াৰ পূৰ্বে পাৱাৰে গৃহমন্ত্ৰীৰ দায়িত্বত থকা এনচিপিৰ নেতাক শিৱসেনাৰ মন্ত্ৰী-বিধায়কসকলৰ এনে বিদ্ৰোহৰ বিষয়ে কিয় আগতীয়াকৈ তথ্য লাভ কৰা নাছিল বুলি প্ৰশ্ন কৰি গভীৰ অসন্তুষ্টি ব্যক্ত কৰে।

### কোন এই একনাথ শিণ্ডে?

মুখ্যমন্ত্ৰী থাকৰেৰ পুত্ৰ তথা মন্ত্ৰী আদিত্য থাকৰেৰ প্ৰভাৱ চৰকাৰত দিনে দিনে বৃদ্ধি আৰু নিজকে ক্ৰমাৎ একষৰীয়া কৰা বুলি অনুভৱ কৰিয়েই শিৱসেনাৰ দুই নম্বৰ স্থানত থকা শিণ্ডে বিগত কিছুদিন ধৰি অসন্তুষ্ট হৈ আছিল। ২০০৪ৰ পৰা একেৰাহে চাৰিবাৰকৈ থানেৰ পৰা বিধায়ক নিৰ্বাচিত হোৱাৰ পূৰ্বে অটোৰিক্সা চলাইছিল। যোৱা সপ্তাহত অনুষ্ঠিত হোৱা মহাৰাষ্ট্ৰ বিধান পৰিষদৰ ১০খন আসনৰ নিৰ্বাচনত বিৰোধী বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰা পাঁচোখন আসনতে জয়লাভ কৰাৰ বিপৰীতে শাসকীয় এমভিএৰ অংশীদাৰ দল শিৱসেনাই দুখন, এনচিপিএ দুখন আৰু কংগ্ৰেছে এখনতহে জয়লাভ কৰে। ইয়াকে লৈ মুখ্যমন্ত্ৰী থাকৰেই শিণ্ডেক জৱাবদিহি কৰাৰ পাছতে বিদ্ৰোহৰ আকস্মিকভাৱে উদ্গীৰণ ঘটে। অৱশ্যে শিণ্ডেৰ গতিবিধিলৈ লক্ষ্য ৰাখি শাৰদ পাৱাৰে কে'বামাহ পূৰ্বেই মুখ্যমন্ত্ৰীক সতৰ্ক কৰি দিছিল। লগতে মন্ত্ৰীসভাৰ সদস্যসকলৰ লগতে সহযোগী দলৰ নেতৃত্বৰ স'তেও সঘনে মিলিত হ'বলৈ বৰ্ষীয়ান নেতাজনে পৰামৰ্শ দিছিল। কিন্তু থাকৰে সহযোগী নেতা তথা মন্ত্ৰীসকলৰ বাবে সততে উপলব্ধ নহয়। ইয়ে বিদ্ৰোহৰ ইন্ধন যোগাইছে বুলি চৰ্চিত হৈছে।

### শিৱসেনাৰ আধিপত্য ধ্বংস কৰাই উদ্দেশ্যে

ক্ষমতাত নাথাকিলেও শিৱসেনাই মহাৰাষ্ট্ৰৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এনে আধিপত্যৰ বাবেই ৰাজ্যখনত শিৱসেনাক উলাই কৰাটো কাৰোপক্ষে সম্ভৱ হোৱা নাই। দলৰ কিছুসংখ্যক নেতাই ইয়াৰ পূৰ্বেও বিভিন্ন সময়ত দলত্যাগ কৰিছে যদিও এইবাৰ সমান্তৰাল বিভাজন আসন্ন কৰি তুলি শিণ্ডেই শিৱসেনা আৰু থাকৰে পৰিয়ালৰ আধিপত্যলৈকে প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। চৰকাৰ ভংগই কেৱল নহয়, শিৱসেনা আৰু থাকৰে পৰিয়ালক ইয়াৰ জৰিয়তে ক্ষতি কৰাটোৱে এই বিদ্ৰোহৰ লক্ষ্য আৰু ইয়াৰ আঁৰত বিজেপিৰ ভূমিকাই সৰ্বাধিক বুলি চৰ্চিত হৈছে।

# বানত উটি যোৱা যুৱকৰ

*এক পৃষ্ঠাৰ পৰা* লৈ যোৱাত তেওঁ সন্ধানহীন হৈ আছিল। যমুনামুখ আৰক্ষীয়ে ইতিমধ্যে লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা নগাঁৱত সম্পন্ন কৰাই মৃতদেহ পৰিয়ালৰ হাতত গতাই দিয়ে। পত্নী আৰু এটা পুত্ৰ থকা অজয় দাসৰ সন্ধান বিচাৰি পৰিয়ালে যমুনামুখ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল।

# বদৰপুৰত পুনৰ শিশু-মহিলাসহ

*এক পৃষ্ঠাৰ পৰা* প্ৰমাণপত্ৰ লৈ বদৰপুৰত হোটেলৰ ৰুম ভাড়া কৰাৰ সময়তে বিএছএফে আটক কৰি আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে ৰোহিংগা নাগৰিকৰ অনুপ্ৰৱেশৰ দুৱাৰমুখ হৈ পৰা বৰাক উপত্যকাৰ কাছাৰত কিছুদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ চোৰাংচোৱা সংস্থা নিয়াই তদন্ত কৰি ১৫ জন সন্দেহজনক বাংলাদেশী আৰু ৰোহিংগা নাগৰিকক আটক কৰিছিল।

# কমেও পাঁচখন জিলাৰ বান

*এক পৃষ্ঠাৰ পৰা* লোক আৱদ্ধ হৈ আছে। সেইসকলক এনডিআৰএফ, এছডিআৰএফ, ভাৰতীয় সেনা, অৰ্ধসামৰিক বাহিনী আৰু অসম আৰক্ষীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি, বছৰৰ দ্বিতীয়টো বান আৰম্ভ হোৱাৰ পৰা আজি প্ৰথমবাৰলৈ আক্ৰান্ত লোকৰ সংখ্যা হ্ৰাস পায়। কালি মুঠ আক্ৰান্তৰ সংখ্যা ৫৫ লক্ষাধিক থকাৰ বিপৰীতে আজি সেই সংখ্যা ৫৪,৫৭,৬০১গৰাকীলৈ হ্ৰাস হয়। পানী শুকাবলৈ ধৰাত বহু লোকে আজি আশ্ৰয় শিবিৰৰ পৰা ঘৰলৈও ওভতে। অৱশ্যে নতুন নতুন স্থানত শিবিৰ স্থাপন কৰিবলগীয়া হোৱাত আজি আশ্ৰয় শিবিৰৰ সংখ্যা ১,৮৭১টালৈ বৃদ্ধি হয়। এইবোৰত শিশু-মহিলা থকা লোকৰ সংখ্যা হ'ল ২,৭১,১২৫গৰাকী। এই বানত চাৰিটি শিশুসহ ২১জনৰ প্ৰাণহানি হৈছে।

মুঠ ৩২খন জিলাৰ চলিত বানৰ প্ৰভাৱ পৰে বুলি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সদৰী কৰে। ইয়াৰ লগতে নগৰীয়া বানেও আজিৰ দিনটোত জুলা-কলা কৰা জিলাকেইখন হ'ল কাছাৰ, দৰং, গোৱালপাৰা, কৰিমগঞ্জ আৰু মৰিগাঁও। শিলচৰৰ নগৰীয়া বানৰ ভয়াৱহতা আজিও অব্যাহত আছে।

# বানাক্ৰান্তই চকুলো টুকি দুৰ্দশাৰ

*এক পৃষ্ঠাৰ পৰা* আৰু দুৰ্গত ৰাইজৰ লগত মত বিনিময় কৰে। আশ্ৰয় শিবিৰত বান দুৰ্গত এজন লোকে চকুলো টুকি দুৰ্দশাৰ কথা কওঁতে মুখ্যমন্ত্ৰীজন আবেগিক হৈ পৰে। লোকজনক সাবটি ধৰি তেওঁ সান্ত্বনা দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই চাপৰমুখত কে'বাটাও আশ্ৰয় শিবিৰত বানাক্ৰান্তসকলক সকলো সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে এশ শতাংশ বান সাহায্য দিয়াৰো প্ৰতিশ্ৰুতি দিয়ে।

ইয়াৰ পাছতে তেওঁ পুনৰ ৰেল যোগে কামপুৰলৈ যায়। কামপুৰ ৰেল ষ্টেছনত উপস্থিত হোৱাৰ সময়তে বানাক্ৰান্ত লোকসকলে 'হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ' ধ্বনিৰে তেওঁক আদৰণি জনায়। মুখ্যমন্ত্ৰীয়ে কামপুৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, কামপুৰ আদৰ্শ হাইস্কুল, কামপুৰ কলেজত আশ্ৰয় লৈ থকা বানাক্ৰান্তসকলক বুজ লৈ বানাক্ৰান্তসকলকো সকলো প্ৰকাৰে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁক বহুজনে দুৰ্দশাৰ কথা অৱগত কৰে। কামপুৰত বানাক্ৰান্তৰ খবৰ লৈ তেওঁ কামপুৰ-কঠিতলী পথৰ পাচনীঝাৰৰ পৰা স্পিড বোটেৰে কঠিয়াতলিৰ সমীপৰ মনোহৰ গাঁৱলৈ আহি তাৰ পৰা গাড়ীৰে গুৱাহাটীলৈ যাত্ৰা কৰে। গুৱাহাটীলৈ ওভতি যোৱাৰ পথত মুখ্যমন্ত্ৰীয়ে ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় শিবিৰত থকা বানাক্ৰান্তসকলৰ দুখ-দুৰ্দশাৰ বুজ লয়। চাপৰমুখত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, 'কপিলী নৈৰ বাঢ়নী পানীয়ে এই অঞ্চল বিধ্বস্ত কৰিছে। অৰ্থনৈতিকভাৱে ভীষণ ক্ষতি কৰিছে। বৰ্তমান ৰেল যোগে সাহায্য দিব পৰা হৈছে। দুদিনমান পাছত মথাউৰিৰ বুজ লৈ মানুহখিনিক সকাহ দিব লাগিব। কপিলী নৈক কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰো অথবা মথাউৰি বনাব লাগিব নেকি সেইটো আমি আলোচনা কৰিব লাগিব।' তেওঁ কপিলীৰ মথাউৰিৰ ওপৰত এটা প্ৰস্তাৱ লোৱা আছে বুলিও সদৰী কৰি কয়, 'ইয়াত এবাৰ পানী সোমাইছিল। দ্বিতীয়বাৰৰ বাবে এতিয়া পানী সোমাইছে। গতিকে ৰাইজৰ যথেষ্ট অভাৱ আছে। কেইদিনমান আগলৈকে প্ৰশাসন যাব পৰা নাছিল। এতিয়া ৰেল লাইনটো খুলি যোৱাৰ লগে লগে আমি সাহায্য সামগ্ৰী ভালকৈ দিব পাৰিম। ভৱিষ্যতে আমি ঘৰ-দুৱাৰ ভাঙি যোৱা এই মানুহখিনিক সাহায্য দিয়াৰ বাবে চিন্তা কৰিম।' মুখ্যমন্ত্ৰীয়ে বানাক্ৰান্তসকলৰ সকলো অভাৱ অভিযোগ দূৰ কৰাৰ প্ৰয়াস কৰাৰ লগতে বানাক্ৰান্তসকলক এশ শতাংশ সাহায্য দিয়াৰ বাবে চৰকাৰে চেষ্টা চলাব বুলিও মন্তব্য কৰে। ইপিনে, কামপুৰত তেওঁ বানাক্ৰান্তসকলক ৰাজ্য চৰকাৰৰ পৰা সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি কয় যে এতিয়া সাহায্য ডাঙৰ চিন্তা নহয়, মানুহখিনি ঘৰলৈ কেতিয়া উভতি যাব পাৰিব সেইটোহে ডাঙৰ চিন্তা।

# মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ

*এক পৃষ্ঠাৰ পৰা* মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি ইয়াতে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে মহানগৰীৰ কৃত্ৰিম বান পৰিস্থিতিৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মহানগৰীৰ কৃত্ৰিম বান কি কৰিলে সমাধান হ'ব সকলোৱে জানে; কিন্তু সমাধান কৰাৰ আমাৰ সাহস নাই। আজি যদি নবীন নগৰত ১০-১৫ বিঘা মাটি চৰকাৰে অধিগ্ৰহণ কৰি এটা সৰোবৰ বা জলাশয় নিৰ্মাণ কৰে কৃত্ৰিম বানৰ আধা সমস্যা নিজে নিজে সমাধান হ'ব। শিলসাঁকোৰ পৰা মানুহখিনিক যদি উঠাই দি এটা পানী যোৱা নলা নিৰ্মাণ হয় পাঞ্জাবাৰীকে ধৰি কৃত্ৰিম বানৰ বহু সমস্যা সমাধান হ'ব। পাহাৰৰ ভয়াৱহ ঠাইখিনিৰ পৰা মানুহখিনি আঁতৰাই দিব পাৰিলে পাহাৰৰ পৰা পানী অহাটোও কমি যাব। গতিকে সমাধানৰ পথকেইটা আমি জানো, কিন্তু কৰিবৰ কাৰণে আমাৰ ৰাজনৈতিক সাহস নাই কাৰণে আমি কৰিব নোৱাৰো।' তেওঁ সৰু হৈ থাকোতে নবীন নগৰখন এখন ধাননি পথাৰ আছিল যদিও আজি তাত পথাৰ গুচি মানুহ হ'ল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে নবীন নগৰত এটা অমৃত সৰোবৰ স্থাপনৰ বাবে চৰকাৰে প্ৰচেষ্টা গ্ৰহণ কৰিব বুলি কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মাটিৰ গৰাকীক উপযুক্ত মূল্য দি নবীন নগৰত যাতে এটা সৰোবৰ স্থাপন কৰিব পাৰে তাৰ প্ৰচেষ্টা কৰিব। এই কাম কৰোতে অসুবিধা একো নাই আৰু ৰাইজে সহযোগ কৰিলে চৰকাৰে উপযুক্ত ক্ষতিপূৰণ দি নবীন নগৰত ১০-১৫ বিঘা মাটি অধিগ্ৰহণ কৰি তাতে এটা অমৃত সৰোবৰ নিৰ্মাণ কৰিব বুলি উল্লেখ কৰি তেওঁ তাত এটা সৰোবৰ নিৰ্মাণ হ'লে পানী জমাত সুবিধা হোৱাৰ লগতে সমস্যাও সমাধান হৈ যাব বুলি কয়। তেওঁ কয়, 'শিলসাঁকোৰ পৰা মানুহখিনিক যদি উঠাই দিব পাৰো, পানী যোৱা এটা নলা ওলাব আৰু যাৰ ফলত পাঞ্জাবাৰীত পানী নহ'ব। এই ক্ষেত্ৰত মোৰ পলিটিকেল সাহস লাগিব। সংবাদ মাধ্যমে কৃত্ৰিম বানপানীৰ ওপৰত ইমান বাতৰি পৰিৱেশন কৰে, যদি ইয়াক সমাধান কৰিবলৈ যাওতে সংবাদ মাধ্যমে ১০ শতাংশ সহায় কৰে মই কামটো কৰি দিব পাৰো। ফলত তিনিবছৰতে সকলো সমস্যা শেষ; কাৰণ গোটেইখিনি সমাধানেই আমি জানো।' উল্লেখ্য যে মহানগৰীৰ কৃত্ৰিম বান সমস্যা ৰোধ কৰিবলৈ ইংলণ্ড, আমেৰিকাৰ লোকৰ পৰাও পৰামৰ্শ লাভ কৰে আৰু এয়া কৰাটো সহজ কথা বুলি মুখ্যমন্ত্ৰীয়ে পুনৰ কয় যে বহুকেইখন মহানগৰে পানী জমা কৰি ৰাখিবলৈ তথা কৃত্ৰিন বানৰ পৰা পৰিত্ৰাণ পাবলৈ ডাঙৰ ডাঙৰ জলাশয় নিৰ্মাণ কৰি থৈছে। গুৱাহাটীতো যদি নবীন নগৰত ডাঙৰ অমৃত সৰোবৰ এটা নিৰ্মাণ হয়, কৃত্ৰিম বানৰ সমস্যা সমাধান হ'ব আৰু মানুহৰো কষ্ট নহয়। ৰাইজে সহযোগ কৰিলে বিল্ডিং বা মাটিৰ গৰাকীক চৰকাৰে সম্পূৰ্ণ মূল্য দিব বুলি তেওঁ কয়। উল্লেখ্য যে পাহাৰৰ পাদদেশত মহানগৰখন থকাৰ বাবে অধিক বৰষুণ হ'লে দুই-তিনি ঘণ্টা পানী থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

### জাবৰ-জোঁথৰৰ কাৰণে মহানগৰীত বানপানী নহয়

উল্লেখ্য যে মহানগৰবাসীৰ অসচেতনতাৰ কাৰণে তথা জধে-মধে, য'তে-ত'তে জাবৰ-জোঁথৰ, প্লাষ্টিক আদি পেলোৱাৰ বাবেই এইসমূহ নলাত পৰি পানী ওলাই যোৱাত বাধাৰ সৃষ্টি কৰে কাৰণেই কৃত্ৰিম বানৰ সৃষ্টি হয় বুলি গুৱাহাটী পৌৰ নিগমে কৰি অহা দাবী মুখ্যমন্ত্ৰী ড° শৰ্মাই নস্যাৎ কৰি জাবৰ-জোঁথৰৰ কাৰণে মহানগৰীত বানপানী নহয় বুলি মন্তব্য কৰে। তেওঁ কয়, 'জাবৰ-জোঁথৰৰ কাৰণে বানপানী নহয়। অলপ সময়ৰ কাৰণে নলাসমূহত বাধাৰ সৃষ্টি কৰে, কিন্তু পানীৰ গতি কম নহয়। এইবিলাক ধাৰণা যে জাবৰ-জোঁথৰৰ কাৰণে বানপানী হয়। জাবৰ-জোঁথৰৰ মাজতো ভৰলুৰে দি পানী গৈ ব্ৰহ্মপুত্ৰত পৰে। জাবৰ-জোঁথৰ পেলাব নালাগে সেইবোৰ ভাল কথা; কিন্তু তাকে কৈ মূল সমস্যাকেইটাৰ পৰা আমি চকুটো আঁতৰ কৰিব নোৱাৰো। কালি যদি গোটেই গুৱাহাটীৰ মানুহে জাবৰ-জোঁথৰ, প্লাষ্টিক নলাত নেপেলাই, তথাপিতো মেঘালয়ৰ পৰা যেতিয়া পানী নামি আহিব, যোৱাৰ পথ নাথাকিলেতো বানপানী হ'বই। গতিকে সমাধান আমি জানো, কিন্তু সমাধান কৰিব পৰা ৰাজনৈতিক সদিচ্ছা আৰু অৰ্থনৈতিক শক্তি আমাৰ নাছিল। এতিয়া আমি চেষ্টা কৰিম।'

### শিলসাঁকোত উচ্ছেদ হোৱা বুলি নকয়

ইফালে, শিলসাঁকো বিলত শেহতীয়াকৈ প্ৰশাসনে চলোৱা উচ্ছেদ পুনৰ চলিব নেকি সংবাদিকৰ প্ৰশ্নত মুখ্যমন্ত্ৰীয়ে সেয়া উচ্ছেদ বুলি নকয় বুলি মন্তব্য কৰে। তেওঁ কয়, 'শিলসাঁকোক লৈ কোনো কথা নাই। সেয়া গুৱাহাটীবাসীৰ মাটি, তাত উচ্ছেদৰ কথা ক'ৰ পৰা আহিল? মানুহখিনিক বুজাব লাগিব।' উল্লেখ্য যে শিলসাঁকোৰ বিলত থকা যাৰ মাটি নাই পুনৰ সংস্থাপনৰ ব্যৱস্থা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰি তাত ইমান ডাঙৰ ডাঙৰ বিল্ডিং আছে, কাক পুনৰ সংস্থাপন লাগে বুলিও প্ৰশ্ন উত্থাপন কৰে। সমান্তৰালভাৱে কৃত্ৰিম বান ৰোধৰ কাৰণে চৰকাৰে মাটি অধিগ্ৰহণহে কৰিব, উচ্ছেদ নকৰে বুলি তেওঁ উদাহৰণ দাঙি ধৰি পুনৰ কয়, 'উচ্ছেদ শব্দটো বেয়া। উচ্ছেদ তেতিয়া হয়, য'ত ক্ষতিপূৰণ নিদিয়াকৈ হয়। এতিয়া যিদৰে বেলিভিউ হোটেলত ৰাজভৱন হ'ব, বেলিভিউখন আমি উচ্ছেদ নকৰো, মালিকক ৩০ কোটি টকা দিহে আমি ল'ম।'

# বৃহৎ ক্ষতিৰ বিপৰীতে কেন্দ্ৰৰ ললীপপ

*এক পৃষ্ঠাৰ পৰা* হোৱাটো নিশ্চিত বুলি সূত্ৰটোৱে দাবী কৰে। চৰকাৰে এনে ক্ষতিৰ জোৰা কিদৰে মাৰিবলৈ সক্ষম হ'ব সেয়াহে এই সময়ত চৰ্চাৰ বিষয় হৈছে। কিয়নো কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে অসমক এই ক্ষেত্ৰত বেঁকা চকুৰেই চাই আহিছে। চলিত বছৰৰ ২৭ মে'ত কেন্দ্ৰীয় চৰকাৰে অসমক বানৰ মোকাবিলাৰ বাবে ৩২৪ কোটি টকা মোকলাই দিয়ে। এছডিআৰএফ শিতানত এই ধন মোকলাই দিয়া হয়। এয়া ৰাজ্যবোৰৰ প্ৰাপ্য অধিকাৰ। বছৰজোৰা যোগাযোগৰ অন্ততহে কেন্দ্ৰই অসমৰ বানৰ গুৰুতৰ পৰিস্থিতিৰ বিপৰীতে সেই ধন মোকলাই দিয়ে; কিন্তু ধনৰ পৰিমাণ যথেষ্ট তাকৰীয়া হোৱা বুলি দিছপুৰতে গুণগুণনি অব্যাহত আছে। সেই ধন মোকলাই দিয়াৰ সময়তে ৰাজ্যৰ প্ৰথমটো বানৰ প্ৰকোপ আৰম্ভ হয়। কে'বাখনো জিলাক স্পৰ্শ কৰা প্ৰথমটো বানৰ প্ৰকোপ অব্যাহত থকাৰ সময়তে আৰম্ভ হয় দ্বিতীয়টো প্ৰলয়ংকৰী বানৰ তাণ্ডৱ। অভাৱনীয় ৰূপত এই বানে ৰাজ্যৰ ৩৩ খন জিলাত তাণ্ডৱ চলায়। তাৰ ভিতৰত দৰং, নগাঁও, বৰাকৰ তিনিখন জিলা আৰু পশ্চিম অসমৰ আটাইকেইখন জিলাত বানৰ ভয়াৱহ প্ৰভাৱ পৰে। তাৰে ক্ষয়ক্ষতিৰে প্ৰাৰম্ভিক হিচাপত পথ, দলং আদিক মুখ্য কৰি ৰাজহুৱা আন্তঃগাঁথনিত কমেও পাঁচ হেজাৰ কোটি টকাৰ সম্পত্তি নষ্ট হোৱাৰ তথ্য উলিওৱা হৈছে। বান শেষ হোৱালৈ সেই পৰিমাণ আৰু কে'বা হেজাৰ কোটি টকালৈ বৃদ্ধি হোৱাটো নিশ্চিত বুলি বিভাগীয় সূত্ৰই দাবী কৰে।

প্ৰতি বছৰ এনে বৃহৎ ক্ষতিৰ বিপৰীতে কেন্দ্ৰই আদায় দি আহিছে অতি কম পৰিমাণৰ ধন। আনকি বাজেটতো ধাৰ্য কৰা ধনৰ পৰিমাণ মুঠেই সন্তোষজনক নহয়। ২০১৯-২০ত বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ আছিল ৩,৭৪৮ কোটি টকা। লক্ষ্যণীয়ভাৱে এই পুঁজিৰো এটা অংশ উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যকেইখনৰ বাবেও সংৰক্ষণ কৰা হয়। ২০২০-২১ত পুঁজিৰ পৰিমাণ হ্ৰাস কৰা হয় ২,৮২৫ কোটি টকালৈ। ২০২১-২২ত পুনৰ হ্ৰাস কৰা হয় ২,৪৫২ কোটি টকালৈ। দিছপুৰৰ তথ্য অনুসৰি ২০২০-২১ত অসমে বানৰ ক্ষতিপূৰণৰ বাবে কেন্দ্ৰৰ পৰা বিচাৰিছিল ২,৬৪২ কোটি; কিন্তু কেন্দ্ৰই আদায় দিয়ে মাত্ৰ ৪৫ কোটি টকা। তেনেদৰে ২০২১-২২ত বিচৰা ১,০১৮ কোটি টকাৰ বিপৰীতে মোকলাই দিয়া হয় মাত্ৰ ৫১ কোটি টকা। ক্ষতিৰ বিপৰীতে এই পুঁজিৰ পৰিমাণ হ'ল এপাচি শাকত এক জলকীয়াৰ দৰেহে।

# ৰাজ্যত মাত্ৰ ২৪ দিনত ১৯০টা

*এক পৃষ্ঠাৰ পৰা* উল্লেখ্য যে ২০১৯ৰ পৰা ৰাজ্যখনৰ পাহাৰীয়া অঞ্চলত দ্ৰুতহাৰত বৃদ্ধি পোৱা ভূমিস্খলনৰ ঘটনাই সকলোকে চিন্তিত কৰি তুলিছে। বিশেষকৈ প্ৰায় ১৯ খন পাহাৰে আৱৰি থকা ৰাজধানী মহানগৰীত মাত্ৰ নটা দিনত ৮০টা ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে য'ত চাৰিজনে প্ৰাণ হেৰুওৱাৰ ঘটনাই এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। বিভাগে সদৰী কৰা তথ্য অনুসৰি, চলিত বৰ্ষত ৰাজ্যৰ ১১ খন জিলাত সংঘটিত প্ৰায় ১৯০টা ভূমিস্খলনৰ ঘটনাত কামৰূপ মহানগৰ আৰু ডিমা হাছাও জিলাত চাৰিজনকৈ, কাছাৰত তিনিজনে, কৰিমগঞ্জ আৰু গোৱালপাৰাত দুজনকৈ আৰু লখিমপুৰ আৰু হাইলাকান্দিত এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ১৪ জুনত মহানগৰীত সৰ্বাধিক ২৩টা ভূমিস্খলনৰ ঘটনা সংঘটিত হোৱাৰ তথ্য বিভাগে দাঙি ধৰি ১৫ জুনত মহানগৰীত ১৯টা আৰু ১৫ মে'ত ডিমা হাছাওত ১২টা সৰ্বাধিক ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছিল বুলি কয়। উল্লেখ্য যে চলিত বৰ্ষটোত মহানগৰীৰ পাছতে ডিমা হাছাওত ৫০টাৰো অধিক ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে বুলি বিভাগে তথ্য সদৰী কৰিছে।

ইফালে, ৰাজ্যৰ পাহাৰীয়া অঞ্চলসমূহত গছ-গছনি তথা ঘাঁহনিৰ পৰিমাণ দ্ৰুতহাৰত হ্ৰাস পাবলৈ ধৰাৰ ফলত মাটিৰ গাঁথনি শক্তিহীন হৈ পৰা দিশটো ভূ-তত্ত্ববিদৰ জৰীপত পোহৰলৈ আহিছে। লগতে ব্যাপক পাহাৰ খনন তথা জধে-মধে নিৰ্মাণ কাৰ্য সংঘটিত হোৱাৰ ফলত এজাক বৰষুণতে দ্ৰুতহাৰত এনে ঘটনা বৃদ্ধি হোৱাৰ আশংকা ভূতত্ত্ববিদসকলে ব্যক্ত কৰিছে। তাৰ মাজতে যোৱা ছটা বছৰত ৰাজ্যত সংঘটিত ভূমিস্খলনৰ ঘটনাত ৭৯ জন লোকে প্ৰাণ হেৰুওৱাৰ তথ্য সদৰী কৰিছে দুৰ্যোগ প্ৰশমন বিভাগে। উল্লেখ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগৰ প্ৰতিবেদনত যোৱা তিনিটা দশকত ৰাজধানী মহানগৰীত ভূমিস্খলনৰ সমস্যাই এক জটিল ৰূপ ধাৰণ কৰাৰ দিশ উন্মোচিত হৈছে। ১৯৭২ত মহানগৰীৰ নৱগ্ৰহ অঞ্চলত প্ৰথমটো ডাঙৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হোৱাৰ পাছত ১৯৮৬ৰ পৰা মহানগৰীত ভূমিস্খলনৰ ঘটনা দ্ৰুতহাৰত বৃদ্ধি পোৱা দিশ বিভিন্নজনৰ লেখাত স্পষ্টৰূপত প্ৰকাশ পাইছে। সংশ্লিষ্ট বিভাগৰ তথ্য অনুসৰি, ১৯৭২ৰ পৰা ২০১৮ লৈ ৰাজধানী মহানগৰীত মুঠ ৬৫টা ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছিল; কিন্তু এই দীৰ্ঘ সময়ৰ সংখ্যাক চেৰ পেলাই মাত্ৰ নটা দিনতে ৮০টা ভূমিস্খলন সংঘটিত ঘটনাই এক ভয়াৱহ দিশ তুলি ধৰিলে। সমান্তৰালভাৱে গৃহ বিভাগৰ তথ্য অনুসৰি, ৰাজধানী মহানগৰীত ১৯৯৩ৰ পৰা ২০১৮লৈ সংঘটিত ভূমিস্খলনৰ ঘটনাত ১৬৫ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মহানগৰীত ২০১৬ৰ পৰা কালিৰ দিনটোলৈ ভূমিস্খলনৰ ফলত ২২ জন লোকে প্ৰাণ হেৰুৱাইছে। ফলত মহানগৰীত শেহতীয়াকৈ কিয় অস্বাভাৱিক হাৰত ভূমিস্খলনৰ ঘটনা বৃদ্ধি পাইছে এই সন্দৰ্ভত বৰ্তমানলৈ কোনো ভূ-তত্ত্বৰ জৰীপ চলা নাই যদিও শীঘ্ৰে ইয়াৰ কাৰ্যপন্থা গ্ৰহণ কৰিব বুলি সংশ্লিষ্ট বিভাগে সদৰী কৰিছে। উল্লেখ্য যে ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগ আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহযোগত ২০১৩ তে এই সন্দৰ্ভত এক জৰীপ চলোৱা হৈছিল বুলি সংশ্লিষ্ট বিভাগৰ সূত্ৰই সদৰী কৰিছে। সেই সময়ত মহানগৰীৰ ৩৬৬টাকৈ স্থান ভূমিস্খলনপ্ৰৱণ অঞ্চলৰূপে চিনাক্ত কৰা হৈছিল বুলি সূত্ৰটোৱে সদৰী কৰি কয় যে মহানগৰীৰ চূণচালি অঞ্চলৰ ৭৭টা, নুনমাটি অঞ্চলৰ ৪০টা, খাৰঘুলি আৰু জাপৰিগোগ পাহাৰ অঞ্চলৰ ৩৭টাকৈ, খানাপাৰা অঞ্চলৰ ৩৩টা, নাৰেংগী অঞ্চলৰ ৩১টা, হেঙেৰাবাৰী আৰু কালাপাহাৰ অঞ্চলৰ ৩০টাকৈ, নৰকাসুৰ পাহাৰ অঞ্চলৰ ২৪ টা, গড়ভাঙা পাহাৰ অঞ্চলৰ ১৫টাকে ধৰি আন কে'বাটাও অঞ্চল ভূমিস্খলনপ্ৰৱণ অঞ্চলৰূপে চিনাক্ত কৰা হৈছিল। ইয়াৰ উপৰি এই জৰীপত মহানগৰীৰ পাহাৰৰ ২৬ শতাংশ অঞ্চলত গছ-গছনি আৰু ৩৮ শতাংশ অঞ্চলত ঘাঁহনি নথকাৰ দিশ উন্মোচিত হৈছিল। সমান্তৰালভাৱে অবাধ পাহাৰ খনন, বন ধ্বংস, নিৰ্মাণ কাৰ্য, পাহাৰৰ নামনি অংশত ব্যাপক খনন আদি দিশবোৰৰ ফলতে ভূমিস্খলনৰ ঘটনা বৃদ্ধি পোৱাৰ দিশ তুলি ধৰি এনে ভয়াৱহ সমস্যা ৰোধ কৰিবলৈ অভিযান্ত্ৰিক মহাবিদ্যালয়ে চৰকাৰক বহু পৰামৰ্শ আগবঢ়াইছিল। লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগেও এই সমস্যা ৰোধ কৰিবলৈ মহানগৰীৰ পাহাৰ সংৰক্ষণ, গছ ৰোপণ, পাহাৰ খনন বন্ধ কৰাৰ আদি পৰামৰ্শ আগবঢ়াইছিল যদিও এই পৰামৰ্শসমূহ ধোঁৱা চাঙত তুলি অবাধ পাহাৰ খনন, বন ধ্বংস তথা নিৰ্মাণ কাৰ্যই সম্প্ৰতি এক ভয়াৱহ দুৰ্যোগ কঢ়িয়াই আনিছে। উল্লেখ্য যে কেৱল মহানগৰীতে নহয়, ৰাজ্যৰ অন্যান্য জিলাসমূহতো প্ৰকৃতিৰ ব্যাপক ধ্বংস যজ্ঞৰ ফলত সৃষ্টি হোৱা ভূমিস্খলনৰ ঘটনাত বহু লোকে প্ৰাণ হেৰুৱাইছে। বিভাগে সদৰী কৰা তথ্য অনুসৰি, ২০১৬ৰ পৰা যোৱা ২০ জুনলৈকে মহানগৰীত ২২ জন লোক ভূমিস্খলনৰ ফলত মৃত্যু হোৱাৰ সমান্তৰালভাৱে এই সময়ছোৱাত কৰিমগঞ্জত ১৬ জন, হাইলাকান্দিত দুজন, কাছাৰত ১৪ জন, ডিমা হাছাওত সাতজন, গোৱালপাৰা আৰু কাৰ্বি আংলঙত দুজনকৈ আৰু লখিমপুৰত এজনৰ মৃত্যু হৈছে। তথ্য অনুসৰি, ভূমিস্খলনৰ ফলত ২০১৬ত কামৰূপ মহানগৰ আৰু হাইলাকান্দিত ছজনকৈ, কৰিমগঞ্জত পাঁচজন আৰু কাছাৰত তিনিজন লোকৰ মৃত্যু হৈছে। একেদৰে ২০১৭ত ডিমা হাছাও আৰু কৰিমগঞ্জত এজনকৈ, ২০১৮ত কামৰূপ মহানগৰত তিনিজন, ডিমা হাছাও আৰু কাৰ্বি আংলঙত দুজনকৈ, কৰিমগঞ্জত এজন, ২০১৯ত কামৰূপ মহানগৰত এজন, ২০২০ত কাছাৰ আৰু হাইলাকান্দিত আঠজনকৈ, কৰিমগঞ্জত ছজন আৰু কামৰূপ মহানগৰ জিলাত চাৰিজনৰ লগতে ২০২১ত কামৰূপ মহানগৰত চাৰিজন আৰু কৰিমগঞ্জত এজন লোকৰ মৃত্যু হৈছে বুলি বিভাগে তথ্য সদৰী কৰিছে। উল্লেখ্য যে ভূ-তত্ত্ব বিভাগৰ তথ্য অনুসৰি, বিগত বৰ্ষসমূহত ৰাজ্যত জুনৰ পৰা ছেপ্টেম্বৰৰ ভিতৰত ৭৫ শতাংশ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈ আহিছে আৰু ১৫ শতাংশ ভূমিস্খলনৰ ঘটনা অক্টোবৰত সংঘটিত হোৱাৰ তথ্য ইতিমধ্যে প্ৰকাশ পাইছে। ফলত জলবায়ু তথা প্ৰকৃতিৰ ব্যাপক পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত আগতীয়াকৈ অহা বৰষুণে সম্প্ৰতি পাহাৰ অঞ্চলত এক জটিল ৰূপ ধাৰণ কৰা দিশটোৱে সম্প্ৰতি সকলোকে চিন্তিত কৰি তুলিছে। প্ৰকৃতিৰ তিনিটা দুৰ্যোগ ক্ৰমে বানপানী, ভূঁইকঁপৰ সমান্তৰালভাৱে ভূমিস্খলনৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ যদি সংশ্লিষ্ট মহলে সময় অনুসৰি দায়িত্ব পালন নকৰে, অনাগত ভৱিষ্যতে যে এই দুৰ্যোগে যে কালৰূপ ধাৰণ কৰিব এই দিশ ইতিমধ্যেই ভূ-বিজ্ঞানীসকলে আঙুলিয়াই দিছে।

# বিধ্বংসী ভূমিকম্পত সহস্ৰাধিকৰ মৃত্যু

*এক পৃষ্ঠাৰ পৰা* অৱস্থিত এই উৎসস্থলী।

### শ শ মৃতদেহৰ শাৰী

এক অতি হৃদয়বিদাৰক দৃশ্য। আফগানিস্তানৰ এই সীমান্ত অঞ্চলত এতিয়া কম্বলেৰে মেৰিয়াই থোৱা শ শ মৃতদেহ শাৰী পাতি ৰখা হৈছে। ভূমিকম্পই যেন মৃত্যুৰ দলিচা পাৰি দিলে এই তালিবানপীড়িত ৰাষ্ট্ৰখনত। তথ্য অনুসৰি পাকতিয়া প্ৰদেশত বহু ঘৰ-বাৰী খহি পৰিছে। ভূমিকম্পত বিধ্বস্ত অঞ্চলটো ইতিমধ্যে মানৱ সংকটৰ থলিৰূপে পৰিচিত। যোৱা আগষ্টত তালিবানে দখল কৰাৰ পাছত এই অঞ্চলৰ লোকসকলৰ জীৱন যাত্ৰা ইতিমধ্যে অতি কঠিন হৈ পৰিছিল। পাকতিয়াৰ তথ্য আৰু সাংস্কৃতিক বিভাগৰ মুৰব্বী মহম্মদ আমিন হুজেইফাই কয়, 'মানুহে এতিয়া এটাৰ পাছত আনটো কবৰ খান্দিছে। উদ্ধাৰকাৰী বাহিনীয়ে ধ্বংসপ্ৰাপ্ত ঘৰবোৰৰ অৱশিষ্টসমূহৰ মাজৰ পৰা খান্দি উলিয়াইছে মৃতদেহ। ইতিমধ্যে ইয়াত বৰষুণ দি আছে আৰু সকলোবোৰ ঘৰ ধ্বংসস্তূপত পৰিণত হৈছে। এই ধ্বংসস্তূপথলীৰ মাজত মানুহ আবদ্ধ হৈ আছে।' আফগানিস্তানৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জনোৱা মতে, আজি পুৱাতে এই ভূমিকম্পৰ ফলত আফগানিস্তান, পাকিস্তান আৰু ভাৰতৰ প্ৰায় পাঁচশ কিলোমিটাৰ অঞ্চলত কম্পন অনুভূত হৈছে। অৱশ্যে ক্ষতিৰ সন্মুখীন হৈছে আফগানিস্তান। তালিবানৰ দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰণালয়ৰ মুৰব্বী নাছিম হাক্কানিয়ে জনোৱা মতে, পাকতিয়া প্ৰদেশতে অধিকাংশ লোকৰ মৃত্যু হৈছে। আজি দিনটো ক্ৰমাৎ মৃতকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। পাহাৰেৰে আবৰা দুৰ্গম ভৌগোলিক অৱস্থানৰ অঞ্চলটোত উদ্ধাৰ অভিযান চলোৱাটোৱে এক প্ৰত্যাহ্বানৰ বিষয়। ৰাষ্ট্ৰখনৰ মুৰব্বী হিবাতুল্লাহ আখুন্দজাদাই মৃতকৰ পৰিমাণ অধিক হ'ব পাৰে বুলিও কয়। এক স্থানীয় জনজাতীয় নেতাই জনোৱা মতে, জীৱন ৰক্ষাত সক্ষম হোৱাসকলে দুৰ্গত লোকৰ সহায়ৰ বাবে জঁপিয়াই পৰিছিল। স্থানীয় বজাৰ-সমাৰ বন্ধ কৰি সকলোৱে ক্ষতিগ্ৰস্ত অঞ্চললৈ সহায়ৰ হাত আগবঢ়াবলৈ ঢাপলি মেলা বুলি কয় পাকতিয়া অঞ্চলৰ জনজাতীয় নেতাজনে। ইতিমধ্যে এই ভয়াৱহ ভূমিকম্পৰ ফটো আৰু ভিডিঅ' সামাজিক মাধ্যমযোগে বিয়পি পৰিছে। এইসমূহে উদঙাই দিয়ে আফগানিস্তানে সন্মুখীন হোৱা প্ৰাকৃতিক দুৰ্যোগৰ ভয়াৱহ ৰূপ।

আফগান সাংবাদিক আৰু ৰাজনৈতিক বিশ্লেষক হেদায়াতুল্লাহ পাক্তিনে জনোৱা মতে, দুৰ্দশাগ্ৰস্ত অঞ্চলসমূহৰ সাধাৰণ মানুহ ইমানেই দৰিদ্ৰ যে তেওঁলোকে মাটি, পাথৰ আৰু অন্যান্য উপাদান জমা কৰি ঘৰ সাজে। পকাৰ ঘৰ এইসমূহ অঞ্চলত এক দুৰ্লভ বিষয়। সেয়েহে ভূমিকম্পৰ জোঁকাৰণিত প্ৰায় সকলোবোৰ ঘৰেই কম-বেছি পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। ইপিনে, তালিবানৰ কাৰ্যকালত চৰম দাৰিদ্ৰতাৰ সন্মুখীন হৈছে আফগানিস্তানৰ বাসিন্দা। এই পৰিস্থিতিত ভূমিকম্প আন এক ভয়াৱহ বিভীষিকা হৈ পৰিল বাসিন্দাসকলৰ বাবে। আফগানিস্তানৰ সংবাদ মাধ্যমত প্ৰকাশিত ছবিসমূহত দেখা গৈছে যে এটাৰ পাছত আনটো ঘৰ একপ্ৰকাৰ ধূলিসাৎ হৈছে। শ শ মৃতদেহ কম্বলেৰে মেৰিয়াই থোৱা হৈছে। হেলিকপ্টাৰ ব্যৱহাৰ কৰি দুৰ্গম অঞ্চলত উদ্ধাৰ অভিযান চলালেও সেয়া যে যথেষ্ট নহয়, সেই কথা প্ৰকট হৈছে। তালিবানৰ গৃহ মন্ত্ৰণালয়ৰ বিষয়া ছালাউদ্দিন আয়ুবিয়ে জনোৱা মতে, পাকতিয়া প্ৰদেশতে কমেও ২৫৫জনৰ মৃত্যু হৈছে আৰু আহত হৈছে ছশ। খোস্ত প্ৰদেশত মৃত্যু হৈছে কমেও ২৫জন আৰু আহত বহুজন। এইসমূহ অঞ্চলত হেলিকপ্টাৰৰ জৰিয়তে খাদ্য আৰু দৰব প্ৰেৰণ কৰা হৈছে বুলি সদৰী কৰি তেওঁ কয় যে পাহাৰৰ গাতে লাগি থকা কে'বাখনো গাঁও অত্যন্ত দুৰ্গম। সেইসমূহত পৰিস্থিতিৰ মূল্যায়ন কৰিবলৈ অধিক সময়ৰ প্ৰয়োজন হ'ব, সেয়েহে মৃতকৰ সংখ্যা বাঢ়িব পাৰে। আখুন্দজাদাই মৃতকৰ পৰিয়ালৰ প্ৰতিও সমবেদনা প্ৰকাশ কৰে।

বিশেষজ্ঞসকলৰ মতে, এনে বৃহৎ বিপৰ্যয়ৰ স'তে মোকাবিলাৰ ক্ষমতা নাই তালিবানৰ। একে সময়তে ৰাষ্ট্ৰখনৰ ওপৰত আৰোপিত অৰ্থনৈতিক নিষেধাজ্ঞাৰ লগতে বিদেশী ৰাষ্ট্ৰৰ সাহায্যৰ পৰিমাণ হ্ৰাস হোৱাটোৱে পৰিস্থিতি অধিক জটিল কৰি তুলিছে। ৰাষ্ট্ৰখনত ইতিমধ্যে খাদ্য সংকটৰ সৃষ্টি হৈছে। ভূমিকম্পৰ ফলত এতিয়া পৰিস্থিতি অধিক আতংকিত হৈ পৰিল। ৰাষ্ট্ৰসংঘৰ মানৱীয় বিষয়ৰ সমন্বয়কৰ কাৰ্যালয়ে জনোৱা মতে, আফগানিস্তানে উদ্ধাৰ অভিযানৰ বাবে আন্তৰ্জাতিক মঞ্চৰ পৰা সাহায্য বিচাৰিছে। ইতিমধ্যে ক্ষতিগ্ৰস্ত অঞ্চললৈ উদ্ধাৰকাৰী দল প্ৰেৰণ কৰা হৈছে। তালিবানে প্ৰকাশ কৰে যে আন্তৰ্জাতিক সাহায্য অভিযানক তেওঁলোকে স্বাগতম জনাব।

এজন জ্যেষ্ঠ তালিবান বিষয়াই টুইটাৰযোগে কয় যে তেওঁলোকৰ চৰকাৰে সামৰ্থ অনুযায়ী কাম কৰি আছে। তালিবানৰ দখলৰ পূৰ্বে আফগানিস্তানৰ জৰুৰীকালীন সঁহাৰি দল প্ৰাকৃতিক দুৰ্যোগৰ স'তে মোকাবিলা কৰিবলৈ সাজু আছিল। প্ৰায়ে প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হয় ৰাষ্ট্ৰখন। কঠোৰপন্থী তালিবান ক্ষমতালৈ উভতি অহাৰ পাছত সামান্য পৰিমাণৰ বিমান আৰু হেলিকপ্টাৰ বৰ্তমান মজুত আছে। হাক্কানিয়ে কয় যে আন্তৰ্জাতিক সম্প্ৰদায়ে আৰু সাহায্য এজেন্সীসমূহে এই প্ৰতিকূল পৰিস্থিতিত দেশৰ ৰাইজক সহায় কৰিব বুলি তেওঁলোক আশাবাদী। কঠিন পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ ইতিমধ্যে ৰাষ্ট্ৰসংঘ আৰু ইউৰোপীয় ইউনিয়নে তাৎক্ষণিকভাৱে সঁহাৰি জনাইছে। উল্লেখ্য যে আফগানিস্তানত সঘনাই ভূমিকম্প হৈ থাকে। বিশেষকৈ হিন্দু কোষ পৰ্বতমালা অতিশয় ভূমিকম্প প্ৰৱণ অঞ্চল বুলি চিহ্নিত। যোৱা জানুৱাৰীত দুটাকৈ এনে ভূমিকম্পই ইতিমধ্যে ৰাষ্ট্ৰখনৰ পশ্চিমৰ বাদঘিচ প্ৰদেশক জুৰুলা কৰি তুলিছে। কে'বাশ অট্টালিকা এই ভূমিকম্পত ক্ষতিৰ সন্মুখীন হোৱাৰ লগতে বহুজন নিহত আৰু আহত হৈছে। ২০১৫ত ৭.৫ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত পাকিস্তান আৰু আফগানিস্তানত ৩৮০জনৰো অধিক লোকৰ মৃত্যু হৈছিল। অধিক সংখ্যক আছিল পাকিস্তানৰ।

আজিৰ এই দুৰ্যোগৰ পাছত ভেটিকান নগৰীৰ পোপ ফ্ৰান্সিছে দুৰ্গতসকলৰ বাবে প্ৰাৰ্থনা জনাইছে। ইপিনে, ৰাষ্ট্ৰসংঘ আৰু বিভিন্ন বিদেশী সাহায্য এজেন্সীয়ে সদৰী কৰা অনুসৰি সম্প্ৰতি ৰাষ্ট্ৰখনত সৃষ্টি হোৱা মানৱ সংকটৰ মোকাবিলা কৰিবলৈ আফগানিস্তানক প্ৰয়োজন হ'ব বহু বিলিয়ন ডলাৰৰ। ৰাষ্ট্ৰখনত এনে দুৰ্যোগৰ স'তে মোকাবিলাৰ বাবে অধিক প্ৰস্তুতিৰ প্ৰয়োজন আছে বুলি কয় সংস্থাসমূহে। ভূমিকম্প, বান আৰু ভূমিস্খলনে সঘনাই আঘাত কৰা ৰাষ্ট্ৰখনত জৰুৰীকালীন মোকাবিলাৰ অধিক প্ৰস্তুতিৰ বিষয়ে বিদেশী সংস্থাসমূহে দোহাৰে।

## ■ চাৰিখন নদী পানী কেনেলৰ জৰিয়তে পেলাব ব্ৰহ্মপুত্ৰ নদীত

# বিটিআৰত আৰম্ভ হৈছে ৰেষ্টলেণ্ড ডেভলপমেন্ট প্ৰজেক্ট

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২২ জুন ঃ** বিটিআৰৰ অন্তৰ্গত চাৰিখন জিলা চাৰিটা নদীক সামৰি গ্ৰহণ কৰা হৈছে ৰেষ্টলেণ্ড ডেভলপমেন্ট প্ৰজেক্ট । ইতিমধ্যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আঁচনিখনত অনুমোদন জনাইছে। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দিয়া প্ৰপ'জেলৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে এই আঁচনিখন বিচিআৰত ৰূপায়ণ কৰিব । কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱা এই ৰেষ্টলেণ্ড ডেভলপমেন্ট প্ৰজেক্টৰ জৰিয়তে বিটিআৰৰ চাৰিখন নদীক কেনেলৰ জৰিয়তে সংযোগ কৰিব ব্ৰহ্মপুত্ৰ নদীত। প্ৰণিধানযোগ্য যে বিটিআৰ অঞ্চলৰ মাজেৰে বৈ যোৱা নদীসমূহে বছৰি গৰাখহনীয়াৰ সৃষ্টি কৰাৰ লগতে বহু কৃষিভূমি বিনষ্ট কৰি আহিছে। যাৰ ফলত বছৰ বছৰ বহু মাটি পতিত হৈ পৰি থাকে। কৃষিৰ বাবেও অনুপযোগী হৈ পৰে। কিন্তু বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এনে মাটিসমূহ উদ্ধাৰ কৰি কৃষিৰ উপযোগী কৰি তোলাৰ বাবে এই আঁচনিখন যুগুত কৰি প্ৰধানমন্ত্ৰীলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে বিআৰঅ', প্ৰতিৰক্ষা, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, জলকে ধৰি পাঁচটা বিভাগক এই দায়িত্ব প্ৰদান কৰে। ইতিমধ্যে বিআৰঅ'ক দিয়া হৈছে পাগলাদিয়া নদীৰ এই আঁচনি নিৰ্মাণৰ দায়িত্ব। উল্লেখ্য যে বিটিআৰৰ ওদালগুৰি জিলাৰ ধনশ্ৰী, বাগ্‌সাৰ পাগলাদিয়া, চিৰাঙৰ আই আৰু কোকৰাঝাৰৰ চম্পানদীক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। কালি এই সন্দৰ্ভত বাগ্‌সা জিলাৰ ভাৰত- ভূটান সীমান্তৰ আমগুৰিত বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসৰ উপস্থিতিত ভূমিপূজন কৰা হয় । প্ৰায় ২২ হেজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই আঁচনিখন অহা চাৰি-পাঁচ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। বিটিচি পৰিষদৰ কৃষি বিভাগৰ উপদেষ্টা এম এল মন্টোৱে জানিব দিয়া অনুসৰি, অব্যৱহৃত ভূমিসমূহ কৃষিৰ উপযোগী কৰি নিবনুৱা সমস্যা সমাধানৰ এক বিকল্প আঁচনি হিচাপে গ্ৰহণ কৰা হৈছে । যিখন আঁচনিৰ জৰিয়তে বিটিআৰৰ চাৰিখন নদীক কেনেলৰ জৰিয়তে ব্ৰহ্মপুত্ৰত সংযোগ কৰা হ'ব । ইতিমধ্যে সমগ্ৰ দেশতে ২২ হেজাৰ এনে আঁচনি গ্ৰহন কৰি প্ৰায় ৫২ লাখ কোটি টকা কেন্দ্ৰীয় চৰকাৰে ধাৰ্য কৰিছে বুলিও জানিব দিয়ে কেন্দ্ৰীয় চৰকাৰৰ এইগৰাকী অৱসৰপ্ৰাপ্ত বিষয়াই । তেওঁ কয় যে কেনেলৰ দুই পাৰে দুইলেন যুক্ত পথলৈ ৰূপান্তৰিত কৰি দেশৰ সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰাৰ উপৰি দুই পাৰৰ পতিত মাটিত বিভিন্ন শস্য উৎপাদনৰ লগতে বিভিন্ন উদ্যোগ গঢ়ি তোলা হ'ব। যাৰ জৰিয়তে ৰাজ্যখনৰ নিবনুৱা সমস্যা সমাধান হ'ব । তেওঁ আকৌ কয় যে চীনৰ আগ্ৰাসনৰ প্ৰতি লক্ষ্য ৰাখি নদীকেইখনৰ দুয়োপাৰে দুইলেন যুক্ত পথ নিৰ্মাণ কৰা হ'ব। যাতে ভাৰতীয় সেনাই তাৎক্ষণিকভাৱে সীমান্তলৈ যাতায়াত কৰিব পাৰে। ভূমিপূজন অনুষ্ঠানত বিটিচিৰ ৰাজহ বিভাগৰ সচিব নগেন্দ্ৰ বসুমতাৰীয়েও উপস্থিত থাকি এই আঁচনিৰ জৰিয়তে বানপানীৰ লগতে নিবনুৱা সমস্যা সমাধান হ'ব বুলি জানিব দিয়ে। বিশেষকৈ নৈৰ পাৰৰ অব্যৱহৃত মাটিসমূহ পুনৰ উদ্ধাৰ কৰি সেই মাটিসমূহ কৃষি আৰু উদ্যোগ স্থাপনৰ উপযোগী কৰি তোলা হ'ব। অৱশ্যে এই আঁচনিৰ পৰা বন বিভাগ আৰু সংৰক্ষিত বনাঞ্চলৰ মাটি দখল কৰা নহয় । উল্লেখ্য যে ইতিমধ্যে এই আঁচনিখনৰ বাবে ওদালগুৰি জিলাৰ ধনশ্ৰী নদীৰ পাৰতো ভূমিপূজনৰ অনুষ্ঠান সমাপন কৰা হৈছে ।



## তুলসীবিলৰ জয়পুৰত বজ্ৰপাতত ঘৰ-দুৱাৰ ভস্মীভূত পৰিয়ালক আৰ্থিক অনুদান বিধায়ক নাৰ্জাৰীৰ



অগ্ৰদূত বাৰ্তা

**দোতমা, ২২ জুন ঃ** কোকৰাঝাৰ জিলাৰ তুলসীবিল জয়পুৰৰ বাসিন্দ অমিলা বেৰাৰ ঘৰত কেইদিনমান পূৰ্বে বজ্ৰপাতৰ ফলত সম্পূৰ্ণৰূপে ভস্মীভূত হয় ঘৰটো। ভস্মীভূত হোৱাৰ বাতৰি পোৱাৰ পাছত বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে কালি উক্ত ঘটনাৰ বুজ ল'বলৈ উপস্থিত হয় পৰিয়ালটোৰ ওচৰত। লগতে বিধায়ক নাৰ্জাৰীয়ে ভুক্তভোগী পৰিয়ালটোক আৰ্থিক অনুদান আগবঢ়ায়। বিধায়কজনৰ লগতে উপস্থিত থাকে বিপিএফৰ কোকৰাঝাৰ জিলাৰ উপ-সভাপতি ড° ৰেজাউল কৰিম, বিপিএফৰ সংখ্যালঘু কোষৰ ব্লক সভাপতি আজাহাৰ আলী খান, যুৱ বিপিএফৰ মৌচম আলী আদিয়ে।

## গাঁৱৰ বানাক্ৰান্তলৈ হোজাইৰ পৰা ৰেলযোগে সামগ্ৰী প্ৰেৰণ নগাঁও প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**হোজাই ২২ জুন ঃ** হোজাইত ৰেল যোগে খাদ্য সামগ্ৰী প্ৰেৰণ নগাঁও জিলাৰ বানপঞ্জীত অঞ্চললৈ। কালি হোজাই ৰেলৱে ষ্টেচনৰ পৰা নগাঁও জিলা প্ৰশাসনে বিশেষ ৰেল যোগে প্ৰেৰণ কৰিছে খাদ্য সামগ্ৰী। নগাঁও জিলাৰ কামপুৰত,ৰহা আদি অঞ্চলত সংহাৰী বানৰ ফলত বিচ্ছিন্ন হৈ পৰিছে যাতায়াত যাৰ ফলত প্ৰশাসনৰ এই পদক্ষেপ। বানাক্ৰান্ত নগাঁও জিলাৰ ১০৯ খন গাঁও বানৰ কৱলত পৰা দুই লাখ পঞ্চাশ হেজাৰ বানাক্ৰান্তৰ বাবে এই সামগ্ৰী। নগাঁও জিলা প্ৰশাসনে চাউল, দালি, মিঠাতেল আদি অতি আৱশ্যকীয় সামগ্ৰী প্ৰেৰণ কৰে বানাক্ৰান্তলৈ।

## ছয়গাঁৱৰ কলহীৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন বিধায়কৰ

### ■ উৰা বাতৰি প্ৰচাৰ কৰি মানুহক ভিতিগ্ৰস্ত নকৰিবলৈ সকলো পক্ষকে আহ্বান

**ছয়গাঁও, ২২ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ছয়গাঁৱৰ বিভিন্ন অঞ্চলত কলহী নদীয়ে ৰুদ্ৰ ৰূপ ধাৰণ কৰি তাণ্ডৱ চলাই কে'বাটাও গুৰুত্বপূৰ্ণ স্থানত খহনীয়াৰ সৃষ্টি কৰিছে। এনে বিপদৰ সময়ত জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত ৰাইজক সকাহ আৰু অভয়দান দিবলৈ উপস্থিত হয় বিধায়ক ৰেকিবুদ্দিন আহমেদ। ইতিমধ্যে ছয়গাঁও টাউনৰ নিচেই কাষতে থকা শিংখাট, গৰ্জনপাৰা, মাকেলী, ডাকুৱাপাৰা আদি অঞ্চলত জলসম্পদ বিভাগে জিঅ' বেগৰ কাম কৰি খহনীয়া ৰোধ কৰাৰ চেষ্টা অব্যাহত ৰাখিছিল যদিও তাৰো কিছু স্থান কলহী নদীয়ে খহাই নিয়ে। ছয়-সাতদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত কলহী নদী ওফন্দি উঠাত প্ৰতিবেশী ৰাইজৰ মাজত হাহাকাৰ সৃষ্টি হোৱাৰ খবৰ লাভ কৰি কালি জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে ছয়গাঁৱৰ বিধায়ক আহমেদ উপস্থিত হয়। দিনজোৰা কাৰ্যসূচীৰে প্ৰতিটো অঞ্চলত উপস্থিত হৈ বানপানীৰ ক্ষেত্ৰত ভুৱা প্ৰচাৰ চলোৱা বন্ধ কৰিবলৈ সকলো পক্ষকে বিধায়কজনে আহ্বান জনায়। আনহাতে, বিধায়ক আহমেদে ছয়গাঁৱৰ কলহী নদীৰ খহনীয়াৰ বিষয়টো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত আলোচনা কৰা কথাটোও উল্লেখ কৰে।

## ড° সৃষ্টিধৰ দত্তৰ মৃত্যুত জ্যেষ্ঠ নাগৰিক সন্মিলন কঠালগুৰি শাখাৰ শোক

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২২ জুন ঃ** বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, অৰুণাচল বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ডীন অসম জ্যেষ্ঠ নাগৰিক সন্মিলন ডিব্ৰুগড় জিলা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত, সমাজসেৱক ড° সৃষ্টিধৰ দত্তৰ বিয়োগত জ্যেষ্ঠ নাগৰিক সন্মিলন কঠালগুৰি শাখাই গভীৰ শোক প্ৰকাশ কৰিছে। শাখাৰ সভাপতি ভূপেন শইকীয়া আৰু সম্পাদক গকুল দত্তই প্ৰেৰণ কৰা এক শোকবাৰ্তাত কয় যে কঠালগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ লগতে কঠালগুৰি অঞ্চলৰ সমূহ অনুষ্ঠানে ড° দত্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদগতি কামনাৰ্থে ভগৱন্তৰ চৰণত এভাগি প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## মহামায়া ভিচিডিচিত বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

**বগৰীবাৰী, ২২ জুন ঃ** বিটিআৰ কোকৰাঝাৰ জিলাৰ বগৰীবাৰী মহামায়া ব্লকৰ অন্তৰ্গত অসম গ্ৰামীণ জীৱিকা বিকাশ অভিযানৰ অধীনস্থ ঝাৰ্ণা গ্ৰাম্য সংগঠনৰ কৰ্ম-কৰ্তাই জি মহামায়া ভিচিডিচিৰ ছাতাগুৰিত প্ৰায় শতাধিক বানাক্ৰান্ত পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। মহামায়া ক্লাষ্টাৰ সমন্বয়ক ভাস্কৰ বৰ্মনৰ উপস্থিতিত ছাতাগুৰি এম ই স্কুল প্ৰাংগণত অঞ্চলটোৰ দুখীয়া বানাক্ৰান্ত লোকৰ মাজত চাউল, দাইল, তেল, আলু, নিমখ আদি বিতৰণ কৰা হয়। ১৬ টা আত্ম সহায়ক গোটৰ সভানেত্ৰী আৰু সম্পাদিকাৰ উপস্থিতিত মহামায়া জীৱিকা সখী ৰাজিনা খাতুন আৰু আন আন সদস্যকলৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে বানাক্ৰান্ত অঞ্চলৰ ভিতৰত মণিপুৰ আংগৰাকাটা আঢ়াই আনি ৰাজাপাৰা আদি অঞ্চলত বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী যোগান ধৰা হয়।

## মৰিগাঁৱত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২২ জুন ঃ** ৰাজ্যখনৰ লগতে কালি সমগ্ৰ মৰিগাঁও জিলাত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰে। জিলা প্ৰশাসনৰ উদ্যোগত মৰিগাঁও সদৰ বিহুতলী প্ৰাংগণ আৰু শিলচাং বিহুতলী ক্ষেত্ৰত যোগ দিৱস পালন কৰা হয়। মৰিগাঁও বিহুতলী প্ৰাংগণত কাৰ্যসূচীত গুৱাহাটী সমষ্টিৰ সাংসদ কুইন ওজা, জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষীতিশ চন্দ্ৰ পেগু, অতিৰিক্ত উপায়ুক্ত আদিত্য গগৈ প্ৰমুখ্যে বিভিন্ন স্তৰৰ বহুতো লোক উপস্থিত থাকে আৰু শিলচাং বিহুতলীত গৃহ বিভাগৰ মুখ্য সচিব নিৰজ বৰ্মা, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, জিলা শিক্ষা বিষয়া বুলি গগৈৰ লগতে বহু লোক উপস্থিত থাকে।

## ধাইগাঁৱত স্বৰাজ ৰেলফেয়াৰ ছ'চাইটিৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**কৃষ্ণই, ২২ জুন ঃ** গোৱালপাৰা জিলা ধপাত নিয়ন্ত্ৰণ কোষ আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলাখনৰ অগ্ৰণী বেচৰকাৰী সংগঠন স্বৰাজ ৰেলফেয়াৰৰ ছ'চাইটিয়ে পালন কৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত ধাইগাঁও আঞ্চলিক হাইস্কুল প্ৰাংগণত আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকে বিশ্বজিত ৰায়। স্বৰাজ ৰেলফেয়াৰ ছ'চাইটিৰ সম্পাদক আব্দুল মজিদে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক মেহবুৰ আহমেদৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## গোসাঁইগাঁও শংকৰদেৱ বিদ্যা নিকেতনত উচ্চতৰ মাধ্যমিক কলা, বিজ্ঞান শাখাৰ পাঠদান মুকলি

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২২ জুন ঃ** গোসাঁইগাঁৱৰ ষ্টেছন পথস্থিত শংকৰদেৱ বিদ্যা নিকেতনত চলিত বৰ্ষৰ পৰা নতুনকৈ উচ্চতৰ মাধ্যমিক পৰ্যায়ত কলা আৰু বিজ্ঞান শাখাৰ পাঠদানৰ আজি মুকলি কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এক উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। বিদ্যালয়খনৰ প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীয়ে আঁত ধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে পৰিচালনা সমিতিৰ সম্পাদক গোপাল বৰ্মনে। অনুষ্ঠানত উপস্থিত থাকে গোসাঁইগাঁও উচ্চতৰ মাধ্যমক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন অধিকাৰী। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিশ্বনাথ নাৰ্জাৰী, কোষাধ্যক্ষ শান্তিৰাম ৰায়, সদস্য জয়ন্ত ডেকা, চন্দ্ৰশেখৰ সিংসহ নতুনকৈ নামভৰ্তি কৰা উচ্চতৰ মাধ্যমিক শাখাৰ ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকল অনুষ্ঠানত উপস্থিত থাকে। পৰিচালনা সমিতিৰ সভাপতি বিশ্বনাথ নাৰ্জাৰী আৰু জিতেন অধিকাৰীয়ে যৌথভাৱে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ কলা আৰু বিজ্ঞান শাখাৰ শ্ৰেণীকোঠা মুকলি কৰে। ইতিমধ্যে শ্ৰেণীসমূহ আৰম্ভ হোৱা বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ বিভিন্ন বিষয়সমূহৰ লগতে কলা শাখাৰ বাবেও আৱশ্যকীয় শিক্ষক নিযুক্ত দিছে।

## বিশ্বনাথ নগৰৰ আউট এজেন্সীৰ বহু দিন ধৰি বেয়া হৈ থকা ক্লক টাৱাৰ পুনৰ নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ জুন ঃ** বিশ্বনাথ চাৰিআলি বুলি ক'লেই প্ৰথমতেই বহু মানুহৰ সকলো লোকৰ মনলৈ আহে বিশ্বনাথ নগৰৰ আউট এজেন্সীৰ এই ক্লক টাৱাৰটো। এই ক্লক টাৱাৰটো কেৱল এটা ক্লক টাৱাৰে নহয়, বিশ্বনাথ জিলাৰ এক পৰিচয় বহন কৰি আহিছে। ১০ বছৰৰ পূৰ্বেই বিশ্বনাথ নগৰত এই ক্লক টাৱাৰটো নিৰ্মাণ কৰা হৈছিল। বহু লোকে এই ক্লক টাৱাৰটো ৰাজ্যৰ প্ৰথমটোৰ ক্লক টাৱাৰ বুলি ক'বলৈ খোজে। যাৰ বাবে বিশ্বনাথ জিলালৈ আন জিলাৰ লোক আহিলে একপি চেলফিও নোলোৱাকে উভতি নাযায়। বিশ্বনাথ জিলা প্ৰশাসনে নিয়ন্ত্ৰণ কৰিছিল এই ক্লক টাৱাৰটো। কিন্তু আজি দুই-তিনি বছৰ ধৰি এই ক্ৰক টাৱাৰটোৰ ঘড়ীটো বন্ধ হৈ পৰিছিল। যাৰ বাবে এক পৰিত্যক্ত অৱস্থাত পৰিণত হ'বলৈ ধৰিছিল এই ক্লক টাৱাৰটো। বহু জাতীয় দল- সংগঠনে উক্ত ক্লক টাৱাৰটো পুনৰ নিৰ্মাণ কৰিবলৈ দাবী জনাই আহিছিল যদিও নিৰ্মাণ কৰা হোৱা নাছিল। কিন্তু বৰ্তমান উক্ত ক্লক টাৱাৰৰ দায়িত্ব গ্ৰহণ কৰিছে বিশ্বনাথ চাৰিআলি পৌৰসভাই। বিশ্বনাথ চাৰিআলি পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেবাশীষ গুশ্বামি আৰু বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰ জ্যোতি বৰঠাকুৰে পুনৰ উক্ত ক্লক টাৱাৰটো নৱৰূপত সজাই তুলাৰ লগতে ওড়িছাৰ পৰা নতুন ঘড়ী আনি এই টাৱাৰটোত লগোৱা কাম আৰম্ভ কৰিছে। হয়তো কালিৰ পৰা বিশ্বনাথ চাৰিআলি পৌৰসভাৰ প্ৰচেষ্টাত বিশ্বনাথ নগৰৰ এই ক্লক টাৱাৰটো পুনৰ সকলোৰ বাবে এক কেন্দ্ৰবিন্দুৰ স্থল হৈ পৰিব।

## বিহালীৰ পৰা চুৰি ফকলেণ্ড অৰুণাচলৰ পৰা উদ্ধাৰ, ছজনক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ জুন ঃ** বিশ্বনাথ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকাৰ নেতৃত্বত অৰুণাচল প্ৰদেশৰ পাচিঘাটৰ পৰা বিহালীৰ পৰা চুৰি হোৱা এখন ফকলেণ্ড উদ্ধাৰ কৰা হয়। লগতে চুৰি কাৰ্যত জড়িত ছয়জনকৈ লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ১৩ জুনত বিহালীৰ বুৰৈৰ পৰা চুৰি হৈছিল ফকলেণ্ডখন। ঝাৰখণ্ডৰ তছলিম ৰাজা নামৰ লোকজনে নিজৰ অপেৰটৰসহ ফকলেণ্ডখন প্ৰথমে বিশ্বনাথ, তাৰ পাছত নগাঁওলে পঠিয়াইছিল। কিন্তু এটা চক্ৰই পুনৰ বিশ্বনাথৰ বুৰৈত ফকলেণ্ডখন মালিকৰ নিৰ্দেশত অপৰেটৰে লৈ আনে। পুৱা ফকলেণ্ডখন গাড়ীৰ পৰা নমাই ফকলেণ্ডৰ অপেৰেটৰসহ লগত থকা দলটোয়ে এখন হোটেলত চাহ খাবলৈ যোৱাৰ সময়তে চুৰি কাৰ্যত জড়িত থকাসকলে বেলেগ এখন গাড়ীত ফকলেণ্ডখন উঠাই অৰুণাচল প্ৰদেশৰ দিশে লৈ যায়। তাৰ পাছতে ফকলেণ্ডৰ গৰাকীয়ে বিহালী থানাত এই সন্দৰ্ভত এক গোচৰ ৰুজু কৰে। তাৰ ভিত্তিতে বিশ্বনাথ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ডেকাৰ নেতৃত্বত আৰু বিহালী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ সহযোগত এটা অভিযানকাৰী দলে অভিযান চলাই অৰুণাচলৰ পাচিঘাটৰ পৰা ফকলেণ্ডখন কালি উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে এই চুৰি কাৰ্যত জড়িত ছয়জনকৈ চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন ক্ৰমে ধেমাজিৰ কিশোৰ সিং, ইউচুফ আলী, ক্ষীৰ প্ৰধান, চানু সিং, ইছলাম আলী আৰু মিজানুল ৰহমান। ইতিমধ্যে আৰক্ষীয়ে তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

## কলংপাৰ বিদ্যাপীঠত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

# যোগাভ্যাসে আয়ুস বৃদ্ধি কৰে

বিশেষ সংবাদদাতা

**নগাঁও, ২২ জুন ঃ** 'যোগাভ্যাসে মানুহৰ শৰীৰ সুস্থ কৰি ৰাখে। শৰীৰ সুস্থ হৈ থাকিলে মন সুস্থ হৈ থাকে আৰু সুস্থ মন সৃষ্টিৰ কঠিয়াতলি। কেৱল সিমানেই নহয়, যাৰ মন সুস্থ হৈ থাকে, তেওঁ সদায় আনন্দত থাকে। যিজন মানুহ আনন্দত থাকে, তেওঁ বেছি কাল জীয়াই থাকে। সেই দিশৰ পৰা ক'ব পাৰি যে যোগাভ্যাসে মানুহৰ আয়ুস বৃদ্ধি কৰে।' আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত কালি এই মন্তব্য কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাই। নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান কলংপাৰ বিদ্যাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত আয়োজিত যোগ দিৱসৰ আৰম্ভণি ভাষণত ৰাজখোৱাই লগতে কয় যে আধুনিক জীৱনযাত্ৰাত কিশোৰ-কিশোৰীৰ পৰা আৰম্ভ কৰি বৃদ্ধলৈকে প্ৰতিগৰাকী মানুহৰে বিভিন্ন মানসিক চাপ থাকে। এই মানসিক চাপবোৰৰ কু-প্ৰভাৱৰ পৰা মানুহক বহুখিনি সকাহ দিব পাৰে যোগ আৰু মেডিটেছনে। সেই কাৰণে সকলোৰে যোগ আৰু মেডিটেছন কৰিব লাগে বুলি ৰাজখোৱাই মন্তব্য কৰে। কলংপাৰ বিদ্যাপীঠৰ অধ্যক্ষ ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যেক দিনাই কিছু সময় যোগ আৰু মেডিটেছন কৰিবলৈ পৰামৰ্শ দিয়ে। কলংপাৰ বিদ্যাপীঠৰ জ্যেষ্ঠ শিক্ষক বিজয় বসুমতাৰী, দিগন্ত বৰদলৈ, সুৰজিৎ দেৱনাথ, অতুল চন্দ্ৰ বৰুৱা আদি উপস্থিত থকা অনুষ্ঠানত মুখ্য বক্তা আৰু প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ধ্যান প্ৰশিক্ষক প্ৰশান্ত বৰা। তেওঁ কয়, 'বৰ্তমান সময়ত যোগ আৰু মেডিটেছনৰ গুৰুত্ব অপৰিসীম। আজিৰ যান্ত্ৰিক যুগত মানুহ বিভিন্ন সমস্যাত জৰ্জৰিত হৈছে। খাদ্যৰ নামত বহু সময়ত অখাদ্যও ভোজন কৰিব লগা হৈছে। এনে পৰিস্থিতিত মানুহক ৰক্ষা কৰিব পাৰে যোগ আৰু মেডিটেছনে।' আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ধ্যান প্ৰশিক্ষকজনে আৰু কয়, 'ছাত্ৰ-ছাত্ৰীসকলেও নিয়মিত যোগাসন কৰিব লাগে। মেডিটেছন কৰিব লাগে। যোগ আৰু মেডিটেছনৰ জৰিয়তে মগজুৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি, চকু ৰক্ষা কৰিব পাৰি আৰু শৰীৰ ৰোগমুক্ত কৰি ৰাখিব পাৰি। নিজৰ সৌন্দৰ্য বৃদ্ধি কৰিব পাৰি।' নিয়মীয়া যোগাসন আৰু মেডিটেছন কৰা মহিলাই বিউটি পাৰ্লাৰলৈ নোযোৱাকৈও নিজক ধুনীয়া কৰি ৰাখিব পাৰে বুলিও তেওঁ মন্তব্য কৰে। ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানত ধ্যান প্ৰশিক্ষকজনে কে'বাবিধ যোগাসন আৰু মেডিটেছন কৰিও দেখুৱায়।



## বানাক্ৰান্তক শীঘ্ৰে সাহায্য প্ৰদানৰ দাবী

### গোৱালপাৰাৰ উপায়ুক্তক ছাত্ৰ মুক্তিৰ স্মাৰক প্ৰদান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২২ জুন ঃ** গোৱালপাৰাত শীঘ্ৰেই বান সাহায্য মুকলি কৰি দিয়া আৰু বানত ক্ষতিগ্ৰস্ত লোকসকলক উপযুক্ত ক্ষতিপূৰণৰ দাবীত কালি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে গোৱালপাৰা জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ যুটীয়া সভাপতি জাকিৰ হুছেইন আৰু ৰবিউল ইছলামে স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা মতে, বিগত কে'বাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণ আৰু মেঘালয়ৰ পৰা সোমোৱা ধলপানীয়ে সৃষ্টি কৰা প্ৰৱল বানপানীৰ ফলত বিগত কে'বাটাও দিন ধৰি জলমগ্ন হৈ থকা গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চল যেনে পশ্চিম গোৱালপাৰাৰ লক্ষীপুৰ টাউন, মাৰকুলা, বাপুৰভিটা, মেধিপাৰা, হাতোগাঁও, ৰংচাই, জুৰিগাঁও, বাঁহবাৰী, শাকতোলা, তালতলা, ফৰিঙাপাৰা, চুনাৰী, আমবাৰী, বগুৱান, ৰৌমাৰী আদি বৃহত্তৰ অঞ্চল, জলেশ্বৰ সমষ্টিৰ জলেশ্বৰ, ৰাজমিতা, তাৰাংগাপুৰ, যুগডুবা তাৰ উপৰি, গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ বলবলা, বলদমাৰী চৰ, হাৰিমুৰা, শিমলিতোলা, সূতাৰপাৰা, মাটিয়াৰ বৃহত্তৰ অঞ্চলৰ লগতে বামুণপাৰা আৰু দুধনৈ সমষ্টিৰ ৰংজুলি অঞ্চলৰ উপৰি গোৱালপাৰা চহৰৰ কে'বাটাও ৱাৰ্ড জলমগ্ন হৈ পৰিছে। জিলা প্ৰশাসনৰ তথ্য মতে ৩২৭খন ৰাজহ গাঁৱৰ দুই লাখ ৮০ হেজাৰতকৈ অধিক লোক বানপানীৰ কবলত পৰিছে। ১৫০ টাকৈ আশ্ৰয় শিবিৰৰ লগতে বহু লোক ঘৰতে পানীৰ মাজত আবদ্ধ হৈ আছে। ৩,৬৩,০৫০ হেক্টৰ কৃষিভূমি বানত প্লাৱিত হৈছে, মীন পালকসকলৰ হেজাৰ হেজাৰ পুখুৰী পানী ভৰি যোৱাৰ ফলত লাখ লাখ টকা লোকচান হৈছে, ধাৰাসাৰ বৰষুণৰ ফলত হেজাৰ হেজাৰ কৃষকে ধান চলাব পৰা নাই যাৰ বাবে শস্যপথাৰত নষ্ট হৈ গৈছে আৰু খাদ্যৰ অভাৱত পশুধনৰ মৃত্যু হৈ বহু লোক ক্ষতিগ্ৰস্ত হৈছে। কিন্তু আশ্ৰয় শিবিৰসমূহত বান সাহায্য নিদিয়াৰ ফলত বানাক্ৰান্তসকলৰ অৱস্থা অতি জটিল হৈ পৰিছে। লগতে বহু শিবিৰত পশুখাদ্য আৰু শিশু খাদ্যও প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। তদুপৰি মাৰকুলা অঞ্চলৰ লগতে বিভিন্ন অঞ্চলত থকা শিবিৰসমূহত ৰাইজে আজিলৈকে বান সাহায্য নোপোৱাৰ অভিযোগ উঠিছে। আশ্ৰয় শিবিৰসমূহত গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে পৰিদৰ্শন কৰি ভুক্তভোগী ৰাইজৰ অভিযোগৰ সত্যতাৰ প্ৰমাণ পায়। সেয়ে গোৱালপাৰা জিলা উপায়ুক্তক গোৱালপাৰা জিলা ছাত্ৰ মুক্তিৰ ফালৰ পৰা দাবী জনায় যে মাৰকুলা অঞ্চলৰ লগতে পশ্চিম গোৱালপাৰা তথা গোৱালপাৰা জিলাৰ সকলো বানাক্ৰান্ত ৰাইজলৈ কোনো ধৰণৰ বৈষম্য নকৰাকৈ বান সাহায্য মোকলাই দিয়াৰ লগতে বানাক্ৰান্ত হোৱা কৃষক, মীনপালক আৰু সকলো ক্ষতিগ্ৰস্ত ৰাইজক উপযুক্ত ক্ষতিপূৰণ আদায় দিয়াৰ ব্যৱস্থা কৰাৰ দাবী জনায়।

## নগাঁৱত শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা উৎসৱৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ২২ জুন ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো নগাঁৱৰ শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু শ্ৰীশ্ৰী জগন্নাথ মন্দিৰ ন্যাস সমিতিৰ সহযোগত অহা পহিলা জুলাইত শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা আৰু ন জুলাইত পূৰ্ণযাত্ৰা উৎসৱ যথাবিহিতভাৱে আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি ৩০ জুনৰ অধিবাসৰ পাচতেই পহিলা জুলাইত পুৱা পূজাৰম্ভ, হোম, শান্তি, নিৰ্মালি আৰু প্ৰসাদ বিতৰণ। বিয়লি ভোগ বিতৰণ আৰু মহাপ্ৰভুৰ ৰথত আৰোহণৰ পাছতেই নগাঁও চহৰৰ আমোলাপট্টি নামঘৰলৈ বুলি আৰম্ভ হ'ব ৰথযাত্ৰা। তাতেই মহাপ্ৰভুক আদৰণিৰ পাছতেই স্ব-স্থানে স্থাপন কৰা হ'ব। ন জুলাইত বিয়লি পুনৰ আমোলাপট্টি নামঘৰৰ পৰা আৰম্ভ হ'ব মহাপ্ৰভুৰ পূৰ্ণযাত্ৰা উল্টাৰথ। সেইদিনাই সন্ধিয়া ছয় বজাত মহাপ্ৰভুক স্ব-স্থানে স্থাপন কৰা হ'ব। সকলো কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## বিহপুৰীয়াৰ লুমিনাচ একাডেমীৰ ১৬ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২২ জুন ঃ** বিহপুৰীয়াৰ লুমিনাচ একাডেমীত যোৱা ১৮ জুনত বিদ্যালয়খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ১৬ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয় পৰিচালনা সমিতি আৰু শিক্ষকসকলৰ উদ্যোগত অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক কৃষ্ণানন্দ বৰুৱাই। হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ অৱতীৰ্ণ হোৱা ১৬ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত পাৰ্থ প্ৰতিম দাসে অসমৰ ভিতৰতে তৃতীয় স্থান লাভ কৰাৰ লগতে ছয় ডিষ্টিংছন, চাৰি ষ্টাৰ, তিনিয়ে প্ৰথম আৰু দুগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। দুশৰো অধিক অভিভাৱক, শিক্ষাবিদ তথা ৰাইজৰ উপস্থিতিত অনুষ্ঠিত সভাত নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধৰণী শৰ্মা, বিষয় শিক্ষক পৰাণ ডেকা, লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত নেওগ, বিষয় শিক্ষক যোগেশ্বৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ দে, অৱসৰপ্ৰাপ্ত শিক্ষক জংবাহাদুৰ চেত্ৰী আদিৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত কৃষ্ণানন্দ বৰুৱাই তেওঁৰ পিতৃৰ নামত আগবঢ়োৱা 'স্বাধীনতা সংগ্ৰামী হৰিচন্দ্ৰ বৰুৱা সোঁৱৰণী মেধা বঁটা নগদ পাঁচ হেজাৰ টকা আৰু লুমিনাচৰ অধ্যক্ষ ভৱ কান্ত পূজাৰীয়ে পৰিচালনা সমিতিৰ তৰফৰ পৰা নগদ ১০ হেজাৰ টকা পুৰস্কাৰ পাৰ্থ প্ৰতিম দাসৰ হৈ তেওঁৰ পিতৃ টিটু দাস আৰু মাতৃ স্মৃতিৰেখা ভড়ালীৰ হাতত প্ৰদান কৰে। সভাত ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰ প্ৰাপ্ত ক্ৰমে অৰ্ণৱ নন্দী, অয়ন নিবিৰ কৌশিক, দেবাংগ বি হাজৰিকা প্ৰাচুৰ্য বৰা, সুজল সাহা, নিতেশ ৰাথী, অভ্ৰজিতা হাজৰিকা আৰু মহিমা চহৰীয়াৰ লগতে উত্তীৰ্ণ মুঠ ১৬ গৰাকী ছাত্ৰ-ছাত্ৰীক বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়।

## টীয়কত অসম জাতীয় বিদ্যালয়ৰ প্ৰাক বিদ্যালয় শিক্ষক প্ৰশিক্ষণ শিবিৰ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২২ জুন ঃ** অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ উদ্যোগত যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু মাজুলী জিলা মণ্ডল আৰু যোৰহাট জিলা সমন্বয়ৰক্ষী সমিতিৰ সহযোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে টীয়কৰ চেলেংহাট পথস্থিত টীয়ক জাতীয় বিদ্যালয় প্ৰাংগণত প্ৰাক বিদ্যালয় শিক্ষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচী অসম জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিৰ গোলাঘাট জিলাৰ সভাপতি পল্লৱ বৰবৰাই শিৱসাগৰ জিলাৰ সভাপতি এছ এছ জামান আৰু যোৰহাট জিলাৰ সভাপতি ৰঞ্জিত বৰাৰ পূৰ্ণ সহযোগিতাত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে। অসম জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিৰ যোৰহাট জিলাৰ সম্পাদক সৌৰভ বৰাই আঁতধৰা তথা টীয়ক জাতীয় বিদ্যালয়ৰ সঞ্চালক প্ৰদীপ চুতীয়াৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ কেন্দ্ৰীয় শিক্ষক প্ৰশিক্ষণৰ সমন্বয়ক অপৰাজিতা দত্ত, সমল ব্যক্তি জুলি শইকীয়া, উৎপলা বৰা, টীয়ক জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ৰূপেশ্বৰ শৰ্মা, শিৱসাগৰ জিলা সমন্বয় সমিতিৰ সম্পাদক নৃপেন নেওগ, টীয়ক প্ৰেছ ক্লাবৰ সভাপতি প্ৰান্তনু দত্ত প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

ইপিনে, প্ৰাক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ প্ৰতি আগ্ৰহী তথা অনাগত দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি আকৃষ্ট কৰি তুলিবলৈ বিভিন্ন কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক তথা শাৰীৰিক বিকাশ সম্বন্ধীয় বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থাৰে উক্ত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হৈছে। উল্লেখ্য যে শিবিৰত কেউখন জিলাৰ প্ৰায় ৮০ গৰাকীকৈ শিক্ষকে অংশগ্ৰহণ কৰিছে।

# ফটো সাংবাদিকক আক্ৰমণৰ ঘটনাক তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ গৰিহণা

অগ্ৰদূত বাৰ্তা

**তালাপ, ২২ জুন ঃ** তিনিচুকীয়া জিলাৰ শদিয়াৰ প্ৰাগ নিউজৰ ভিডিঅ' জাৰ্ণেলিষ্ট মানসজ্যোতি কোঁৱৰক যোৱা ২০জুনৰ নিশা চপাখোৱা দৈনিক বজাৰৰ সমীপত চোকা অস্ত্ৰৰে আক্ৰমণ কৰা ঘটনাক তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ তৰফৰ পৰা তীব্ৰ ভাষাৰে গৰিহণা দিছে। সন্থাৰ সভাপতি অনুজ কলিতা আৰু সাধাৰণ সম্পাদক ৰাণাজোতি নেওগে এক প্ৰেছ বাৰ্তাৰ জৰিয়তে উক্ত ঘটনাৰ স'তে জড়িত দুৰ্বৃত্তক কঠোৰতম শাস্তি বিহিবলৈ দাবী জনোৱাৰ লগতে সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। অতি গুৰুতৰভাৱে আহত কোঁৱৰক কালি নিশাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয় ।

# ছয়গাঁও মহাবিদ্যালয়ত ১০ দিনীয়া যোগ শিবিৰৰ সামৰণি



**ছয়গাঁও, ২২ জুন ঃ** কামৰূপ জিলা ক্ৰীড়া কাৰ্যালয় আৰু ছয়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষ তথা এন এছ এছ গোটৰ উদ্যোগত যোৱা ১১ জুনৰ পৰা অনুষ্ঠিত ১০ দিনীয়া যোগ কৰ্মশালাৰ কালি সামৰণি পৰে। এই উপলক্ষে অনুষ্ঠিত সামৰণি অনুষ্ঠানত ছয়গাঁও মহাবিদ্যালৰ পৰিচালনা সমিতিৰ সভাপতি ড° নগেন কলিতা, অধ্যক্ষ, ড° নৱ কুমাৰ কলিতা, ভাৰপ্ৰাপ্ত শৈক্ষিক বিষয়া কমল ঠাকুৰীয়া, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা শৰ্মিলা ৰয় দাস, হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক ধীৰেন চন্দ্ৰ দাস আৰু আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষৰ সমন্বয়ক ড° বনমালী নাথে বক্তব্য ৰাখে। এন এছ এছ গোটৰ আঁচনি বিষয়া ড° লক্ষ্যধৰ শৰ্মাই আঁত ধৰা সভাখনৰ শলাগৰ শৰাই আগবঢ়াই অধ্যাপক উপেন ডেকাই। ১০ দিনীয়া কাৰ্যসূচীত মহাবিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰীক যোগ প্ৰশিক্ষণ দিয়া প্ৰশিক্ষক সংগীতা ৰাজবংশীয়ে আন্তৰ্জাতিক যোগ দিৱসৰ কাৰ্যসূচীৰো নেতৃত্ব লয়। কৰ্মশালাত অংশ লোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত এই অনুষ্ঠানতে মানপত্ৰ বিতৰণ কৰা হয়।

# ৫০ বছৰ পূৰ্বে মৃতকৰ নামত থকা পট্টাভুক্ত জমি বেআইনীভাৱে তৃতীয় পক্ষৰ নামত নামজাৰি

## তদন্তৰ দাবীত গোৱালপাৰাৰ উপায়ুক্তক অভিযোগ দাখিল

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২২ জুন ঃ** বিভাগীয় নিয়ম উলংঘাৰে গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰ কৰ্তৃপক্ষই ৫০ বছৰ পূৰ্বে মৃত্যু হোৱা লোকৰ নামত থকা পট্টাভুক্ত জমি প্ৰকৃত উত্তৰাধিকাৰীৰ অজ্ঞাতে তৃতীয় পক্ষৰ নামত সন্মতি নামজাৰি কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত কালি বুদুচৰ গাঁৱৰ ধনীৰাম দাসৰ পুত্ৰ জয়ন্ত দাসে গোৱালপাৰাৰ উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। উক্ত অভিযোগ পত্ৰত উল্লেখ কৰা মতে মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম মাটিয়া ৰাজহ গাঁৱৰ ২৪৬ নম্বৰ পট্টাভুক্ত তথা ৬১৭ নম্বৰ দাগৰ মুঠ তিনি বিঘা চাৰি কঠা এক লেছা জমি জয়ন্তৰ পিতৃৰ ককাদেউতাক লক্ষণ ঘোষৰ নামত পঞ্জীয়নভুক্ত হৈ আছিল। বৰ্তমানলৈকে তেওঁৰ উত্তৰাধিকাৰী সূত্ৰে সেই ভূমি ভোগ দখল কৰি আছে । ইপিনে যোৱা ১৮ জুনত জয়ন্তই মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ত উল্লেখিত জমিখিনিৰ ৰাজহ (খাজনা), আদায় দিবলৈ গৈ হতভম্ব হৈ পৰে। কিয়নো দায়িত্বৰত লাট মণ্ডল গুণেন্দ্ৰ কলিতাৰ প্ৰতিবেদনৰ ভিত্তিত যোৱা ২৪ মে'ত তদানীন্তন চক্ৰ বিষয়া জীতেন্দ্ৰ টাইডে উক্ত জমিৰ পট্টাদাৰ লক্ষণ ঘোষৰ স্থলত আব্দুল আজিজ আহমেদৰ পুত্ৰ কবিৰ হুছেইন আৰু আব্দুল হাসেমৰ পুত্ৰ আব্দুল হালিমৰ নামত দান ও দখল স্বত্ব দেখুৱাই সন্মতি নামজাৰি কৰিছে। উল্লেখ্য যে প্ৰায় ৫০ বছৰ পূৰ্বে উক্ত জমিৰ পট্টাদাৰ লক্ষণৰ মৃত্যু হৈছে আৰু তেওঁৰ উত্তৰাধিকাৰী সূত্ৰে ক্ৰমে মুকুন্দ বৈশ্য, মঙ্গলুৰাম দাস, তৰুণ ঘোষ আৰু অৰুণ ঘোষৰো ইতিমধ্যে মৃত্যু হৈছে। ইপিনে, মঙ্গলুৰাম দাসৰ উত্তৰাধিকাৰী সূত্ৰে ক্ৰমে মনিৰাম দাস, ধনীৰাম দাস, দিলীপ দাস আৰু শিৱ দাস আছে যদিও প্ৰকৃত উত্তৰাধিকাৰীসকলে কবিৰ আৰু আব্দুল তথা আন কোনো ব্যক্তিৰ ওচৰত উল্লেখিত জমিখিনি দান, হস্তান্তৰ তথা বিক্ৰী কৰা নাই বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। দায়িত্বৰত লাট মণ্ডল আৰু নিৰীক্ষক কাননগোৰ সহযোগত ৫০ বছৰ পূৰ্বে মৃত্যু হোৱা লক্ষণৰ পট্টাভুক্ত উক্ত জমিখিনি কবিৰ আৰু আব্দুলৰ নামত পঞ্জীয়নভুক্ত কৰি লোৱা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। সেয়ে এই জালিয়াতিৰ বিৰুদ্ধে উপযুক্ত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে জয়ন্তই। উল্লেখ্য যে কেৱল উল্লেখিত ভূমিখিনিয়েই নহয় মাটিয়া ৰাজহ চক্ৰ অঞ্চলত সদ্য বিদায়ী চক্ৰ বিষয়া জীতেন্দ্ৰ টাইডৰ নেতৃত্বত প্ৰায় শতাধিক সন্মতি নামজাৰি কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# ডিচেম্বৰত অনুষ্ঠিত হ'ব ত্ৰয়োদশ যোৰহাট গ্ৰন্থমেলা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২২ জুন ঃ** যোৰহাটৰ কাছাৰী ময়দানত চলিত বৰ্ষৰ ডিচেম্বৰত অনুষ্ঠিত হ'ব ত্ৰয়োদশ যোৰহাট গ্ৰন্থমেলা। অসম শৈক্ষিক কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত হ'ব লগা গ্ৰন্থমেলা উদ্‌যাপন সমিতিখন কালি যোৰহাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বিচিত্ৰ কুমাৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত গঠন কৰা হয়। অসম শৈক্ষিক কেন্দ্ৰৰ সাধাৰণ সম্পাদক ৰমেন গগৈয়ে আঁত ধৰা সভাখনতে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনক সভাপতি, অসম শৈক্ষিক কেন্দ্ৰৰ সভাপতি বিচিত্ৰ কুমাৰ বৰঠাকুৰক কাৰ্যকৰী সভাপতি, উপ-সভাপতিদ্বয় ড° ৰাজীৱ লোচন বৰুৱা, প্ৰবীণ বৰুৱা, উপায়ুক্তৰ মনোনীত প্ৰতিনিধিক উপ-সভাপতি, ৰমেন গগৈক সাধাৰণ সম্পাদক, বিমান শৰ্মাক সহযোগী সম্পাদক, শ্যামল প্ৰসাদ বৰা, পৰমানন্দ শৰ্মাক সহকাৰী যুটীয়া সম্পাদক, পঞ্চানন বৰঠাকুৰক কোষাধ্যক্ষ, ড° নুৰুল আমিনক সহযোগী আৰু সভাখনত উপস্থিত থকাসকলক সদস্যৰূপে লৈ ত্ৰয়োদশ যোৰহাট গ্ৰন্থমেলা উদ্‌যাপন সমিতিখন ৰাজহুৱা সভাতে গঠন কৰে। সভাখনত ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ অধ্যক্ষ কুমুদ কছাৰী, ড° তপন দত্ত, ডাঃ বলীন খাৰঘৰীয়া, ড° বসন্ত কুমাৰ গোস্বামী, ড° অদিতি বেজবৰুৱা, ড° নিলীমা শইকীয়া, ড° সঞ্জন আলী হাজৰিকা, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিমল বৰা, বৰ্তমানৰ অধ্যক্ষ ড° উৎপলজ্যোতি মহন্ত প্ৰমুখ্যে ভালেকেইগৰাকীয়ে ত্ৰয়োদশ যোৰহাট গ্ৰন্থমেলা সফল ৰূপায়ণৰ ক্ষেত্ৰত পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। উল্লেখ্য সভাৰ আৰম্ভণিতে ২০১৮ৰ ৫-১৬ ডিচেম্বৰত অনুষ্ঠিত দ্বাদশ যোৰহাট গ্ৰন্থমেলাৰ সম্পৰ্কত ৰমেন গগৈয়ে উল্লেখ কৰাৰ পাছতে আয়-ব্যয়ৰ খতিয়ান অৱগত কৰে কোষাধ্যক্ষ ড° পঞ্চানন বৰঠাকুৰে। উল্লেখ্য যে ১৯৯০ত অসম ১৩ পৃষ্ঠাত চাওক

# আজাৰাত সপ্তাহজোৰা আবৃত্তি কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২২ জুন ঃ** আজাৰা উত্তৰণ একাডেমীৰ উদ্যোগত অহা ছয় জুলাইৰ পৰা সাতদিনীয়া আবৃত্তি কৰ্মশালাৰ আয়োজন কৰা হৈছে। আজাৰাস্থিত ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত নিতৌ আবেলি ২-৩০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকিব আন্তঃৰাষ্ট্ৰীয় আবৃত্তিকাৰ উপম শইকীয়া। আগ্ৰহীসকলক ৯৮৫৪৫২৮০৭০ কিম্বা ৮৬৩৮০৮৪৮২৭ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# ৰঙাপৰাত সমস্যা সমাধানৰ দাবীত অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ প্ৰতিবাদ



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২২ জুন ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত থকা এপিজে চাহ কোম্পানীৰ চাৰিখন চাহ বাগিচাৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি অখিল ভাৰতীয় চাহ মজদুৰ সংঘই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰঙাপৰাস্থিত বৰজুলি চাহ বাগিচাৰ ৰঙাপৰা শাখা ১৩ পৃষ্ঠাত চাওক

# মহুৰামুখত বানাক্ৰান্তৰ কাষত মন্ত্ৰী অতুল বৰা

## বানাক্ৰান্তক পৰ্যাপ্ত পৰিমাণৰ সাহায্য দিবলৈ কঠোৰ নিৰ্দেশ

অগ্ৰদূত বাৰ্তা

**খুমটাই, ২২ জুন ঃ** ব্ৰহ্মপুত্ৰ, ধনশিৰি আৰু গেলাবিল নৈৰ জলপৃষ্ঠ ক্ৰমাৎ হ্ৰাস পাছত বোকাখাত বিধানসভা সমষ্টিৰ উত্তৰ মহুৰামুখ আৰু দিচৈ গাঁও পঞ্চায়তৰ বানপৰিস্থিতি সামান্য উন্নত হৈছে। স্থানীয় বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰাই উত্তৰ মহুৰা আৰু দিচৈ গাঁও পঞ্চায়তৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লৈ কৃষকৰ স'তে মতবিনিময় কৰে। বৰষুণ আৰু বানৰ কাৰণে বৰোধান চপাব নোৱাৰাত পথাৰতে কেনেকৈ ধান গজালি মেলি পচি গৈছে তাকো কৃষিমন্ত্ৰীক দুখেৰে অৱগত কৰিলে ক্ষতিগ্ৰস্ত কৃষকে। গজালি মেলিবলৈ লোৱা ধানবোৰ স্বচক্ষে দেখি গাৰ ঘাম মাটিত পেলাই কৰা নিমিষতে নষ্ট হৈ গ'ল বুলি কৈ কৃষকৰ দুৰ্দশা দেখি দুখ



প্ৰকাশ কৰে কৃষিমন্ত্ৰী বৰাই। ইপিনে, কৃষিমন্ত্ৰী বৰাই অঞ্চলটোৰ ক্ষতিগ্ৰস্ত কৃষকৰ কাৰণে পৰৱৰ্তী খেতি কৰিবলৈ বিশেষ ব্যৱস্থা তথা সহায় কৰিব বুলি আশ্বাস প্ৰদান কৰে। আনহাতে, বানাক্ৰান্ত পৰ্যাপ্ত পৰিমাণে বান সাহায্য দিবলৈ বোকাখাত মহকুমাধিপতিক কঠোৰ নিৰ্দেশ দিয়ে। আনহাতে, শিশু-প্ৰসূতি আৰু পশুধনৰ কাৰণেও পৰ্যাপ্ত পৰিমাণৰ খাদ্য সামগ্ৰী যোগান ধৰিবলৈও নিৰ্দেশ দিয়ে মন্ত্ৰী বৰাই।

# হোজাইত ৰাজেন গোহাঁই-মন্ত্ৰী গৰ্লোচাৰ বানাক্ৰান্ত শিবিৰ পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**হোজাই, ২২ জুন ঃ** কালি হোজাইৰ বানাক্ৰান্তৰ খবৰ লোৱাৰ বাবে উপস্থিত হয় প্ৰাক্তন ৰেল ৰাজ্যিক মন্ত্ৰী ৰাজেন গোহাঁই আৰু নৱনিযুক্ত ৰাজ্যিক মন্ত্ৰী নন্দিতা গাৰ্লোচাই। ৰাজ্যিক মন্ত্ৰী গৰাকীয়ে কালি পুৱা হোজাইৰ আকাশীগংগাত জিলা প্ৰশাসনে আয়োজন কৰা অষ্টম আন্তৰ্জাতিক যোগ দিৱসত অংশগ্ৰহণ কৰে। হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ লগতে আন আন সকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। দুপৰীয়া ভাগত মন্ত্ৰীগৰাকীয়ে হোজাই দক্ষিণ



গোলাঘাতিয়া বস্তিস্থিত ডিমাছা ভৱনত বানাক্ৰান্তৰ শিবিৰ পৰিদৰ্শন কৰে । বছৰটোৰ দ্বিতীয় বানৰ ফলত বহু বানাক্ৰান্ত লোকসকল বিভিন্ন ঠাইত শিবিৰ পাতি আশ্ৰয় ল'বলগীয়া ১৩ পৃষ্ঠাত চাওক

# আন্তঃমাজুলী ৰাভা সংগীত, সৃষ্টিশীল নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২২ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি মাজুলীৰ তিনিটা অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান ক্ৰমে মাজুলী মিলন সংঘ, মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয় আৰু কমলাবাৰী চিত্ৰকলা বিদ্যালয়ৰ যৌথ প্ৰচেষ্টাত মাজুলী মিলন সংঘত আন্তঃমাজুলী বিষ্ণুপ্ৰসাদ ৰাভা সংগীত, বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ আধাৰত সৃষ্টিশীল নৃত্য আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অভিনেতা, পৰিচালক, মাজুলী মিলন সংঘৰ সভাপতি ড° আনন্দ হাজৰিকাই। প্ৰতিযোগিতাত বিষ্ণুপ্ৰসাদ ৰাভা সংগীত (ক) শাখাত প্ৰথম পুলকেশ হাজৰিকা, দ্বিতীয় প্ৰাঞ্জল গাম আৰু তৃতীয় হয় অশ্লেখা বৰা। উদগনি বঁটা লাভ কৰে হেমাংগ বিশ্ব শৰ্মা আৰু তুষাৰ মংগল ভাগৱতীয়ে। আনহাতে, সৃষ্টিশীল নৃত্যত প্ৰথম, দীক্ষিতা দাস, দ্বিতীয় মধুস্মৃতা হাজৰিকা আৰু তৃতীয় হয় ভায়লীনা পাহাদী। একেদৰে চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম কৃষ্টিনা ভূঞা, ১৩ পৃষ্ঠাত চাওক

# অট' চালকৰ প্ৰহাৰত মহিলাসহ তিনিজন আহত

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২২ জুন ঃ** যোৰহাট নগৰৰ জেইল ৰ'ডত অৱস্থিত এটা পেট্ৰ'ল পাম্পত সংঘটিত ভয়ংকৰ মাৰপিটৰ ঘটনাত এগৰাকী মহিলাসহ তিনিজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণি অনুসৰি, জেইল ৰ'ডত অৱস্থিত ইণ্ডিয়ান অইল পেট্ৰ'ল পাম্পটোত কালি দুপৰীয়া এজন অট' চালকে প্ৰৱেশ কৰি ডিপ'টোত কৰ্মচাৰী তথা তেওঁৰ পত্নীক প্ৰথমে মাৰপিট কৰে। ইয়াকে লৈ হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হয় আৰু তেওঁক বাধা দিবলৈ যাওঁতে পাংকো ছেত্ৰী নামৰ অট' চালকজনে কে'বাজনো কৰ্মচাৰীক এডাল ৰডেৰে গুৰুতৰভাৱে প্ৰহাৰ কৰে। উল্লেখ্য যে সংঘটিত কৰা পাংকো ছেত্ৰীৰ পত্নীয়ে দীৰ্ঘদিন ধৰি এই ডিপ'টোত কাম কৰি আহিছে। কিন্তু প্ৰতি দিনেই স্বামী পাংকোয়ে পত্নীক পইচা বিচাৰি হাৰাশাস্তি কৰি আহিছে। কালিও মদ খাই মাতাল হৈ অহা পাংকোয়ে পত্নীক পইচা বিচাৰি আহিছিল। পত্নীয়ে পইচা দিবলৈ অমান্তি হোৱাত এডাল লাঠিৰে প্ৰহাৰ কৰে পত্নীক। বাধা দিবলৈ যাওঁতে ডিপ'টোৰ কৰ্মচাৰী দুজনকো লক্ষ্য কৰি লয়। ইতিমধ্যে এই সমগ্ৰ ঘটনাৰ সন্দৰ্ভত ডিপ' কৰ্তৃপক্ষই যোৰহাট আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে ।

# গোৱালপাৰাত ভূমিস্খলনৰ স্থান পৰিদৰ্শন সাংসদ আজমলৰ

## কেন্দ্ৰীয় চৰকাৰৰ স'তে আলোচনা কৰাৰ আশ্বাস

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২২ জুন ঃ** ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ বদৰুদ্দিন আজমলে আজি গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰৰ ভূমিস্খলনস্থলী আৰু আজাদনগৰৰ ভূমিস্খলনত দুটি শিশু নিহত হোৱা স্থান পৰিদৰ্শন কৰে । উল্লেখ্য যে গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰৰ দক্ষিণ- পূব দিশৰ বৃহৎ অংশ তললৈ খহি পৰিবলৈ ধৰাত উক্ত ঠাইত বসবাস কৰা লোকসকল আতংকিত হৈ ঘৰবাৰী এৰি শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। সাংসদ গৰাকীয়ে আজি পুৱা হুলুকান্দা পাহাৰৰ ভয়ংকৰ ভূমিস্খলনৰ স্থান পৰিদৰ্শন কৰিবৰ বাবে পাহাৰতলীত উপস্থিত হৈ ক্ষতিগ্ৰস্ত পৰিয়ালৰ স'তে মত-বিনিময় কৰে। লগতে সাংসদজনে প্ৰায় ২০ গৰাকী মহিলাক নগদ এহেজাৰ টকাকৈ দি সংকট কালত আৰ্থিকভাৱে সহায় কৰে। ইফালে, সংবাদমাধ্যমৰ আগত মন্তব্য কৰি সাংসদ গৰাকীয়ে কয় যে হুলুকান্দা পাহাৰৰ ভূমিস্খলন সন্দৰ্ভত অতিশীঘ্ৰে অসমৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি ১৩ পৃষ্ঠাত চাওক

# উত্তৰ শালমাৰা মহকুমাত প্ৰশাসনৰ বানাক্ৰান্তক সাহায্য সামগ্ৰী-পশুখাদ্য বিতৰণ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২২ জুন ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ সৃজনগ্ৰাম আৰু বইটামাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বানাক্ৰান্ত লোকৰ মাজত বান সাহায্য বিতৰণ কাৰ্য ক্ষিপ্ৰতৰ কৰি তোলা হৈছে। মহকুমাটোৰ ভাৰপ্ৰাপ্ত মহকুমা তথ্য আৰু জনসংযোগ বিষয়াই প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত কয় যে উত্তৰ শালমাৰা মহকুমাত মুঠ ২৩৩২৮৬ গৰাকী লোক বানত আক্ৰান্ত হৈছে । ইয়াৰ উপৰি ৬৮১৯২ টা জীৱ-জন্তু বানত আক্ৰান্ত হৈছে। এনে বানাক্ৰান্ত লোকৰ বাবে কালি আবেলি দুই বজালৈ সৃজনগ্ৰাম ৰাজহ চক্ৰত ২২২৪ কুইন্টল চাউল, ৪১৬ কুইন্টল দাইল, ১২৫ কুইন্টল নিমখ, ১২৪৯৬ লিটাৰ মিঠাতেল, ৩৪৩৮ পেকেট শিশুখাদ্য, ২৪৬টা হৰলিক্স, ১৪০৫খন টাৰপুলিন, ৩৭৯ পেকেট কেন্দেল, দিয়াচলাই আদি বিতৰণ কৰা হয়। তেনেদৰে বইটামাৰী ৰাজহ চক্ৰত ৮৫৬ কুইন্টল চাউল, ১৬২ কুইন্টল দাইল, চিৰা ১৯ দশমিক পাঁচ কিলো, ৭৮ পেকেট গাখীৰ, ৯২০ পেকেট টাৰপুলিন আদি বিতৰণ কৰা হয় । একেদৰে মহকুমাটোত ৩০৮০ কুইন্টল পশুখাদ্যও বিতৰণ কৰা হয় বুলি জনসংযোগ বিভাগৰ বিজ্ঞপ্তিটোত প্ৰকাশ ।

# দিয়ুনত উদ্বোধন 'কমন ফেচিলিটি এণ্ড বিজনেছ ইনফৰ্মেচন চেণ্টাৰ'

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২২ জুন ঃ** অইল ইণ্ডিয়া লিমিটেডৰ জন কল্যাণমূলক আঁচনি 'অইল জীৱিকা'ৰ অধীনত অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ ইনাও', দিয়ুনত যোৱা কালি অইলৰ আৱাসিক মুখ্য বিষয়া প্ৰশান্ত বৰকাকতিৰ দ্বাৰা কমন ফেচিলিটি এণ্ড বিজনেচ ইনফৰমেচন কেন্দ্ৰটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয় বুলি অইলে কালি এক প্ৰেছ বিবৃতিযোগে সদৰী কৰিছে । উক্ত অনুষ্ঠানত উপস্থিত আছিল আই আই ইৰ সঞ্চালক ড° ললিত শৰ্মা, অইল আৰু আই আই ইৰ অন্যান্য বিষয়ববীয়াসকল আৰু হিতাধিকাৰী



গাঁৱৰ ৰাইজ। প্ৰকল্পটোৰ অধীনত থকা সামগ্ৰীসমূহৰ এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰে বিবৃতিত অইলে জানিবলৈ দিছে । চি এফ বি আই চিৰ ভৱন নিৰ্মাণৰ উপৰিও অইলে প্ৰচেছিং আৰু পেকেজিঙৰ বাবে বিভিন্ন যন্ত্ৰপাতি ক্ৰয়ৰ বাবে আৰু লগতে ১৩ পৃষ্ঠাত চাওক

# নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২২ জুন ঃ** নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক আজি বিদায় সম্বৰ্ধনা জনোৱা হয়। বিভাগীয় প্ৰধান ৰাজীৱ বৰাই সভাপতিত্ব কৰা সভাত অধ্যক্ষ ড° ৰাজু ফুকন, উপাধ্যক্ষ যুগল ভৰালী, পৰিসংখ্যা বিভাগৰ মুৰব্বী পূৰ্ণকান্ত গগৈ, অসমীয়া বিভাগৰ প্ৰৱক্তা ড° জীৱন কলিতা, ড° জ্যোতিৰঞ্জন মিলি, ১৩ পৃষ্ঠাত চাওক

# ৰাজবংশী ভাষাৰ উন্নয়নৰ বাবে কাগজ-কলমেৰে আন্দোলন কৰিব লাগিব

## হাতীধুৰা মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ উদ্বোধন

**তামাৰহাট, ২২ জুন ঃ** কোচ ৰাজবংশী সাহিত্য সভা আৰু জনগোষ্ঠীয় সংস্কৃতি অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত কালি ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰা মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ উদ্বোধন কৰা হয়। হাতীধুৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফৰিদউদ্দিন আহমেদৰ সভাপতিত্বত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্বোধনী সভাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ উদ্বোধন কৰি কয় যে ৰাজবংশী ভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমে যথেষ্ট সহায়ক হ'ব।



ইয়াৰ উপৰি কেএচিৰ অধ্যক্ষজনে ভাষণ প্ৰসংগত উল্লেখ কৰে যে ৰাজবংশী ভাষাটো অতি প্ৰাচীন ভাষা আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ সংস্কৃতি, কলা-কৃষ্টি অতি চহকী। ৰাজবংশী ভাষাটোৰ অধিক উন্নতি সাধন কৰিবলৈ হ'লে আমি কাগজ আৰু কলমেৰে আন্দোলন কৰিব লাগিব। সভাত কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে কয় যে ৰাজবংশী ভাষাৰ এবছৰীয়া পাঠ্যক্ৰমত দুটা ষাণ্মাসিকত ৰাজবংশী ভাষাৰ আৰম্ভণিৰ পৰা শেষ পৰ্যন্ত শিক্ষা প্ৰদান কৰা হ'ব আৰু এই পাঠ্যক্ৰমে ৰাজবংশী ভাষাৰ লিখিত আৰু কথন প্ৰণালীত যথেষ্ট সহায়ক হ'ব। ইয়াৰ উপৰি ৰাজবংশী ভাষা পাঠ্যক্ৰমৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে ক্ৰমে কোচ ৰাজবংশী ১৩ পৃষ্ঠাত চাওক

# বহিঃৰাজ্যত নিৰুদ্দেশ টৌভঙাৰ নবিলৰ যুৱক

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২২ জুন ঃ** কৰ্মসংস্থাপন বিচাৰি বহিঃৰাজ্যলৈ গৈ নিৰুদ্দেশ হোৱা এজন যুৱকক লৈ সম্প্ৰতি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে নদুৱাৰৰ অন্তৰ্গত টৌভঙাৰ নবিলত। অঞ্চলটোৰ ২০জন যুৱকৰ স'তে যোৱা সোমবাৰে বাংগালুৰুত কৰ্মসংস্থাপন বিচাৰি ৰেলযোগে যাত্ৰা আৰম্ভ কৰে নবিল টৌভঙা নিবাসী সোণেশ্বৰ দাসৰ পুত্ৰ আজৰ দাসে। লগৰীয়াৰ স'তে গৈ থকা অৱস্থাতে বাংগালুৰু পোৱাৰ আগতেই যুৱকজন নিৰুদ্দেশ হয়। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, গন্তব্য স্থান পোৱাৰ আগতে কোনোবা ষ্টেছনত ৰেলৰ পৰা নামি যায় আজৰ। লগৰ সমনীয়া আৰু পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, আজৰ হাতত এটকাও পইচা নথকাৰ লগতে ম'বাইল ফোনো লগত নিয়া নাছিল। দুশ্চিন্তাত পৰা পৰিয়ালটোৱে সম্প্ৰতি জামুগুৰি আৰক্ষী থানাত এই সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে।

# গোৱালপাৰাত 'হাদিৰাচকীত চন্দ্ৰকান্তৰ সন্ধানত অসমৰ বেলিমাৰৰ বিৱৰ্ণ ইতিহাস' গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২২ জুন ঃ** গোৱালপাৰা সাহিত্য সভা ভৱনত কালি 'হাদিৰাচকীত চন্দ্ৰকান্তৰ সন্ধানত অসমৰ বেলি মাৰৰ বিৱৰ্ণ ইতিহাস' নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। গুৱাহাটীৰ বিশিষ্ট গ্ৰন্থ প্ৰকাশন ভাষা প্ৰকাশনৰ উদ্যোগত গোৱালপাৰা সাহিত্য সভা ভৱনত হাদিৰাচকী ৰণৰ সোঁৱৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয় আৰু এই সভাতেই গুৰুত্বপূৰ্ণ আৰু তথ্যভিত্তিক গ্ৰন্থখন উন্মোচন কৰা হয়। লেখক আৰু ইতিহাস সচেতন সাহিত্যিক তপন কুমাৰ শৰ্মাই লিখি উলিওৱা এই গ্ৰন্থখন উন্মোচন কৰে



সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰাক্তন উপ-সঞ্চালক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী মুকুল ৰাভা, গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি প্ৰকাশ ৰাভা আৰু বীৰ লাচিত সেনা অসমৰ মুখ্য সেনাধ্যক্ষ বটুপানী ফুকনে। জনাকীৰ্ণ এই দুশ বছৰীয়া ইতিহাস সোঁৱৰণ সভাখনত ভাষা প্ৰকাশনৰ অধ্যক্ষ মুকুট শৰ্মাই হাদিৰাচকীৰ ৰণ আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কত এক বিস্তৃত ব্যাখ্যা দাঙি ধৰি কয় যে ২১ জুন, ১৮২২ চন, এই তাৰিখতে তেতিয়াৰ স্বাধীন অসমৰ বেলিমাৰ গৈছিল। ভালেসংখ্যক লোকে ২৪ ফেব্ৰুৱাৰী ১৮২৬ৰ ১৩ পৃষ্ঠাত চাওক

# প্ৰলয়ংকৰী বানত দৰঙৰ বাট-পথ ৰাজহুৱা-ব্যক্তিগত সম্পত্তিৰ বিস্তৰ ক্ষতি

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২২ জুন ঃ** একেধাৰে হোৱা মুষলধাৰে বৰষুণে সৃষ্টি কৰা ৰাজ্যৰ দ্বিতীয়টো বানৰ তাণ্ডৱ ক্ৰমাৎ পৰহি পৰিস্থিতি স্বাভাৱিক হ'বলৈ আৰম্ভ কৰাৰ লগে লগে এই বানে দৰং জিলাত কৰা ক্ষয়-ক্ষতিৰ ছবিখন স্পষ্ট ৰূপত দৃশ্যমান হ'বলৈ ধৰিছে। আটাইতকৈ ক্ষতিৰ সন্মুখীন হৈছে ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথকে ধৰি লোক-নিৰ্মাণ বিভাগৰ মুখ্য পথসমূহ-যনে মঙলদৈ পাথৰিঘাট খৈৰাবাৰী পথ, মঙলদৈ মাজিকুছি পথ, বাংলাগড় জাবেৰিকুছি পথ, ৰঙামাটি কলাইগাঁও পথ, বালোপাৰা এম বি ৰোড সংযোগী প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মিত পথ, কাছোমাৰী এম বি ৰোড, সংযোগী প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাত নিৰ্মিত পথ, আটাকাটা চাপৰি ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথ সংযোগী পথ, ৰামহৰি মহলিয়াঝাৰ পথ, বেজপাৰা মোল্লাপাৰা পথ, মেধিপাৰা হাতীবাকাৰা পথ, কানাইচুবা পাথৰিঘাট ভায়া জলজলী পথ, অভয়াপুৰী চপাই দলগাঁও পথ, বৰঝাৰ বাগিচা ভকতপাৰা পথ, কেৰিমেৰি তেলিপাৰা পথ, মঙলদৈ শান্তিপুৰ পথ, এম ইব্ৰাহীম আলি পথ, হেমবৰুৱা পথ আদিকে ধৰি কেৱল মঙলদৈ সমষ্টিতে ৬৬ টা পথৰ ব্যাপক ক্ষতি সাধন হৈছে আৰু দলগাঁও আৰু মঙলদৈ সমষ্টিতে বিভিন্ন পথত সৰু-ডাঙৰ ১৬ টা খৰাৰ সৃষ্টি হোৱাৰ বিপৰীতে ছটাকৈ কালভাৰ্ট বিধ্বস্ত হৈছে। এইদৰে জৰাজীৰ্ণ পথ শীঘ্ৰেই মেৰামতি নকৰিলে পথ যোগাযোগৰ ক্ষেত্ৰত দৰংবাসীয়ে যে জীয়াতু ভুগি থাকিব সেয়া নিশ্চিত। একেদৰে হঠাতে শুই থকা অৱস্থাতেই বহু সংখ্যক লোকৰ ঘৰত পুৱতি নিশা কালৰূপ ধৰি বানপানী সোমোৱাত ফ্ৰীজ, ৱাছিং মেচিন, পানীতোলা মটৰ, কাঠৰ আচবাব, ইনভাৰ্টাৰকে ধৰি বিভিন্ন মূল্যৱান সামগ্ৰীসমূহ নিৰাপদ স্থানলৈ স্থানান্তৰ কৰি উদ্ধাৰ কৰিবলৈ সক্ষম নোহোৱাত অধিকাংশই ধ্বংস হোৱা পৰিলক্ষিত হৈছে। ইপিনে, মঙলদৈ চহৰকে ধৰি পাৰ্শ্বৱৰ্তী অঞ্চলৰ বহু দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত হঠাতে নিশা পানী সোমাই বহু সামগ্ৰী আৰু আন আন মূল্যৱান সম্পত্তি ধ্বংস প্ৰাপ্ত হয়। বিশেষকৈ বহু সংখ্যক ক্ষুদ্ৰ ব্যৱসায়ী এনে অভাৱনীয় ক্ষতিৰ সন্মুখীন হৈ দিক বিদিক হেৰুৱাইছে। একেদৰে শ শ মীন মহল আৰু পুখুৰী বুৰি নিশাৰ ভিতৰতে মাছ ওলাই যোৱাত মৎস্য পালকসকল অপ্ৰত্যাশিত ক্ষতিৰ সন্মুখীন হৈছে। এইদৰে অনাকাংক্ষিত বানে কালৰূপ ধৰি দৰং জিলাৰ হেজাৰ হেজাৰ কোটি টকাৰ বাট-পথ, ৰাজহুৱা আৰু ব্যক্তিগত সম্পত্তিৰ ব্যাপক ক্ষতিসাধন কৰা জৰাজীৰ্ণ ছবিখন বানপানীৰ তাণ্ডৱ কমি যোৱাৰ পাছত দৃশ্যপটলৈ আৰু অধিক আশংকাই অহা দেখা দিছে। দৰঙৰ সচেতন নাগৰিকসকলে ইয়াৰ এটা সঠিক হিচাপ কৰি ক্ষয়-ক্ষতিৰ মূল্য নিৰ্ধাৰণৰ জৰিয়তে জনসাধাৰণক সকাহ দিব বুলি আশা প্ৰকাশ কৰিছে। ইয়াৰ লগে লগে ক্ষতিগ্ৰস্ত দুখীয়া লোকসকল, ক্ষুদ্ৰ ব্যৱসায়ীসকলক যথোচিত ক্ষতিপূৰণ দিবলৈ ৰাইজে চৰকাৰলৈ আহ্বান জনাইছে।



## নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া ষষ্ঠ

১২ পৃষ্ঠাৰ পৰা কবিতা কোচ, ৰিকু নেওগ আদিয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়। অধ্যক্ষ ড° ৰাজু ফুকনে এই বছৰৰ পৰা নাজিৰা মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত মুকলি কৰিব লগা অসমীয়া বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীত নামভৰ্তি কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

## গোৱালপাৰাত ভূমিস্খলনৰ স্থান পৰিদৰ্শন

১২ পৃষ্ঠাৰ পৰা সমাধানৰ পথ উলিওৱাৰ লগতে কেন্দ্ৰীয় বনমন্ত্ৰীৰ লগত বিষয়টো গুৰুত্বসহকাৰে আলোচনা কৰি সমস্যা সমাধান কৰাৰ চেষ্টা কৰিব। হুলুকান্দা পাহাৰ বন বিভাগৰ মাটি হোৱা হেতুকে বন বিভাগৰ লগত আলোচনা মৰ্মে কাম কৰিব লাগিব বুলি সাংসদজনে মন্তব্য কৰে । তাৰ পাছত সাংসদজনে গোৱালপাৰা চহৰৰ আজাদনগৰত যোৱা ১৬ জুনত ভয়ংকৰ ভূমিস্খলনত এটা পৰিয়ালৰ ভ্ৰাতৃ-ভগ্নী দুই শিশু নিহত হোৱাৰ স্থান পৰিদৰ্শন কৰি ভুক্তভোগী পৰিয়ালটোৰ স'তে মত বিনিময় কৰি সাংসদজনে পৰিয়ালটোৰ ধ্বংসস্তুপত পৰিণত হোৱা বাসগৃহটো আঁচনি অনুসৰি পুনঃ নিৰ্মাণ কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। ইফালে, সাংসদজনে জিলাখনৰ বান পৰিস্থিতি তথা ভূমিস্খলন সন্দৰ্ভত দিনৰ এক বজাত জিলা উপায়ুক্ত মিনাক্ষী দাস নাথৰ স'তে এক চমু বাৰ্তালাপত মিলিত হৈ বানাক্ৰান্ত লোক সকলক পৰ্যাপ্ত সা-সুবিধা যোগান ধৰাৰ বাবে নিৰ্দেশ দিয়াৰ লগতে জিলাখনৰ বিভিন্ন সমস্যা সন্দৰ্ভত ১০ দফীয়া পৰামৰ্শ পত্ৰ জিলা উপায়ুক্তক প্ৰদান কৰে ।

## হোজাইত ৰাজেন গোহাঁই-মন্ত্ৰী গৰ্লোচাৰ

১২ পৃষ্ঠাৰ পৰা হয়। হোজাই কোমোৰাকটা ডিমাছা ভৱনত বানাক্ৰান্ত লোকসকলে আশ্ৰয় লৈ থকা শিবিৰ পৰিদৰ্শন কৰিবলৈ উপস্থিত হয় অসমৰ নৱনিযুক্ত মন্ত্ৰীগৰাকী। মন্ত্ৰীগৰাকীয়ে ইয়াৰ উপৰি হোজাইৰ কে'বাটাও শিবিৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীৰ লগত সংগ দিয়ে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে । ইয়াৰ সমান্তৰালকৈ হোজাই যোগীজান অঞ্চলৰ বিভিন্ন বানাক্ৰান্ত লোকসকলে আশ্ৰয় লৈ থকা যোগীজান ৰেল ষ্টেছন পৰিদৰ্শন কৰিবলৈ উপস্থিত হয় প্ৰাক্তন ৰেল মন্ত্ৰী ৰাজেন গোহাঁই । এমাহৰ ভিতৰতে হোৱা দ্বিতীয়টো বানৰ ফলত সমগ্ৰ যোগীজান অঞ্চল ডুব যোৱাত যোগীজান অঞ্চলবাসীৰ লোকসকলে নিজ নিজ ঘৰ এৰি নিৰাপদ স্থানত আশ্ৰয় হয় । হোজাইৰ যোগীজান ৰেল ষ্টেছনত আশ্ৰয় লৈ থকা বানাক্ৰান্ত লোকসকলৰ ওচৰত প্ৰাক্তন ৰেল মন্ত্ৰী ৰাজেন গোহাঁই উপস্থিত হৈ ৰেল ষ্টেছন পৰিদৰ্শন কৰাৰ লগতে বানপীড়িত লোকসকলৰ অভাৱ অভিযোগ সমূহৰ বুজ লয়। প্ৰাক্তন ৰেল মন্ত্ৰীজনক সংগ দিয়ে হোজাই জিলা বিজেপিৰ প্ৰাক্তন সভাপতি উত্তম দাসে।

## আন্তঃমাজুলী ৰাভা সংগীত, সৃষ্টিশীল

১২ পৃষ্ঠাৰ পৰা দ্বিতীয় মধুস্মৃতা হাজৰিকা, তৃতীয় জ্যোতিস্মান বৰা, ৰিয়ান হাজৰিকা আৰু উদগনি বঁটা লাভ কৰে প্ৰাঞ্জল গামে। বিষ্ণুপ্ৰসাদ ৰাভা সংগীত প্ৰতিযোগিতাত (খ) শাখাত প্ৰথম অনুৰাগ বৰুৱা, দ্বিতীয় ৰক্তিম ৰঞ্জন দাস আৰু তৃতীয় হয় শৰ্মিষ্ঠা দাস। সৃষ্টিশীল নৃত্যত প্ৰথম বৈষ্ণৱী ভূঞা, দ্বিতীয় সৃষ্টি শইকীয়া আৰু তৃতীয় হয় উপদেষ্ণা কলিতা। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে অৰ্পিতা শৰ্মাই। চিত্ৰাংকনত প্ৰথম তেজশ্ৰী ভূঞা, দ্বিতীয় অৰন্যাদীপু বৰা, তৃতীয় হয় ঋতুৎপল ভূঞা আৰু অভিজিৎ কলিতা। বিজয়ীসকলক মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত হোৱা ৰাভা দিৱসৰ কাৰ্যসূচীৰ সভাত পুৰস্কাৰ প্ৰদান কৰা হয়। পুৰস্কাৰসমূহ আগবঢ়ায় ক্ৰমে মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি জগন্নাথ দুৱৰীয়া, অক্ষয় গোষ্ঠীৰ সভাপতি সমীৰণ গোস্বামী, পূব মাজুলী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক সূৰ্য দলে, মাজুলী মিলন সংঘৰ সম্পাদক সীমান্ত বৰা আৰু শিশুসকলক লঘু আহাৰ দান কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিৰ সভাপতি মুনীন্দ্ৰ ভূঞাই। প্ৰতিযোগিতা পৰিচালনা কৰে ক্ৰমে দীপু বৰা, ত্ৰিনয়ন নেওগ, যোগেন হাজৰিকা, মৃদুলা দেৱী আৰু দিনা কলিতাই। অনুষ্ঠানৰ আঁত ধৰে লেখিকা কুকি কল্পিতা বৰাই।

## ৰঙাপৰাত সমস্যা সমাধানৰ দাবীত

১২ পৃষ্ঠাৰ পৰা কাৰ্যালয় আৰু ধুলাপাদুং চাহ বাগিচাৰ মইনাজুলি শাখাৰ কাৰ্যালয়ত পৃথকে পৃথকে অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ সদস্য-সদস্যা তথা চাহ শ্ৰমিক ৰাইজে ন্যায্যপ্ৰাপ্যৰ দাবী তোলে। চাহ শ্ৰমিকসকলে হাতে হাতে সংগঠনটোৰ ৰঙা পতাকা লৈ 'শ্ৰমিক ৰাইজৰ অনাদায় হৈ থকা এসপ্তাহৰ দৰমহা শীঘ্ৰে আদায় দিয়ক, অস্থায়ী শ্ৰমিকসকলে পাবলগীয়া বছৰেকীয়া ছুটীৰ টকা আদায় দিয়ক, বাগিচা শ্ৰমিকসকলে বসবাস কৰা গৃহ মেৰামতিৰ ব্যৱস্থা কৰক, ছাতি-তিৰপাল সোনকালে যোগান ধৰক, পিএফৰ ধন কোনে খালে জবাব লাগে জবাব দিয়ক, ইনক্লাব জিন্দাবাদ' আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত উপস্থিত থকা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰয়েল চৰেঙে কয় যে এপিজে কোম্পানীৰ অধীনস্থ বৰজুলি আৰু ধুলাপাদুং চাহ বাগিচাত আজি কাৰ্যালয় ঘেৰাও কৰা হৈছে এই কাৰণে কোম্পানীটোৰ মালিক পক্ষই চাহ শ্ৰমিকসকলৰ এসপ্তাহৰ মজুৰিৰ বকেয়া ধন আদায় আৰু চাহ বাগিচাৰ অস্থায়ী কৰ্মচাৰীসকলৰ ছুটীৰ ধন আজিলৈকে শ্ৰমিকসকলে লাভ কৰা নাই। শ্ৰমিকসকলে বসবাস কৰি থকা কেঁচা আৱাসসমূহ মেৰামতিৰ ব্যৱস্থা কৰা নাই। চাহ বাগিচাত কৰ্মৰত চাহ শ্ৰমিক ৰাইজক ছাতি আৰু তিৰপালৰ যোগান ধৰা নাই। তেওঁ লগতে কয় যে শ্ৰমিকসকলৰ ভৱিষ্য নিধিৰ বহু ধন আজিলৈকে আদায় নিদিয়াত অখিল ভাৰতীয় চাহ মজদুৰ সংঘই বহুবাৰ আন্দোলন কৰিবলৈ বাধ্য হৈছে। মালিক গোষ্ঠীয়ে শ্ৰমিক ৰাইজৰ ভৱিষ্য নিধিৰ ধন আদায় নিদি বঞ্চনা কৰিবলৈ চেষ্টা কৰে তেতিয়াহ'লে অনাগত দিনত সংঘই বাগিচা বন্ধৰ দৰে কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে। কোম্পানীটোত শ্ৰমিক ৰাইজৰ ভৱিষ্য নিধিৰ প্ৰায় ২২৩ কোটি টকাৰ কেলেংকাৰি হোৱা বুলি অভিযোগ তুলি অহা ছয় জুলাইত উক্ত কেলেংকাৰিৰ প্ৰতিবাদত ভৱিষ্য নিধি কাৰ্যালয় ঘেৰাও কৰা হ'ব। চাহ শ্ৰমিক ৰাইজৰ দাবীসমূহ শীঘ্ৰে পূৰণ কৰিবলৈ শ্ৰমিক সংগঠনটোৱে মালিক পক্ষক দাবী জনাইছে।

## দিয়ুনত উদ্বোধন 'কমন ফেচিলিটি এণ্ড

১২ পৃষ্ঠাৰ পৰা সামগ্ৰীসমূহৰ বিপণনৰ বাবে দুখন পিকআপ বাহন ক্ৰয়ৰ বাবে আৰ্থিক সহায় আগবঢ়ায়। অইলৰ আৱাসিক মুখ্য বিষয়া বৰকাকতিয়ে তেওঁৰ উদ্বোধনী ভাষণত পুনৰ কয় যে, অইল জীৱিকা প্ৰকল্পটোৱে স্থানীয় কৃষক, অঞ্চলটোৰ উদ্যোগীসকলৰ বাবে গেম চেঞ্জাৰ হিচাপে কাম কৰাৰ পৰিকল্পনা কৰিছে ।

আজি উদ্বোধন কৰা চি এফ বি আই চিৰ লক্ষ্য হৈছে অত্যাধুনিক উৎপাদন আৰু প্ৰক্ৰিয়াকৰণৰ ব্যৱস্থাসমূহৰ সুবিধাসমূহ প্ৰদান কৰা আৰু ই দিয়ুন আৰু অৰুণাচল প্ৰদেশৰ সংযুক্ত অঞ্চলসমূহৰ জনসাধাৰণৰ বাবে বহনক্ষম জীৱিকাৰ সুযোগসমূহ ৰূপান্তৰিত কৰিব। অনুষ্ঠানত উপস্থিত থকা গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান আই আই ইৰ সঞ্চালক ড° ললিত শৰ্মাই কয় যে, 'চিএফবিআইচিয়ে কৃষকসকলৰ বাবে ব্যৱসায়ৰ সুযোগ সৃষ্টি কৰিব বুলি আমি দৃঢ়বিশ্বাসী । এই সম্প্ৰদায় ক্লাষ্টাৰ ভিত্তিক জীৱিকাৰ হস্তক্ষেপৰ বিষয়ে দেশৰ অন্যান্য প্ৰান্তত সজাগতা সৃষ্টি কৰা আৰু ভৱিষ্যতে ই যাতে এক বহনক্ষম ব্যৱসায়িক আৰ্হি হিচাপে পৰিগণিত হয় সেয়া নিশ্চিত কৰাটো আমাৰ পৰৱৰ্তী লক্ষ্য হ'ব লাগে। অইল জীৱিকাৰ অধীনত বিকশিত কৰা ক্লাষ্টাৰ মডেলক অন্য অঞ্চলত বিকশিত কৰা শ্ৰেষ্ঠ মডেলসমূহৰ ভিতৰত স্থান দিয়া হ'ব'। উদ্বোধনী অনুষ্ঠানৰ শেষৰ ফালে মুখ্য অতিথি বৰকাকতিয়ে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান আই আই ইৰ সঞ্চালক ড° শৰ্মা, অইলৰ মুখ্য মহা প্ৰবন্ধক মানৱ সম্পদ আৰু প্ৰশাসন পলাশ গগৈ, মহা প্ৰবন্ধক জন সম্পৰ্ক দেৱাশীষ বৰা, চিআইই, আই আই ইৰ মুৰব্বী ড° পূৰ্ণ বৰুৱা, আৰু অইল আৰু আই আই ইৰ অন্যান্য বিষয়ববীয়াসকলৰ উপস্থিতিত প্ৰজেক্ট অইল জীৱিকা সম্পৰ্কীয় এখন পুথি মুকলি কৰে । ইয়াৰ পাছতে গণ্য-মান্য ব্যক্তিসকলে কেন্দ্ৰটো সংক্ষেপে পৰিভ্ৰমণ কৰে ।

## গোৱালপাৰাত 'হাদিৰাচকীত চন্দ্ৰকান্তৰ

১২ পৃষ্ঠাৰ পৰা ইয়াণ্ডাবু সন্ধিৰ দিনটোক পৰাধীনতাৰ দিন বুলি গণ্য কৰে। দৰাচলতে ইংৰাজে ১৮২৫ৰ জানুৱাৰীতে মানক অসমৰ পৰা বিদায় দিছিল। তাৰ আগতে মানসকলে ১৮২১-২২ ত অসমৰ স্বাধীনতা হৰণ কৰিছিল, নিৰ্ণায়ক যুঁজখন আছিল হাদিৰাচকীৰ ৰণ। ভাষণ প্ৰসংগত মুকুট শৰ্মাই হাদিৰাচকীৰ ৰণখনে অসমৰ বুৰঞ্জীত উপযুক্ত স্থান নোপোৱা কথাটোত খেদ প্ৰকাশ কৰে আৰু এই ৰণত প্ৰাণাহুতি দিয়া সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি নতুন প্ৰজন্মক হাদিৰাচকী সম্পৰ্কত অধিক গৱেষণা কৰিবলৈ আহ্বান জনায়। এই গ্ৰন্থ উন্মোচনী সভাতে মুকুল ৰাভা আৰু প্ৰকাশ ৰাভাই ভাষা প্ৰকাশনৰ এনে প্ৰচেষ্টাক শলাগ লয় আৰু হাদিৰাচকী সম্পৰ্কত তপন শৰ্মাৰ এই গ্ৰন্থখনে বহু নতুন তথ্যৰ সন্ধান দিব বুলি আশা প্ৰকাশ কৰে। লগতে হাদিৰাচকী সম্পৰ্কত জনসচেতনতা বৃদ্ধি কৰিবলৈ সকলোৱে যত্ন কৰা উচিত বুলিও মত প্ৰকাশ কৰে। সভাত গ্ৰন্থ উন্মোচন কৰি বীৰ লাচিত সেনাৰ মুখ্য সেনাধ্যক্ষ বটুপানী ফুকনে অল্পখ্যাত হৈ থকা অসমীয়া মানুহৰ স্বাভিমানৰ শেষ ৰক্ষা কৰিবলৈ হাদিৰাচকীত প্ৰাণাহুতি দিয়া বীৰ সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি এই সৈনিকসকলৰ স্মৃতি যুগমীয়া কৰিবলৈ যথেষ্ট কৰিবলগীয়া আছে বুলি মত প্ৰকাশ কৰে আৰু চৰকাৰেও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলি আশা ব্যক্ত কৰে। এই সভাত লেখক শৰ্মাই হাদিৰাচকী অসমৰ শৌৰ্য-বীৰ্য আৰু গৌৰৱৰ প্ৰতীক বুলি মত প্ৰকাশ কৰে। হাদিৰাচকীৰ ৰণ সম্পৰ্কত শৰ্মাৰ এই গ্ৰন্থখন অসম বুক ট্ৰাষ্ট পাণবজাৰ, অংকুৰ গ্ৰন্থ এজেন্সী যোৰহাট আৰু ভাষা প্ৰকাশনত উপলব্ধ বুলি প্ৰকাশনৰ তৰফৰ পৰা জানিবলৈ দিয়ে। সভাত ভালেসংখ্যক বিশিষ্ট সাহিত্যিক, কবি উপস্থিত থাকে।

## ৰাজবংশী ভাষাৰ উন্নয়নৰ বাবে কাগজ

১২ পৃষ্ঠাৰ পৰা সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মন, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদদ্বয় ক্ৰমে প্ৰদীপ ৰায় আৰু কাৰ্তিক ৰায়, কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সদস্য মনোজ কুমাৰ ৰায়, কোচ ৰাজবংশী সাহিত্য সভাৰ উপ-সভাপতিদ্বয় ক্ৰমে নিৰ্মল চন্দ্ৰ ভকত আৰু মনীন্দ্ৰ নাথ ৰায়, সম্পাদক পিনাকী ৰায়, পত্ৰিকা সম্পাদক ৰঘুনাথ চৌধুৰী, সাংগঠনিক সম্পাদক অলকেশ ৰায়, চিলাৰায় মহাবিদ্যালয়ৰ ৰাজবংশী ভাষা চাৰ্টিফিকেট পাঠ্যক্ৰমৰ সমন্বয়ক অলকেশ ৰায়, হাতীধুৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰ ডি সিং , চাপৰৰ ইন্দিৰা গান্ধী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মনোৰঞ্জন প্ৰধানীকে ধৰি বিশিষ্ট ব্যক্তিসকলে। উল্লেখ্য যে অতি সোনকালে পাঠদান হ'বলগীয়া মহাবিদ্যালয়খনত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমত মুঠ ৯৫ গৰাকী শিক্ষাৰ্থীয়ে ইতিমধ্যে নামভৰ্তি কৰিছে। উল্লেখ্য যে কাৰ্যসূচী মতে কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে পুৱা ১০ বজাত সাহিত্য সভাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছত ক্ৰমে মহাবিদ্যালয়ৰ পতাকা উত্তোলন, গছপুলি ৰোপণ আৰু ছহিদ বেদীত মাল্যাৰ্পণ কৰা হয়। মনকৰিবলগীয়া যে নতুন শিক্ষানীতি-২০২০ অনুসৰি কেন্দ্ৰীয় চৰকাৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মাতৃভাষা বা গৃহ ভাষাত প্ৰাথমিক পৰ্যায়ত পঞ্চম শ্ৰেণীলৈকে পাঠদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে । উক্ত নতুন শিক্ষানীতিৰ আধাৰত কোচ ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক পৰ্যায়ত জনগোষ্ঠীটোৰ মাতৃভাষা ৰাজবংশী ভাষাত পাঠদানৰ বাবে কোচ ৰাজবংশী সাহিত্য সভাই অসম চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল। সমান্তৰালভাৱে কোচ ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাজবংশী ভাষাত পাঠদানৰ বাবে ৰাজবংশী ভাষাৰ শিক্ষকৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি কোচ ৰাজবংশী সাহিত্য সভাই কেইখনমান বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিছে।

## দুমুনিচকীত আশ্ৰয় শিবিৰ পৰিদৰ্শন ৰাজহ চক্ৰ বিষয়াৰ



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২২ জুন ঃ** বতৰ ফৰকাল হৈছে যদিও ৰাজ্য এতিয়াও বানমুক্ত হোৱা নাই। দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ দুমুনিচকী অঞ্চলৰ বানাক্ৰান্তৰ মাজত উপস্থিত হয় ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া কমলজিৎ শৰ্মা। আজি দুমুনিচকী গাঁও পঞ্চায়তৰ অন্তৰ্গত হেটোমতোলা প্ৰাথমিক বিদ্যালয়ৰ আশ্ৰয় শিবিৰৰ উপৰি অঞ্চলটোৰ বানাক্ৰান্ত স্থানসমূহ পৰিদৰ্শন কৰে ৰাজহ চক্ৰ বিষয়াজনে। পৰিদৰ্শনৰ সময়ছোৱাত বন্যাৰ্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে ৰাজহ চক্ৰ বিষয়া শৰ্মাই। দৰঙৰ দুমুনিচকী হাইস্কুলৰ আশ্ৰয় শিবিৰতো বন্যাৰ্তৰ অভাৱ-অভিযোগৰ বুজ লয় ৰাজহ চক্ৰ বিষয়াজনে। পৰিদৰ্শন সময়ত ৰাজহ চক্ৰ বিষয়াজনক সংগ দিয়ে ক্ষেত্ৰ বিষয়া পাৰ্থ প্ৰতিম ডেকাই।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ নিৱাসৰ সোণালী জয়ন্তী অনুষ্ঠানৰ প্ৰাৰম্ভিক সভা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২২ জুন ঃ** উজনিৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্যতম এটা ছাত্ৰবাস পদ্মনাথ গোহাঞিঃ বৰুৱা ছাত্ৰা বাসৰ সোণালী জয়ন্তী কাৰ্যসূচীৰ প্ৰস্তুতি চলিছে। ১৯৭১ৰ ১৫ আগষ্টত প্ৰতিষ্ঠা হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদ্মনাথ গোহাঞিঃ বৰুৱা ছাত্ৰ নিবাস তথা পূৰ্বৰ নৱ ছাত্ৰ নিৱাসে সোণালী জয়ন্তী বৰ্ষ ২০২১তে উপনীত হ'ল যদিও কৰ'নাকালীন পৰিস্থিতিৰ বাবে ইয়াৰ সামৰণি অনুষ্ঠান অহা ছেপ্টেম্বৰৰ ন, ১০ আৰু ১১ তাৰিখে উদ্‌যাপনৰ পৰিকল্পনা কৰা হৈছে। এই সন্দৰ্ভত ছাত্ৰ নিৱাসৰ প্ৰাক্তন আৱাসী তথা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° গোপাল হাজৰিকাৰ সভাপতিত্বত এক বিশেষ সভা অনুষ্ঠিত হয়। সভাতে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিভিন্ন কাৰ্যসূচীৰে তিনিদিনীয়াকৈ উদ্‌যাপনৰ পৰিকল্পনা কৰা সামৰণি অনুষ্ঠানৰ লগতে জুনৰ শেষৰ পিনে সোণালী জয়ন্তী বৰ্ষৰ উদ্‌যাপন মূল কাৰ্যসূচী প্ৰস্তুত কৰা হ'ব বুলি কোৱাৰ সমান্তৰালকৈ উক্ত অনুষ্ঠানৰ বাবে বাজেট ইতিমধ্যে নিৰ্ধাৰণ কৰা হোৱা বুলি আয়োজক সমিতিয়ে জনাইছে। উল্লেখ্য যে এই সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি আৱাসটোৰ প্ৰাক্তন আৱাসীসকলে ডিব্ৰুগড় বিশ্ববিদ্যালয় বৃহত্তৰ শিক্ষাৰ্থী সমাজৰ হকে এটি কৰ্পাছ ফাণ্ড আগবঢ়াবৰ দিহা কৰাৰ কথা আয়োজক সমিতিয়ে প্ৰকাশ কৰিছে। তাৰোপৰি জুলাইত প্ৰতিখন জিলাত এটিকৈ শৈক্ষিক শিবিৰ অনুষ্ঠিত কৰাৰ কথাও সমিতিখনে সদৰী কৰে। পৰৱৰ্তী কাৰ্যসূচীসমূহ পৰৱৰ্তী পৰ্যায়ত বাৰ্তা যোগে তথা আৱাসটোৰ ফেচবুক পেজৰ সহায়ত জনোৱা হ'ব। পদ্মনাথ গোহাঞিঃ বৰুৱা ছাত্ৰ নিৱাসৰ বৰ্তমানৰ সমূহ আৱাসীয়ে সমূহ প্ৰাক্তন আৱাসীৰ পৰা সহায়-সহযোগিতা কামনা কৰি অনুষ্ঠান সফল কৰাত সহযোগ কৰিবলৈ আহ্বান জনাইছে।

## হাউলী পঞ্চৰতন ফাৰ্মৰ দিনপঞ্জীত ভুল প্ৰকাশত দুখ প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২২ জুন ঃ** হাউলী পঞ্চৰতন ফাৰ্মে প্ৰতি বছৰে প্ৰকাশ কৰি আহিছে দিনপঞ্জী তথা অসমীয়া কেলেণ্ডাৰ। পঞ্চৰতন ফাৰ্মৰ পৰা প্ৰকাশিত অসমীয়া কেলেণ্ডাৰখনত বছৰটোৰ সকলো বৰ্ষকাল বিতংভাৱে সহজ-সৰলকৈ প্ৰকাশ কৰা হয়। কিন্তু এই বৰ্ষত কেলেণ্ডাৰত আহাৰৰ ১১ তাৰিখে ভুলবশত অম্বুবাচী নিবৃত্তি ৰাতি ২-৩০ মিনিটত ছপা হৈছে। প্ৰকৃততে অম্বুবাচী নিবৃত্তি ১১ আহাৰৰ দিনৰ ৮-৪৩ মিনিটত বুলি প্ৰকাশ পাব লাগিছিল। ছপাশালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে অসমবাসীৰ ওচৰত দুখ প্ৰকাশ কৰিছে পঞ্চৰতন ফাৰ্মৰ স্বত্বাধিকাৰী সুনীল কুমাৰ দাসে।

## বানাক্ৰান্ত অঞ্চলত বিদ্যুৎ যোগানৰ চেষ্টা নলবাৰী বিদ্যুৎ উপ-সংমণ্ডলৰ

**অগ্ৰদূত বাৰ্তা**



**ঘগ্ৰাপাৰ, ২২ জুন ঃ** বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণ আৰু কৃত্ৰিম বানৰ কবলত পৰা অঞ্চলসমূহত ঠায়ে ঠায়ে বিদ্যুতৰ খুঁটা, তাঁৰ ছিঙি পৰাৰ লগতে একাংশ ট্ৰেন্সফৰ্মাৰ পানীয়ে স্পৰ্শ কৰাত ব্যাহত হৈ পৰিছে বিদ্যুৎ যোগান। বিদ্যুৎ সেৱা ব্যাহত হোৱাৰ ফলত অঞ্চলসমূহত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হৈছে। অঞ্চলসমূহ সন্ধিয়াৰে পৰা অন্ধকাৰাচ্ছন্ন হৈ পৰাৰ লগতে যোগাযোগৰ সকলো মাধ্যম বন্ধ হৈ পৰিছে। ইয়াৰ মাজতে নলবাৰী জিলাৰ পয়লাস্থিত নলবাৰী বৈদ্যুতিক উপ-সংমণ্ডলৰ (২) অধীনস্থ গাঁও সমূহত বিদ্যুৎ সেৱা নিয়মীয়া কৰাৰ বাবে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলে আজি পৰ্যন্ত অহৰহ চেষ্টা অব্যাহত ৰাখিছে। অসম শক্তি বিতৰক কোম্পানী লিমিটেডৰ নলবাৰীৰ উপ-সংমণ্ডলৰ (২) (পয়লা)ৰ সহকাৰী কাৰ্যবাহী অভিযন্তা হৰিছ কুলিৰ নেতৃত্বত বিদ্যুৎ বিভাগৰ স্থায়ী-অস্থায়ী কৰ্মচাৰীসকলৰ সমান্তৰালভাৱে ঘগ্ৰাপাৰ অঞ্চলৰ ভূদেৱ দাস আৰু ধ্ৰুৱ দাসে প্ৰায় ২৫খন গাঁৱত নিজৰ জীৱন বিপদাপন্ন কৰি বানপানীৰ মাজে মাজে এডিঙি, এবুকু পানীত নামি বিগত দিনত যুদ্ধকালীনভাৱে অঞ্চলসমূহত বিদ্যুৎ যোগান ধৰি ৰাইজক সেৱা আগবঢ়োৱাৰ চেষ্টা অব্যাহত ৰাখিছে। কিছু অঞ্চলত বিদ্যুৎ সেৱা নিয়মীয়াকৰণো কৰিছে। বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলৰ এই চেষ্টাক ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## বাসুগাঁও পৌৰসভাৰ নৱগঠিত বিষয়ববীয়াক সম্বৰ্ধনা বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ

## পথৰ দুৰৱস্থাৰ বিষয়ে অৱগত

**অগ্ৰদূত বাৰ্তা**



**গৰুভাষা, ২২ জুন ঃ** বাসুগাঁও পৌৰসভাৰ নৱগঠিত পৰিচালনা সমিতিৰ বিষয়ববীয়াক বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ অধ্যক্ষ বিজিত নাথৰ নেতৃত্বত যোৱা দলে বাসুগাঁও পৌৰসভাৰ নৱনিৰ্বাচিত সভাপতি সাধন মণ্ডল, উপ-সভাপতি মৌখুম বসুমতাৰীকে আদি কৰি প্ৰতিজন ৱাৰ্ড কাউন্সিলৰক সম্বৰ্ধনা জনায়। ইয়াৰ অন্তত চিৰাং জিলাৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বাসুগাঁও গুৰুকুল নেচনেল স্কুলত সোমোৱা পথছোৱাৰ লগতে বাসুগাঁও থানাৰ কাষেৰে যোৱা পথছোৱা বাৰিষা দিনত পানীৰে ভৰি থকাত ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰীৰ কি ধৰণৰ অসুবিধাৰ সৃষ্টি হয় তাক বুজাই কয় গুৰুকুল নেচনেল স্কুলৰ অধ্যক্ষই। পাছত পৌৰসভাৰ সভাপতি, উপ-সভাপতিকে আদি কৰি অন্যান্য ৱাৰ্ড কাউন্সিলৰক লগত লৈ ঠাইডোখৰ প্ৰত্যক্ষ কৰি চৰজমিন তদন্ত চলাই সকলো প্ৰকাৰৰ ব্যৱস্থা লোৱাৰ আশ্বাস দিয়ে।

## শিশু নাট কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২২ জুন ঃ** শিশুৰ সামগ্ৰিক বিকাশৰ লক্ষ্যৰে প্ৰতিবিম্ব ৰিফ্লেক্সনৰ উদ্যোগত আৰু 'নাটঘৰ' লখিমপুৰৰ সহযোগত তথা থিয়েটাৰ ইন এডুকেছনৰ জৰিয়তে অহা দুই জুলাইলৈকে এলানি শিশু নাট কৰ্মশালা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। উক্ত কৰ্মশালা লখিমপুৰ সোৱণশিৰি সেৱা আশ্ৰমত বিয়লি দুই বজাৰ পৰা পাঁচ বজালৈ অনুষ্ঠিত হ'ব। ইচ্ছুকসকলে যোগাযোগৰ বাবে ৮৪৮৬২৭২৩০০ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক মণ্ডলীয়ে আহ্বান জনাইছে।

## ডিচেম্বৰত অনুষ্ঠিত হ'ব ত্ৰয়োদশ

১২ পৃষ্ঠাৰ পৰা প্ৰকাশন পৰিষদৰ স'তে যুটীয়াভাৱে অসম শৈক্ষিক কেন্দ্ৰই যোৰহাটত দুবছৰৰ অন্তত গ্ৰন্থমেলা অনুষ্ঠিত কৰি আহিছে। ১৯৯৩ ৰ পৰা অসম শৈক্ষিক কেন্দ্ৰই যোৰহাট জিলা প্ৰশাসনৰ সহযোগিতাত অনুষ্ঠিত কৰি অহা গ্ৰন্থমেলাত অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই সহযোগিতা কৰি আহিছে। এইবছৰো যোৰহাট জিলা প্ৰশাসনে অসম শৈক্ষিক কেন্দ্ৰক ত্ৰয়োদশ যোৰহাট গ্ৰন্থমেলা সফল ৰূপায়ণত পূৰ্ণ সহযোগিতা কৰিব বুলি উপায়ুক্ত অশোক কুমাৰ বৰ্মনে ভাষণত উল্লেখ কৰে। তিনি জুলাইত দিনৰ চাৰিবজাৰ পৰা অসম শৈক্ষিক কেন্দ্ৰৰ কাৰ্যালয়ত অনুষ্ঠিত হ'বলগীয়া সভাত উপ-সমিতিসমূহ গঠনৰ লগতে মুখ্য পৃষ্ঠপোষক, পৃষ্ঠপোষক, উপদেষ্টাসকলক সন্মতি সাপেক্ষে মনোনীত কৰিবলৈ সভাত সিদ্ধান্ত গ্ৰহণ কৰে।

## তেজপুৰৰ বেছেৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ প্ৰস্তুতি

### উদ্‌যাপন সমিতিৰ মুখ্য কাৰ্যালয় উদ্বোধন

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**তেজপুৰ, ২২ জুন ঃ** তেজপুৰৰ বেছেৰীয়াত একাংশ শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত ১৯৪৬ত স্থাপিত তেতিয়াৰ বেছেৰীয়া উচ্চ ইংৰাজী বিদ্যালয় আৰু বৰ্তমানৰ 'বেছেৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়'ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ বাবে স্থানীয় ৰাইজে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। বিগত সময়ত অনুষ্ঠিত ৰাজহুৱা সভাই এই হীৰক জয়ন্তী সমাৰোহ উদ্‌যাপনৰ বাবে এখন উদ্‌যাপন সমিতি গঠন কৰাৰ পাছত সমিতিয়ে অহা ২৪, ২৫ আৰু ২৬ নৱেম্বত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, এই হীৰক জয়ন্তী মহোৎসৱৰ মুখ্য কাৰ্যালয়ৰ উদ্বোধন কৰা হয়। অংশগ্ৰহণ কৰে মহোৎসৱৰ স্থায়ী সভাপতি দীপ্তি কুমাৰ বৰা, সাধাৰণ সম্পাদক অভিজিৎ কলিতা সমন্বিতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কাৰ্যকৰী কমিটীৰ বহুকেইজন সদস্য-সদস্যাই। অনুষ্ঠানৰ আঁত ধৰে কাৰ্যকৰী কমিটীৰ উপ-সভাপতি বিক্ৰম বৰাই। বন্তি প্ৰজ্বলনৰ লগতে দ্বাৰ মুকলি কাৰ্যৰে কাৰ্যালয়টোৰ উদ্বোধন কৰে কাৰ্যকৰী কমিটীৰ মুখ্য উপদেষ্টা, প্ৰাক্তন শিক্ষক যতীন বৰাই। কালিৰ এই কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানতে এই হীৰক জয়ন্তী সমাৰোহ সফল কৰি তুলিবলৈ বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থীৰ লগতে স্থানীয় ৰাইজৰ সৰ্বাত্মক সহযোগিতাৰ বাবে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

## আৰক্ষীৰ জালত মাষ্টাৰ মাইণ্ড জিতেন গগৈ

# বৰহোলাত তেল চুৰি চক্ৰৰ বিৰুদ্ধে অভিযান



**বিশেষ সংবাদদাতা**

**নগাবাট, ২২ জুন ঃ** তিতাবৰ মহকুমাৰ বৰহোলাত সক্ৰিয় তেল চুৰিৰ চক্ৰৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। যোৱা নিশা এক বিশেষ খবৰৰ ভিত্তিত তিতাবৰৰ এছডিপিঅ' আৰু বৰহোলা আৰক্ষীয়ে চলোৱা অভিযানত জালত পৰে তেল চুৰিত অভিযুক্ত জিতেনৰ ঘৰ তিনিচুকীয়া জিলাৰ মাকুমত। বৰহোলা আৰক্ষী থানাৰ ৬৫/২০২১ নম্বৰ গোচৰত জিতেনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে বৰহোলাৰ লগতে যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত চোৰাং তেলৰ ৰমৰমীয়া বেহা পাতিছিল তেল চোৰৰ চক্ৰটোৱে। আজি আৰক্ষীয়ে আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে। জিতেনক তেল চুৰি চক্ৰটোত অন্যলোকো জড়িত থকাৰ সন্দেহ কৰা হৈছে। বৰহোলা আৰক্ষীয়ে অব্যাহত ৰখা তদন্ত আৰু অধিক তীব্ৰতৰ কৰি তুলিবলৈ বৰহোলাৰ সচেতন মহলে আহ্বান জনাইছে।

# বানে ভাবুকি কঢ়িয়াই আনিছে নগৰবেৰাৰ জলজলী নৈৰ বৃহৎ কাঠৰ দলঙলৈ



**আলোপতি, ২২ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চল সম্প্ৰতি বানৰ কবলত পৰি অৰ্ধ লক্ষাধিক লোকে ককবকাই থকাৰ সময়ত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় লক্ষাধিক লোকৰ যাতায়াত আৰু যোগাযোগৰ বাবে নগৰবেৰাৰ জলজলী নদীৰ ওপৰত থকা বৃহৎ কাঠৰ দলংখনলৈ বানে তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। ফলত যিকোনো মূহূৰ্তত দলংখন নদীত উটি গৈ যাতায়াত ব্যাহত হোৱাৰ আশংকাত ভুগিছে অঞ্চলটোৰ ৰাইজে। উল্লেখ্য যে জলজলী নদীখনৰ দোকুছি ভখুৰাদিয়া ৰংগেশ্বৰী পিজুপাৰা পাৰঘাটেদি জন্মলগ্নৰে পৰা টুলুঙা নাও অথবা যন্ত্ৰচালিত নাৱেৰে এক বিপদসংকুল পৰিৱেশৰ মাজেৰে পাৰাপাৰ হৈ আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে কোনো এখন চৰকাৰে যাত্ৰীসকলৰ যাতায়াতৰ সু-ব্যৱস্থা গ্ৰহণ নকৰিলে। শেহতীয়াকৈ জলজলী নদীখনত প্ৰথমে ৰাইজে বাঁহৰ দলং আৰু তাৰ পাছত জলজলী নদীৰ ওপৰত দলং নিৰ্মাণ দাবী সমিতি উদ্যোগত পকী দলং নোহোৱালৈ যাতায়াতৰ বাবে একাংশ লোকে নিজৰ গাঁঠিৰ ধন দি প্ৰায় এক কোটি ১৪ লাখ টকা ব্যয় কৰি ১,১০০ ফুট দৈৰ্ঘ্যৰ বৃহৎ কাঠৰ দলং নিৰ্মাণ কৰি উলিয়াই যাতায়াত ব্যৱস্থা পৰিচালনা কৰি আহিছিল। কিন্তু যোৱা সাত মাৰ্চত চৰকাৰীভাৱে এক্সপাৰ্ট কমিটীৰ অনুমোদন সাপেক্ষে কাঠৰ দলংখন লোকনিৰ্মাণ বিভাগক হস্তান্তৰ কৰি এপিডব্লিউআৰডি অনুসাৰে পুনঃনিৰ্মাণ কৰি পৰৱৰ্তী সময়ত পৰিচালনা কৰিবলৈ নিৰ্দেশ দিয়ে। কাঠৰ দলংখনেৰে নিতৌ শ শ সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, কৰ্মচাৰী, ৰোগী আদিয়ে যাতায়াত অব্যাহত ৰাখিছে যদিও দলংখন দুৰ্বল হৈ পৰাত এম্বুলেন্সৰ লগতে চাৰিচকীয়া বাহনসমূহৰ অহা যোৱা বন্ধ হৈ পৰিছে। ফলত জলজলী নৈখনৰ পূব প্ৰান্তৰ বৃহৎ অঞ্চলটোৰ ৰোগী, প্ৰসূতি আৰু গৰ্ভৱতী মহিলাক চিকিৎসালয়লৈ অনাৰ ক্ষেত্ৰত নৰক যন্ত্ৰণাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। তদুপৰি, জলজলী নৈখনৰ গাতে লাগি থকা নগৰবেৰা বজাৰখন বৃহত্তৰ অঞ্চলটোৰ ব্যৱসায় বাণিজ্যৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ যদিও যাতায়াতৰ অসুবিধাৰ বাবে কৃষকসকলে উৎপাদন কৰা শস্যৰ উচিত মূল্য নাপাই মূৰে কঁপালে হাত দিব লগা হৈছে। মনকৰিবলগীয়া যে দলংখন লোকনিৰ্মাণ বিভাগে পৰিচালনা কৰি আছে যদিও আজিলৈকে দলংখন মেৰামতিৰ ব্যৱস্থা নকৰাত দুৰ্বল হৈ পৰিছে। এনে পৰিস্থিতিত সম্প্ৰতি হোৱা বানে দলংখনলৈ এক ভাবুকিৰ সৃষ্টি কৰিছে। যিকোনো মুহূৰ্তত দলংখন পানীয়ে উটুৱাই নিব পাৰে বুলি চিন্তিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ।


## অৱসৰপ্ৰাপ্ত শিক্ষক মনোৰঞ্জন চৌধুৰীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২২ জুন ঃ** ৰূপহীহাট সমষ্টিৰ আগশাৰীৰ শিক্ষানুষ্ঠান জয়নাৰায়ণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, জয়নাৰায়ণ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ বৰ্তমানৰ সভাপতি তথা অগপৰ ৰূপহীহাট বিধান পৰিষদৰ উপ-সভাপতি মনোৰঞ্জন চৌধুৰীৰ হৃদৰোগত আক্ৰান্ত হৈ আজি মৃত্যু হয়। দীৰ্ঘদিন ধৰি চৌধুৰী হৃদৰোগ আৰু বহুমূত্ৰ ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। আজি জুৰীয়াৰ এজন দলীয় কৰ্মীৰ ঘৰত বহি বিভিন্ন ৰাজনৈতিক দিশ আলোচনা কৰি থকাৰ সময়তে হঠাৎ ঢলি পৰে। পাছত লোকসকলে ততাতৈয়াকৈ চৌধুৰীক নিকটৱৰ্তী জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত চৌধুৰীয়ে পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী জীয়ৰীক ইহসংসাৰত এৰি যায়। চৌধুৰীৰ মৃত্যুত সমগ্ৰ ৰূপহীহাট সমষ্টিতে গভীৰ শোকৰ ছাঁ পৰিছে।


## পশ্চিম কাৰ্বি আংলঙত দুষ্প্ৰাপ্য লাজুকী বান্দৰ উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ২২ জুন ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ টুম্প্ৰেঙত এটা লাজুকী বান্দৰ উদ্ধাৰ কৰে স্থানীয় ৰাইজে। কালি বিয়লি পৰত উদ্ধাৰ হোৱা লাজুকী বান্দৰ ক'ৰ পৰা কেনেকৈ জনাঞ্চললৈ আহিল সেৱা আশ্চৰ্য প্ৰকাশ কৰিছে বৃহত্তৰ টুম্প্ৰেংবাসীয়ে। চৌদিশে বানৰ বিভীষিকাত দিগ্‌বিদিকক হেৰুওৱা বান্দৰটোৱে পানীত উটি অহা বুলিও ধাৰণা কৰা হৈছে। প্ৰথমে টুম্প্ৰেঙৰ এজন লোকৰ ঘৰৰ কাষ চাপিছিল বান্দৰটোৱে। পিছে নিশাটোতেই টুম্প্ৰেস্থিত উপ-বন খণ্ডৰ কাৰ্যালয়ৰ বীট অফিচাৰ পংকজ বৰাৰ নেতৃত্বত এটি দলে উদ্ধাৰ কৰে দুষ্প্ৰাপ্য প্ৰাণীটোক। সম্প্ৰতি টুম্প্ৰেং বন বিভাগৰ পাৰ্কতে ৰাখি থোৱা হৈছে দুষ্প্ৰাপ্য লাজুকী বান্দৰটোক।

## বিষ্ণু ৰাভাৰ সংগ্ৰামী সতীৰ্থ অগিন ৰামছিয়াৰীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**টিহু, ২২ জুন ঃ** টিহু অঞ্চলৰ উত্তৰ দীঘেলী নিবাসী তথা সৈনিক-শিল্পী বিষ্ণু ৰাভাৰ সংগ্ৰামী সতীৰ্থ অগিন ৰামছিয়াৰী (৯৫)ৰ আজি পুৱা সাত বজাৰ বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। এসময়ৰ আধিয়াৰ আন্দোলনৰ সক্ৰিয় কৰ্মী ৰামছিয়াৰীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বিভিন্ন প্ৰান্তৰ পৰা গুণমুগ্ধসকল আহি তেওঁৰ ঘৰ ভৰি পৰে। তদুপৰি চিপিআই(এম)ৰ টিহু আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰামছিয়াৰীৰ নশ্বৰ দেহত টিহু আঞ্চলিক কৃষক সভা, নামবৰভাগ আঞ্চলিক কৃষক সভা, ডিৱাইএফআই, নলবাৰী জিলা গণতান্ত্ৰিক মহিলা সমিতি, চিটু, চিপিআই(এম)ৰ কেন্দ্ৰীয় সমিতিৰ সদস্য জগত গোস্বামী, নলবাৰী জিলা সমিতিৰ সম্পাদক উমেশ দত্ত আৰু বাগ্‌সা জিলা সমিতিৰ সদস্য কৃষ্ণ হালৈকে ধৰি ভালেসংখ্যক লোক আৰু অনুষ্ঠানৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত নলবাৰী জিলা কৃষক সভাৰ সভাপতি কৰুণা কলিতাই ৰামছিয়াৰীৰ সংগ্ৰামী জীৱনৰ বিষয়ে ব্যাখ্যা কৰে। উল্লেখ্য যে ৰামছিয়াৰীয়ে টিহু-বৰমা অঞ্চলৰ জমিদাৰী উচ্ছেদ আন্দোলনৰ সক্ৰিয় কৰ্মী হোৱাৰ উপৰি চিপিআইৰ প্ৰাক্তন সদস্য, ১৯৬৭ৰ পৰা চিপিআই(এম)ৰ সদস্য হোৱাৰ লগতে কৃষক সভাৰ লগতো জড়িত আছিল। তেওঁৰ মৃত্যুত উল্লেখিত দল-সংগঠনৰ উপৰি মহকুমা ৰিপ'টাৰ্ছ এছ'চিয়েছন, দীঘেলী আঞ্চলিক প্ৰগতি সংঘ, যমুনাট্ৰাৰী নবীন শিল্পী সংঘ, ৰণাকুছি গাঁও উন্নয়ন সমিতি, উত্তৰ দীঘেলী যুৱক সংঘ আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুই পুত্ৰ-বোৱাৰী, তিনি-জী-জোঁৱাই, নাতি-নাতিনী আৰু গুণমুগ্ধক এৰি যায়।

## তিনিচুকীয়াত বাহকজনিত ৰোগ প্ৰতিৰোধৰ বাবে গঠিত জিলা টাস্ক ফ'ৰ্চৰ জৰুৰী সভা

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২২ জুন ঃ** ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ উদ্যোগত বাহকজনিত ৰোগ যেনে জাপানীজ এনকেফেলাইটিছ, মেলেৰিয়া, ডেংগু আদি প্ৰতিৰোধৰ বাবে গঠিত জিলা টাস্ক ফ'ৰ্চৰ জৰুৰী সভা জিলা উপায়ুক্ত নৰসিং পৰাৰৰ সভাপতিত্বত আজি তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বাহকজনিত ৰোগ প্ৰতিৰোধ তথা নিয়ন্ত্ৰণ কৰিবলৈ ল'বলগীয়া জৰুৰী পদক্ষেপসমূহৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়। জিলা উপায়ুক্ত পৰাৰে বাহকজনিত ৰোগ বিয়পিব পৰা সম্ভাৱনীয় স্থানসমূহত ব্যাপক সজাগতা কাৰ্যসূচী চলোৱাৰ লগতে নিয়মিত স্বাস্থ্য পৰীক্ষণ শিবিৰ অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি জিলা উপায়ুক্তই আশাকৰ্মীসকলৰ লগতে এমএনএমসকলকো সক্ৰিয় হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। নগৰ সমিতি আৰু পৌৰ অঞ্চলসমূহত নিয়মিত ফগীং কৰাৰ লগতে অন্যান্য যাৱতীয় ব্যৱস্থা ল'বৰ বাবে উপায়ুক্ত পৰাৰে নিৰ্দেশ দিয়ে। আনহাতে, গাহৰি পালন কৰা অঞ্চলসমূহত বিশেষ ব্যৱস্থা ল'বলৈয়ো সংশ্লিষ্ট বিভাগক উপায়ুক্তই নিৰ্দেশ দিয়ে। সভাত জিলা মেলেৰিয়া বিষয়া তথা এনচিভিবিডিচিৰ জিলা প্ৰকল্প বিষয়া উজ্বলা বৰুৱাই তিনিচুকীয়া জিলাত বাহকজনিত ৰোগ যেনে জাপানী এনকেফেলাইটিছ, মেলেৰীয়া, ডেংগি সন্দৰ্ভত সম্পূৰ্ণ তথ্য সম্বলিত এখন সচিত্ৰ উপস্থাপন কৰে। সভাত স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ড° ৰমেন সোণোৱাল প্ৰমুখ্যে স্বাস্থ্য, কৃষি, পশু চিকিৎসা, মীন, শিক্ষা, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী, গ্ৰামোন্নয়ন, জলসিঞ্চন আদি সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ লগতে তিনিচুকীয়া জিলাৰ কেউখন কমিটী তথা পৌৰসভাৰ বিষয়া আৰু প্ৰতিনিধিসকল উপস্থিত থাকে।

# কৃষ্ণাইৰ আমবাৰী চকুধোৱা পথৰ ওপৰত একাঁঠু বোকাপানী



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২২ জুন ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই উন্নয়ন খণ্ডৰ অন্তৰ্গত বহু গাঁৱলীয়া পথৰ অৱস্থা আজিও যথেষ্ট পুতৌজনক। বোকাপানীৰে একাকাৰ এই পথসমূহ সম্প্ৰতি ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। উদাহৰণ স্বৰূপে কৃষ্ণাই গাঁও পঞ্চায়তৰ অধীনস্থ আমবাৰী অঞ্চলটোৰ কথাকে ক'ব পাৰি। কৃষ্ণাই চাৰিআলি-ৰিছুবেলপাৰা গড়কাপ্তানী পথ সংযোগী আমবাৰীৰ গ্ৰাম্যপথটোৰ অৱস্থা বৰ্তমানে হালবোৱা পথাৰ সদৃশ হৈ উঠিছে। তথ্য মতে, গ্ৰাম্য পথটোৰ দৈৰ্ঘ ৪৭০ মিটাৰ। যিটো পথেৰে অঞ্চলটোৰ আমবাৰী, চকুধোৱা, মাকৰিবড়ী, ঘাকডোবা, জামবাৰী আদিকে ধৰি সাতখনৰ গাঁৱৰ লোকে প্ৰতিদিনে অহা-যোৱা কৰে। কিন্তু পথটোৰ পংকিলময় অৱস্থাই ৰাইজক জীয়াতু ভোগাইছে।

### কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ

বিশেষকৈ বাৰিষা কালত সমগ্ৰ পথটো তল যায় একাঁঠু বোকাপানীত। এই বোকা গচকিয়ে সাতখন গাঁৱৰ ছাত্ৰ-ছাত্ৰী, বৃদ্ধ-বৃদ্ধাসকলোৱে যাতায়াত কৰি আহিছে। যাতায়াত কৰিবলৈ বাধ্য তেওঁলোক। কাৰণ বিকল্প কোনো পথ নাই ৰাইজৰ। অঞ্চলটোৰ ৰাইজে অভিযোগ কৰা মতে, পথটো নিৰ্মাণৰ বাবে পূৰ্বৰ বিধায়ক, খণ্ড উন্নয়ন বিষয়া, পঞ্চায়তৰ বিষয়ববীয়া সকলোকে বাৰম্বাৰ অনুৰোধ জনাই আহিছে যদিও আজিলৈ সুফল নাপালে। সেয়ে ৰাইজে বৰ্তমানৰ দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পুনঃ আহ্বান জনাইছে।

## বনবাসী কল্যাণ আশ্ৰমৰ বানাক্ৰান্তক সাহায্য প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ২২ জুন ঃ** প্ৰলয়ংকৰী বানত বানাক্ৰান্ত পশ্চিম কাৰ্বি আংলং জিলাৰ ৰংখাং পৰিষদীয়া সমষ্টিৰ অধীনস্থ হানলক্ৰক অঞ্চলৰ দুখনকৈ আদিবাসী আৰু তিৱা জনগোষ্ঠীয় গাঁৱত বনবাসী কল্যাণ আশ্ৰম, পশ্চিম কাৰ্বি আংলং জিলা সমিতিৰ দ্বাৰা কিছু সাহায্য বিতৰণ কৰে। বানত অতিকৈ ক্ষতিগ্ৰস্ত আৰু আজি পৰ্যন্ত নিজ বাসগৃহত যাব নোৱাৰা ৪০ টা পৰিয়ালক চাউল, আটা, চেনি, চাহপাত, মম, গুড্‌নাইট, বিস্কুট আৰু ফেনাইল আদি সামগ্ৰী বিতৰণ কৰাৰ লগতে বনবাসী কল্যাণ আশ্ৰমে বানাক্ৰান্ত লোকসকলে বানপানীৰ সময়ছোৱাত সন্মুখীন হোৱা কথা বতৰাৰো মত বিনিময় কৰে। জিলা বনবাসী কল্যাণ আশ্ৰমৰ সাধাৰণ সম্পাদক জয়ছিং টেৰাংসহ সভাপতি ৰবিন চন্দ্ৰ বড়ো, উপ-সভানেত্ৰী মালা দৈমাৰী আৰু অসম ৰাজ্যিক কল্যাণ আশ্ৰমৰ উপ-সভানেত্ৰী বীণা ৰংহাংপীৰ লগতে হানলক্ৰক অঞ্চলৰ সমাজ সেৱক মহন পাটৰৰ উপস্থিতিত সামগ্ৰীসমূহ বিতৰণ কৰে। লগতে ৰাজ্যিক কল্যাণ আশ্ৰমৰ জৰিয়তে যথাসম্ভৱ বানাক্ৰান্ত লোকসকলক কিছু সকাহ দিয়াৰ উদ্দেশ্যে সাহায্য প্ৰদান ব্যৱস্থাও জিলা সমিতিয়ে ইতিমধ্যে ৰাজ্যিক নেতৃত্বৰ স'তে আলোচনা কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰো বানাক্ৰান্ত আশ্বাস প্ৰদান কৰে।

## ৰঙাপৰাত নৈৰ বাঢ়নী পানীয়ে খহাই নিলে পথ

### পানী গচকি বিদ্যালয়লৈ যাত্ৰা ছাত্ৰ-ছাত্ৰীৰ



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২২ জুন ঃ** ৰঙাপৰাৰ কাষেৰে বৈ যোৱা গাভৰু নৈখনৰ বাঢ়নী পানীয়ে ভেলোৱাটাৰত থকা মথাউৰিটোৰ লগতে পগলাবিল আৰু শিয়ালমাৰীৰ গাঁৱলৈ যোৱা কেঁচা পথটোৰ মাজৰ অংশত খহাই লৈ যায়। পথছোৱাৰ মাজৰ অংশ খহাই নিয়াৰ পাছত স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলে অহা-যোৱা কৰাৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিশেষকৈ ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ অধীনৰ পগলাবিল গাঁও আৰু মিছামাৰীৰ বাঁহবেৰা গাঁও পঞ্চায়তৰ অধীনৰ শিয়ালমাৰী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে পানী গচকি সোনাবিল মধ্য ইংৰাজী বিদ্যালয়লৈ যাবলৈ বাধ্য হৈছে। শিয়ালমাৰী অঞ্চলৰ মুখ্য পথছোৱা ভাঙি যোৱাত মহিলাসকলে সন্তানটিক বোকোচাত লৈ পানীৰ মাজেৰে অহা-যোৱা কৰিছে। অৱশ্যে আজি অঞ্চলটোত প্ৰখৰ ৰ'দ দিয়াত বিয়লিৰ ভাগত যথেষ্ট পৰিমাণে পানী শুকাই যায়। বিদ্যালয়লৈ গৈ থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰতিবেদকৰ আগত কয় যে পথটো ভাঙি যোৱাৰ পাছত আমাৰ অহা-যোৱা কৰাত বহুত কষ্ট হৈছে। নৈখনৰ বাঢ়নী পানী গচকি বিদ্যালয়লৈ যাবলগীয়া হৈছে। যদি পৰৱৰ্তী সময়ত পথাৰত পানীৰে উপচি পৰে তেতিয়াহ'লে শিক্ষাৰ্থীসকল বিদ্যালয়লৈ যোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হ'ব। গতিকে ৰাজ্য চৰকাৰে অতি সোনকালে পথছোৱা মেৰামতিৰ ব্যৱস্থা কৰি ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক অহা-যোৱা কৰাৰ ক্ষেত্ৰত উপকৃত কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনায়। ইফালে, পথ দুয়োটাৰ মাজৰ অংশত ভাঙি যোৱাৰ পৰিপ্ৰেক্ষিতত সংকটৰ সময়ত কোনো ধৰণৰ যানবাহন বা বিনামূলীয়া এম্বুলেন্স সেৱা গাড়ীৰ চলাচল ব্যাহত হৈছে।


## তিমৌবিল সংৰক্ষণৰ বাবে পৌৰসভাৰ উদ্যোগত ৰাজহুৱা সভা



**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ২২ জুন ঃ** বোকাখাত পৌৰসভাৰ উদ্যোগত আজি বোকাখাত পুৰতি সাহিত্য সভাৰ ভৱনত তিমৌবিল সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে ৰাজহুৱা সভা অনুষ্ঠিত হয়। পৌৰপতি ৰত্নেশ্বৰ বৰুৱাৰ সভাপতিত্বত হোৱা সভাত মহকুমাধিপতি ডাঃ নেহা যাদৱ, সহকাৰী আয়ুক্ত বিক্ৰম নেৱাৰ, উপ-পৌৰপতি ৰাণা দেৱনাথ, পৌৰসভাৰ ৱাৰ্ড কমিছনাৰসকল উপস্থিত থাকে। পৌৰপতি ৰত্নেশ্বৰ বৰুৱাই কয় যে ৬৫ বিঘা তিমৌবিল বেদখলকাৰীৰ কবলত পৰি বৰ্তমান ৩৪ বিঘা আছে। সেয়ে ৰাজহ বিভাগৰ পৰা জৰীপ কৰি সীমা নিৰ্ধাৰণ কৰি পৰৱৰ্তী সৌন্দৰ্যবৰ্ধনৰ বাবে মাষ্টাৰ প্লেন প্ৰস্তুত কৰা হ'ব। মহকুমাধিপতি ডাঃ নেহা যাদৱে কয় যে মাটি থকা লোকসকলে স্বইচ্ছাই মাটি এৰি দিয়ক, চৰকাৰে উচ্ছেদ কৰিব খোজা নাই। কিন্তু দুখীয়া মানুহক বাদ দি বহু লোকে আন ঠাইত মাটি থকা লোকে বেদখল কৰি আছে। তিমৌবিল সংৰক্ষণ কৰি ৱাকিং জন, নিয়ন লাইটৰ ব্যৱস্থা আদি নানা আঁচনি লোৱা হ'ব। সভাত সোনেশ্বৰ নৰহ, ৰীতা হাজৰিকা, ৰেব হাজৰিকা, অনিমেষ শইকীয়া, কল্পনা চেতিয়া, মনোৰঞ্জন সেন, বুবুল দত্ত, জিতু শৰ্মা ৰাজখোৱা, জিতেন শৰ্মা ৰাজখোৱা, বিমল দলে আদি লোকে বক্তব্য আগবঢ়ায়। বক্তাসকলে তিমৌবিল সংৰক্ষণ কৰিবলৈ পৌৰসভাক আহ্বান জনায়।

## অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰমোদ চন্দ্ৰ কটকীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২২ জুন ঃ** যোৰহাট জিলাৰ পুলিবৰ নিবাসী, গোলাঘাট বেজবৰুৱা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ বিষয় শিক্ষক, উপাধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰা প্ৰমোদ চন্দ্ৰ কটকী (৯৫)ৰ আজি পুৱা ৭-২৫ বজাত যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। হৃদৰোগত আক্ৰান্ত হৈ তেওঁ চিকিৎসালয়খনত ২১ দিন ধৰি চিকিৎসাধীন হৈ আছিল। অৱসৰৰ পাছত তেওঁ সৰুচৰাই মৌজাৰ পৰ্বতীয়া ৰাজহ গাঁৱৰ ৰাইজে প্ৰতিষ্ঠা কৰা পৰ্বতীয়া উচ্চ বিদ্যালয়ত ১৯৯৩-৯৬লৈ অবৈতনিক প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ পুলিবৰ অঞ্চলত অন্যান্য অনুষ্ঠানৰ স'তেও জড়িত আছিল। ১৯২৭ৰ ২৩ মাঘত তিতাবৰৰ এলেঙী সত্ৰৰ কটকী পৰিয়ালত জন্মগ্ৰহণ কৰা আৰু শিক্ষা গ্ৰহণৰ পাছত যোৰহাট পুলিবৰৰ স্থায়ী বাসিন্দা হোৱা কটকীয়ে দুজন পুত্ৰ-বোৱাৰী, দুগৰাকী কন্যা-জোঁৱাই, নাতি আৰু আত্মীয়সকলক এৰি গৈছে। তেওঁৰ মৃত্যুৰ খবৰ প্ৰচাৰ হোৱাত অগণন গুণমুগ্ধ পুলিবৰস্থিত বাসগৃহত সমবেত হয় আৰু শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে বাসগৃহৰ বাৰীতে সম্পন্ন কৰা অন্ত্যেষ্টিক্ৰিয়াত সহযোগিতা আগবঢ়ায়।

## ■ যাতায়াতৰ নামত ৰাইজৰ হাৰাশাস্তি ■

# আজাৰাত আঠ উপ-পথত গধুৰ যানবাহন চলা নিষেধ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২২ জুন ঃ** আজাৰা ৰাজহ চক্ৰৰ অঞ্চলৰ আজাৰা গাঁৱৰ আঠটাতকৈয়ো অধিক উপ-পথত 'গধুৰ যানবাহন চলাচল নিষেধ'ৰ ফলক আঁৰি দিয়াত জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাই দেখা দিছে। উল্লেখ্য যে আজাৰাৰ ৩৭ নম্বৰ ঘাইপথৰ দাঁতিতে থকা কালমণি নামৰ মৰা সুঁতিটো ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ উদ্যোগত পুনৰ খনন কাৰ্য চলোৱা হয়। ফলত এই বেলি বৃহত্তৰ অঞ্চলটো কৃত্ৰিম বানৰ পৰা ৰক্ষা পৰে। কালমণি নামৰ নৈ খনৰ ওপৰত ৩৭ নম্বৰ ঘাইপথ সংযোগী কে'বাটাও পথৰ কালভাৰ্ট আছিল। জলসম্পদ বিভাগে কালমণি নৈখন পুনৰ খনন কৰাৰ সময়ত উক্ত পথসমূহৰ কালভাৰ্টসমূহ আঁতৰাই দিয়ে। ইয়াৰ বিপৰীতে উক্ত অঞ্চলৰ কদমতলী পথ, কলিতাপাৰা পথ, বৰিপাৰা পথ, চিকাৰবাট পথ, ব্ৰহ্মকুমাৰী পথ, বৰুৱাপাৰা পথ, ঠাকুৰীয়াপাৰা পথ আদি কৰি আঠটাতকৈয়ো অধিক ঘাইপথ সংযোগী উপ-পথৰ ওপৰত থকা কালভাৰ্ট আঁতৰাই দিয়ে। এনে উপ-পথৰ কালভাৰ্টসমূহ আঁতৰাই দি বিভাগে সাধাৰণভাৱে কোনো মতে অহা-যোৱা কৰিব পৰা কাঠৰ দলং নিৰ্মাণ কৰি দিয়ে। তেনে দলংসমূহৰ সন্মুখত 'গধুৰ যানবাহন চলা নিষেধ' বুলি লিখি নাম ফলক আঁৰি দিয়ে। এনে দলংসমূহ কেতিয়া ভাগি পৰে তাৰ কোনো নিশ্চয়তা নাই। আনফালে, এনে দলং নিৰ্মাণ কৰি দিয়াৰ ফলত ব্ৰহ্মকুমাৰী পথ, বৰুৱাপাৰা পথ, ঠাকুৰীয়াপাৰা পথ সংযোগী অঞ্চলসমূহত হঠাতে হ'ব পৰা দুৰ্যোগৰ ক্ষেত্ৰত ভয়াবহ অৱস্থাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। কিয়নো তেনে অঞ্চলসমূহলৈ অহা-যোৱা কৰাৰ আন বিকল্প পথৰ ব্যৱস্থা নাই। অথচ ঘাইপথ সংযোগী উক্ত পথসমূহৰ ওপৰেৰে এম্বুলেন্স কিম্বা অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী অহা-যোৱা কৰা অসম্ভৱ। তেনে অৱস্থাত এনে বিষয়ৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজ ক্ষোভিত হৈ উঠিছে।

# ঘিলাধাৰী চাহ বাগিচাত শ্ৰমিকৰ সমস্যাক লৈ প্ৰতিবাদ




**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২২ জুন ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী চাহ বাগিচাত শ্ৰমিকসকলৰ কে'বাটাও সমস্যা সমাধানৰ দাবীত আজি কলঘৰৰ সন্মুখত শ্ৰমিকসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তথ্য মতে, চাহ বাগিচা কৰ্তৃপক্ষই শ্ৰমিকসকলক একাউন্টত দৰমহা আদায় দি অহাৰ পৰিপ্ৰেক্ষিতত শ্ৰমিকসকল বিভিন্ন সমস্যাৰ সন্মুখীন হৈ অহাত শ্ৰমিকসকলে নগদ ধন দিবলৈ দাবী জনাই আহিছিল। এই ক্ষেত্ৰত কিছু দিনৰ পূৰ্বে বাগিচা কৰ্তৃপক্ষ আৰু চাহ মজদুৰ সংঘৰ বিষয়ববীয়াৰে এক চুক্তি মৰ্মে বাগিচা কৰ্তৃপক্ষই নগদ ধন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু বাগিচা কৰ্তৃপক্ষই চুক্তি স্বাক্ষৰ কৰাৰ পাছতো নগদ ধনৰ সলনি একাউন্টত শ্ৰমিকৰ পাৰিশ্ৰমিক আদায় দিয়াত শ্ৰমিকসকল খড়গহস্ত হৈ আজি বাগিচাৰ কলঘৰৰ প্ৰাংগণত শ শ শ্ৰমিক এক গোট হৈ বাগিচাখনৰ পৰিচালকৰ লগত আলোচনাত মিলিত হয়। কিন্তু শ্ৰমিকসকলে তেওঁলোকৰ দাবী শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ প্ৰতিবাদ সাব্যস্ত কৰি পৰিৱেশ উত্তাল কৰি তোলে। পৰিস্থিতি অধিক অৱনতি ঘটাত ঘটনাস্থলীত ঘিলাধাৰী আৰক্ষীৰ লগতে গোলাঘাট জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুৰ্যপ্ৰসাদ বৰুৱা আৰু ৰাজহ চক্ৰ বিষয়া পাপৰি দাস উপস্থিত হৈ শ্ৰমিকসকলৰ লগতে বাগিচা কৰ্তৃপক্ষৰ লগত আলোচনাত মিলিত হয়। ইফালে বাগিচা কৰ্তৃপক্ষই দুপৰীয়া ১২ বজাৰ পৰা শ্ৰমিকসকলে তোলা কেঁচাপাত ওজন কৰাত শ্ৰমিকসকলে দুপৰীয়া আহাৰ গ্ৰহণ কৰিবলৈ সময় নাটনি হোৱা, বাগিচা চিকিৎসালয়ত ৰোগীক খাদ্য যোগান নধৰা, বাগিচাৰ অধীনত শিশু কল্যাণ গৃহত শিশুসকলৰ কল্যাণৰ অৰ্থে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ নকৰা আদি কে'বাটাও অভিযোগ উত্থাপিন কৰি এই সমস্যাসমূহ পূৰণ কৰিবলৈ দাবী জনায়। পাছত বাগিচা কৰ্তৃপক্ষই শ্ৰমিকসকলৰ দাবী মানি লোৱাত পৰিস্থিতি শান্ত হয়। পৰৱৰ্তী সময়ত শ্ৰমিকসকলৰ দাবীসমূহ কাৰ্যকৰী নকৰিলে তীব্ৰতৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও শ্ৰমিকসকলে স্পষ্ট কৰি দিছে।





# এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত অসমৰ চয়নিকাৰ দ্বিতীয়টো পদক

**গুৱাহাটী, ২২ জুন ঃ** ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪১ সংখ্যক এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত ভাৰতীয় দলক নেতৃত্ব দি দলীয় পাৰছুইট ইভেন্টত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সক্ষম হোৱা অসমৰ চয়নিকা গগৈয়ে প্ৰতিযোগিতাখনত আন এটা সফলতা অৰ্জন কৰিছে। নতুন দিল্লীত চলি থকা প্ৰতিযোগিতাখনৰ মহিলাৰ এলিট স্ক্ৰেটছ ৰেচৰ ১০ কিলো মিটাৰ ইভেন্টত চয়নিকাই নিজৰ দ্বিতীয়টো ব্ৰঞ্জৰ পদক জয় কৰে। এই সফলতাৰ বাবে অসম চাইক্লিং সন্থাৰ সভাপতি হৰমিত সিং আৰু সাধাৰণ সম্পাদক ড০ তপন দাসে চয়নিকাক অভিনন্দন জনাইছে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰতিযোগিতাখনত অসমৰ চয়নিকা গগৈ নেতৃত্বাধীন ভাৰতীয় চাইক্লিং দলটোৱে মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট ইভেন্টত তৃতীয় স্থান অৰ্জন কৰিছিল। ব্ৰঞ্জ জয়ৰ যুঁজত ভাৰতে উজবেকিস্তানক পৰাস্ত কৰে। এছিয়ান ট্ৰেক চাইক্লিং চেম্পিঞ্জনশ্বিপৰ চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট চাইক্লিং ভাৰতে ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪.৪৪ মিনিটত ৰেছ সম্পূৰ্ণ কৰিছিল



## ৰাষ্ট্ৰীয় ভাৰোত্তোলনত পুনৰ অসম কন্যাৰ সফলতা

# খেলো ইণ্ডিয়াত মধুমিতাৰ ব্ৰঞ্জ

**গুৱাহাটী, ২২ জুন ঃ** হিমাচলত চলি থকা ভাৰোত্তোলনৰ খেলো ইণ্ডিয়াত পুনৰ পদক লাভ কৰিছে অসমৰ মহিলাই। ৮৭ কিলোগ্ৰাম ছিনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে অসমৰ মধুমিতা বৰুৱাই। তেওঁ স্নেচত ৮৩ আৰু ক্লিন এণ্ড জাৰ্কত ১০৫ কেজি উত্তোলন কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসমৰ ত্ৰিলোচানা ফুকন আৰু পঞ্চমী সোণোৱালে প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে অসম কন্যা প'পী হাজৰিকাই ৰেলৱে দলৰ হৈ খেলি মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছিল। ইতিমধ্যে কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰা প'পীয়ে স্নেচত ৮৭ আৰু ক্লিন এণ্ড জাৰ্কত ১০৭ কেজি উত্তোলন কৰে। ইফালে, মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰা ত্ৰিলোচানা ফুকনে স্নেচত ৬১ আৰু ক্লিন এণ্ড জাৰ্কত ৮২ কেজি উত্তোলন কৰে। আনহাতে, পঞ্চমী সোণোৱালে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত খেলি স্নেচত ৬৩ আৰু ক্লিন এণ্ড জাৰ্কত ৮০ মুঠ ১৪৩ কেজি উত্তোলন কৰি ৰূপ জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অসমৰ ভাৰোত্তোলকে সদ্য সমাপ্ত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াতো চমকপ্ৰদ প্ৰদৰ্শন কৰি চাৰিটা পদক অৰ্জন কৰিছিল। অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰি ৰাজ্যক গৌৰৱময় সফলতা দিয়ে। আনহাতে, অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ল'ৰা ৭৩ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। অসমৰ ভাৰোত্তোলকৰ এই ধাৰাবাহিক পদক অৰ্জনৰ বাবে অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামীয়ে খেলুৱৈৰ প্ৰদৰ্শনত আনন্দিত হোৱাৰ লগতে খেলুৱৈৰ সফলতাৰ বাবে শুভেচ্ছা জনাইছে।

## ২২ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# আজি অসমৰ প্ৰতিদ্বন্দ্বী গুজৰাট





অগ্ৰদূত বাৰ্তা

**টংলা, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰা অসমে কাইলৈ দ্বিতীয়খন মেচত মুখামুখি হ'ব গুজৰাটৰ। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমে ৬-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল প্ৰতিদ্বন্দ্বী পুডুচেৰীক। উক্ত মেচত অসমৰ হৈ হেট্ৰিকসহ চাৰিটা গ'ল কৰে অঞ্জুলী বহ্মাই (৩৪, ৪৫, ৬৮, ৮৩ মিনিট)। আনহাতে, দুটা গ'ল দিয়ে সোণম দত্তই (৩৩, ৫৭ মিনিট)। মেচৰ শ্ৰেষ্ঠ হয় অঞ্জুলী। উল্লেখ্য যে গ্ৰুপ 'জি' ত আয়োজক অসমৰ লগতে আছে হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। ইয়াৰপূৰ্বে প্ৰথম মেচত হাৰিয়ানাই ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল গুজৰাটক। উল্লেখ্য যে প্ৰতিযোগিতাত অসম দলটোক নেতৃত্ব দিছে তুষামণি গগৈয়ে। আনহাতে, দলৰ সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম । দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বহ্ম, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা । অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক লোচন শইকীয়া।

## ডিমাকুছিত বংগ তামিলনাড়ুৰ জয়

অগ্ৰদূত বাৰ্তা

**টংলা, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে তামিলনাড়ু আৰু বংগই। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'এইছ'ৰ আজিৰ প্ৰথম খেলখনত তামিলনাডুই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে জম্মু আৰু কাশ্মীৰক। দলৰ হৈ দুটা গ'ল কৰে গায়ত্ৰীদেৱীয়ে। ইফালে, গ্ৰুপ 'এইছ'ৰ আজিৰ দ্বিতীয় খেলখনত বংগই ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰাজস্থানক। এতিয়া অহা ২৪ জুনৰ প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰ বিৰুদ্ধে আৰু উক্তদিনাই দ্বিতীয় খেলখন তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব। ইফালে, ডিমাকুছি ষ্টেডিয়ামত কাইলৈৰ প্ৰথম খেলখন গুজৰাট আৰু অসমৰ মাজত হোৱাৰ লগতে দ্বিতীয়



কোৱাৰ্টাৰ ফাইনেলত কিট'ভা।



তাজমহলৰ সন্মুখত বক্সাৰ লাভলীনা।

# আজি মুকলি হ'ব যুৱ অলিম্পিকৰ লগ', থিম ছং

**গুৱাহাটী, ২২ জুন ঃ** অসম অলিম্পিক সন্থাই আয়োজন কৰা সমাগত যুৱ অলিম্পিক ২০২২ ৰ লগো, থিম ছং আৰু টি ছাৰ্ট কাইলৈ মুকলি কৰা হ'ব। কাইলৈ দিনৰ এক বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত হ'বলগা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোনোৱাল। তদুপৰি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংঘাল। ইফালে, আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অসম এথলেটিকছ সন্থা আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যুটীয়া উদ্যোগত মহানগৰীত কাইলৈ অনুষ্ঠিত কৰিছে প্ৰাইজমানি ১০ কিলোমিটাৰ দৌৰ প্ৰতিযোগিতা। উল্লেখ্য যে পাঁচ বজাত খানাপাৰা খেলপথাৰৰ পৰা আৰম্ভ হৈ নেহেৰু ষ্টেডিয়ামত সামৰণি পৰিবলগীয়া ১০ কিলোমিটাৰ দূৰত্বৰ দৌৰ প্ৰতিযোগিতাখনত ৰাজ্যৰ সকলো প্ৰান্তৰে প্ৰতিযোগীয়ে অংশগ্ৰহন কৰিছে। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰথমৰ পৰা পঞ্চম স্থান প্ৰাপ্ত বিজয়ী প্ৰতিযোগীসকলক ক্ৰমে পাঁচ, চাৰি, তিনি, দুই আৰু এহেজাৰকৈ টকা দি পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাখনৰ ফ্লেগ অফৰ লগতে বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব এথলীট অম্লান বৰগোঁহাই, অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ,বৰষা ৰাণী বিষয়া,শ্যামন্তিকা শৰ্মা,কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু আচুৰ্য বৰপাত্ৰ।

## তেলেংগনাক হৰুৱাই পইণ্ট লাভ মধ্য প্ৰদেশৰ

# লুকী কুমাৰীৰ ১০ টা গ'ল ঃ দিল্লীক হৰুৱাই ক্ৰমাগত তৃতীয় জয় বিহাৰৰ

**গুৱাহাটী, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত ক্ৰমাগত তৃতীয়খন মেচত বৃহৎ ব্যৱধানত জয়লাভ কৰিছে বিহাৰৰ ছোৱালী দলে। আজি গুৱাহাটীৰ পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা মেচত বিহাৰে ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে দিল্লীক। উল্লেখ্য যে ক্ৰমাগত তৃতীয়খন মেচত হেট্ৰিক অৰ্জন কৰিছে বিহাৰৰ লুকী কুমাৰীয়ে (২৫, ৪৫, ৪৯ মিনিট)। তিনিটা গ'ল কৰা লুকী মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা নিজৰ প্ৰথমখন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মেঘালয়ক। সেই মেচতো শ্ৰেষ্ঠ হৈছিল চাৰিটাকৈ গ'ল কৰা লুকী কুমাৰী। আনহাতে, দ্বিতীয় মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। উক্ত মেচতো দলৰ হৈ লুকী কুমাৰীয়ে তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল। তিনিখন খেলত ১০ টা গ'ল কৰিলে লুকীয়ে। আনহাতে, বিহাৰে তিনিখন মেচত ২৮ টা গ'ল কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত কৰিছে। ন পইণ্ট লাভ কৰা দলে মধ্য প্ৰদেশৰ বিৰুদ্ধে পৰবৰ্তী মেচ খেলিব। ইফালে, আজি পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা আন এখন মেচত মধ্য প্ৰদেশে ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। এয়া দলৰ ক্ৰমাগত তৃতীয় পৰাজয়। প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত আৰু দ্বিতীয় মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত



কৰিছিল তেলেংগনাক। ইফালে, মেঘালয়ৰ বিৰুদ্ধে প্ৰথম মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা মধ্য প্ৰদেশে আজি প্ৰথম জয়ৰ সফলতা লাভ কৰে।

# আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত আজি অসম অলিম্পিকৰ দিনজোৰা কাৰ্যসূচী

**গুৱাহাটী, ২২ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে কাইলৈ অসম অলিম্পিক সন্থাই গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা সদৌ অসম আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতাৰ কাৰ্যসূচী পুৱা আঠ বজাৰ পৰাই আৰম্ভ হ'ব। কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ন্যায়াধীশ মনজিৎ ভূঞা। তদুপৰি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ভৱেশ চন্দ্ৰ গোস্বামী আৰু বক্সিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ সচিব হেমন্ত কুমাৰ কলিতা। ইফালে, পুৱা ৯.৪০ বজাৰ পৰা সদৌ অসম প্ৰাইজমানী আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰম্ভ হ'ব। আনহাতে, পুৱা ১০ বজাৰ পৰা কটন বিশ্ববিদ্যালয়ৰ ছুডমাৰ্ছন হলত আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক ৰাউণ্ড আৰম্ভ হ'ব। ইফালে, বিয়লি বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ উচ্চ শিক্ষাৰ সঞ্চালক ধৰ্মকান্ত মিলি আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অইল ইণ্ডিয়াৰ আৱাসিক মুখ্য কাৰ্যবাহী প্ৰশান্ত বৰকটকী।

# অসমৰ আৰ্বিটাৰলৈ বিশ্ব দবা মহাসংঘৰ স্বীকৃতি



**গুৱাহাটী, ২২ জুন ঃ** অসমৰ তিনিজন আৰ্বিটাৰ গুৱাহাটীৰ অৰুণ সিং, প্ৰণৱ কুমাৰ নাথ আৰু শিলচৰৰ ডাঃ চাৰ্ৱাকলৈ বিশ্ব দবা মহাসংঘই আন্ত:ৰাষ্ট্ৰীয় আৰ্বিটাৰ আৰু ফিডে আৰ্বিটাৰৰ স্বীকৃতি প্ৰদান কৰিছে। ২০২২ ৰ ২৮ এপ্ৰিলত, আবুধাবিত অনুষ্ঠিত প্ৰথম ফিডে পৰিষদৰ সভাত অৰুণ সিঙৰ আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ খিতাপ আৰু প্ৰণৱ কুমাৰ নাথ আৰু ডাঃ চাৰ্ৱাকৰ ফিডে আৰ্বিটাৰৰ খিতাপ অনুমোদন কৰে। বিশ্ব দবা মহাসংঘই আঠ জুন, ২০২২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ অৰুণ সিঙক আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ, প্ৰণৱ কুমাৰ নাথ আৰু ডাঃ চাৰ্ৱাকক ফিডে আৰ্বিটাৰৰ খিতাপ প্ৰদান কৰে। সদৌ অসম দবা সন্থাই , গুৱাহাটী দবা সন্থাই এই কৃতিত্বৰ বাবে তিনিও জন আৰ্বিটাৰলৈ অভিনন্দন জনাইছে।

# সোণাপুৰত মহাৰাষ্ট্ৰ-দাদৰা আৰু নগৰ হাভেলি মহিলা দলৰ জয়লাভ

**গুৱাহাটী, ২২ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি সোণাপুৰত হোৱা গ্ৰুপ 'এফ'ৰ মেচত জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে মহাৰাষ্ট্ৰ তথা দাদৰা আৰু নগৰ হাভেলি দলে। চত্তিছগড়ৰ বিৰুদ্ধে ২-০ গ'লৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় সফলতা লাভ কৰিছে মহাৰাষ্ট্ৰই। উল্লেখ্য যে ইয়াৰপূৰ্বে সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰত অনুষ্ঠিত হোৱা গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ত্ৰিপুৰাক। সেই মেচত দলৰ হৈ তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল ছুমায়াই। ইফালে, প্ৰথম মেচত মহাৰাষ্ট্ৰৰ হাতত ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা ত্ৰিপুৰাই আজিও ব্যৰ্থতাৰ সন্মুখীন হয়। এখন একপক্ষীয় মেচত দাদৰা আৰু নগৰ হাভেলি মহিলা দলে ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত ত্ৰিপুৰাক। ইয়াৰপূৰ্বে ওড়িছাৰ বিৰুদ্ধে দ্বিতীয় মেচত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল দাদৰা আৰু নগৰ হাভেলিয়ে। আনহাতে, ত্ৰিপুৰাই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল চণ্ডিগড়ক। ক্ৰমাগত তিনিখন মেচত পৰাস্ত হোৱাৰ পাছত চণ্ডিগড়ৰ বিদায় নিশ্চিত হৈছে। উল্লেখ্য যে ওড়িছাৰ হাততো ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল চণ্ডিগড়।

# জয়ৰে অভিযান আৰম্ভ নগালেণ্ড-কেৰালাৰ

**গুৱাহাটী, ২২ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হোৱা মেচত জয়ী হৈ অভিযান আৰম্ভ কৰিছে গ্ৰুপ 'ই'ৰ দল নগালেণ্ড আৰু কেৰালাই। উল্লেখ্য যে নগালেণ্ডে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লাডাখক। আনহাতে, পঞ্জাৱক ১-৬ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কেৰালাই। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ পৰা চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ। অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন সুচাৰুৰূপত অনুষ্ঠিত কৰাত কাৰ্যতঃ ব্যৰ্থ হৈছে অসম ফুটবল সন্থা। আচলতে ৰাষ্ট্ৰীয় স্তৰৰ প্ৰতিযোগিতা কিদৰে আয়োজন কৰিব লাগে সেয়া অসম ফুটবল সন্থাই নাজানে আৰু আন সন্থাৰ পৰা শিকিবও বছৰা নাই।



# প্ৰথম মেচতে বৃহৎ জয় অৰ্জন মণিপুৰ-ঝাৰখণ্ডৰ

## জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত আজি অভিযান আৰম্ভ কৰে চাৰিটাকৈ দলে। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ গ্ৰুপ 'এ' ৰ প্ৰথম মেচত মণিপুৰে ১৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে উত্তৰাখণ্ডক। আনহাতে, গ্ৰুপ 'এ' ৰ আন এখন মেচত ঝাৰখণ্ডে ১১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে অন্ধ্ৰপ্ৰদেশক। মনিপুৰৰ হৈ তিনিগৰাকী খেলুৱৈয়ে হেট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হয়। সঞ্জনা চানুই (৫১, ৫৯, ৬৫, ৭৮ মিনিট) চাৰিটা তথা ববীতা দেৱী (৩, ৩৩, ৩৯ মিনিট) আৰু ভূমিকা দেৱীয়ে (৬৪, ৭৭, ৯০ মিনিট) তিনিটাকৈ গ'ল কৰে। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোণাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।



দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৩ জুন, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা ১৬

## বিল্যানন্দন চ’ৰা




# ইন্টাৰনেছনেল প্ৰব্লেম

**আখামৰ** বানপানীক ৰাষ্ট্ৰীয় সমস্যা মানে নেছনেল প্ৰব্লেম হিচাপে ঘোষণা কৰিব লাগে বুলি সাংঘাতিক আন্দোলন হৈছিল। বানপীড়িতৰ কাষত ‘আমি সদায় আছু’ বুলি কৈ ফুৰাসকলে বহুবাৰ দিল্লীলৈও গৈছিল এই বিষয়টো আলচ কৰিবলৈ। কেতিয়াবা কেতিয়াবা আলোচনা ইমান বেছি জোৰদাৰ হৈ পৰে যে নেছনেল প্ৰব্লেম বুলি ঘোষিত হৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ জলপৃষ্ঠ আপোনা-আপুনি কমি যোৱা যেন লাগিছিল। আন্দোলনোতো কম কৰা নাই! বহুদিন লাষ্টগেটত বহা নাই বুলি যদি মনলৈ ভাব আহিল, লগালগ গৈ বস্তা পাৰি বহি দিয়ে। দাবী এটাই— বানপানী নেছনেল প্ৰব্লেম হ’ব লাগে। হঠাতে যদি মনলৈ ভাব আহে যে বহুদিন দিল্লীলৈ যোৱা হোৱা নাই, লগালগ ফ্লাইটৰ টিকট কাটি হৈ যায় দিল্লী গমন। দাবী এটাই— বানপানী নেছনেল প্ৰব্লেম হ’ব লাগে। সৌসিদিনালৈ এইবোৰ চলিয়ে আছিল। হঠাতে জানো কি হ’ল? ‘আমি আছু’, ‘আমি সদায় আছু’ বুলি কৈ ফুৰাসকলে ‘আমি নাই’ বুলি নকলেও সঁচাকৈয়ে যে নাই, সেই কথা কিন্তু আমাৰ ৰাইজে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। ইমান এটা ডাঙৰ বানপানী, অথচ কোনেও লাষ্টগেটত বহা নাই বা দিল্লীলৈ যোৱাৰ কথাও ভবা নাই। তেওঁলোকৰ মাজৰে ‘আমি আছু’, ‘আমি আছু’ কৰি থকা কোনো লিডাৰক যদি কোনোবাই লগ পাই সুধি দিয়ে ‘কি অ’ ইমান ডাঙৰ বানপানী, অথচ তহঁতৰ মাতবোল নাই যে!’ লগালগ লিডাৰজনে উত্তৰ দিয়ে— ‘আমি ব্ৰহ্মপুত্ৰৰ পৰা হোৱা বানপানীক লৈহে মাত মাতো। এইবাৰ বান সৰু-সুৰা নদীৰ পৰাহে হৈছে! সৰু-সৰু সংগঠনে মাত মাতিব।’ মানে বানৰ সময়ত ‘দিনত বিপ্লৱ কৰিম, ৰাতি নকৰো’ জাতীয় কথা।

কোনোবাই কওক বা নকওক, দিল্লীৰ বাদশ্বাহে কিন্তু আখামৰ বানপানীক লৈ যথেষ্ট সচেতন। তেওঁ ইতিমধ্যে ৰাজসভাত এই সমস্যাটো আলোচনাৰ বাবে উত্থাপন কৰি সভাসদসকলক কৈছে— ‘আমি নীৰৱ দৰ্শক হৈ থাকিব নোৱাৰো।’

ঃ হয় জাহাপনা।

ঃ আখামখন উটি-ভাহি গ’ল বুলি আমি ঘঁৰিয়ালৰ চকুপানী টুকিব নোৱাৰো।

ঃ হয় জাহাপনা।

ঃ নেহৰুৱে পাৰিছিল।

ঃ হয় জাহাপনা।

ঃ মই নোৱাৰো।

ঃ আপুনি কি কৰিব জাহাপনা?

ঃ ইমান বছৰে যি কৰা হোৱা নাই, মই তাকে কৰিম।

ঃ কি কৰা হোৱা নাই?

ঃ মই কেনেকৈ জানিম?

বাদশ্বাহে সভাসদৰ মাজত বহি থকা নিৰানন্দ দাদাৰ মুখলৈ চাই ক’লে— ‘তুমিয়ে কোৱাচোন আখামৰ বানপানীক লৈ ইমানদিনে কি কি দাবী উঠি আহিছিল?’ নিৰানন্দ দাদাই বান্ধ-মথাউৰি বন্ধাৰ কথা ক’বলৈ ওলাইছিলহে মাত্ৰ, বাদশ্বাহে মাজতে ইন্টাৰাপ্ট কৰি ক’লে— ‘বন্ধা-চন্ধাৰ কথা নুলিয়াবাহে! সেইবোৰ সম্পূৰ্ণ হ’বলৈ বহু বছৰ লাগি যায়। আখামৰ ৰাইজে যাতে মোক তাৎক্ষণিকভাৱে বাঃ বাঃ দিয়ে, তেনে কিবা কথা কোৱা।’

নিৰানন্দ দাই ভাবি-চিন্তি ক’লে— ‘এটা কাম কৰক জাহাপনা!’

ঃ কি?

ঃ এটা ঘোষণা কৰি দিয়ক। তৎক্ষণাত হ’ব।

ঃ কি ঘোষণা?

ঃ ইমানদিনে বহুতে বানপানীক নেছনেল প্ৰব্লেম হিচাপে ঘোষণা কৰিব লাগে বুলি কৈ আহিছিল।

ঃ সেই ঘোষণাটো আপুনি কৰি দিয়ক।

ঃ কি বুলি?

ঃ আখামৰ বানপানী নেছনেল প্ৰব্লেম বুলি?

বাদশ্বাহে লগালগ মূৰ জোকাৰি ক’লে— ‘নেছনেল প্ৰব্লেম বুলি ঘোষণা নকৰো। আখামৰ বানপানীক মই ইন্টাৰনেছনেল প্ৰব্লেম বুলি ঘোষণা কৰিম!’

ঃ তেতিয়া কি হ’ব জাহাপনা?

ঃ নেছনেল প্ৰব্লেম হ’লে বান সমস্যাৰ সমস্ত দায়িত্ব দিল্লীৰ ওপৰত পৰিব। কিন্তু ইন্টাৰনেছনেল হ’লে দিল্লীয়ে একো কৰিব নালাগে। সৱ ৰাষ্ট্ৰসংঘক জাপি দি আমি মনে মনে বহি থাকিব পাৰিম।’

# জামুগুৰিহাটত নিৰ্ভয়ে-নিঃসংকোচে এজোপা বাঁহত বসবাস কৰিছে শ শ বগলীয়ে



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২২ জুন ঃ** যিটো সময়ত একাংশ লোকে চৰাই-চিৰিকটি হত্যা কৰি বন্য উল্লাসত মতলীয়া হোৱাৰ খবৰে প্ৰকৃতিপ্ৰেমীক দুখ দি আহিছে।সেই সময়তে জামুগুৰিহাট নগৰৰ মাজমজিয়াতে যোৱা ১৫ বছৰৰো অধিক কাল ধৰি এজোপা বাঁহ গছত শ শ বগলীয়ে নিৰ্ভয়ে আৰু নিসংকোচে বিচৰণ কৰি থকাটো প্ৰকৃতিপ্ৰেমীসকলৰ বাবে সুখবৰ হিচাপে বিবেচিত হৈছে। জামুগুৰিহাট নগৰৰ মাজমজিয়াত থকা বাপুজী ভৱনৰ চৌহদৰ ঠিক পিছফালে থকা এজোপা বাঁহ গছত দিনৰ পাছত দিন ধৰি আশ্ৰয় লৈ আছে শ শ বগলীয়ে। পুৱাই খাদ্যৰ সন্ধানত বিভিন্ন স্থানলৈ আঁতৰি যোৱা বগলীসমূহ পুনৰ সন্ধিয়াৰ ভাগত ঘূৰি আহে বাঁহ গছজোপালৈ। পুৱা আৰু গধূলি বগলীৰ কাকলিৰে মুখৰিত হৈ পৰে অঞ্চলটো। অৱশ্যে কোনো কোনো সময়ত বগলীৰ বৃষ্ঠাৰ গোন্ধই অঞ্চলটোৰ ৰাইজক কিছু অসুবিধাত পেলালেও চৰাইৰ প্ৰতি থকাৰ ভাল পোৱাৰ বাবেই অঞ্চলবাসীয়ে এয়া সহ্য কৰি আহিছে। স্থানীয় ৰাইজে জনোৱা মতে, যোৱা ১৫ বছৰৰো অধিক দিন ধৰি বগলীসমূহ আশ্ৰয় লৈ আছে এই বাঁহগছজোপাত। বাঁহগছজোপা থকা মাটিৰ গৰাকীয়ে বগলীসমূহে যাতে আশ্ৰয় লৈ থকা সময়ত কোনো অসুবিধাৰ সন্মুখীন নহয় তাৰ প্ৰতি সদায় দৃষ্টি নিক্ষেপ কৰি আহিছে। এইদৰেই জামুগুৰিহাট নগৰৰ মাজমজিয়াত নিৰ্ভয়ে-নিসংকোচে বছৰ বছৰ ধৰি শ শ বগলীৰ বিচৰণ কৰি থকাটো অত্যন্তই ইতিবাচক হিচাপে বিবেচিত হৈছে।

বয়স যে ১০৫ বছৰ, সেয়া বুজাৰ উপায় নাই। কিয়নো এই বয়সতো তেওঁ শাৰীৰিকভাৱে যথেষ্টই সক্ষম। খেলপথাৰত তেওঁৰ দৌৰ দেখিলে আশ্চৰ্যবোধ কৰিব লাগে। বয়স যে কেৱল মাত্ৰ এটা সংখ্যাহে, সেয়াই প্ৰমাণ কৰিলে ৰামবাঈ নামৰ শতায়ু গৰকা বৃদ্ধাগৰাকীয়ে। এই বয়সতো দৌৰত অংশ লৈ তেওঁ ইতিমধ্যে অভিলেখ স্থাপন কৰিছে।



## ২৫০ গ্ৰাম ঘিঁ-পাঁচশ গ্ৰাম দৈৰ মাজতে আছে ৰামবাঈৰ সাফল্যৰ ৰহস্য

# ১০৫ বছৰ বয়সত এশ মিটাৰ দৌৰত স্বৰ্ণজয় ‘ছুপাৰ গ্ৰেণ্ডমা’ৰ

■ নিউজ ব্যুৰ’

**বৰোদা, ২২ জুন ঃ** বয়স যে ১০৫ বছৰ, সেয়া বুজাৰ উপায় নাই। কিয়নো এই বয়সতো তেওঁ শাৰীৰিকভাৱে যথেষ্টই সক্ষম। খেলপথাৰত তেওঁৰ দৌৰ দেখিলে আশ্চৰ্যবোধ কৰিব লাগে। বয়স যে কেৱল মাত্ৰ এটা সংখ্যাহে, সেয়াই প্ৰমাণ কৰিলে ৰামবাঈ নামৰ শতায়ু গৰকা বৃদ্ধাগৰাকীয়ে। এই বয়সতো দৌৰত অংশ লৈ তেওঁ ইতিমধ্যে অভিলেখ স্থাপন কৰিছে।

ভাৰতীয় এথলেটিক সংস্থাই প্ৰথমবাৰলৈ আয়োজন কৰিছিল অপেন মাষ্টাৰ্ছ এথলেটিক্‌ছ। সেই প্ৰতিযোগিতাতে ৰামবাঈয়ে মাত্ৰ ৪৫.৪০ ছেকেণ্ডত এশ মিটাৰ দৌৰ সম্পূৰ্ণ কৰি সকলোকে স্তম্ভিত কৰি তোলে। যোৱা দেওবাৰে বৰোদাত এই প্ৰতিযোগিতা সমাপ্ত হোৱাৰ পাছৰে পৰা সকলোৰে মুখত কেৱল ৰামবাঈৰ নাম। উল্লেখ্য যে এশ আৰু দুশ মিটাৰৰ দুয়োটা ইভেণ্টতে শতায়ু গৰকা বৃদ্ধাগৰাকীয়ে অভিলেখ গঢ়ি স্বৰ্ণপদক জয় কৰে। ইয়াৰ পাছৰে পৰা নিজৰ সাফল্যত আহ্লাদিত হৈ থকা বৃদ্ধাগৰাকীয়ে কয়, ‘আকৌ দৌৰিব বিচাৰো। যিমান পাৰো বেছিকৈ প্ৰতিযোগিতাত দৌৰিম।’ ইমান বছৰে কিয় দৌৰা নাছিল বুলি প্ৰশ্ন কৰাত ৰামবাঈয়ে কয়, ‘মইতো সাজুৱেই আছিলো। কোনোৱে সুযোগেই দিয়া নাছি।’ দেশৰ পাছত এইবাৰ তেওঁৰ বিদেশত হোৱা প্ৰতিযোগিতাতো অংশ ল’ব বুলি বৃদ্ধাই সদৰী কৰে। সেয়ে ১০৫ বছৰত এতিয়া তেওঁ পাছপ’ৰ্ট বনাবলৈ উঠিপৰি লাগিছে।

মজাৰ কথা যে এশ মিটাৰ দৌৰত ৰামবাঈ নিজেই নিজৰ প্ৰতিদ্বন্দ্বী আছিল। অৰ্থাৎ এশৰ ঊৰ্দ্ধৰ শাখাৰ এশ মিটাৰ দৌৰত তেওঁৰ বাহিৰে আন কোনেও অংশ লোৱা নাছিল। ফলত ৰামবাঈয়ে কিমান কম সময়ত দৌৰ সম্পূৰ্ণ কৰিব পাৰে, তাৰ প্ৰতিহে সকলোৰে দৃষ্টি আছিল। বৃদ্ধাই অৱশ্যে হতাশ নকৰিলে। দৌৰ শেষ হোৱাৰ লগে লগেই কে’বা হেজাৰ দৰ্শক উচ্ছ্বাসত ফাটি পৰে। বহুতেই আহি ৰামবাঈক শুভেচ্ছা জনায়। কোনো কোনোৱে ছেল্‌ফিও উঠে। উল্লেখ্য যে নাতিনীয়েকৰ উৎসাহত যোৱা বছৰৰ নৱেম্বৰত তেওঁ প্ৰথমবাৰলৈ কোনো দৌৰত অংশ লৈছিল। ইয়াৰ পাছতে মহাৰাষ্ট্ৰ, কৰ্ণাটক, কেৰালা আদিত বিভিন্ন প্ৰতিযোগিতাত অংশ লৈ তেওঁ ১২টাৰো অধিক পদক জয় কৰিছে।

দিল্লীৰ পৰা ১৫০ কিলোমিটাৰ দূৰৰ কাড়মা গাঁৱৰ বাসিন্দা ৰামবাঈ। খেতিপথাৰত খালী ভৰিৰে দৌৰিবলৈ তেওঁ ভাল পাইছিল। যদিও কোনো দিনেই তেওঁ বিষয়টো গুৰুত্বসহকাৰে লোৱা নাছিল। নাতিনীয়েকৰ উৎসাহতে তেওঁ প্ৰতিযোগিতাত অংশ লোৱাৰ উদ্দেশ্যৰে দৌৰিবলৈ আৰম্ভ কৰিছিল। এতিয়া অৱশ্যে ৰামবাঈয়ে জোতা আৰু ট্ৰেকছ্যুট পৰিধান কৰি দৌৰিবলৈ আৰম্ভ কৰিছে। প্ৰতিযোগিতাৰ অন্তত সাংবাদিকে প্ৰশ্ন কৰিছিল যে এই বয়সতো সাফল্যৰ ৰহস্য কি? বৃদ্ধাগৰাকীয়ে কয় যে চুৰ্মা, দৈ আৰু গাখীৰ পান কৰিয়ে ইমান দিনে সুস্থ হৈ আছে। দিনে কমেও দুবাৰ আধা লিটাৰ বিশুদ্ধ গাখীৰ পান কৰে। ইয়াৰ উপৰি প্ৰতিদিনে ২৫০ গ্ৰাম ঘিঁ আৰু পাঁচশ গ্ৰাম দৈ খায়। ভাত প্ৰায় একেবাৰেই নাখায় বুলি জনাই বৃদ্ধাগৰাকীয়ে।



# সদ্যোজাত সন্তানক চৰিয়াত ভৰাই ঘৰ এৰিলে বানাক্ৰান্তই


## অসমত বানৰ বিভীষিকাৰ মাজতে দেখা গ’ল হৃদয়বিদাৰক দৃশ্য

■ নিউজ ব্যুৰ’

**শিলচৰ, ২২ জুন ঃ** যিফালে চকু যায়, সেইফালেই কেৱল পানী আৰু পানী। ৰাস্তা ক’ত, নদী ক’ত বুজাটোৱেই কঠিন। ক’ৰবাত যদি পানী একঁকাল, আন ক’ৰবাত বুকুৰ সমান উচ্চতালৈ উঠিছে জলস্তৰ। বিগত কিছুদিনত অসমৰ গৰিষ্ঠসংখ্যক অঞ্চলত সেয়াই স্বাভাৱিক দৃশ্যত পৰিণত হৈছে। কেওফালে মাথোঁ বানৰ বিভীষিকা। ইয়াৰ মাজতে অসমৰ এক বানাক্ৰান্ত অঞ্চলৰ এক হৃদয়বিদাৰক দৃশ্যই সকলোকে ব্যথিত কৰি তুলিলে। পিতৃ দিৱসৰ দিনাই নিজৰ সদ্যোজাত সন্তানক বানৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ বাবে পিতৃয়ে গ্ৰহণ কৰা কৌশলে সকলোৰে হৃদয় স্পৰ্শ কৰে।

প্ৰায় আকস্মিকভাৱেই সমগ্ৰ অঞ্চলটো প্লাৱিত হৈ পৰিছিল। ফলত ঘৰৰ প্ৰয়োজনী সামগ্ৰী আঁতৰাই নিয়াৰ বাবেও সময় নাপালে। তেনে অৱস্থাতে শিলচৰৰ এটা অঞ্চলৰ বাসিন্দাসকলে গৃহত্যাগ কৰিবলগীয়া হৈছিল। অধিকাংশ ঘৰতে পানীৰ স্তৰ বুকুৰ সমানলৈ উঠিছিল। তেনে এটা ঘৰৰ পৰাই নৱজাত সন্তানক পিতৃয়ে নিৰাপদ আশ্ৰয়লৈ নিয়াৰ ভিডিঅ’ সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। কঁকাল পৰ্যন্ত পানী ফালি পিতৃয়ে এটা চৰিয়াত নৱজাত শিশুটিক ভৰাই ভুৰৰ দৰে ঠেলি নি আছে। শশাংক চক্ৰৱৰ্তী নামৰ এজন টুইটাৰ গ্ৰাহকে উক্ত ভিডিঅ’ প’ষ্ট কৰি লিখিছে, ‘শিলচৰত বানৰ ভয়াৱহ পৰিস্থিতিৰ মাজতে এডোখৰ মন ছুই যোৱা দৃশ্য। এই দৃশ্যই শ্ৰীকৃষ্ণক লৈ বসুদেৱে যমুনা নৈ পাৰ হোৱাৰ সেই দৃশ্যকে চকুৰ সন্মুখত জিলিকাই তুলিলে।’

বিশ্বকাপ ফুটবলত খেলাৰ পাছত অধিকাংশ দৰ্শকে সমগ্ৰ নিশাটো পাৰ্টিত মতলীয়া হৈ পৰাটো একপ্ৰকাৰ স্বাভাৱিক ঘটনাত পৰিণত হৈছে। ইয়াৰ সমান্তৰালকৈ বহু নাৰী-পুৰুষে ষ্টেডিয়াম বা তেনে পাৰ্টিত চিনাকি হৈও নিশাটো একেলগে অতিবাহিত কৰাৰ নজিৰ আছে। আনকি পশ্চিমীয়া দেশসমূহত বিশ্বকাপৰ সময়ত অবাধ যৌনতাও এক আলোচ্যৰ বিষয়। যদিও এইবোৰ কাটাৰত নিষিদ্ধ।



## ধৰা পৰিলেই সাত বছৰ কটাব লাগিব জেলত

# কাটাৰ বিশ্বকাপত নিষিদ্ধ এনিশাৰ যৌন মিলন

■ নিউজ ব্যুৰ’

**ড’হা, ২২ জুন ঃ** নৱেম্বৰ-ডিচেম্বৰত কাটাৰত অনুষ্ঠিত হ’ব ফিফা বিশ্বকাপ ফুটবল। উক্ত বিশ্বকাপৰ খেল চাবলৈ যোৱা দৰ্শকৰ বাবে থাকিব কেতবোৰ নিষেধাজ্ঞা। বিশ্বকাপৰ মাজতে যদি কোনো পুৰুষ-মহিলা দৰ্শকে এনিশা একেলগে কটায়, তেন্তে ধৰা পৰিলেই সাত বছৰ জেলত কটাব লাগিব। কিয়নো এনিশাৰ যৌন মিলন বা ‘ৱান নাইট ষ্টেণ্ড’ক সেই দেশত অবৈধ।

উল্লেখ্য যে বিশ্বকাপ ফুটবলত খেলাৰ পাছত অধিকাংশ দৰ্শকে সমগ্ৰ নিশাটো পাৰ্টিত মতলীয়া হৈ পৰাটো একপ্ৰকাৰ স্বাভাৱিক ঘটনাত পৰিণত হৈছে। ইয়াৰ সমান্তৰালকৈ বহু নাৰী-পুৰুষে ষ্টেডিয়াম বা তেনে পাৰ্টিত চিনাকি হৈও নিশাটো একেলগে অতিবাহিত কৰাৰ নজিৰ আছে। আনকি পশ্চিমীয়া দেশসমূহত বিশ্বকাপৰ সময়ত অবাধ যৌনতাও এক আলোচ্যৰ বিষয়। যদিও এইবোৰ কাটাৰত নিষিদ্ধ। ইতিমধ্যেই দেশখনৰ প্ৰশাসনে স্পষ্ট কৰি দিছে যে আগন্তুক বিশ্বকাপত যাতে বাহিৰৰ দৰ্শকে মনত এইবোৰ কাৰ্যকলাপৰ ইচ্ছা পুহি নাৰাখে। কাটাৰৰ আৰক্ষীৰ তৰফৰ পৰা কোৱা হৈছে, ‘পতি-পত্নী নহ’লে বিশ্বকাপ চাবলৈ আহি যৌন মিলনত লিপ্ত হ’ব নোৱাৰিব। এই বিশ্বকাপ প্ৰতিযোগিতাত ‘এনিশাৰ যৌন মিলন’ নাথাকিব। কোনো পাৰ্টিও কৰিব নোৱাৰিব। নিয়ম নামানিলে জেল হ’ব পাৰে। বিশ্বকাপত প্ৰথমবাৰলৈ এনে যৌন মিলন নিষিদ্ধ কৰা হৈছে। সমৰ্থকসকলে সতৰ্ক হৈ থাকিব লাগিব।’ উল্লেখ্য যে কাটাৰত পতি-পত্নীৰ সম্পৰ্কৰ বাহিৰে আন কোনো ধৰণৰ যৌন মিলন আৰু সমকামী সম্পৰ্কও নিষিদ্ধ। দেশখনত এই ধৰণৰ অভিযোগ প্ৰমাণিত হ’লে সাত বছৰ পৰ্যন্ত কাৰাদণ্ড হ’ব পাৰে। বিশ্বকাপৰ অভিভাৱক সংস্থাই ফিফাই অৱশ্যে সকলোকে এই প্ৰতিযোগিতাৰ বাবে আমন্ত্ৰণ জনাইছে। তৎসত্ত্বেও অভিযোগ আছে যে একাংশ নিৰ্দিষ্ট পদবীৰ মানুহক কাটাৰলৈ যোৱাৰ অনুমতি দিয়া হোৱা নাই। কাটাৰ বিশ্বকাপৰ ফিফাৰ মুখ্য কাৰ্যবাহী বিষয়া নাছেৰ আল খাতাৰে কয়, ‘প্ৰতিজন সমৰ্থকৰ নিৰাপত্তা আমাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। যদিও প্ৰকাশে ব্যক্তিগত প্ৰেম প্ৰদৰ্শন কৰাটো আমাৰ দেশৰ সংস্কৃতি নহয়। সেয়া সকলোৰে বাবেই প্ৰযোজ্য।’ কাটাৰ ছুপ্ৰিম কমিটীৰ তৰফৰ পৰাও সকলোকে সতৰ্ক কৰা হৈছে। কাটাৰ ফুটবল সংস্থাৰ সাধাৰণ সম্পাদকে কয়, ‘কাটাৰ অত্যন্ত ৰক্ষণশীল দেশ। ইয়াত বহু কামেই সম্ভৱ নহয়। সমকামিতা তাতেই প্ৰদৰ্শন কৰা উচিত, যি দেশে ইয়াক মান্যতা দিয়ে।’

# দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হ’ল পিতৃ

## একেলগে পৰীক্ষাত বহিও সাফল্য নাপালে পুত্ৰই

নিউজ ব্যুৰ’

**পুণে, ২২ জুন ঃ** শিক্ষাৰ কোনো বয়স নাথাকে। এই কথা পূৰ্বৰে পৰাই চৰ্চিত। কেৰালাৰ কাত্যায়নী আম্মাই ২০১৮ত ৯৬ বছৰ বয়সত শাৰীৰিক প্ৰতিকূলতাক জয় কৰি পঢ়া-শুনা আৰম্ভ কৰিছিল। আম্মাই পৰীক্ষাও দিলে আৰু উত্তীৰ্ণও হ’ল। বয়স যে অধ্যয়নত বাধা হ’ব নোৱাৰে, সেই কথাই আকৌ এবাৰ প্ৰমাণিত হ’ল। ৪৩ বছৰ বয়সত পুত্ৰৰ স’তে একেলগে দশম শ্ৰেণীৰ ব’ৰ্ডৰ পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হ’ল পুণেৰ এজন লোক।

পুণেৰ নিবাসী ভাস্কৰ ৱাঘমাৰেই এইবাৰ কনিষ্ঠ পুত্ৰ ছাহিলৰ স’তে দশম শ্ৰেণীৰ ব’ৰ্ডৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ফলাফলত দেখা গ’ল যে ৱাঘমাৰে উত্তীৰ্ণ হ’লেও তেওঁৰ কনিষ্ঠ পুত্ৰই সফলতা লাভ কৰিব নোৱাৰিলে। উল্লেখ্য যে শৈশৱৰ পৰাই ৱাঘমাৰেৰ অধ্যয়নৰ প্ৰতি ধাউতি আছিল। যদিও সংসাৰৰ দায়িত্ব কান্ধ পাতি ল’বলগীয়া হোৱাত তেওঁ সপ্তম শ্ৰেণীৰ পাছত আৰু পঢ়িব নোৱাৰিলে। পঢ়া-শুনা এৰি তেওঁ উপাৰ্জনত ব্যস্ত হ’বলগীয়া হৈছিল। যদিও অধ্যয়নৰ সুপ্ত বাসনা এটা তেওঁৰ মনত



তেতিয়াৰে পৰাই আছিল। কেৱল এটা সুযোগৰ অপেক্ষাত আছিল। সুদীৰ্ঘ ৩০ বছৰৰ পাছত ৱাঘমাৰেলৈ আহিল সেই সুযোগ। সংসাৰৰ দায়িত্বৰ বোজা কিছু হ্ৰাস পোৱাৰ পাছতে তেওঁ আধাতে সামৰা শিক্ষা সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লয়। সহপাঠীৰূপে নিজৰ কনিষ্ঠ সন্তানক লৈ তেওঁ দশম শ্ৰেণীৰ ব’ৰ্ডৰ পৰীক্ষাত অৱতীৰ্ণ হয়। ৱাঘমাৰেই কয়, ‘ইচ্ছা থাকিলেও পাৰিবাৰিক দায়িত্বৰ বাবে পঢ়া-শুনাৰ সুযোগ উলিয়াব পৰা নাছিলো। যদিও নতুনকৈ আৰম্ভ কৰাৰ ইচ্ছাৰ পৰাই পুনৰ পঢ়া-শুনা আৰম্ভ কৰিছিলো। এতিয়া মোৰ ল’ৰাৰ বাবেহে চিন্তা হৈছে। সি উত্তীৰ্ণ হোৱা হ’লে বেছি আনন্দ পালোহেঁতেন। সি মোক পঢ়া-শুনাত যথেষ্ট সহায় কৰিছিল।’ অৱশ্যে ৱাঘমাৰেৰ কনিষ্ঠ পুত্ৰ ছাহিলৰ বিশেষ আক্ষেপ নাই। ছাহিলে কয় যে নিজে উত্তীৰ্ণ হ’ব নোৱাৰিলেও পিতৃ উত্তীৰ্ণ হোৱাত যথেষ্ট আনন্দ পাইছে। পৰৱৰ্তী সময়ত পিতৃয়ে পঢ়া-শুনা অব্যাহত ৰাখিব পাৰিলে নিশ্চিতভাৱে সাহায্য কৰিব বুলিও ছাহিলে কয়। লগতে নিজেও আশা পৰিত্যাগ নকৰে বুলি কিশোৰজনে জনাইছে। পাছৰ বাৰ পৰীক্ষা দি যাতে উত্তীৰ্ণ হ’ব পাৰে, সেই চেষ্টা অব্যাহত ৰাখিব বুলিয়ে ছাহিলে জনাইছে। এই ক্ষেত্ৰত ৱাঘমাৰেই পুত্ৰক সাহায্য কৰিব বুলি জানিবলৈ দিয়ে। পৰিয়ালটোৰ বিশ্বাস, এইদৰেই পিতা-পুত্ৰই জীৱনৰ সমস্ত পৰীক্ষাত উত্তীৰ্ণ হ’ব।

# কমা নাই কিলিং নৈৰ পানী সীতাজখলাৰ চাৰি শতাধিক বৰ্ণসংকৰ গাইৰ খাদ্য সংকটত



অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২২ জুন ঃ** গাখীৰ, দৈ, ক্ৰীম, ঘি আদিৰ বাবে বিখ্যাত সীতাজখলাত পশুধনৰ বাবে খাদ্য সংকটে দেখা দিছে। ৰাজ্যজুৰি বানে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়তে আমলিঘাটৰ সীতাজখলা অঞ্চলতো ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে কিলিং নৈৰ বাঢ়নী পানীয়ে। বৰখাল, মাটি পৰ্বত, আমলিঘাট, ডাবৰঘাট, কুঠৰী আদি গাঁৱক শতাধিক পৰিয়ালে বানৰ পৰা ৰক্ষা পাবলৈ ৩৭ নম্বৰ ঘাইপথত বাহৰ পাতিছে। সমান্তৰালকৈ নিজৰ পশুধনসমূহো ঘাইপথলৈ আনি আশ্ৰয় দিব লগা হৈছে গোপালকসকলে। গাখীৰ ওপৰত নিৰ্ভৰশীল শতাধিক গোপালক এতিয়া ভীষণ সমস্যাৰ সন্মুখীন হৈছে। গোহালিত একঁকাল, এবুকু পানী হোৱাত ঘাইপথলৈ আনিছে পশুধনসমূহ। কিন্তু ওখ ঠাইত পশুধনসমূহ ৰখাৰ ব্যৱস্থা কৰিছে যদিও তীব্ৰ খাদ্য সংকটত পৰিছে গোপালকসকল। খেৰৰ মেজি বানৰ কৱলত পৰাত খাদ্য যোগান ধৰিব পৰা নাই গোপালকে। যাৰ বাবে গাখীৰ উৎপাদন কমি যোৱাৰ লগতে পশুধনবোৰৰো স্বাস্থ্য যথেষ্ট পৰিমাণে বেয়া হৈছে। গোপালকসকলে নিজাকৈ যি পাৰে দানা, পানী, খেৰ যোগান ধৰিছে। বিপৰীতে মৰিগাঁও জিলা প্ৰশাসনে যেনেদৰে সাহায্য দিব লাগিছিল সেই পৰিমাণে সাহায্য দিব পৰা নাই। পশুধনসমূহৰ বাবে যি দানা যোগান ধৰিছে সেয়া পৰ্যাপ্ত নহয় বুলি গোপালকে জানিবলৈ দিছে। মাত্ৰ এটা পশুধনৰ বিপৰীতে ডেৰ কিলো দানা যোগান ধৰিছে। যিটো গোপালকৰ বাবে তেনেই নগণ্য। এবাৰ দিয়াৰ পাছত আৰু দ্বিতীয়বাৰ দিবলৈ নাই। যাৰ বাবে গছৰ ডালৰ পাত যোগান ধৰিবলৈ বাধ্য হৈছে গোপালকসকলে। তিনি-চাৰিদিনৰ মূৰত মাত্ৰ ডেৰ কিলো পশু খাদ্য যোগানে একপ্ৰকাৰে জিলা প্ৰশাসনৰ ব্যৰ্থতাকেই উদঙাই দিছে।

আজি প্ৰকাশ পালে
প্ৰস্তুতি সাৰথি
(তৃতীয় বৰ্গৰ বিভিন্ন পদৰ বাছনি পৰীক্ষাৰ বাবে)
(Prepared according to new syllabus published by S.L.R.C. on 19-06-22)
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-০১
ফোন নং ঃ ৮৮১১০৮১০০১

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola
Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.
Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com